# মঙলদৈ মহাবিদ্যালয় আলোচনী

৩৬ তম সংখ্যা

ইং ১৯৯৭-৯৮ চন


তত্ত্বাৱধায়ক ঃ

অধ্যাপক শ্ৰীমতিৰাম মেধি

এম এ, এম ফিল

সম্পাদক ঃ

শ্ৰীঅৰুণ শৰ্মা

# উৎসৰ্গা




একনিষ্ঠ
ত্যাগেৰে এই জ্ঞানপীঠ
নিৰ্মাণ কৰা বৰেণ্য ব্যক্তি
সকলৰ নামত এই
সংখ্যাৰ মঙলদৈ
মহাবিদ্যালয়
আলোচনী
শ্ৰদ্ধাৰে
উ
ৎ
স
ৰ্গা
কৰিলোঁ ।



• সম্পাদনা সমিতি •

# শ্ৰদ্ধাঞ্জলি



যি সকল বীৰ
শ্বহীদে স্বদেশ
আৰু স্বজাতিৰ হকে
প্ৰাণাহুতি দিলে,
ভাষা সংস্কৃতিৰ
বৰদেউল
বান্ধিৱ গৈ
জীৱন
নাটৰ
অৱসান
ঘটালে, সেই
বীৰ সৱক শ্ৰদ্ধাৰে সোঁৱৰিছো ।

সম্পাদনা সমিতি



**ড° নগেন্দ্ৰ নাথ শৰ্মা**

(মূৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ)

নিযুক্তি দিনাংক ১১-১১-৬৩

অৱসৰ দিনাংক ৩১-৩-৯৮



**ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা**

(উপাধ্যক্ষ আৰু মূৰব্বী অধ্যাপক, অসমীয়া বিভাগ)

নিযুক্তি দিনাংক ৮-১-৬৪

অৱসৰ দিনাংক ১-৬-৯৮

*হে জ্ঞানৰ পূজাৰী,*

*অধ্যাপনাক জীৱনৰ পবিত্ৰ ব্ৰত হিচাপে অৱলম্বন কৰি আমাৰ এই মহাবিদ্যালয়ত মূৰব্বী অধ্যাপকৰূপে শিক্ষাদানত আগবঢ়োৱা সেৱা কাৰ্য্যৰ প্ৰতি আমি সমূহ ছাত্ৰ-ছাত্ৰীয়ে আপোনালোকৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি সুস্থ-সবল, সুদীৰ্ঘ জীৱন কামনাৰে শুভলগনত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ পৰম কৰুণাময়ে আপোনালোকৰ জীৱনৰ বাকী কালছোৱা সৰ্ব্বতোপ্ৰকাৰে মঙ্গলময় কৰক —তাৰেই কামনাৰে ।*

সম্পাদনা সমিতি

# অশ্ৰু অঞ্জলি



**স্বৰ্গীয় জয়ন্ত কুমাৰ বৰুৱা**

জন্ম ২০-১১-৭৬

মৃত্যু ৮-১০-৯৮

*কোনে কাৰ কথা শুনে*
*হাঁহাকাৰত কাৰো কথা কাণত নপৰে,*
*কেৱল শুনা যায় মিশ্ৰিত ভাষাৰ কলৰৱ ।*
*ঘৰ্মাক্ত দেহাৰে সাঙিখন টানি টানি শৱযাত্ৰীৰ দল ।*

হাঁহি আৰু চকুলোৰ কৰুণ মিলন ঘটায় আমাৰ মাজৰ পৰা আঁতৰি যোৱা বন্ধু জয়ন্তক আমি সদায় মনত ৰাখিম ।

সম্পাদনা সমিতি

# মঙলদৈ মহাবিদ্যালয় আলোচনী

৩৬ তম সংখ্যা, ১৯৯৭-৯৮ বৰ্ষ

## সম্পাদনা সমিতি


| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° লোকেশ্বৰ নাথ *(অধ্যক্ষ)* |
| উপদেষ্টা | ঃ | শ্ৰীক্ষিতেশ্বৰ কোঁচ *(অধ্যাপক)* |
| | | শ্ৰীকুমুদ শৰ্মা *( ,, )* |
| সভাপতি | ঃ | শ্ৰীইদ্ৰিছ আলি *( ,, )* |
| তত্বাৱধায়ক | ঃ | শ্ৰীমতিৰাম মেধি *( ,, )* |
| সম্পাদক | ঃ | শ্ৰীঅৰুণ শৰ্মা |
| সদস্য | ঃ | ,, ঘনকান্ত বৰুৱা *(হিচাপ ৰক্ষক)* |
| | | ,, অপূৰ্ব কুমাৰ কলিতা |
| | | ,, শৈলেন চহৰীয়া |
| | | ,, নৱজ্যোতি ডেকা |
| | | ,, নিপুঞ্জয় বড়া |
| | | ,, দিলীপ কুমাৰ ডেকা |
| | | ,, দ্বিপেন বৰুৱা |
| বেটুপাত | ঃ | অপূৰ্ব কুমাৰ কলিতা |
| অংগ সজ্জা | ঃ | অপূৰ্ব কুমাৰ কলিতা আৰু সম্পাদক |

মুদ্ৰক ঃ
**কম্প্‌-এড্‌**
মহাত্মা গান্ধী পথ, মঙলদৈ
**দৰং (অসম)**
ফোন - ২২৭১৬


## কৃতজ্ঞতা স্বীকাৰ


- *আলোচনীখন প্ৰকাশত সকলো সময়তে সহায়-সহযোগিতা আগবঢ়োৱা অধ্যক্ষ ড° লোকেশ্বৰ নাথ আৰু ভাবপ্ৰাপ্ত অধ্যাপক শ্ৰীমতিৰাম মেধি আৰু ড° বিজয় কুমাৰ শৰ্মা চাৰ দেৱলৈ প্ৰথমে শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।*
- *আলোচনীখনৰ পাণ্ডুলিপি সমূহ পৰীক্ষা কৰি দি সহযোগিতা আগবঢ়োৱা অধ্যাপক শ্ৰীডিম্বেশ্বৰ বৰুৱা, শ্ৰীইদ্ৰিছ আলি, শ্ৰীআচিফ আলি, ড° বিজয় কুমাৰ শৰ্মা, শ্ৰীবিচিত্ৰ কুমাৰ মেধি, শ্ৰীগিৰিশ চন্দ্ৰ গোস্বামী চাৰ আৰু অধ্যাপিকা শ্ৰীবনানি চক্ৰৱৰ্তী বাইদেউৰ ওচৰত শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*
- *সম্পাদনা সমিতিৰ সদস্য বৰ্গলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*
- *আলোচনীখনৰ লেখক-লেখিকা যিসকলৰ অৱদান অবিহনে আলোচনীখন কল্পনাৰ অগোচৰ, সেইসকলৰ ওচৰত কৃতজ্ঞতা নিবেদিছোঁ।*
- *আলোচনীখনৰ শিল্পী অপূৰ্ব কুমাৰ কলিতা দেৱ আৰু কম্প্‌-এড্‌ৰ কৰ্মীবৃন্দলৈ কৃতজ্ঞতা নিবেদিছোঁ।*
- *বিভিন্ন দিশৰ পৰা সহায় আগবঢ়াই আলোচনীখন প্ৰকাশৰ পথ সুগম কৰা প্ৰেমলতা, নুৰেদা, নিৰুপমা, ইন্দ্ৰ, বিজু, কানন, মফিদা, অৰুণিমা, ৱবিতা, গিতু, অনুৰাধা, অনীতা, কবিতা, কৰবী, তপন, চণ্ডী, বিপুল, যুগল, পুলকিতা, নজৰুল, স্বৰূপ, কল্প, কমল, তিল, শেৱালী, নিভা, জোন, কমলেশ্বৰ জোনালী, দিলীপ, দুৰ্যোধন আৰু অজ্ঞাতে বৈ যোৱা মোৰ শুভাকাংক্ষী বন্ধুবৰ্গলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।*
- *এই সুযোগতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক আলোচনীখনৰ সম্পাদকৰ দৰে গধুৰ দায়িত্বত উপবিষ্ট কৰালে, সেইসকললৈ আন্তৰিক কৃতজ্ঞতা নিবেদিলোঁ।*

# মহাবিদ্যালয়ৰ প্ৰতীকৰ তাৎপৰ্য্য

"নিহিত সম্ভাৱনাৰ বিকাশেই জীৱন ।
এই বিকাশৰ মূলকথা ঘাত-প্ৰতিঘাতৰ মাজত
খেলুৱৈৰ মনোভাবেৰে আৰু নিৰ্লিপ্ত চিত্তেৰে স্থূলৰ পৰা সুক্ষ্মলৈ,
ক্ষুদ্ৰৰ পৰা বৃহত্তলৈ, স্বাৰ্থপৰতাৰ পৰা নিঃস্বাৰ্থ ভাবলৈ,
ব্যক্তিকেন্দ্ৰিকতাৰ পৰা সামাজিকতালৈ, —মুঠতে অন্ধকাৰৰ পৰা পোহৰলৈ গতি ।
এনে বিকাশৰ অৰ্থে প্ৰথমতে প্ৰয়োজন বিশেষ চাৰিত্ৰিক গুণৰ, বিশেষ দক্ষতাৰ,
গভীৰ অভিজ্ঞতাৰ, অফুৰন্ত উদ্যম আৰু কৰ্মৰ । দ্বিতীয়তে প্ৰয়োজন সেইবোৰৰ সমাজমুখী, বিস্তাৰমুখী,
ত্যাগমুখী আৰু মঙ্গলকামী গতি ।শিক্ষাৰ এই মূল অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয় প্ৰতীকত
সেয়ে মূলকথা হিচাবে দিয়া হৈছে ভাৰতীয় সভ্যতাৰ মূল ভেটি উপনিষদৰ মহতী বাণী

**—তমসো মা জ্যোতিৰ্গময় ।**

পৰিসীমাৰ ঢালৰূপে সুচাইছে খেলুৱৈৰ মনোভাৱ আৰু নিৰ্লিপ্ত চিত্ত ।
মাজৰ যোগ চিহ্নই সূচনা কৰিছে অভিজ্ঞতা, দক্ষতা, চাৰিত্ৰিক গুণ আৰু
উদ্যমৰ লগত প্ৰাণৰ সংযোগ । ৰেখাবোৰৰ ৰঙা ৰঙে সূচাইছে শক্তি আৰু প্ৰাণ,
পশ্চাদভূমিৰ নীলা ৰঙে সংযম আৰু অভিজ্ঞতালব্ধ জ্ঞান, কেন্দ্ৰৰ বগা ৰঙে শুদ্ধতা আৰু পবিত্ৰতা ।
জ্ঞানেই আনন্দ, জীৱনৰ সাৰ্থকতা আৰু সমৃদ্ধি । সোণালী শস্যৰ ঠোক এটাৰ মাজত স্পষ্ট হৈ পৰিছে
জীৱনৰ এই আনন্দভিত্তিক সমৃদ্ধি আৰু প্ৰাপ্তি । এই প্ৰাপ্তি কিন্তু স্বাৰ্থপৰ নহয় ।
ই সীমিত নহয় । ই স্থিতিশীল নহয় । ই গতিশীল, সমাজমুখী, মঙ্গলকামী আৰু অসীম ।
পূৰণ চিহ্নৰ মাজত আছে বিস্তাৰৰ প্ৰেৰণা আৰু চতুৰ্দিশে বিস্ফুৰিত
জ্যোতিকণাৰ মাজত আছে প্ৰাণময় জীৱনৰ মঙ্গলময়
বিকাশ আৰু তাৰ গতি ।"



কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ

**ড° লোকেশ্বৰ নাথ** এম.এচ্.চি., বি.টি., এম.ফিল., পি.এইচ.ডি.

# তত্ত্বাৱধায়কৰ একলম.......................................



সংসাৰত সকলো প্ৰাণীতকৈ মানৱক জ্ঞান বা বিদ্যাই শ্ৰেষ্ঠ স্থান দিছে । কিয়নো আহাৰ, নিদ্ৰা, ভয়, মৈথুন এই চাৰি কাৰ্য্য মানুহ আৰু পশু উভয়ৰে আছে, কেৱল 'জ্ঞান'ৰ দ্বাৰাইহে মানৱক পৃথক কৰা হৈছে । সেয়েহে বিজ্ঞজনে জ্ঞানহীন বা বিদ্যাহীন জনক পশুৰ তুল্য বুলি কৈছে । আনহাতে মানুহৰ সকলো আশা -আকাংক্ষা পুৰণৰ ক্ষেত্ৰত বিদ্যা বা জ্ঞানেই হৈছে শ্ৰেষ্ঠ সম্পদ । গতিকে যিজনে জ্ঞান দান কৰে বা যিজনে জ্ঞান আহৰণ কৰে দুয়োজনেই পৰম ভাগ্যৱান । জ্ঞান দাতা আৰু জ্ঞান আহৰণকাৰীৰ মাজত যি সম্বন্ধ সি হ'ল গুৰু-শিষ্যৰ সম্বন্ধ ; শিক্ষক-ছাত্ৰৰ সম্বন্ধ ।

শাস্ত্ৰসমূহত উল্লেখ থকাৰ দৰেই 'গুৰু' শব্দৰ অৰ্থ হৈছে— 'গিৰতি সিঞ্চিতি কৰ্ণয়োজ্ঞানামৃতম্ ইতি গুৰ' অৰ্থাৎ 'যিয়ে শিষ্যৰ কাণত জ্ঞানৰূপী অমৃত সিঞ্চন কৰে তেঁৱেই গুৰু । নাইবা 'গিৰতি অজ্ঞানান্ধাৰম্ ইতি গুৰু' অৰ্থাৎ যিজনে সৎ উপদেশৰে শিষ্যৰ অজ্ঞান আন্ধাৰ দূৰ কৰে তেঁৱেই গুৰু । সেইদৰে ছাত্ৰ বা বিদ্যাৰ্থীৰ অৰ্থাৎ 'গুৰু দোৰ্ষানামাবৰণং ছত্ৰম্ তচ্ছীলমস্য ছাত্ৰ' — তেওঁকেই ছাত্ৰ আখ্যা দিয়া হয় । যিজনে নিজ অধ্যয়নত ৰত হৈ গুৰুজনৰ যৎকিঞ্চিত দোষতো ছত্ৰৰ দৰে ঢাকি ৰাখি যশ প্ৰকাশত ব্ৰতী হয় । বিদ্যাৰ্থীৰ অৰ্থও সেইদৰে 'বিদ্যাম্ অৰ্থয়তে তচ্ছীলঃ বিদ্যাৰ্থী' অৰ্থাৎ যিজনে গুৰুক বিদ্যাৰ পূৰ্ণ অধিকাৰী জ্ঞান কৰি বিনম্ৰভাৱে বিদ্যা প্ৰাৰ্থনা কৰে সেইজনেই বিদ্যাৰ্থী । সমগ্ৰ বিশ্বতে শিক্ষক-ছাত্ৰৰ এই পৰম্পৰা স্মৰণাতীত কালৰে পৰাই আছে আৰু থাকিবই ।

এই শিক্ষক আৰু ছাত্ৰ উভয়ৰে মধুৰ মিলন ক্ষেত্ৰ হৈছে একোখন বিদ্যালয় —য'ত জ্ঞানৰ উৎকৰ্ষ সাধন হয়, সৃষ্টি হয় গুণী-জ্ঞানী ব্যক্তিৰ । উপাদেয় বিষয়বস্তুৰে প্ৰকাশ পায় মননশীল লেখনীৰ, অনুশীলনৰ যোগেদি সৃষ্টি হয় বৰ্ণাঢ্য সংস্কৃতি আৰু সুন্দৰৰ পূজাৰীৰ । গুৰু-শিষ্যৰ অপূৰ্ব্ব সমন্বয়েৰে সৃষ্টি হ'বলৈ ধৰে এটা জাতিৰ ভাব-ভাষা-কৃষ্টিৰ চিন্তাধাৰা, লগতে ভিন্ন ৰসৰ সাহিত্য ।

বিশ্ব-বিশ্ৰুত শিল্পী-সাহিত্যিক-বিজ্ঞানী সকলৰ ক্ষেত্ৰতো ছাত্ৰাৱস্থাৰ পৰাই সৃজনীমূলক প্ৰতিভাৰ উন্মেষ ঘটা দেখা যায় । এই প্ৰতিভাৰ আলোকসন্ধানী দিশটো মুখ্যতঃ বহন কৰে একোখন বিদ্যালয়ৰ মুখপত্ৰ বা আলোচনীয়ে নতুন প্ৰজন্মৰ লেখনিৰ যোগেদিহে। সেয়ে, ছাত্ৰ-ছাত্ৰীৰ মাজত পঢ়া-শুনাৰ লগতে লেখা-মেলা দুয়োবিধৰ সমানে চৰ্চ্চা থাকিলেহে এই লক্ষ্যত উপনীত হ'ব পৰা যাব । অৱশ্যে মহাবিদ্যালয় পৰ্য্যায়ত এখন উচ্চমানবিশিষ্ট আলোচনীৰ বাবে প্ৰয়োজনীয় লেখনি পাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক লাগিব এটা সমৃদ্ধিশালী গ্ৰন্থাগাৰ, নিয়মিত গ্ৰন্থ অধ্যয়ন, বিষয়-বস্তুৰ ওপৰত দলবদ্ধ আলোচনা আৰু কঠোৰ অনুশীলন । সেয়ে, বিদ্যালয়/মহাবিদ্যালয় পৰ্য্যায়ৰ পৰাই বিদ্যাৰ্থীসকলে ন-পুৰণি চিন্তা-চৰ্চাৰে উদ্বুদ্ধ হৈ গুৰু-শিষ্যৰ মধুৰ সমন্বয়েৰে সৃষ্টি কৰিব লাগিব জাতি এটাক প্ৰতিনিধিত্ব কৰিব পৰা উচ্চস্তৰৰ লেখনি । লেখনিৰেই সৃষ্টি কৰিব লাগিব 'হিংসাৰ চিক্‌মিক্ তৰোৱাল ভাঙি নাঙলৰ ফাল গঢ়াৰ পৰিৱেশ ....... ।'

এই সংখ্যাৰ আলোচনীখন আমাৰ মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ লেখনিৰেই সমৃদ্ধ । লেখনিসমূহৰ বিষয়বস্তু আৰু ছপা পদ্ধতিও পৰম্পৰাগতভাৱেই হৈছে । আলোচনী বিভাগৰ পুঁজি আৰু উচ্চমানৰ লেখা দুয়োবিধৰ দন্যতাই ইয়াৰ কাৰণ । তাকৰীয়া পুঁজিৰে হয়তো এইবাৰৰ আলোচনীখন ছপোৱা সম্ভৱ নহ'লহেঁতেন যদিহে মহাবিদ্যালয় অধ্যক্ষ মাননীয় ড° লোকেশ্বৰ নাথদেৱে এই ক্ষেত্ৰত উদ্যোগ আৰু প্ৰচেষ্টা নল'লেহেঁতেন । তাৰবাবে তেখেতৰ ওচৰত আমি কৃতজ্ঞ । লগতে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনা সমিতিৰ পৰামৰ্শ আৰু চেষ্টা, সম্পাদকৰ পৰিশ্ৰম আৰু যত্ন আৰু লেখক-লেখিকা সকলৰ বৰঙণি বিশেষভাৱে উল্লেখযোগ্য । এই প্ৰসঙ্গতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে সংশ্লিষ্ট সকলোকে জনোৱা হয় যে —বৰ্তমানৰ লেখিয়া সীমিত পুঁজিৰে ভৱিষ্যতে মহাবিদ্যালয় আলোচনীখন প্ৰকাশ কৰাতো সম্ভৱপৰ নহ'ব ।

আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনে অপকৃষ্টি বিনাশ কৰি থলুৱা কৃষ্টি-সংস্কৃতিৰ লগতে মহাবিদ্যালয়ৰ সকলো আদৰ্শনীয় দিশ আলোচনীৰ প্ৰতিটো পাতত প্ৰতিবিম্বিত কৰি তোলক —এই কামনাৰে ।

**জয়তু মঙলদৈ মহাবিদ্যালয় ।**

*শ্ৰীমতিৰাম মেধি*
তত্ত্বাৱধায়ক
অধ্যাপক, মঙলদৈ মহাবিদ্যালয়

# স ম্পা দ কী য়



*হে ঈশ্বৰ, আমি জানো যে জীৱনটো এক অলিক ছায়ামূৰ্তিৰ বাহিৰে আন একো নহয়। এই জীৱনটোক লৈ আমি যি কৰোঁ, সেই কথা আমি নিজেই নাজানো। মনত একো বিশ্বাসৰ জোৰ নোহোৱাকৈ আমি অন্ধকাৰত খপজপাই ফুৰো। তথাপি যুদ্ধ কৰিবলৈ আৰু যুদ্ধত পৰাজয় বৰণ কৰিবলৈ তুমি মোক সহায় কৰা।*

*মই যেন চিৰ বিদ্ৰোহী হৈ থাকিব পাৰো। মোক ভক্তিমান কৰাতকৈ মোক হ'বলৈ দিয়া দুঃসাহসী, প্ৰতিবাদী, আত্মসন্তুষ্টিৰ পৰা মই যেন সদায় মুক্ত হৈ থাকিব পাৰোঁ। মোৰ অন্তৰ যেন পৰিপূৰ্ণ হৈ থাকে প্ৰাণৱন্ত আৰু সংশয়েৰে।*

*আমাৰ মহত্তম কল্পনাৰ বিস্ময়েৰে জ্যোতিষ্মান আৰু সৌন্দৰ্য্যৰে মণ্ডিত জগতখনৰ প্ৰতি মোৰ চকু মুকলি কৰি দিয়া। কিন্তু একে সময়তে মোক চাই থাকিবলৈ দিয়া সকলো ময়লা আৰু আৱৰ্জনা, চাই থাকিবলৈ দিয়া সেই পুতি গন্ধ নৰকত জন্ম গ্ৰহণ কৰা, মৃত্যু বৰণ কৰা সকলো প্ৰাণীকে। মধুৰ সংগীতৰ প্ৰতি মুকলি কৰি দিয়া মোৰ কাণ দুখন। বসন্ত আগমণ ঘোষণা কৰা কোকিলৰ শব্দ আৰু বাঁহীৰ সুৰ শুনি মই যেন আনন্দত বিহ্বল হ'ব পাৰো। কিন্তু মোক কেতিয়াও পাহৰিবলৈ নিদিবা নৰকতুল্য বস্তিত বাস কৰা মানুহবোৰৰ কৰুণ বিননি।*

*মোক এনে কঠিন আৰু প্ৰবল অহংকাৰ দিয়া যাৰ জোৰত মই সকলো ধৰণৰ আপোচ আৰু পাপ মাৰি কাম কৰা প্ৰবৃত্তিৰ পৰা নিজকে মুক্ত কৰি ৰাখিব পাৰোঁ। অৱশেষত যেতিয়া মই যুদ্ধত জয়লাভ কৰিম হে ঈশ্বৰ তেতিয়াও যেন মই হৈ থাকিব পাৰোঁ অভদ্ৰ......।*

*জয় জয়তে পৰমপিতা পৰমেশ্বৰৰ ওচৰত শতকৌটি প্ৰণিপাত জনাইছো। জ্যেষ্ঠ সকললৈ শ্ৰদ্ধা, সমনীয়া আৰু অনুজ সকললৈ মৰম আৰু শুভেচ্ছা যাচিছোঁ। যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদকৰ দৰে দায়িত্বশীল পদত উপবিষ্ট কৰালে তেওঁলোকলৈ মই আন্তৰিক ধন্যবাদ জনালোঁ। লগতে সেই সকল চিৰ নমস্য ব্যক্তিলৈ যি সকলে এই পূণ্যধাম নিৰ্মাণ কৰি আমাৰ দৰে ছাত্ৰ-ছাত্ৰীবোৰক জ্ঞান আহৰণত সুবিধা কৰি দিলে, তেওঁলোকলৈয়ো মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।*

*ভুল মোৰ চিৰলগৰীয়া, সেয়েহে লিখনিত সন্নিবিষ্ট জ্ঞাত বা অজ্ঞাত ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।*

**ছাত্ৰ আৰু সমাজ ঃ**

*ছাত্ৰই দেশৰ ভৱিষ্যত জ্যোতি। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। শিক্ষাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ছাত্ৰ শক্তি এটা মহান শক্তি। বৰ্তমান যুগ প্ৰগতিৰ যুগ। এই প্ৰগতিৰ যুগত এখন দেশৰ সমাজে উন্নতিৰ পথত ধাৱমান হৈছে কোনো এক অদুৰ ভৱিষ্যতলৈ। প্ৰতিখন সমাজে ভাতৃত্ববোধ আৰু একাগ্ৰতাৰে আগুৱান হ'ব লাগিব। নহ'লে দেশৰ ভৱিষ্যত যে তিমিৰাচ্ছন্ন সি ধ্ৰুৱপ। বৰ্তমান বিজ্ঞানৰ যুগ। এই বিজ্ঞানৰ যুগত ন-ন বস্তুৰ আৱিষ্কাৰ হৈয়েই আছে। সেই বাবেই আমি পুৰণি বোৰক আঁতৰাই নতুনক প্ৰতিষ্ঠিত কৰিব যাওঁতে বহুতো বাধা-বিঘিনিয়ে দেখা দিব পাৰে। এই বাধা-বিঘিনিবোৰ আঁতৰাই এখন নিকা সমাজ গঢ়াত ভূমিকা ল'ব পাৰে সৎ সংগঠনবোৰে। তেনে এটি সংগঠনৰ বাস্তৱ ৰূপ স্বৰূপ মহাবিদ্যালয় ছাত্ৰ একতা সভাবোৰ। বৰ্তমান সমাজ ব্যৱস্থাই আমাক পংগু কৰি পেলাব যদিহে আমি ইয়াৰ প্ৰতিকাৰ নকৰো। সেয়েহে দুনীতি নিৰ্মূল হ'ব লাগে ছাত্ৰ একতা সভাৰ লক্ষ্য।*

**ছাত্ৰৰ কৰ্তব্য ঃ**

*সত্যনাথ বৰাদেৱে কৈছিল, পৃথিৱীখন অধ্যয়ন কৰিব পাৰিলে বহু কথাই শিকিব পাৰি। যদিও পৃথিৱীখন জ্ঞানৰ ভঁৰাল তথাপি পুথিগত বিদ্যা অধ্যয়নৰ সুবিধাৰ্থে বিখ্যাত পণ্ডিত সকলে বিদ্যালয় সমূহ প্ৰতিষ্ঠা কৰাৰ কথা চিন্তা কৰিছিল। 'ছাত্ৰানাং অধ্যয়নং তপঃ।' যদিও ছাত্ৰ সকলৰ অধ্যয়ন কৰাটোৱেই কৰ্তব্য তথাপি ছাত্ৰ সকল অকল অধ্যয়নতেই মজি থাকিলে নহ'ব। "THE STUDENTS OF TO-DAY ARE THE LEADERS OF TO-MORROW" (আজিৰ ছাত্ৰ কাইলৈৰ শাসক) কথাষাৰ কৈছিল নেহৰু খুড়াই। আজিৰ ছাত্ৰ যদি কাইলৈৰ শাসক বা নেতা হ'বলগীয়া হয় তেনেহলে ছাত্ৰ-ছাত্ৰী সকলে পুথি অধ্যয়নৰ লগতে দেশখনকো অধ্যয়ন কৰি যাব লাগিব। প্ৰকৃত ছাত্ৰ হ'ব লাগিলে কেইটামান গুণৰ আৱশ্যক। তেওঁলোকৰ গাত সৎগুণ, সত্যবাদিতা, নম্ৰতা, বিনয়ী, সু-চৰিত্ৰ, কৰ্তব্যবোধ আৰু সমাজ*

*সেৱাৰ মনোভাৱ আদি থাকিব লাগিব । ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নগত বিদ্যা হয় অলংকাৰ । প্ৰকৃত জ্ঞান হয় অলংকাৰৰ শোভা । সংসাৰ হ'ল এক বিচিত্ৰ যুদ্ধক্ষেত্ৰ । আমি ছাত্ৰ-ছাত্ৰী হ'লো এই যুদ্ধক্ষেত্ৰৰ একোজন সৈনিক । এই সৈনিকে জীৱন যুদ্ধত নিজকে বিজয়ীৰূপে প্ৰতিষ্ঠা কৰিবলৈ যুদ্ধৰ এজন সক্ষম সেনা হ'বলৈ সৰ্বাংগ সুন্দৰ কৰি গঢ়ি নিজকে জীৱন যুঁজৰ বাবে প্ৰস্তুত কৰিবলৈ কেৱল পাঠ্যপুথিৰ সীমাবদ্ধ জ্ঞান আহৰণত ব্যস্ত থাকিলেই আমাৰ কাম শেষ নহয় । ছাত্ৰ হিচাপে আমাৰ কিছুমান নৈতিক কৰ্তব্য আছে । সংসাৰ যুঁজত অৱতীৰ্ণ হ'বলৈ যেনেদৰে নানা সমস্যাৰ সন্মুখীন হ'ব লগা হয়, ঠিক সেইদৰে আমিও প্ৰতিযোগিতাত জয়লাভ কৰিবলৈ নিজকে প্ৰস্তুত কৰি ল'ব লগা হয় । সেইবাবেই পাঠ্য-পুথিৰ লগত সম্বন্ধ ৰাখি লাগতিয়াল জ্ঞান আহৰণ কৰাৰো প্ৰয়োজন ।*

## আলোচনী সম্পৰ্কে ঃ

*আলোচনীখন হ'ল বিদ্যালয় অথবা মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ । দাপোণত আমি আমাৰ প্ৰতিবিম্ব দেখাৰ দৰে আলোচনীত আমি আমাৰ প্ৰতিভা দেখা পাওঁ । ইয়াৰ অৰ্থ এইটো নহয় যে যিসকল ছাত্ৰ-ছাত্ৰীৰ গল্প-প্ৰবন্ধ, কবিতা আদি প্ৰকাশ নাপালে তেওঁলোকৰ প্ৰতিভা নাই । গোটেই আলোচনীখন অকল কবিতা বা গল্প, প্ৰবন্ধ এটা বিষয়ৰে সম্পূৰ্ণ কৰিব নোৱাৰি । সেইবাবেই দুই এটা গল্প, কবিতা আমি এৰাই চলিব লাগে । আলোচনীৰ সম্পাদক হোৱাটো ডাঙৰ কথা নহয় । সম্পাদক নিৰ্বাচিত হৈ আলোচনী এখন সজাই পৰাই ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহীকৈ উলিয়াই দিব পৰাটোহে আটাইতকৈ ডাঙৰ কথা । আলোচনীখন যদি আজিৰ আলোচনীখনতকৈ উন্নত মানবিশিষ্ট বা বৰ্দ্ধিত কলেৱৰৰ কৰিব লগা হয় তেনেহলে নিশ্চিত ৰূপত ক'ব পাৰো যে ইয়াৰ বাবে যথেষ্ট অৰ্থৰ প্ৰয়োজন । এই সুযোগতে এখন সৰ্বাংগ সুন্দৰ আলোচনী প্ৰকাশৰ বাবে প্ৰয়োজনীয় বৰ্দ্ধিত পুঁজিৰ ব্যৱস্থা কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ । প্ৰকাশ থাকে যে — এই সংখ্যাৰ আলোচনী প্ৰকাশৰ বাবে নিৰ্দিষ্ট পুঁজিৰ বাহিৰেও অতিৰিক্ত কিছু ধন মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে উলিয়াই দিয়াতহে বৰ্তমানৰ ৰূপ দিয়া সম্ভৱ হৈছে ।*

*এইবাৰ আলোচনীখনত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষত প্ৰকাশ পোৱা মহাবিদ্যালয়ৰ প্ৰতীক চিহ্নটিৰ ৰঙীণ অৰ্থ ১ম বাৰৰ বাবে প্ৰকাশ কৰা হ'ল । কালৰ প্ৰবল সোঁতত হেৰাই যাব ধৰা মহাবিদ্যালয়ৰ প্ৰতীকটো সম্পূৰ্ণ ভাবে অংকণ কৰি অৰ্থবোৰ প্ৰকাশ কৰা হ'ল । লগতে প্ৰথম আলোচনীৰ সম্পাদকৰ লগত ছাত্ৰ-ছাত্ৰীক চিনাকী কৰি দিয়া হ'ল ।*

## সামৰণিত ঃ

*মোৰ কাৰ্য্যকালত সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ ড° লোকেশ্বৰ নাথ চাৰ শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীমতিৰাম মেধি চাৰ লগতে বন্ধুবৰ্গলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো ।*

*সকলোকে সন্তুষ্ট কৰিবলৈ বিদুৰৰ কুটিৰত যে একোৱেই নাই—*

*আছে মাথো একোখনি দৰদী হিয়া*
*আৰু তাতেই পাহমেলা একাজলি ফুল*

*তাৰেই—*

*কৰিছো মিনতি আমি আকুল অন্তৰে আজি*
*বছৰৰ শেষ উপহাৰ*
*জ্ঞাতে অজ্ঞাতে হোৱা ক্ষমিব সকলো দোষ*
*নিজ সন্তান, ককাই, ভাই*
*বুলি আপোনাৰ ।*

**জয়তু মঙলদৈ মহাবিদ্যালয়**

**জয়তু ছাত্ৰ একতা সভা**

**জয় আই অসম**

*শ্ৰীঅৰুণ শৰ্মা*
সম্পাদক, আলোচনী বিভাগ
ইং ১৯৯৭-৯৮ বৰ্ষ

# আলোচনীৰ পাতে পাতে

## প্ৰবন্ধ


১ মানুহৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ □ ড° লোকেশ্বৰ নাথ
৩ দৰঙীয়া ঠাৰ □ ড° বিজয় কুমাৰ শৰ্মা
৫ নিবনুৱা সমস্যা চৰকৰী নিয়োগনীতি □ শ্ৰীপৰেশ কুমাৰ শৰ্মা
৬ শ্ৰীশ্ৰীবালক ব্ৰহ্মচাৰী মহাৰাজ □ শ্ৰীদুৰ্য্যোধন দাস
৭ আচৰণ □ শ্ৰীভাস্কৰজ্যোতি গোস্বামী
৮ অঙ্গৰাগত জেতুকাৰ স্থান □ মঃ আতাউৰ ৰহমান
৯ আধুনিক যুব-সমাজ আৰু মাদক দ্ৰব্য □ শ্ৰীদুলাল চন্দ্ৰ মহন্ত
১০ অসমীয়া জাতিলৈ শঙ্কৰদেৱৰ অৱদান □ শ্ৰীমাণিক চহৰীয়া
১২ লোক সংস্কৃতি □ শ্ৰীসাধিৰাম বড়া
১৪ বিষয় : প্ৰেম □ মঃ শ্বাহনাৱাজ আহমেদ
১৬ ঐতিহ্যপূৰ্ণ মঙলদৈৰ চমু ইতিহাস □ শ্ৰীমণ্টু কুমাৰ বড়ো
১৯ 'দুখ' আৰু বুদ্ধদেৱৰ মহাসত্য বাণী □ শ্ৰীঅনন্ত বৰুৱা
২১ শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীতত ভক্তি-ৰস আৰু আধ্যাত্মিকতাৰ সুৰ □ শ্ৰীৰাণীকান্ত বণিয়া
২৩ মজিদ চাৰৰ স্মৃতিৰে □ শ্ৰীথানেশ্বৰ শৰ্মা
২৫ অসমৰ বাদ্যযন্ত্ৰ : এটি চমু আলোকপাত □ শ্ৰীদিপ্তী শৰ্মা
২৭ ১৯৯৮ চনৰ অৰ্থনীতৰ ন'বেল বঁটা বিজয়ী
অধ্যাপক ড° অমৰ্ত্য সেনৰ জীৱন আৰু কৃতি □ শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা
২৯ দৰঙৰ ভাষা-সাহিত্যত ঠাৰৰ প্ৰয়োগ □ শ্ৰীমৃদুল কুমাৰ শৰ্মা
৩০ ভাৰতবৰ্ষৰ বৰ্দ্ধিত জনসংখ্যা আৰু ইয়াৰ জ্বলন্ত সমস্যা □ শ্ৰীঅনিমা কলিতা
৩২ অমৰত্ব সম্ভৱনে ? □ কুলদীপ শইকীয়া
৩৪ মুখামুখি □ শ্ৰীঅৰুণ শৰ্মা


## গল্প


৩৫ বন্দুক □ শ্ৰীনাৰায়ণ চন্দ্ৰ ঘোষ
৩৭ পিংকী □ মঃ জাহিদুল ইছলাম
৩৯ শৰবিদ্ধ বিহংগ কম্পন □ মিচ্ নুৰেদা আখতাৰা খানম
৪০ বন্ধুত্ব □ শ্ৰীভূচিত্ৰা শৰ্মা
৪৩ সংগ্ৰাম □ শ্ৰীমিতালী শইকীয়া
৪৪ সাপ □ শ্ৰীমহাদেৱ বৰুৱা
৪৬ সিদ্ধান্ত □ শ্ৰীতপন কুমাৰ বৰুৱা
৪৭ পুনঃ প্ৰতিশ্ৰুতি □ শ্ৰীমনোজ হাজৰিকা
৪৯ তেজৰ চিঠি □ শ্ৰীজৰ্ণ্টিৰাম কলিতা
৫১ নিলাজ চকুলো □ মিচ্ ৰৌচন আৰা বেগম
৫৩ প্ৰতিশোধ □ শ্ৰীনমিতা ডেকা
৫৫ চক্ৰবেহ □ শ্ৰীগোলাপ চন্দ্ৰ বৈশ্য
৫৮ বেইমান প্ৰেম □ শ্ৰীবাসৱ শৰ্মা
৬০ দিনকাল □ মঃ আমিৰুল ইছলাম
৬২ বাণী


## কবিতা


৬৩ এটি সুৰৰ ঝংকাৰ ● মিচ্ ওৱাহিদা আখতাৰা খানম
৬৩ আশালৈ চিঠি ● শ্ৰীহীৰা বৰ্মন
৬৪ ৰজনী গন্ধা ● শ্ৰীঅপূৰ্ব কুমাৰ কলিতা
৬৪ ভগ্নাৱশেষ ● শ্ৰীমৃদুলজ্যোতি চক্ৰৱৰ্তী

৬৫ স্বাৰ্থপৰ ● শ্ৰীগীতাঞ্জলি শৰ্মা
৬৫ নিঃসংগতাৰ আলাপ ● শ্ৰীপ্ৰেমলতা কলিতা
৬৬ কিনো বুলিলে ভালপাবা তুমি ● শ্ৰীমৃণাল কুমাৰ বড়া
৬৬ মোক অকণ পোহৰ লাগে ● শ্ৰীঅজিত কুমাৰ ডেকা
৬৬ প্ৰত্যাশা ● শ্ৰীগৌৰী ঠাকুৰীয়া
৬৭ বসন্তৰ কবিতা ● শ্ৰীকৃষ্ণকান্ত নাথ
৬৭ মানুহ ● শ্ৰীসৈব্যা ৰাভা
৬৭ সপোন ● মঃ আচাদউদ্দিন আহমেদ
৬৮ যাত্ৰা পথৰ সংগী ● শ্ৰীমৃণালিনী শৰ্মা
৬৮ স্তব্ধতা ● শ্ৰীনিপুঞ্জয় বড়া
৬৮ অতীত ● শ্ৰীনিৰুপমা চহৰীয়া
৬৯ প্ৰত্যাশা ● চৈয়দা জেচমিন বেৰী
৬৯ প্ৰকৃতিয়ে মোক এটি শৰত দিছিল ● শ্ৰীকল্পনা ডেকা
৬৯ ক্লান্ত হৃদয় ● শ্ৰীঅনুৰাধা দেৱী
৬৯ সময় ● শ্ৰীকৰবী বৰকাকতি
৭১ প্ৰহেলিকা ● শ্ৰীনকুল বৈশ্য
৭১ অতীত কবিতা ● শ্ৰীমণ্টু কুমাৰ ডেকা
৭২ পথ ● শ্ৰীনিকিটা চহৰীয়া
৭২ প্ৰৌঢ়া প্ৰতিজ্ঞা ● শ্ৰীমঞ্জুলা শৰ্মা
৭২ স্মৃতিৰ আশা ● শ্ৰীবিনু শৰ্মা
৭৩ স্নিগ্ধ জোনাক ● শ্ৰীনিভাৰাণী দেৱী
৭৩ শূন্য ● শ্ৰীকৰবী শৰ্মা
৭৪ মাজ নিশাৰ চিঞৰ ● শ্ৰীপুলকিতা দেৱী
৭৪ আকৌ শৰত আহিল ● শ্ৰীপূৰবী ঠাকুৰীয়া
৭৫ বাসনা ● মিচ্ মলয়া দেৱী
৭৫ আশংকা ● মিচ্ মুনমুনী দেৱী
৭৫ কল্পনাৰ বালিঘৰ ● শ্ৰীনৱজ্যোতি ডেকা
৭৬ শান্তি ● মিচ্ মধুমিতা দেৱী
৭৬ অনুৰণন এটি শব্দ ● শ্ৰীভাৰতী চহৰীয়া
৭৭ হোৱা জাগ্ৰত ● শ্ৰীবিশ্বজিৎ শৰ্মা
৭৭ প্ৰাচীৰ ● শ্ৰীবিনয় কুমাৰ ডেকা
৭৭ দুটামান অনুভৱৰ স্তৱক ● শ্ৰীপংকজ কুমাৰ শৰ্মা
৭৮ মই কোন ? ● শ্ৰীশেৱালী চহৰীয়া
৭৮ বিবৰ্ণ মহাৰণ্য ● শ্ৰীজোনালী দেৱী
৭৮ বন্ধন ● শ্ৰীজয়ন্ত ডেকা
৭৯ মহাপ্লাৱন ● মঃ নেকিবুৰ ৰহমান
৭৯ জীয়া বেদনা ● শ্ৰীদুলুমণি ডেকা
৭৯ কল্পনাৰ বাট ● শ্ৰীদেৱজিৎ শৰ্মা
৮০ এটি ভয়াৰ্ত শিথিলতা ● শ্ৰীহিতেশ কুমাৰ ডেকা
৮০ সুৰভি ● মিচ্ বিনীতা শৰ্মা
৮০ হাঁহাকাৰ ● শ্ৰীগণেশ চন্দ্ৰ শইকীয়া

**English Section**

1 Darrang District : A Socio-Economic Profile ◆ G.C. Goswami
3 Development of Cabinet System ◆ Kishore Kumar Upadhyaya
4 Radio Activity ◆ Binoy Bhattacharyya
6 Quit India Movement and Assam ◆ Pramod Baruah
8 To swim In The Sea ◆ H.M. Jahangir Alam
11 Mother Taressa ◆ Manzeeta Kashyap
11 To the land of Tri-sea ◆ Prafulla Gogoi
12 When I was child ◆ Mafida Ahmed
12 True Love ◆ Pankaj Jyoti Deka
12 My Aim ◆ Abida Ahmed

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন



সঁফুৰা

প্ৰবন্ধ

# মানুহৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ

(Influence of Environment in Human life)

*ড° লোকেশ্বৰ নাথ*

অধ্যক্ষ

মানৱ জীৱনৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ সম্বন্ধে মনিষীসকলৰ মাজত বহু শতিকাজুৰি চিন্তা-চৰ্চা চলি আহিছে। খ্ৰীষ্টপূৰ্ব ৪৬০ চনত জন্ম গ্ৰহণ কৰা হাইপোক্ৰেট্‌চৰ পৰা আৰম্ভ কৰি এৰিষ্ট'টল, ষ্ট্ৰেবো, জে. বোড্ডিন, মণ্টেছকিউই, বাকেল, ডেমলিন্‌চ্‌ আদি অতীতৰ প্ৰখ্যাত দাৰ্শনিক পণ্ডিত সকলৰ উপৰিও ওঠৰ-উনৈশ শতিকাৰ জাৰ্মান পণ্ডিত আলেকজেণ্ডাৰ ফন হামবল্ট, কাৰ্লৰিটাৰ, ফ্ৰেড্ৰিক ৰেট্‌জেল ; আমেৰিকাৰ মিচ্ চি. ছেম্পল, হাণ্টিংটন প্ৰভৃতি বিখ্যাত মনিষীসকলে পৃথিৱীৰ বিভিন্ন দেশ ভ্ৰমণ কৰি বহু তথ্য সম্বলিত কথাৰে মানুহ যে পাৰিপাৰ্শ্বিকতাৰ অধীন সেই সম্বন্ধে অনেক পুথি লিখি গৈছে। তেখেতসকলৰ লিখনিৰ পৰা এইটো জনা যায় যে মানুহে ইচ্ছা কৰি তেওঁলোকৰ জীৱনৰ দিশ পৰিবৰ্তন কৰিব নোৱাৰে। প্ৰকৃতিয়ে পৃথিৱীৰ উপবিভাগত যিবোৰ অৱয়ৱ যেনে ধৰণে সৃষ্টি কৰিছে সেইবোৰক মানুহে সংশোধন, পৰিবৰ্তন নাইবা নাইকিয়া কৰিব নোৱাৰে।

সেই অৱয়ৱ সমূহৰ ওপৰত অৱলম্বন কৰিয়েই মানুহে জীৱন নিৰ্ব্বাহ কৰিবলগীয়া হয়। উদাহৰণ স্বৰূপে তুন্দ্ৰা অঞ্চলৰ লোকে চিৰতুষাৰৰ পৰা ৰক্ষা পাব নোৱাৰে। তাত হাজাৰ হাজাৰ বছৰ ধৰি মানুহে প্ৰকৃতিৰ দাস স্বৰূপে বৰফৰ ঘৰটোৈই (Igloo) বাস কৰিব লগা হৈছে। ঠিক একেদৰে মৰুভূমিৰ মানুহে অতি কষ্টৰে যাযাবৰ জীৱন অতিবাহিত কৰিব লগা হৈ আহিছে। সেইদৰে পৰ্বতৰ ওপৰত বাস কৰা সকলে, দ্বীপত বাস কৰা সকলে সেই সেই ঠাইৰ জলবায়ু, উদ্ভিদ, মাটি, পানী, জীৱজন্তু আদিৰ ওপৰত নিৰ্ভৰ কৰি চলাৰ বাহিৰে অন্য কোনো উপায় নাই বুলি ভাবি লৈয়েই সদায় চলি আহিছে।

বিজ্ঞানী তথা ভূগোলবিদ সকলে এটা কথা লক্ষ্য কৰিছিল যে পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহৰ বুদ্ধি-বৃত্তি, কৰ্ম শক্তি বা কৰ্মপ্ৰেৰণা আৰু জীৱন নিৰ্বাহ পদ্ধতিৰ মাজত পাৰ্থক্য আছে। এই পাৰ্থক্য ঠাইৰ অৱস্থিতি, জলবায়ু, উদ্ভিদ আদিৰ বিভিন্নতাৰ বাবেই হয়। আনকি সভ্যতাৰ প্ৰথম ৰেঙণি দেখিবলৈ পোৱা গৈছিল এনেবোৰ অঞ্চলত যিবোৰত জলবায়ু অৰ্থাৎ বৰষুণ আৰু উত্তাপ দুয়োটাকে পৰিমিতৰূপে লাভ কৰাত সহজ হৈছিল। এনে অৱস্থা থকা ক্ৰান্তীয় আৰু উপক্ৰান্তীয় নদী আৰু সাগৰৰ সান্নিধ্যত থকা সিন্ধু-গঙ্গা উপত্যকা, হোৱাংহো আৰু ইয়াংচিকিয়াং নদী উপত্যকা, নীল নদীৰ উপত্যকা, টাইগ্ৰীছ-ইউফ্ৰেটিছ নদীৰ উপত্যকা, লোম্বাৰ্ডি উপত্যকা, গ্ৰীছ, মেক্সিকো উপত্যকা, মায়া উপত্যকা আদি অঞ্চলবোৰত মানৱ সভ্যতাৰ বিকাশ ঘটিছিল। আনহাতে বৰ্তমান যান্ত্ৰিক সভ্যতাৰ চৰমসীমাত উপনীত হোৱা উন্নত কেবাখনো দেশত অনুকূল বাতাবৰণৰ অভাৱৰ বাবেই প্ৰচীন সভ্যতা গঢ়ি উঠা নাছিল।

মানুহ অকলশৰীয়াকৈ পৃথিৱীত বাস কৰিব নোৱাৰে। প্ৰাকৃতিক আৰু মানৱ সৃষ্ট উপাদান সমূহৰ মাজত সোমাই থাকি সেইবোৰৰ সহায়ত জীৱন নিৰ্বাহ কৰে। উদ্ভিদ, জীৱ-জন্তু আৰু মানুহ একেলগে পৰিবেশত থকা এই ব্যৱস্থাটোকেই পাৰিস্থিতিকী (Ecology) বোলে। পাৰিস্থিতিকীত মানুহে বিভিন্ন প্ৰকাৰ কাৰক সমূহক কেনে সঁহাৰি জনায় সেই সম্বন্ধে বিচাৰ কৰিলে দেখা যায় যে মানুহে ঘাইকৈ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু জৈৱিক কাৰক সমূহৰ লগত জড়িত হৈ প্ৰাকৃতিক কাৰক সমূহৰ সহায়ত নিজক আৰু দেশক প্ৰগতিৰ পথত আগুৱাই নিয়ে সম্পদৰ ব্যৱহাৰ, সাধাৰণ আৰু কাৰিকৰী শিক্ষা লাভ, স্বাস্থ্য ৰক্ষাৰ উপায় আৰু আন্তৰ্জাতিক ক্ষেত্ৰত সম্পৰ্ক স্থাপন কৰি। ইয়াৰ উপৰিও মানুহ ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে সামাজিক সংস্থা আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত, ধৰ্ম-সংস্কৃতি আৰু অনেক সামাজিক, ৰাজনৈতিক আৰু ব্যক্তিগত সমস্যা ৰাজিৰ লগত। মানুহে জীৱন ধাৰণৰ বাবে বিভিন্ন পেশা বা বৃত্তি অৱলম্বন কৰিব লগা হয়। বৃত্তিৰ প্ৰকৃতি অনুসৰি এইবোৰক মুখ্য, গৌণ, তৃতীয়ক আৰু চতুৰ্থক বৃত্তি ৰূপে ভাগ কৰা হয়। বৃত্তি সমূহৰ ভিতৰত মুখ্য আৰু গৌণ বৃত্তি প্ৰাকৃতিক কাৰকৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণ স্বৰূপে সাগৰ আৰু তাত থকা মাছ প্ৰাকৃতিক কাৰক। মানুহে গৌণ বৃত্তিৰে সৃষ্টি কৰা জালৰ সহায়ত মাছ মাৰি (মুখ্য বৃত্তি) জীৱন নিৰ্বাহ কৰে। পশুপালন, খনি নিষ্কৰ্ষণ, কৃষি উৎপাদন মুখ্য বৃত্তি। আনহাতে শিল্প, যাতায়ত আৰু পৰিবহণ গৌণ বৃত্তি। মুখ্য বৃত্তিত উৎপাদিত সামগ্ৰীৰ ওপৰত গৌণ বৃত্তি নিৰ্ভৰশীল আৰু অনেক ক্ষেত্ৰত ইটোৰ সিটো প্ৰতিক্ৰমী।

মানুহৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ বুলি কওঁতে আমি এজন মানুহক কোনো এখন ঠাইত অৱস্থান কৰি লৈ তেওঁৰ ওপৰত প্ৰভাৱ পৰা চাৰিওফালৰ কাৰকবোৰ আৰু সেইবোৰক তেওঁ কেনে ধৰণে গ্ৰহণ কৰে বা সঁহাৰি জনায় সেই সম্বন্ধে বিবেচনা কৰোঁ। পাৰিপাৰ্শ্বিকতাৰ কাৰক সমূহৰ গুণাগুণ, সহজলভ্যতা বা প্ৰাচুৰ্য্যতা আৰু সেইবোৰক কিমান পৰিমাণে নিজৰ আৰু সমাজৰ বিভিন্ন উন্নয়নৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিব পৰা যায় তাৰ ওপৰতে মানুহজনৰ উন্নতি, অধোন্নতি বা স্থিৰিতা নিৰ্ভৰ কৰে। মানুহজনৰ সেই নিজা অস্তিত্বটোক ক্ৰমে বহলাই লৈ গৈ থাকি আমি ক্ৰমে এটা পৰিয়াল তাৰ পাছত এটা চুবুৰী, এখন গাওঁ বা নগৰ, এখন জিলা, এখন ৰাজ্য আৰু শেষত এখন দেশক উপস্থাপন কৰি লৈ বিচাৰ কৰিলে একে ধৰণৰ ফল দেখিবলৈ পোৱা যাব। এখন দেশৰ উন্নতি দেশৰ জনসাধাৰণৰ উন্নতিৰ ওপৰত নিৰ্ভৰশীল। দেশৰ পাৰিপাৰ্শ্বিকতা অনুকূল হ'লে মানুহৰ উন্নতি হৈ দেশৰ উন্নতি হয়। দেশ এখনৰ উন্নতি হ'বলৈ হ'লে সেই দেশৰ খনিজ সম্পদ আৰু সু-জলবায়ুকে ধৰি সকলোবোৰ প্ৰাকৃতিক কাৰক থাকিব লাগে।

চাহাৰৰ অসহ্য উত্তাপ আৰু তাৰ লগে লগে জীৱন ধাৰণৰ বাবে আৱশ্যক হোৱা অন্যান্য প্ৰাকৃতিক তথা মানৱ সৃষ্টি সম্ভাৰবোৰৰ নাটনিৰ বাবে চাহাৰাৰ অন্তৰ্গত দেশবোৰে উন্নতি কৰা সম্ভৱ নহয়। সেইদৰে বৰফেৰে আবৃত তুন্দ্ৰা অঞ্চল, নিৰক্ষ অঞ্চলৰ অস্বাস্থ্যকৰ আৰ্দ্ৰ-উষ্ণ জলবায়ু অঞ্চল, শিলাময় নাইবা বৰফাবৃত পৰ্বতমালাত জীৱন নিৰ্বাহ কৰি উন্নতিৰ সোপানত উঠিবলৈ যোৱাটো দুঃসাধ্য। এয়া অকল ভৌগোলিক অৱস্থানৰহে কথা। ইয়াৰ লগতে অন্যান্য অৱয়ৱ বা সম্পদবোৰৰ স্থিতিৰ কথা আছেই।

মানৱ জীৱনৰ ওপৰত প্ৰভাৱ পেলোৱা পাৰিপাৰ্শ্বিক কাৰক সমূহক দুই ভাগত ভগাব পৰা যায় । যেনে— (১) নিকটৱৰ্তী কাৰক আৰু (২) দূৰৱৰ্তী কাৰক । ওপৰত উল্লেখ কৰি অহা কাৰক সমূহক নিকটৱৰ্তী কাৰক বোলা হয় । এইবোৰৰ পুনৰ প্ৰাকৃতিক আৰু মানৱ সৃষ্ট বা সাংস্কৃতিক কাৰক হিচাবে ভাগ কৰা হয় । মানুহ আৰু মানুহৰ দ্বাৰা সৃষ্ট ঘৰ-দুৱাৰ, খাদ্য, বস্ত্ৰ, শিক্ষা, স্বাস্থ্য, ৰাজনীতি, সামাজিক ৰীতি-নীতি, উদ্যোগ আৰু ঔদ্যোগিক সামগ্ৰী, আচবাব-পত্ৰ ইত্যাদি বোৰক মানৱ সৃষ্ট কাৰক সমূহে মানুহৰ ওপৰত জন্মৰ পৰা মৃত্যুলৈকে অহৰহ ক্ৰিয়া কৰি থাকে ।

দূৰৱৰ্তী কাৰকবোৰৰ ভিতৰত চন্দ্ৰ, সূৰ্য্য, মঙ্গল, বৃহস্পতি প্ৰভৃতি গ্ৰহ-উপগ্ৰহ তথা নক্ষত্ৰৰ উপৰিও মহাকাশত বিদ্যমান নক্ষত্ৰ, নক্ষত্ৰপুঞ্জ এইবোৰক ধৰা হয় । সূৰ্য্যৰ ৰশ্মি তথা তাপ বিকিৰণ হৈ সৌৰজগতৰ গ্ৰহ-উপগ্ৰহবোৰত পৰে আৰু সেইবোৰৰ পৰা প্ৰতিফলিত হৈ অহা ৰশ্মিবোৰ আকাশ মণ্ডলত ভাঁহি থাকে । ইয়াৰ কিছু অংশ পৃথিৱীৰ বায়ুমণ্ডলত প্ৰবেশ কৰে আৰু পৃথিৱী পিঠিত পৰে । এনেদৰে গ্ৰহ-উপগ্ৰহৰ পৰা প্ৰতিফলিত হৈ অহা ৰশ্মিবোৰৰ ৰং মূলৰ ৰং অনুযায়ী বেলেগ বেলেগ হয় আৰু এইবোৰৰ স্থিতিয়ে (existence) সূৰ্য্যৰ তাপ, পোহৰ আৰু ৰঙৰ নিচিনাকৈ মানুহৰ শৰীৰত তথা জীৱনত প্ৰভাৱ পেলায়। পৃথিৱীৰ বায়ুমণ্ডল সেয়ে উপাদানেৰে গঠিত এক জটিল মিশ্ৰণৰ সমষ্টি ।

সদ্যজাত মানৱ শিশুৱে মাতৃগৰ্ভৰ পৰা ওলাই আহি এনে এক জটিল বায়ুমণ্ডলত প্ৰবেশ কৰে য'ত বায়ুৰ বাহিৰেও অনেক গ্ৰহ-নক্ষত্ৰৰ পৰা প্ৰতিফলিত হৈ অহা বিভিন্ন ৰঙৰ ৰশ্মিৰ সমাবেশ হৈ থাকে । পৃথিৱীৰ কোনো এক নিৰ্দিষ্ট স্থানৰ পৰা কিমান কৌণিক দূৰত্বত সেই গ্ৰহ নক্ষত্ৰবোৰ অৱস্থান কৰি থাকে আৰু সেইবোৰ দৃশ্যমান নে অদৃশ্যমান এনে বহুবোৰ কথাবো প্ৰয়োজন হয় । কিয়নো ইয়াৰ ফলতে পৃথিৱী পিঠিত পৰা ৰশ্মি আৰু ৰঙৰ হ্ৰাস-বৃদ্ধি হয় । সি যিকি নহওক, পানীত বুৰ মৰাৰ লগে লগে সমস্ত শৰীৰ নিমিষতে তিতি যোৱাৰ দৰে নৱজাত শিশুৱে জন্ম গ্ৰহণ কৰাৰ লগে লগে বায়ুমণ্ডলত ঠাহ খাই থকা সকলো উপাদানৰ মাজত সোমাই পৰি সহজে মচি পেলাব নোৱাৰা ধৰণে শৰীৰত অনেক ৰশ্মিয়ে ক্ৰিয়া কৰে । ফলস্বৰূপে, গোটেই জীৱন ব্যাপি তাৰ ফল ভোগ কৰিব লগা হয় । এই পৰিণামক আমি অদৃষ্টৰ বা কপালৰ লেখন বুলি কৈ মনত সান্ত্বনা লভো । পানীত খন্তেক বুৰ মাৰি তিতা আৰু বহু সময় ধৰি পানীৰ তলত থাকি তিতা জনৰ মাজত কোনো পাৰ্থক্য নথকাৰ নিচিনাকৈ শিশুৱে মাতৃগৰ্ভৰ পৰা বায়ুমণ্ডলত প্ৰবেশ কৰিয়েই লাভ কৰা উপাদানৰ ফল সদায় থাকি যায় । অৱশ্যে গ্ৰহ-নক্ষত্ৰই বিভিন্ন স্থানলৈ গতি কৰিলে বায়ুমণ্ডলত থকা উপাদানবোৰৰ হ্ৰাস-বৃদ্ধি হ'লে আৰু লগতে শিশু জন্ম গ্ৰহণ কৰা কালৰে পৰা নিকটৱৰ্তী পাৰিপাৰ্শ্বিক অৱস্থাৰ পৰিবৰ্তন হ'লে শিশুৰ ভৱিষ্যৎ জীৱনতো পৰিৱৰ্তন হ'ব পাৰে ।

পৃথিৱীৰ সকলো ঠাইৰে জলবায়ু, উদ্ভিদ, মাটি, জীৱজন্তু ইত্যাদি একে নোহোৱাৰ বাবে মানুহৰ কৰ্ম্মশক্তি, জীৱনধাৰণ প্ৰণালী, চিন্তা-চৰ্চা ইত্যাদি একেধৰণৰ বা সমান পৰ্য্যায়ৰ নহয় । পাৰিপাৰ্শ্বিক নিৰ্ণয়তাবাদী (Environmental Determinists) সকলে সেয়ে পাৰিপাৰ্শ্বিক অৱস্থাই মানুহৰ জীৱনত যি প্ৰভাৱ পেলায় তাক খণ্ডন কৰিব পৰা নাযায় বুলি মত পোষণ কৰে । কিন্তু এনে বদ্ধমূল ধাৰণা অমূলক বুলি কিছু বছৰ আগৰে পৰা এচাম বিজ্ঞানীয়ে প্ৰমাণসহ দেখুৱাই আহিছে । এই সকল বিজ্ঞানীৰ মতে অসম্ভৱ বুলি কোনো শব্দ থাকিব নোৱাৰে । তেঁলোকৰ মতে অসম্ভৱ বুলি ইমান দিনে গণ্য কৰি অহা সকলো কথাই সম্ভৱ হ'ব পাৰে —তাৰ বাবে মাথোন আৱশ্যক হয় মানুহৰ অধ্যৱসায়, শিক্ষা, কৌশল আৰু কাৰিকৰী তথা বৈজ্ঞানীক উদ্ভাৱন । এই সকল চিন্তাবিদকে সাম্ভাৱ্যবাদী (Possibilists) বুলি কোৱা হয় । কাৰ্ল ৰিটাৰ পাৰিপাৰ্শ্বিকতাবাদী হিচাবে জনাজাত যদিও পাছলৈ তেওঁ শিক্ষা, সংস্কৃতিৰ জৰিয়তে যে পাৰিপাৰ্শ্বিক অৱস্থাৰ উন্নতি সাধন কৰিব পৰা যায় সেই বিষয়েও চিন্তা-চৰ্চা কৰে । সাম্ভাৱ্যবাদী সকলৰ ভিতৰত ফেব্‌ভ্ৰয়ে (Febvre) প্ৰথম ব্যক্তি যিজনে দীৰ্ঘদিন ধৰি মানুহে লাভ কৰা অভিজ্ঞতা আৰু শ্ৰমৰ দ্বাৰা পৃথিৱী পিঠিৰ অনেক পৰিৱৰ্তন সাধন কৰা সম্ভৱ বুলি মত প্ৰকাশ কৰে । ফেব্‌ভ্ৰৰ মতে মানুহ আৰু প্ৰকৃতিৰ কাৰ্য্য প্ৰতিক্ৰমী (Reciprocal) । ইয়ঁতৰ ইটোৱে সিটোক আৰু সিটোৱে ইটোক সংশোধন কৰে । মানুহে বিজ্ঞান আৰু প্ৰায়োগিক বিদ্যাত উন্নতি সধাৰ লগে লগে পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্ৰুত পৰিবৰ্তন সাধন কৰিবলৈ সক্ষম হৈছে । উদাহৰণ স্বৰূপে বহুতো মৰুভূমিক জলসিঞ্চনৰ দ্বাৰা পানী যোগানৰ ব্যৱস্থা কৰি শস্যশালী কৰি তোলা হৈছে । প্ৰতিকূল জলবায়ুৰ বাবে শিল্পৰ আৱশ্যকীয় সামগ্ৰী উৎপাদন নোহোৱা, খনিজ সম্পদ নথকা দেশ কিছুমানো সেই সামগ্ৰীৰে চলোৱা শিল্পত পৃথিৱীত অগ্ৰগণী হৈছে । জাপান, ইংলেণ্ড আদি এনে দেশ । কৃষি, শিল্প, বাণিজ্য আৰু ঔদ্যোগিক বিকাশৰ জৰিয়তে দেশ সমূহৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতি সাধন কৰা হৈছে । মানুহ য'তেই নাথাকক কিয় শিক্ষা, সংস্কৃতি আৰু অৰ্থনৈতিক উন্নতি সাধনত পাৰিপাৰ্শ্বিক কাৰকে বাধা দি ৰাখিব নোৱাৰা হৈছে । সাম্ভাৱ্যবাদী সকলৰ যি দেশতেই পয়োভৰ বেছি সেইবোৰ দেশেই অধিক দ্ৰুত গতিত আগবাঢ়িছে । চাফ-চিকুণতা, উন্নত খাদ্য আৰু ঔষধ যোগান, প্ৰদূষণ বোধ, শিক্ষাৰ ব্যাপক বিস্তাৰ, উন্নত জীৱন যাপন প্ৰণালী অনুসৰণ ইত্যাদি অনেক মানৱ সৃষ্ট পৰিবেশৰ প্ৰভাৱৰ বাবে মানুহৰ মৃত্যুৰ হাৰ দ্ৰুতগতিত হ্ৰাস পাইছে ।

আনকি গ্ৰহ, নক্ষত্ৰৰ পৰা প্ৰতিফলিত হৈ অহা অপকাৰী ৰঙৰ কুপ্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ উদ্ভিজ্জ আৰু অন্যান্য ভেষজ, গ্ৰহ কবচ, মন্ত্ৰ আৰু গ্ৰহ পাথৰ ব্যৱহাৰ কৰি সেই অনিষ্টকাৰী গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱৰ পৰা উপশম হ'ব পৰা ব্যৱস্থা হৈছে । সম্প্ৰতি গ্ৰহ, উপগ্ৰহলৈ গৈ সেইবোৰক আৰু সূক্ষ্মাতিসূক্ষ্ম ভাবে অধ্যয়ন কৰাৰ চেষ্টা চলাই থকা হৈছে । ভূ-গৰ্ভত লুকাই থকা তেল আৰু অন্যান্য খনিজ সম্পদৰ উপৰিও সাগৰৰ তলিৰ পৰাও অনেক মূল্যবান বস্তু উদ্ঘাটন কৰি মানুহৰ জীৱন ধাৰণত ব্যৱহাৰ কৰা হৈছে । কোৱা বাহুল্য যে আকাশ, পাতাল (ভূ-গৰ্ভ) সাগৰ, সাগৰ-তলি, পৰ্বত-পাহাৰ এই সকলোবোৰক পাৰিপাৰ্শ্বিক কাৰক হিচাপে গণ্য কৰা হৈছে যদিও এতিয়ালৈকে পৰিবেশবাদীয়ে হওঁক বা সাম্ভাৱ্যবাদীয়ে হওঁক কোনোৱে গ্ৰহ-নক্ষত্ৰ আদি নৈসৰ্গিক কাৰক সমূহক মানৱ জীৱনৰ লগত সম্পৰ্ক থকা পাৰিপাৰ্শ্বিক কাৰক হিচাবে গণ্য কৰা নাই ।

প্ৰবন্ধ

# দৰঙীয়া ঠাৰ

*ড° বিজয় কুমাৰ শৰ্মা*
অধ্যাপক, অসমীয়া বিভাগ

ঠাৰ বা দোৱান একো একোটা জনগোটৰ নিজস্ব সৃষ্টি । সকলো সময়তে সকলো কথা প্ৰকাশ্যভাবে নকৈ ঠাৰে-চিয়াৰে কোৱা ৰীতি বিভিন্ন জনগোটৰ দেখা যায় । পুৰণি কালৰে পৰা এই ৰীতি প্ৰচলন থকাৰ উমান পোৱা যায় । পুৰণি কালত নিজৰ দলৰ ভিতৰতে আনে বুজিব নোৱাৰাকৈ দুজন লোকে নিজস্ব ভাষা এটাত কথা-বতৰা হোৱাৰ উল্লেখ আছে । পাণ্ডৱ সকলক জতুগৃহত পুৰি মৰাৰ উদ্দেশ্যে দুৰ্য্যোধনে তেখেত সকলক বাৰণাৱতলৈ পঠোৱাৰ যো-জা কৰোতে বিদুৰে যুধিষ্ঠিৰক ঠাৰে-ছিয়াৰে (ম্লেচ ভাষা বুলি কোৱা হৈছে) জতু গৃহত হ'ব পৰা বিপদ আৰু তাৰ পৰা ৰক্ষা পোৱাৰ উপায়ৰ বিষয়ে কৈছিল । একে ভাষা-ভাষী লোকৰ মাজত ইজনে-সিজনৰ মনৰ ভাৱ বুজিব পৰাকৈ এক গোপন ভাষাৰ ব্যৱহাৰ কৰে ; সেইবোৰ কওঁতা আৰু শ্ৰোতা দুজনেহে বুজি পায় আনে ধৰিব বা বুজিব নোৱাৰে । এনে ধৰণে ব্যৱহাৰ হোৱা ভাষাক ঠাৰ বুলি জনা যায় ।

অসম এখন বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য । ভিন্ন গোষ্ঠীৰ অসমীয়া লোক হোৱা হেতুকে তেওঁলোকৰ ভাষা সমূহ বিভিন্ন ভাষা সম্প্ৰদায় মূলজ । একে ভাষা-ভাষী লোকৰ মাজতো কোনো নিৰ্দিষ্ট ভাষা সম্প্ৰদায়মূলক নোহোৱা ভাষা একোটাৰ প্ৰচলন দেখা যায় । বিভিন্ন ভাষাৰ পৰা শব্দ আহৰণ কৰি তাত নতুন অৰ্থ আৰোপ কৰি অথবা বাক্য গঠনত বিশেষ কৌশল খটুৱাই এনে ভাষাৰ সৃষ্টি কৰে । অসমৰ দৰং জিলাৰ বিভিন্ন জনগোটৰ মাজতো এনে ভাষাৰ প্ৰচলন দেখা যায় । এনে ভাষাৰ সুকীয়া ব্যাকৰণ নাই । এনে ভাষাক দোৱান, ঠাৰ বা গুপ্ত ভাষা বোলে । কোনো ভাষাৰ (দৰঙত বিশেষকৈ অসমীয়া ভাষা) বাক্য গঠন পদ্ধতিৰে এই ভাষাৰ বাক্য গঠন কৰা হয় । একেটা ঠাৰৰে অঞ্চল বিশেষে পাৰ্থক্যও দেখা যায় ।

অসমৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ ঠাৰৰ প্ৰচলন হোৱাৰ কাৰণ নিৰ্ণয় কৰা সহজ নহয় । তথাপি ঠাৰৰ প্ৰচলন হোৱাৰ কাৰণ কেইটিমান উল্লেখ কৰা হ'ল ।

ক) প্ৰেম-প্ৰীতি বিষয়ক কথা-বতৰা,
খ) মেল-দেৱানৰ সময়ত হ'বলগীয়া সিদ্ধান্তৰ ওপৰত দিবলগীয়া মতামত,
গ) ব্যৱসায়-বাণিজ্যৰ গোপনীয়তা ৰক্ষা,
ঘ) ভোজ-সবাহত দিবলগীয়া মতামত ,
ঙ) আত্ম ৰক্ষাৰ প্ৰচেষ্টা,
চ) আত্মপ্ৰতিষ্ঠাৰ কৌশল,
ছ) বাকপটুতা প্ৰদৰ্শন আৰু
জ) গোপনীয় বা ৰহস্যপূৰ্ণ ভাষা কোৱাৰ প্ৰতি থকা হেঁপাহ ।

শিষ্ট সমাজে এনে ভাষা জানে যদিও প্ৰয়োগ কৰাৰ ক্ষেত্ৰত লজ্জাবোধ কৰে । ডেকা-গাভৰু, ব্যৱসায়ী, ঠগ-প্ৰৱঞ্চক আৰু বিশেষ কাৰণত বিশেষ ব্যক্তিৰ মাজত প্ৰায়বোৰ ঠাইত ঠাৰৰ প্ৰচলন আছে বুলি ক'লেও বঢ়াই কোৱা নহয় ।

দৰং জিলাত প্ৰচলিত ঠাৰ সমূহক আমি তলত দিয়া ধৰণে নামকৰণ কৰিব পাৰো । এইবোৰ ঠাৰ অৱশ্যে অসমীয়া ভাষী লোকৰ মাজতহে বিশেষভাৱে দেখা যায় ।

**১। ৰফ্ ঠাৰ ঃ** এই ঠাৰত শব্দৰ প্ৰত্যেকটো আখৰৰ পাছত ৰফ্ ব্যৱহাৰ কৰা হয় আখৰৰ স্বৰ অনুযায়ী ফ ত সেই স্বৰ যোগ হয় অথবা ফ ই সেই ৰূপ লয় । উদাহৰণ, যেনে —তৰ্ফ ইৰ্ফি কিৰ্ফি কৰ্ফ ৰৰ্ফি আৰ্ফাছাৰফা (তই কি কৰি আছ) ।

**২। ইল্ ঠাৰ ঃ** এই ঠাৰত শব্দৰ প্ৰত্যেকটো আখৰৰ স্বৰ অনুযায়ী আখৰৰ আগত ই আৰু পাছত ল বহে । ল স্বৰ যুক্ত হয় । শেষৰ আখৰটোত ইল্ যোগ নহয় । যেনে —তিলই কিলি কিলৰিইলাছা (তই কি কৰি আছ ) ।

**৩। জ ঠাৰ ঃ** এই ঠাৰত শব্দৰ প্ৰতিটো আখৰৰ পাছত জ বহে । আখৰৰ স্বৰ অনুযায়ী জই ৰূপ লয় । যেনে —তজইজি কিজি কজৰিজি আজাছাজা (তই কি কৰি আছা) ।

**৪। ফুল ঠাৰ ঃ** শব্দৰ প্ৰতিটো আখৰৰ আগত ফুল শব্দটো ব্যৱহাৰ কৰি এই ঠাৰ মৰা হয় । যেনে —ফুলেত ফুলেই ফুলেকি ফুলেক ফুলেৰি ফুলেআ ফুলেছা (তই কি কৰি আছ) ।

**৫। ঠুচ্‌কি ঠাৰ ঃ** ঠুচকি ঠাৰত আখৰত যোগ হোৱা প্ৰত্যেকটো স্বৰৰ নিৰ্দিষ্ট নাম আছে ।

যেনে— অ=মূলে মূল ; আ=কণা ; ই=বিৰি ; ঈ=হাতী ; উ=টুপী ; ঊ=ভূত ; এ=যেৰ ; ঐ=বাঢ়ে ; ও=ঘোৰ ; ঔ=টকৌ ।

যেনে— ত মূলে মূলে বা ত্যমূলে ইত মূলে কত বিৰি কতমূলে ৰতবিৰি অত কণাছত কণা (তই কি কৰি আছ) ।

**৬। ৰৰৰুচি ঠাৰ ঃ** এই ঠাৰ ব্যৱহাৰ কৰিছিল ব্যাসপাৰা, সৰুথেকেৰাবাৰী আৰু ৰবিগাওঁ অঞ্চলৰ গণক সম্প্ৰদায়ৰ লোকে । খেতি-বাতিৰ পৰা আজৰি হৈ জ্যোতিষ চৰ্চাৰ সামগ্ৰী থকা মোনাটো (ঝলুঙা) লৈ তেওঁলোক অসমৰ বিভিন্ন ঠাইলৈ বিশেষকৈ উজনি অসমলৈ গৈছিল । এনেদৰে ফুৰিবলৈ যোৱা ব্যৱস্থাটোক উজান ফুৰা বোলে । এই প্ৰসঙ্গত বিভিন্ন জনৰ ওচৰলৈ যাওঁতে সেই সকলে অবুজ ভাষাত জটিল কথাৰ সন্ধান বিচাৰি জ্যোতিষী সকলে ইজনে সিজনৰ লগত ঠাৰেৰে কথা পাতিছিল । এই ঠাৰেই ৰৰৰুচি ঠাৰ । কথিত আছে ৰৰৰুচি নামৰ কোনো জ্যোতিষীয়ে এই ঠাৰ প্ৰথমে ব্যৱহাৰ কৰিছিল । সময়ত তেখেতৰ নাম অনুযায়ী এই ঠাৰে নাম পৰিগ্ৰহ কৰে । এইখিনিতে উল্লেখ কৰা প্ৰয়োজন উল্লিখিত তিনিওখন ঠাইতেই কিছুমান স্থানীয় শব্দ আছে যিবোৰ আন এটা অঞ্চলৰ লোকে বুজি নাপায় ।

বৰকচি ঠাৰক প্ৰধান ভাবে দুটা ভাগত ভগাব পাৰি । (১) বাচিক ঠাৰ (২) শাৰীৰিক ঠাৰ । যিবোৰ ঠাৰ ভাষাৰে প্ৰকাশ কৰিব পাৰি সেইবোৰ ঠাৰক বাচিক ঠাৰ (Verbal) আৰু যিবোৰ ঠাৰ হাতৰ মুদ্ৰা বা শৰীৰৰ বিভিন্ন অঙ্গৰ অঙ্গী-ভঙ্গীৰে প্ৰকাশ কৰা হয় তাক শাৰীৰিক (Physical) ঠাৰ বোলে ।

বৰকচি ঠাৰৰ গঠন পদ্ধতি আলোচনা কৰিলে দেখা যায়—

ক) প্ৰচলিত ধ্বনি সমূহৰ ইফাল-সিফাল কৰে ।
যেনে— ভাত>তভা, তই>ইত, মেকুৰী>কেমুৰী বা ৰীকুমে ।

খ) অপ্ৰয়োজনীয় ধ্বনি সংযোগ ।
যেনে— অলপ>কলপিয়া ; চুণ>উনচু ।

গ) সংস্কৃত শব্দৰ প্ৰয়োগ ঘটায় ।
যেনে— চোৰ>তস্কৰ ; কিমান>কিয়ৎ ।

ঘ) নতুন শব্দৰ প্ৰয়োগ ।
যেনে— ভাল>সাথ, গাখীৰ>খিলু ইত্যাদি ।

বৰকচি ঠাৰত ব্যৱহাৰ কৰা শব্দবোৰ তলত উল্লেখ কৰা ধৰণে ভাগ কৰিব পৰা যায় ।

**ক্ৰিয়াপদ ঃ**

মাৰ = গুলউ । মাৰিলে = গুলঞ্চ বিদিলা ;
খা = বাখ ; যা/ব'ল = চগ
ধৰ = ৰধ ; দি = বিদ ; ঠৰ্গা = গঠা ;
নি = চুটিঅউ ; আছ/থাক = কাম ;
জনা/জান = জিনা ; ক/কোৱা = তবা ।

**সংখ্যাবাচক শব্দ ঃ**

এক = খেল ; দুই = দোলেই ; তিনি = নিকি;
পাঁচ = চাপ ; দহ = হদ ।

**প্ৰাণীবাচক শব্দ ঃ**

কুকুৰ = ভুচুল, কেধুৰা ; মানুহ = ধামু, বান ;
পাগল = বাতুল ; গৰু = গোকৰ ; কুকুৰা = ভুচুৰা ।

**সৰ্বনাম ঃ** মই = হ'ম ; সেই = খেহ ।

**জাতি বুজোৱা শব্দ ঃ**

দেৱতা = কোদ্ৰোং ; বামুণ = বকাৰ ;
গণক = কজাৰ ; মুছলমান = তুকৰ ;
কোঁচ = চোকৰ ; যোগী/নাথ = ঝিলু ।

**বিশেষণ ঃ**

ধনীয়া = সাথ ; বেয়া = বেসাথ, খাউৰীয়া = বাখক ।

**অন্যান্য ঃ**

বৰষুণ = খৰবুণ ; ছোৱালী = ধজি ; তিৰি = ৰিতি ;
টকা = গণ্ডা ; ভাত = তাভ ; পানী = নাপী ;
পিঠা = ঠিপা ; মাছ = চামিলা/মুচুলা ;
পইচা = লিকৰু ; মুখ = খুম ; হালুৱেই = লাহুৱেই ;
মাহ = সাইম ।

**বাক্য ঃ**

খিলু গালেই = গাখীৰ লাগেই মাঃ —গাখীৰ লাগে ।

২। লিঝটাবকুৰ টিমাত জঙ্ঘাবোকাক তাবা মাৰখাবমা = ঝালিয়াৱ মাটিত বোৱা হাল আতৰটো মাৰি গুচি যা ।

৩। ধোককৃকো লিকামাটি গম্বলদৈৰ বজাৰ হোমো কাহালিবাই হমা মুনিৰ তপা (উজান ফুৰিবলৈ যাওঁতে কোনো এজন জ্যোতিষীক ৰোগী এজনক ঔষদ দিব লাগিব সেই বিষয়ে সোধাত এনেদৰে কৈছিল) মোক সুধিলা ! মঙ্গলদৈ গণক আমি, কি দিম, মহানিমৰ পাতকে মোহাৰি দিয়া ।

৪। ঝানাত খিতৰ কল্লিয়া লভিল = আঞ্জাত নিমখ কমিল ।

**৭। তিৰোতাৰ ঠাৰ ঃ** অসমীয়া সমাজত তিৰোতাসকলেও এক ধৰণৰ ঠাৰ ব্যৱহাৰ কৰা দেখা যায় । বিশেষকৈ তিৰোতা সকল স্বামী, শহুৰ, শাহু আদিক সন্মান জনোৱাৰ উদ্দেশ্যে তেখেত সকলৰ নাম নকয় বা আনে শুনাকৈ কোৱাটো দোষণীয় কাম বুলি ভাবে । সেয়ে কোনো তিৰোতাই তেনে সকল লোকৰ নাম ক'বলৈ হ'লে অন্য শব্দ ব্যৱহাৰ কৰে । গিৰিয়েকৰ নাম মিঠাৰাম । গতিকে চাহত মিঠা হৈছে নে নাই নুবুলি সদ হৈছে নে নাই বুলি ক'ব । স্বামীৰ নাম বুধবাৰ, সেয়ে বুধবাৰ নুবুলি মঙ্গলবাৰৰ ফিৰ্দ্দিনা বুলিব । গিৰিয়েকৰ নাম আলু । বজাৰৰ সামগ্ৰী মোনাত ভৰাই আলু কেইটা আনিলে খালৈত । মোনাত আলু নেদেখি গিৰিয়েকক সুধিলে —নিজে দেখোন নাহিল । গিৰিয়েকে ক'লে— খালৈত । ঘৈণীয়েকৰ মুখত হাঁহি বিৰিঙি উঠিল ।

কিছুমান টেবু শব্দ হিচাবে সমাজত প্ৰচলন হৈ আহিছে । যেনে—ৰাতি সাপক সাপ নুবুলি দীঘল নেজীয়া বা পোকা, দোকানীক হালধি নুখুজি ৰং গুৰা, চূণ নুখুজি বগা খোজা দেখা যায় ।

**৮। মৰিয়া সম্প্ৰদায়ৰ ঠাৰ ঃ** (যোৱা সংখ্যাৰ মঙ্গলদৈ মহাবিদ্যালয় আলোচনীত এই ঠাৰ প্ৰকাশ পাইছে)

৯। অন্যান্য ঠাৰ ঃ বজা-মহাৰজা সকলৰ মাজত প্ৰচলিত ঠাৰ, ভকত-বৈষ্ণৱ বিশেষকৈ বৰখেলীয়া সম্প্ৰদায়ৰ মাজত প্ৰচলিত ঠাৰ আৰু কেতিয়াবা কেতিয়াবা প্ৰত্যে গৃহস্থৰ ঘৰত বিশেষকৈ গিৰিয়েক ঘৈণীয়েকৰ মাজত চলা একপ্ৰকাৰ ঠাৰ দেখা যায় ।

সেইদৰে গৃহস্থীৰ মাজত চলা ঠাৰ বিশেষ সচৰাচৰ প্ৰচলিত ভাষা ৰীতিৰ মাজেদি ভাব প্ৰকাশ কৰে যদিও বক্তাৰ ভাব নিৰ্দিষ্ট শ্ৰোতাইহে বুজিব পাৰে।

এনেদৰে ঠাৰ সমূহৰ বিষয়ে আলোচনা কৰিব পাৰি যদিও গভীৰ অধ্যয়নৰ দিশেৰে আগবাঢ়িলে বিজ্ঞান সন্মত পদ্ধতিৰে ইয়াৰ এটি নতুন দিশ উন্মোচন কৰাৰ সম্ভাৱনা প্ৰচুৰ ।

প্ৰবন্ধ

# নিবনুৱা সমস্যা আৰু চৰকাৰী নিয়োগ নীতি

*শ্ৰীপবেশ কুমাৰ শৰ্মা*
প্ৰবক্তা, অৰ্থনীতি বিভাগ

ভাৰতৰ দৰে প্ৰায়বোৰ অনুন্নত দেশতেই নিবনুৱা সমস্যা সহচৰী হিচাপে ঠিয় দিব ধৰিছে । দেশৰ অৰ্থনৈতিক উন্নয়ন বাধাগ্ৰস্ত হোৱা, কৰ্ম সংস্থাপনৰ অভাৱ হোৱা, খাদ্য শস্যৰ নাটনিয়ে দেখা দিয়া আদি বিভিন্ন সমস্যাৰ প্ৰধান কাৰণ হৈছে দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি, উপযুক্ত নিয়োগ নীতিৰ অভাৱ, জনসংখ্যাক মানৱ সম্পদলৈ উন্নীত কৰণ কৰিবলৈ চৰকাৰী পক্ষৰ অৱহেলা ইত্যাদিয়ে প্ৰধান কাৰণ বুলিব পাৰি ।

নিবনুৱা বুলিলে যি সকল ব্যক্তি শাৰীৰিক, মানসিক তথা বৌদ্ধিকভাবে কোনো এটা কাম কৰিবলৈ সক্ষম আৰু বজাৰৰ প্ৰচলিত মজুৰিৰ হাৰত কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিও কাম নাপায় সেইসকল ব্যক্তিকেই নিবনুৱা আখ্যা দিব পাৰি । নিৱনুৱাক প্ৰধানকৈ দুই ভাগত ভগাব পাৰি (১) গ্ৰাম্য নিবনুৱা আৰু (২) নগৰীয়া নিবনুৱা । গ্ৰাম্য নিবনুৱা আকৌ দুই ভাগত ভগাব পাৰি, ঋতুজ নিবনুৱা আৰু ছদ্মবেশী নিবনুৱা । নগৰীয়া নিবনুৱা তিনি প্ৰকাৰৰ — ঔদ্যোগিক নিবনুৱা, শিক্ষিত নিবনুৱা আৰু চক্ৰীয় নিবনুৱা ।

ঋতু ভিত্তিক কৃষি পদ্ধতি, কুটীৰ শিল্পৰ অৱনতি, শিক্ষাৰ লগত সমাজ জীৱনৰ সামঞ্জস্য নোহোৱা ইত্যাদিও নিবনুৱাৰ উল্লেখযোগ্য কাৰণ বুলি ক'ব পাৰি । ভাৰতৰ প্ৰথম পৰিকল্পনাৰ কালছোৱাত ৫.৩ নিযুত আৰু নৱম পৰিকল্পনাত ১০৬ নিযুত লোক নিবনুৱা হৈ ৰয় ।

নিয়োগৰ সা-সুবিধাৰ অৰ্থে চৰকাৰে বিভিন্ন পৰিকল্পনাত বিভিন্ন আঁচনি যুগুত কৰি আহিছে যদিও আংশিকভাবে ৬ষ্ঠ আৰু ৭ম পৰিকল্পনাৰ পৰাহে নিয়োগৰ সুবিধাৰ ওপৰত বিশেষভাবে গুৰুত্ব প্ৰদান কৰিছে । নিয়োগৰ পৰিমাণ বৃদ্ধি কৰিবলৈ চৰকাৰে হাতত লোৱা আঁচনিসমূহৰ থুলমূল বিবৰণ তলত ডাঙি ধৰা হ'ল ।

প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত কুটীৰ শিল্পৰ উন্নয়ন আৰু পথ নিৰ্মাণৰ যোগেদি সৰ্বাধিক অতিৰিক্ত নিয়োগ সৃষ্টি কৰাৰ আঁচনি গ্ৰহণ কৰা হৈছিল যদিও কিমান লোক উপকৃত হ'ল সেইটো হিচাপ পোৱা নগ'ল । দ্বিতীয় আৰু তৃতীয় পৰিকল্পনাতো নতুন কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল । অৰ্থাৎ পৰিকল্পনাৰ প্ৰথম ১৫ টা বছৰত নিয়োগৰ সা-সুবিধা বৃদ্ধিয়ে প্ৰাথমিকতা লাভ কৰাত ব্যৰ্থ হ'ল । চতুৰ্থ পৰিকল্পনাত চৰকাৰৰ নিয়োগনীতি আন্তৰ্জাতিক শ্ৰম সন্থাৰ প্ৰতিবেদনৰ দ্বাৰা প্ৰভাৱান্বিত হ'ল । শ্ৰম প্ৰধান উৎপাদন কৌশলৰ ওপৰত কিছু পৰিমাণে গুৰুত্ব দিয়া হ'ল । চতুৰ্থ পৰিকল্পনাৰ সময়ছোৱাতেই বিজয় ডাগৰতী সমিতিৰ পৰামৰ্শ অনুসৰি চৰকাৰে নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ উদ্দেশ্যে ক্ষুদ্ৰ আকাৰৰ জলসিঞ্চন, গ্ৰাম্য পথ নিৰ্মানৰ ওপৰত জোৰ দিয়ে । পঞ্চম পৰিকল্পনাত নিয়োগৰ সুবিধা বৃদ্ধি কৰিবলৈ কেতবোৰ আঁচনি গ্ৰহণ কৰা হয়, তাৰ ভিতৰত ক্ষুদ্ৰ খেতিয়ক উন্নয়ন এজেঞ্চি (SFDA), উপায়ন্ত খেতিয়ক আৰু কৃষি শ্ৰম উন্নয়ন এজেঞ্চি (MFALDA) ; আৰু অনাবৃষ্টি আক্ৰান্ত অঞ্চল উন্নয়ন আঁচনি (Draught Prone Areas Programme) । ষষ্ঠ পৰিকল্পনাৰ নিয়োগনীতি অধিক সংযত আছিল বুলি ক'ব পাৰি । এই পৰিকল্পনাৰ নিয়োগনীতি প্ৰধানকৈ চাৰিখন হ'ল সংহত গ্ৰাম্য উন্নয়ন আঁচনি (Interegrated Rural Development programme IRDP), ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি (National Rural Employment Programme NREP), গ্ৰাম্য ভূমিহীন নিয়োগ প্ৰত্যাভূত আঁচনি (Rural Landless Employment Guarantee Programme RLEGP) আৰু স্ব-নিয়োগৰ বাবে গ্ৰাম্য যুৱক-যুৱতী প্ৰশিক্ষণ (Training of Rural Youth for self Employment অৰ্থাৎ TRYSEM)

সংহত গ্ৰাম্য উন্নয়ন আঁচনিখন পৰীক্ষামূলক ভাবে ১৯৭৬-৭৭ চনতেই হাতত লোৱা হয় যদিও প্ৰকৃতাৰ্থত ১৯৮০ চনৰ পৰাহে কাৰ্য্যকৰী হয় । খণ্ড উন্নয়ন কৰ্মচাৰী সকলৰ সহযোগিতাত জিলা গ্ৰাম্য উন্নয়ন এজেন্সিয়ে এই আঁচনিৰ ৰূপায়ণৰ দায়িত্ব গ্ৰহণ কৰে । কেন্দ্ৰ আৰু ৰাজ্য উভয়ে এই আঁচনিৰ ব্যয় বহন কৰে । ৰেচম শিল্প, পশুপালন, হস্তশিল্প, ব্যৱসায় ইত্যাদি বিভিন্ন ক্ষেত্ৰত নিয়োগৰ সম্প্ৰসাৰণৰ চেষ্টা চলোৱা হয় । ১৯৮১ চনৰ ১লা এপ্ৰিলৰ পৰা ষষ্ঠ পৰিকল্পনাৰ এক নিয়মীয়া আঁচনি হিচাবে ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি গ্ৰহণ কৰা হয় । এই আঁচনি ১৯৭৭-৭৮ চনত প্ৰবৰ্ত্তিত কৰ্মৰ বাবে খাদ্য আঁচনি (Food for Work)ৰ সংশোধিত সংস্কৰণহে ।

গ্ৰাম্য প্ৰত্যাভূত আঁচনিখন ১৯৮৩ চনত প্ৰবৰ্ত্তন কৰা হয় । গ্ৰাম্য পথ নিৰ্মাণ, জলসিঞ্চন, পতিত ভূমি আবাদকৰণ, সামাজিক বনানি কৰণ ইত্যাদি কাম এই আঁচনিয়ে সামৰি লৈছে । স্ব-নিয়োগৰ বাবে গ্ৰাম্য যুৱক-যুৱতীৰ প্ৰশিক্ষণ আঁচনিখন প্ৰবৰ্ত্তনো ১৯৮৩ চনতেই কৰা হয় । এই আঁচনিয়ে অশিক্ষিত নিবনুৱাক ২৫,০০০ টকাকৈ ঋণ আগবঢ়ায় । সপ্তম পৰিকল্পনাৰ শেষৰ বছৰটোত অৰ্থাৎ ১৯৮৯-৯০ চনত জৱাহৰ ৰোজগাৰ আঁচনি প্ৰবৰ্ত্তন কৰা হয় । ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনি, গ্ৰাম্য ভূমিহীন প্ৰত্যাভূত আঁচনি জৱাহৰ ৰোজগাৰ আঁচনিত চামিল হয় । ১৯৯৩-৯৪ চনত সংসদীয় সদস্যৰ বাবে স্থানীয় উন্নয়ন আঁচনি (Local area Development Scheme) প্ৰবৰ্ত্তন কৰা হৈছে । সংসদীয় সদস্যৰ অনুমোদন ১ কোটি এই আঁচনিৰ অন্তৰ্ভুক্ত ।

ওপৰোক্ত বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে যদিও ই ব্যৰ্থ হোৱা দেখা গৈছে । হিতাধিকাৰীৰ আঁসোৱাহযুক্ত চিনাক্তকৰণ, ব্যাপক দুৰ্নীতি, গাওঁ অঞ্চলত বেংক সেৱাৰ অভাৱ, ৰাজ্যসমূহে ৫০ শতাংশ ব্যয় কৰিবলগীয়া পুঁজিৰ যোগান নধৰা, প্ৰশাসনীয় দুৰ্বলতা, ৰাজনৈতিক দলৰ কৰ্মীসকলৰ তথা দলীয় নেতা সকলৰ সামূহিক উন্নয়ণত গুৰুত্ব প্ৰদান নকৰা, স্বজন প্ৰীতি,

প্ৰাকৃতিক দুৰ্যোগ, অশিক্ষিত আৰু ভিতৰুৱা অঞ্চলৰ লোকে আঁচনি সমূহৰ বিষয়ে খবৰ নোপোৱা ইত্যাদি বিভিন্ন কাৰকে আঁচনি সমূহৰ সকল ৰূপায়ণত বাধা প্ৰদান কৰিছে ।

জনসংখ্যাৰ দ্ৰুতগতিৰ বৃদ্ধিৰ তুলনাত এই আঁচনি সমূহ যথোপযুক্ত নহয় । নগৰ আৰু গাওঁ অঞ্চলত নিয়োগৰ সৃষ্টি কৰিবলৈ জনশক্তি পৰিকল্পনা, (Manpower Planing) আৰু দ্ৰুত উদ্যোগিকৰণৰ প্ৰয়োজন হ'ব । জনসংখ্যা বৃদ্ধিৰ হাৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে নিয়োগনীতিকে ধৰি কোনো অৰ্থনৈতিক নীতিয়ে আশানুৰূপ ফল দেখুৱাব নোৱাৰে । ঋতুজ কৃষিৰ সলনি গোটেই বছৰ সামৰি খেতিৰ ব্যৱস্থা গ্ৰহণ, বানপানী বা খৰাং বতৰৰ পিছত কম দিনত শস্য চপাব পৰা কৃষিৰ ব্যৱস্থা গ্ৰহণ, সমবায় পদ্ধতিৰ জৰিয়তে দুখীয়া কৃষকক উন্নীতকৰণ, কৃষি ভূমিৰ বৰ্দ্ধিত জনসংখ্যাক আন আনুসঙ্গিক ক্ষেত্ৰলৈ স্থানান্তৰৰ ব্যৱস্থা গ্ৰহণেও কিছুপৰিমানে নিবনুৱা সমস্যাৰ সকাহ দিব বুলি আশা কৰিব পাৰি ।

১৯৯৮ চনৰ অৰ্থনীতিৰ নবেল বঁটা বিজয়ী বিশিষ্ট অৰ্থনীতিবিদ ডঃ অৰ্মত্য সেনদেৱে আগবঢ়োৱা পৰামৰ্শ অৰ্থাৎ আমাৰ দেশে উৎপাদন কৌশলৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব লাগিব । শ্ৰম প্ৰধান দেশ হিচাবে আমাৰ দেশে পোনতে শ্ৰম প্ৰধান উৎপাদন কৌশল (Labour Intensive Techniques of Production) আৰু পিছলৈ মূলধন প্ৰধান উৎপাদন কৌশল (Capital intensive Technique of Production) গ্ৰহণ কৰিলে বৰ্দ্ধিত নিবনুৱাৰ কৰ্মসংস্থাপনৰ লগতে অৰ্থনৈতিক উন্নয়নো ক্ষিপ্ৰতৰ হ'ব । অৰ্থনৈতিক উন্নয়নৰ বাবে আৰু নিবনুৱা হ্ৰাস কৰাৰ উদ্দেশ্যে কৃষিৰ লগতে মৎস্য, উদ্যান শস্য আৰু পশুধনৰ ওপৰত গুৰুত্ব প্ৰদান, তেল আৰু গেছভিত্তিক উদ্যোগবোৰক উদ্গণি দিয়া, ব্যক্তিগত খণ্ডত বিনিয়োগ সাধন, শক্তি, যোগাযোগ আৰু দূৰ সংযোগ ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান, ভ্ৰমণ, পৰ্যটন আদি সেৱা ভিত্তিক উদ্যোগ আৰু কম্পিউটাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিলে দেশৰ সৰ্বাঙ্গীণ উন্নয়ন সাধন হ'ব বুলি আশা কৰিব পাৰি ।

□ ▨ □

প্ৰবন্ধ

# শ্ৰীশ্ৰী বালক ব্ৰহ্মচাৰী মহাৰাজ

*শ্ৰীদুৰ্যোধন দাস*
স্নাতক ২য় বৰ্ষ

যুগ অৱতাৰ তিনিজন বুলি জনা যায় যদিও বালক ব্ৰহ্মচাৰী মহাৰাজক বৰ্তমান যুগৰ অৱতাৰ বুলি ধৰা হয় । সেইফালৰ পৰা চাব গলে কলিযুগৰ চতুৰ্থ অৱতাৰ বুলিব পাৰি । এই বালক ব্ৰহ্মচাৰী মহাৰাজেই প্ৰথম ব্যক্তি যিজনে বিশ্বৰ অপশক্তিবোৰৰ লগত মুখামুখি হ'ব বিচাৰে । এই মহান ব্যক্তিজন বিভূতি-বৈভৱ, ভৌতিক, অনিমা-লঘিমাৰে পৰিপূৰ্ণ । জানিব পৰা মতে এই মহান শক্তিজনৰ নখদৰ্পণত বিশ্বব্ৰহ্মাণ্ড দেখা যায় । বালক ব্ৰহ্মচাৰী মহাৰাজৰ জীৱনৰ উদ্দেশ্য হৈছে বেদ ভিত্তিক সাম্যবাদ প্ৰতিষ্ঠা কৰা । মানৱ সমাজৰ বুকুৰ পৰা আৱৰ্জনাবোৰ দূৰ কৰি শান্তিময় যুগ প্ৰতিষ্ঠাই বালক ব্ৰহ্মচাৰী মহাৰাজৰ লক্ষ্য । বালক ব্ৰহ্মচাৰী মহাৰাজৰ বাণী হৈছে— 'সৃষ্টিকৰ্তাই যদি আমাক বিভাজন কৰা নাই তেনেহলে আমাৰ মাজত এই শ্ৰেণী বিভাজনৰ কোনো প্ৰয়োজন নাই ।' আমি সকলো একে পৰম পিতাৰ সন্তান ।

আজি যদি আমি চাব যাওঁ তেনেহলে এনেকুৱা লাগিব এতিয়া যেন কলিযুগৰ অৱসান হ'বৰ হ'ল । অৱশ্যে এই বিষয়ে জ্যোতিষীবোৰে নানা অধ্যয়ন চলাই আছে । যুগৰ এই পৰিবৰ্তনৰ বিষয়ে আজিৰ পৰা ৫০০ বছৰ পূৰ্বে সৰ্বকালৰ ভবিষ্যদ্ৰষ্টা ফ্ৰান্সৰ নষ্ট্ৰাদমাচে তেওঁৰ THE CENTURYS নামৰ গ্ৰন্থখনত লিখি থৈ গৈছে । এই বিষয়ে আজি পৃথিৱীৰ সৰ্বজন জ্ঞাত ।

পূৰ্ব পৰিচয় নোহোৱাকৈ কোনো মহান যুগঅৱতাৰ এই ধৰা ধামত আৰ্বিভাব নহয় । জন্মৰ পৰাই যিজনে অনন্ত বিশ্বৰ সুৰ মন্থন কৰিবলৈ আহে তেৱেঁই জন্ম সিদ্ধ ; তেৱেঁই প্ৰকৃত গুৰু । ইতিহাস ঐতিহ্যৰ ধাৰা হৈ তেওঁ আহে ইতিহাসক প্ৰতিষ্ঠা কৰি নতুন ইতিহাস ৰচনা কৰিবলৈ ।

এই মহান ব্যক্তি ঠাকুৰ বালক ব্ৰহ্মচাৰী মহাৰাজৰ জন্ম হয় বাং ১৩২৭ চনৰ কাতি মাহৰ ২৩ তাৰিখ মঙ্গলবাৰে ৰাতি ১০ বাজি ২০ মিনিটত । মাতৃ চাৰুশীলা দেৱীয়ে কোনো প্ৰসৱ বেদনা অনুভৱ নোহোৱাকৈ (বৰ্তমান বাংলাদেশৰ মেদিনী মণ্ডল গাওঁত) এই শিশুটি জন্ম দিয়ে । জন্মৰ পিছ মুহূৰ্তৰ পৰাই এই শিশুটিয়ে নানা অলৌকিক শক্তি দেখুৱাবলৈ লয় । শিশু অৱস্থাৰ পৰাই বালক ব্ৰহ্মচাৰী মহাৰাজে পৃথিৱী অধ্যয়ন কৰে ।

এই গুৰুজনাৰ অনিমা-লঘিমা দেখা পাই যিসকল ব্যক্তিয়ে তেওঁক গুৰু মানি লৈছিল তেওঁলোকৰ কেইজনমান হ'ল বিখ্যাত শিল্পী মহম্মদ ৰফি, প্ৰাক্তন কেন্দ্ৰীয় বিদ্যুৎ মন্ত্ৰী আবুবৰকত আটাউলগনিখান চৌধুৰী, প্ৰাক্তন কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী প্ৰণৱ মুখাৰ্জী, বৈজ্ঞানিক ডঃ প্ৰিয়দা ৰঞ্জন ৰয় । পণ্ডিত জৱহৰলাল নেহৰু, ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ, ডঃ ৰাজেন্দ্ৰ প্ৰসাদ আদি ।

সেইবাবেই আজি আমিও বিশ্বাস কৰিবলৈ বাধ্য হৈছো যে এদিন নহয় এদিন বেদভিত্তিক সাম্যবাদ প্ৰতিষ্ঠা হ'ব । মানুহৰ মাজত কোনো বৈষম্য নাথাকিব, থাকিব মাথো ভাতৃত্ববোধ ।

প্ৰবন্ধ

# আচৰণ

*শ্ৰীভাস্কৰজ্যোতি গোস্বামী*
স্নাতক ১ম বৰ্ষ

আচৰণ সম্পৰ্কে আমাৰ ধাৰণা অস্পষ্ট । আচৰণ কাক কয় বা আচৰণৰ সংজ্ঞা কি বা আচৰণৰ উৎপত্তি ক'ত ইয়াৰ ব্যৱহাৰ কিমান এই সম্পৰ্কে আমি অজ্ঞাত । আচৰণ অৰ্থাৎ ব্যৱহাৰৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাইঁ.। বহুতো মহাপুৰুষে বহুত ধৰণে আচৰণ সম্পৰ্কে ব্যাখ্যা আবঢ়াইছে। কিন্তু ইয়াৰ বেছি ভাগেই আমাৰ অজ্ঞাত। সাধাৰণ দৃষ্টিত —আমি সকলোবোৰ মানুহে আমাৰ কথা-বতৰা ভাল হোৱাটোকে অৰ্থাৎ ডাঙৰ-সৰু সাপেক্ষে যি আচৰণ আমি কৰা উচিত বা কৰাটো অতীৱ প্ৰয়োজনীয় তাকে আচৰণ বুলি অনুমান কৰি লওঁ । কিন্তু প্ৰকৃততে আমি আচৰণ সম্পৰ্কে এনেদৰে ভবাটো বা আমাৰ অনুমানটো শুদ্ধ নহয় । আচৰণ শব্দৰ অৰ্থ সংকীৰ্ণ আৰু সহজবোধ্য নহয় । সেয়ে প্ৰথমতেই উল্লেখ কৰিছো আচৰণ সম্পৰ্কে আমাৰ ধাৰণা অস্পষ্ট । এনেকুৱা মনোভাৱ এটা ক্ৰমাগত ভাৱে আমাৰ সকলোৰে মনত সুস্পষ্ট। কিন্তু আচৰণ শব্দৰ অৰ্থ অতি গভীৰ আৰু ইয়াৰ পৰিসৰ আকাশৰ দৰে বিস্তৃত ।

বুদ্ধদেৱৰ মতে, বাক সংযমৰ দ্বাৰা অৰ্থাৎ আমাৰ কথা-বতৰা পতাৰ ভঙ্গিমা সংযত কৰাৰ দ্বাৰা সংকল্প সিদ্ধ নহয় অৰ্থাৎ তাক আচৰণ বুলি ক'লে ভুল কোৱা হয় । বুদ্ধদেৱৰ চতুৰ্থ আৰ্য্যসত্য— দুঃখ নিৰোধ মাৰ্গ অৰ্থাৎ দুখৰ নিবৃত্তিৰ উপায় আছে । এই দুঃখৰ নিবৃত্তিৰ উপায় আঠোটা। এই আঠোটাক অষ্টমাৰ্গ বুলি কোৱা হয় । এই অষ্টমাৰ্গৰ ভিতৰত বুদ্ধদেৱৰ "সম্যক কৰ্মান্ত"ত এনেদৰে কৈছে যে সংযত আচৰণ [illegible] "সম্যক কমান্ত" বোলে । তেওঁৰ মতে আমাৰ সংকল্প সিদ্ধ কৰিবৰ বাবে প্ৰিয় ভাষণৰ লগত নিঃস্বাৰ্থ প্ৰিয় কৰ্মৰ অনুশীলনৰো প্ৰয়োজন.। তেওঁৰ পঞ্চশীল বা পঞ্চ আচৰণ যেনে— অহিংস, অস্তেয়, ব্ৰহ্মচৰ্য্য, সত্যপালন আৰু মাদক দ্ৰব্য বৰ্জনেই সম্যক কমান্ত বা সদাচাৰ । আচৰণ, লোভ, মোহ, হিংসা আদিৰ পৰা বিৰত থকাকে বুজায় । গতিকে আচৰণ সম্পৰ্কে আমাৰ ধাৰণা অসম্পূৰ্ণ । আচৰণ এনেকুৱা এটা বস্তু যাক ব্যৱহাৰিক দিশটোৰ অবিহনে বুজি পোৱাটো অসম্ভৱ । যেতিয়ালৈকে আমি সংযত আচৰণ কৰিবৰ বাবে দৃঢ় সংকল্প নহওঁ তেতিয়ালৈকে আচৰণ সম্পৰ্কে আমাৰ ধাৰণা ভ্ৰান্ত ।

আচৰণ আৰু শিক্ষাৰ সম্পৰ্ক পৰস্পৰ সাপেক্ষ নহয় । আচৰণ অবিহনে শিক্ষা মূল্যহীন কিন্তু শিক্ষা অবিহনে আচৰণ মূল্যহীন নহয় । সেয়ে কোৱা হৈছে ইহঁত পৰস্পৰ সাপেক্ষ নহয়। আচৰণ, শিক্ষা আৰু অৰ্থ এই তিনিটা বিষয়ক গভীৰ ভাবে বিশ্লেষণ কৰিলে ইয়াৰ ভিতৰত শ্ৰেষ্ঠতম যিটো সেইটো ওলাই পৰে । ইয়াৰ ভিতৰত শ্ৰেষ্ঠতম সম্পদ হ'ল আচৰণ। ইয়াক বহু বছৰ আগৰে পৰা উচ্চস্থান দিয়া হৈছে। কিন্তু আচৰিত কথাটো হ'ল কুৰি শতিকাৰ সত্তৰ, আশী দশক কেইটাত শিক্ষাক উচ্চ স্থান দিয়া হৈছে । আচৰণ অবিহনে লাভ কৰা শিক্ষাপ্ৰাপ্ত ব্যক্তিক চৰকাৰে বহুতো গুৰুত্বপূৰ্ণ পদত নিযুক্তি দি আহিছে.। তাতোকৈ আৰু আচৰিত হ'ব লগা কথাটো হ'ল —কুৰি শতিকাৰ শেষৰ ফালে অৰ্থই আচৰণ আৰু শিক্ষাক চেৰ পেলাইছে.। অৰ্থাৎ যাৰ অৰ্থ বা ধন-দৌলত আছে সিহে সমাজৰ উচ্চতৰ পদত অধিষ্ঠিত হৈছে। সেইজন শিক্ষিত হওঁক বা অশিক্ষিত হওঁক, ধৰ্ষণকাৰীয়েই হওঁক বা জধামূৰ্খই হওঁক তাৰ স্থান সদায় উচ্চত। ফলত আমাৰ দেশত এচাম শোষণকাৰীৰ তাণ্ডৱনৃত্য চলিছে যাৰ ফলত শিক্ষা ব্যৱস্থাকে ধৰি আমাৰ দেশৰ প্ৰত্যেকটো দিশ দুৰ্বল হৈ পৰিছে। যাৰ কাৰণে আমাৰ দেশৰ সৰ্বহাৰাসকল দুৰ্ভিক্ষৰ লগতে নিৰক্ষৰতাৰ কৰাল গ্ৰাসত পতিত হ'ব লগা হৈছে । কোনো এজন ব্যক্তি নিৰক্ষৰ হ'লেও আচৰণ সম্পৰ্কে যদি তেওঁ সজাগ তেনেহলে তেওঁৰ মানৱতাবোধ জ্ঞানকণ আছে আৰু তাৰ দ্বাৰাই তেওঁৰ জীৱন ধন্য। উদাহৰণ স্বৰূপে "চেণ্ট পিটাৰ চাৰ্চ"ৰ ভাৰ্জাৰ এলবাৰ্ট এডৱাৰ্ড ফৰমেনৰ বিষয়ে আমি পঢ়িবলৈ পাইছো।

যদি কোনো এজন ব্যক্তি উচ্চ শিক্ষাৰে শিক্ষিত অথচ তেওঁৰ আচৰণ সম্পৰ্কে যৎকিঞ্চিত জ্ঞানকণো নাই অৰ্থাৎ কাক কেনেদৰে ব্যৱহাৰ কৰিব লাগে তাকেই যদি ক'ব নোৱাৰে তেন্তে তেওঁৰ সেই উচ্চ শিক্ষা মূল্যহীন । শেষত আমি আচৰণক উচ্চ স্থান দিবই লাগিব । যাৰ আচৰণ আছে তেওঁহে প্ৰকৃততে মানুহ। আচৰণ নজনা মানুহ পশুতুল্য।

কবিয়ে আমাক তেওঁৰ সত্ত্বাৰ নিৰ্য্যাস মাত্ৰ দিয়ে । কিন্তু গদ্য লেখকে দিয়ে তেওঁৰ শৰীৰ, মন, সকলো ।

—*ভাৰ্জিনিয়া উল্‌ফ*

বুঢ়া হোৱাটো এটা বেয়া অভ্যাস । কামত ব্যস্ত হৈ থকা মানুহে তেনেকুৱা বেয়া অভ্যাস গঢ়িবলৈ সময়েই নাপায় ।

—*আঁন্দ্ৰে মৰোৱা*

প্ৰবন্ধ

# অঙ্গৰাগত জেতুকাৰ স্থান

*মঃ আতাউৰ ৰহমান*
স্নাতক ১ম বৰ্ষ

*মোহিনী জেতুকা পাত*
*বাহিৰে সেউজী ভিতৰে ৰাঙলী*
*এবুকু মৰম তাত।*

অসমৰ লোক-সংস্কৃতিৰ এক উল্লেখযোগ্য অধ্যায় আমাৰ বিহু উৎসৱ। বিহু অসমীয়া মানুহৰ প্ৰাণৰ হেঁপাহৰ আৰু সংস্কৃতিৰ উৎস। এই বিহুক উপলক্ষ্য কৰি পুৰুষ নাৰী উভয়ে জেতুকাৰে হাত-ভৰি বোলাই ৰূপৰ ৰহন চৰাই এক আবেগভৰা প্ৰাচুৰ্য্য লৈ ঢাপলি মেলে। সৌন্দৰ্য্যপ্ৰিয় অসমীয়া ডেকা গাভৰুৱে স্বাভাৱিক আৰু মানসিক উৎসৱ পথ যেদি নতুন আশাৰ সপোন আঁকে। উদং পথাৰত ডেকা গাভৰুৰ নাছোনৰ চেৱে চেৱে মোহনীয়া যৌৱনে লুকাভাকু মেলে, মন ইচাতি বিচাতি কৰে। জেতুকাৰ যৌন উত্তেজনা বঢ়োৱা অঙ্গৰাগে ডেকা গাভৰুৰ সেউজীয়া আশা আকাঙ্ক্ষাবে সজীৱ কৰি তোলে, প্ৰাণে প্ৰাণে অনামী আনন্দই অমৃত বৰষি লৈ যায় দূৰ দিগন্তলৈ। জেতুকা বোলৰ ৰঙীন আনন্দত যেতিয়া পাতল ঠেক ৰিহাখনি লৈ যৌৱনে আমনি কৰা নাচনী গাভৰু সাজি-কাঁচি নাচিবলৈ ওলাই আহে তেতিয়া গা ৰাই-জাই কৰা বিহুমৰা পাহোৱাল ডেকা ল'ৰাই গায়—

*হাততে জেতুকা ভৰিতে জেতুকা*
*কাণে লওঁ মূৰে লওঁ লাগে,*
*নাচনী মুখলৈ চাবকে নোৱাৰি*
*দেহা মোৰ কেনেবা লাগে*

বাৰীৰ ঢাপত বিনা যত্নত গজি উঠে জেতুকা গছ। এই জেতুকা গছজোপাই অসমীয়া লোক-সংস্কৃতিত আবহমান কালৰে পৰা কিমান প্ৰভাৱ বিস্তাৰ কৰি আহিছে ভাবিলে বিস্ময় মানিব লাগে। আজি আধুনিক যুগতো সৌন্দৰ্য্য প্ৰিয় অসমীয়া গাভৰুৱে বহাগ বিহুত জেতুকাৰে নখ, হাত-ভৰি ৰঙা কৰিবলৈ এৰা নাই। ওঁঠত তামোলৰ ৰঙচুৱা বোল পাঁজিসেৰীয়া আঙুলিত জেতুকাৰ উজ্বল ৰং, দীঘল চুলিটাৰীত গোন্ধ তেলৰ আমোলমোল সুবাস, কপালত ডাঙৰকৈ জিলিকি থকা ৰঙা সেন্দুৰৰ ফোঁটটো লৈ যেতিয়া অসমীয়া গাভৰুৱে বিহুতলীত ভৰি দিয়েহি তেতিয়া গা ৰাই-জাই কৰা অসমীয়া ডেকাৰ মনত এবুকু মৰম উপচি পৰে। নাচনীজনী সিদিনাই লগৰী কৰি নিবৰ মন কৰে—

*কিনো হাত দুখনি কেনে ভৰি দুখনি*
*কিনো তোমাৰ শুৱলা মাত,*
*ৰ'দ পাই জিলিকে মোহিনী জেতুকা*
*হাঁহিতে জিলিকে দাঁত।*

এই মোহিনী জেতুকাই প্ৰাক্-ঐতিহাসিক কালৰে পৰা ভাৰতীয় অঙ্গৰাগত প্ৰাধান্য বিস্তাৰ কৰি আহিছে। ভাৰতবৰ্ষৰ বাহিৰেও পশ্চিম এচিয়া আৰু সুদূৰ প্ৰাচ্যৰ দেশ সমূহতো জেতুকাৰ ব্যৱহাৰ ব্যাপক আছিল।

জেতুকাৰ ইংৰাজী নাম Lowsonia inermis অসমৰ ডেকা গাভৰু থকা প্ৰতি ঘৰতে বাৰীৰ ঢাপত জেতুকাৰ গছ আছে। বতাহ বৰষুণত হালিলে সিহঁতেই আমন-জিমনকৈ তুলি বাঁহৰ খুঁটি পুতি থিয়কৈ বাখে। যিদিনা জেতুকা লবৰ মন কৰিব সেইদিনা আবেলি দুই-চাৰিজনী ডেকেৰী লগ হৈ পলুই পাত খোৱাদি জেতুকাৰ পাত চিঙে আৰু জোনাক ৰাতি চোতালত পতাত পিহি মিহি কৰি হাতৰ আৰু ভৰিৰ নখত লগায়। হাতৰ তলুৱাত নিজৰ আৰু নিজৰ মৰমজানৰ নাম সংক্ষেপতে জেতুকাৰে লিখে। জেতুকা লৈ উঠাৰ পাছত ছোৱালীবোৰক জোকাবলৈ বৰ ভাল, সিহঁতক যিমান যি বুলিয়েই নোজোকাক কিয়, সিহঁতে মুখেৰে দুই এষাৰ কোৱাৰ বাহিৰে হাতেৰে আক্ৰমণ কৰিবলৈ নাহে। ম'হে খালেও নামাৰে। ৰাতি দুয়োখন হাত ওপৰফালে কৰি শুই থাকে।

মুছলমান সম্প্ৰদায়ৰ মানুহেও জেতুকাক বৰ আদৰ কৰে। মুছলমান সম্প্ৰদায়ৰ পথ প্ৰদৰ্শক হজৰত মহম্মদে (ছঃ) নিজৰ দাড়িত জেতুকাৰ বোল লগাইছিল। সেইবাবে মুছলমান সকলে ভৰিত অৰ্থাৎ ভৰিৰ নামত জেতুকা নলগায়। যিয়েই নহওঁক অসমীয়া সমাজত জেতুকাৰ এক বিশেষ স্থান আছে। জেতুকাৰ আদৰে আমাৰ জীৱন আৰু সংস্কৃতিৰ বহুত পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

প্ৰবন্ধ

# আধুনিক যুৱ সমাজ আৰু মাদকদ্ৰব্য

*শ্ৰীদুলাল চন্দ্ৰ মহন্ত*
স্নাতক ৩য় বৰ্ষ

চিগাৰেটৰ পেকেটৰ ওপৰত লিখা থকা 'Smoking Cigarette is injurious to health' নাইবা মদৰ বটলৰ ওপৰৰ লেবেলত লিখা থকা 'Drinking lequied is injurious to health' বাক্যটো কেইজন ধূমপানকাৰী অথবা মদ্যপানকাৰীয়ে বুজে অথবা পঢ়ে ? শতকৰা ৪০ জনেই পঢ়িব নাজানে যদিও বাক্যটোৰ বিষয়ে জানে। ৪৫ শতাংশই পঢ়িব জানিলেও গুৰুত্ব নিদিয়ে। ৪ শতাংশই পঢ়ে যদিও তাক উপলব্ধি কৰিবৰ যত্ন নকৰে। বাকী ১ শতাংশই পঢ়ে, বুজে, চিন্তা কৰে, অথচ সেই প্ৰিয় মাদকদ্ৰব্য বিধ এৰিব নোৱাৰে।

যোৱা কেইটামান বছৰৰ ভিতৰতে মাদক দ্ৰব্যৰ ব্যৱহাৰ ভয়ানক হাৰত বৃদ্ধি পাই যোৱাটোৱে বিভিন্ন মহলত চিন্তাৰ জোৱাৰ তুলিছে। এটা পৰিসংখ্যিক তথ্য অনুসৰি, ১৯৯৬ বছৰটোত ভাৰতবৰ্ষত মুঠ ৮৫ হাজাৰ কোটি চিগাৰেট সেৱন কৰা হয়। এই পৰিমাণ ১৯৯৫ চনত আছিল ৬৮ হাজাৰ কোটি আৰু ১৯৯৭ চনত ই বাঢ়ি ১১৫ হাজাৰ কোটি হোৱা বুলি ঠাৱৰ কৰা কৰা হৈছে। ১৯৯৮ চনত এই হাৰ আৰু দ্ৰুতভাৱে বৃদ্ধি পাইছে। অসমত এই হাৰ বেছি। অসমত মাদক দ্ৰব্যৰ জনপ্ৰিয়তা বৃদ্ধিয়ে এটা ভয়াবহ সমস্যাৰূপে থিয় দিছে। বিশেষকৈ অসমৰ উদীয়মান যুৱক সকলৰ মাজত মাদক দ্ৰব্যৰ বহুলপ্ৰচলনে অসমৰ ভৱিষ্যতৰ বাবে জনসাধাৰণক চিন্তিত কৰি তুলিছে। আটাইতকৈ দুখলগা কথা যে কৈশোৰ যৌৱনৰ সন্ধিক্ষণত উপস্থিত হোৱা স্কুলীয়া ছাত্ৰই ওঁঠত জ্বলন্ত চিগাৰেট লৈ কাষেৰে পাৰ হৈ যায় অথবা মদৰ দোকানৰ সন্মুখৰ দীঘলীয়া শাৰীত ১৫-১৬ বছৰীয়া কিছুমান ল'ৰাক বৈ থকা দেখা যায়।

এই কম বয়সীয়া যুৱকসকলৰ হয়তো ভুল ধাৰণা আছে যে, চিগাৰেটে মনৰ ক্লান্তি দূৰ কৰে অথবা মদে স্বাস্থ্য গঠনত সহায় কৰে। কিন্তু এনে ধাৰণাৰ বশৱৰ্তী হৈ যে তেওঁলোকে জীৱনটোক বিক্ৰী কৰি দিবলৈ ওলাইছে সেই কথা চিন্তা কৰিবলৈ তেওঁলোকৰ অলপো আহৰি নাই। ছাত্ৰৱস্থাত এনে কি ক্লান্তিকৰ মুহূৰ্ত আহিব পাৰে, যি মুহূৰ্তত তেওঁলোকে চিগাৰেটৰ সহায়ত সেই ক্লান্তি দূৰ কৰিব পাৰে।

প্ৰকৃতপক্ষে এটা সুস্থ দেহতহে এটা সুস্থ মনে স্থিতি লাভ কৰে। এজন সুস্থ মনৰ অধিকাৰী ছাত্ৰৰ মনত কোনো ক্লান্তি সাধাৰণতে উৎপত্তি নহয় আৰু হ'লেও সেই ক্লান্তি তেওঁ সৎ উপায়েৰে দূৰ কৰিব পাৰে। এনে এজন ছাত্ৰই মাদক দ্ৰব্য ব্যৱহাৰ কৰাৰ আগতে অন্ততঃ ইয়াৰ উপকাৰিতা আৰু অপকাৰিতা সম্পৰ্কে নিশ্চিত হ'ব আৰু তেওঁ প্ৰকৃততে সুস্থ মগজুৰ ছাত্ৰ হ'লে চিগাৰেটৰ পেকেটত লিখা 'Cigarette smoking is njurious to health' বাক্যটো পঢ়ি, বুজি এটা উপযুক্ত সিদ্ধান্ত ল'ব— তেওঁ চিগাৰেট খাব নে নেখায়।

তেন্তে হ'ব পাৰে নেকি যে, যুৱ ছাত্ৰৰ মাজত মাদক দ্ৰব্যৰ বহুল প্ৰচলনৰ বাবে দায়ী তেওঁলোকৰ মস্তিস্কৰ বিকৃতি ? নিশ্চয় নহয়। ইয়াৰ নেপথ্যত অন্য কিছুমান কাৰণে থকাটো দূৰদৰ্শী সকলৰ চকুত পৰে।

প্ৰথমে দেখা যায় যে, অসমীয়া সমাজত অতীত কালৰ পৰাই অত্যাধিক হাৰত ধপাত, ভাং, মদ, কানি ইত্যাদি মাদক দ্ৰব্য ব্যৱহৃত হৈ আহিছে। আমাৰ যৌথ পৰিয়ালত ককাদেউতাকে জুহালৰ কাষত বহি চুৰত, ভাং খাই ধোঁৱা উকৱাই, কায়তে নাতি ল'ৰাহতক বহুৱাই সাধুকথা কোৱাৰ দৃশ্যটো আমি পাহৰিলে নচলিব। আকৌ কোনো পৰিয়ালত মদপী দেউতাকক মাকে গালি পৰাৰ উত্তৰত দেউতাকৰ মুখৰ পৰা উৎকত সুৰত ওলাই অহা "দে, ৰ' বলকি নাথাকিবি একো নহয় ...." আদি কথাই তেওঁলোকৰ কোমল বয়সীয়া শিশুটিৰ মনত মাদক দ্ৰব্যৰ ওপৰত বিৰূপ ধাৰণা সোমাই দিয়ে। আমাৰ ধূমপানকাৰী অভিভাৱকে পুতেকহঁতক দোকানৰ পৰা বিড়ি, চিগাৰেট আদি আনিবলৈ পঠোৱাৰ উদাহৰণো বহুত আছে। গতিকে এইটো সাব্যস্ত হয় যে উদীয়মান যুৱকসকলৰ মাজত মাদক দ্ৰব্যৰ বহুল ব্যৱহাৰৰ বাবে তেওঁলোকৰ পূৰ্বপুৰুষ আৰু অভিভাৱক সকলেই প্ৰথম দায়ী।

অলপ দকৈ ভাবি চালে দেখা যায় যে অসমীয়া মানুহৰ অনুকৰণপ্ৰিয়তা বেছি। এই অনুকৰণপ্ৰিয়তা ভালৰ দিশত যিমান তাৰ বিপৰীতে বেয়াৰ দিশত অত্যাধিক বেছি। কোনোবাই সমাজৰ কল্যাণকৰ কাম কৰিলে তাক অনুকৰণ কৰাত অসমীয়াসকল অতি দুখ লগাকৈ পিছপৰা। কিন্তু কোনোবাই কাবোবাক মাৰিলে, কোনোবাই কৰবাত লুণ্ঠন কৰিলে তাৰ অনুকৰণত অতি সহজেই আৰু দহজন নতুন হত্যাকাৰী বা লুণ্ঠনকাৰীৰ সৃষ্টি হয়। গতিকে এজনে মদ, চিগাৰেট বা ভাং খালে তাৰ অনুকৰণত অন্য দহজনো সেই দিশতে গতি কৰে।

তৃতীয়তে, দূৰদৰ্শন, বাতৰি কাকত আদিত প্ৰচাৰিত বিজ্ঞাপন সমূহে অসমীয়া সকলক অতি বেয়াকৈ প্ৰভাৱিত কৰিছে। ই চৰম সত্য। অদূৰদৰ্শীতা আৰু অচেতনতাৰ বাবে মাদক দ্ৰব্যাদিৰ বিজ্ঞাপনে অসমীয়া উদীয়মান যুৱ ছাত্ৰসকলক ইবিলাকৰ প্ৰতি আসক্ত কৰাৰ ফলতেই অসমীয়া যুৱ সমাজৰ এই অৱস্থা।

চতুৰ্থতে, অনুকৰণ প্ৰিয়তাই অসমীয়া যুৱ সমাজৰ এনে অৱস্থাৰ বাবে দায়ী। ভালদৰে চালে দেখা যায় যে, হিন্দী ছবিত অভিনীত কিছুমান চৰিত্ৰৰ ধৰণ-কৰণ সমূহ অনুকৰণ কৰাত অসমীয়া যুৱকসকল পাৰ্গত। জিনচ্‌ চাৰ্ট-পেণ্ট পৰিধান, দীঘলকৈ চুলি ৰখা, চাৰ্টৰ জেপত চিগাৰেটৰ পেকেট, পেণ্টৰ জেপত এল.পি.জি. লাইট লৈ চহৰৰ কোনোবা তিনিআলি

বা চিনেমা হলৰ আগত বহি আড্ডা দি, ৰাস্তাৰে পাৰ হৈ যোৱা ছোৱালীক নানা ভাষাৰে জোকোৱা, কাৰোবাৰ লগত মাৰ-পিট কৰা, কোনোলোকৰ ঘৰত বা দোকানত ভীতি প্ৰদৰ্শন কৰি টকা লোৱা অথবা স্থানভেদে ধৰ্ষণৰ প্ৰচেষ্টা চলোৱা হিন্দী চিনেমাৰ নকল হিৰ' নাইবা ভিলেইন চৰিত্ৰ সমূহৰ কাৰ্যকলাপ অসমীয়া যুৱকসকলে অনুকৰণ কৰাৰ অব্যৰ্থ প্ৰচেষ্টা চকুত পৰে। ইয়াৰ ফলতেই আজি হিন্দী চিনেমাত প্ৰদৰ্শিত লোমহৰ্ষক হত্যাকাণ্ড, মাৰপিট, লুণ্ঠন আদি ঘটনা অসমৰ বাস্তৱ সমাজৰ দৈনিক ঘটনাত পৰিণত হৈছে।

পঞ্চমতে, এক শ্ৰেণীৰ মাফিয়া যি সকলে বৃহৎ পৰিমাণৰ টকাৰ বিনিময়ত হিৰ'ইন, কোকেইন, ব্ৰাউন চুগাৰ ইত্যাদি সাংঘাতিক মাদক দ্ৰব্যৰ ব্যৱসায় কৰি নিজে ক'লা টকাৰ পাহাৰ সাজিছে। আৰু বিপৰীতে সমাজখন 'চুৱাপাতনি'ত পৰিণত কৰিছে। সৰু সৰু পান দোকান বিলাকৰ কিছুমান দোকানীয়ে এইখিনি উদীয়মান যুৱকক হাত কৰি লৈ ড্ৰাগছৰ চিপজৰীত তেওঁলোকৰ মূৰবিলাক সুমোৱাই দিছে।

শেষত দেখা যায় যে, কৰ্মসংস্থানবিহীন শিক্ষিত যুৱকসকলে যেতিয়া জীৱনত প্ৰতিষ্ঠিত হোৱাৰ বাবে কোনো উপায় নাপায়, শিক্ষাৰ মূল্যহীনতাৰ কথা চিন্তা কৰি নিজৰ জীৱনৰ প্ৰতি থকা মোহকনকো পাহৰি যায়, তেতিয়া হয়তো মাদক দ্ৰব্য সেৱন কৰাৰ কথাটো অতি সাধাৰণ কথাত পৰিণত হয়। দুখ, কষ্ট, বিফলতা আদিক পাহৰি থাকিবৰ নিমিত্তেই হয়তো দুজনমান নিবনুৱা ডেকা একে লগ হ'লেই সাধাৰণতে বিভিন্ন ধৰণৰ মাদক দ্ৰব্য ব্যৱহাৰ কৰাটো আমাৰ চকুত পৰে। গতিকে নিবনুৱা সমস্যাও অন্যান্য কাৰণৰ দৰেই উল্লেখযোগ্য, মাদক দ্ৰব্যৰ বহুল প্ৰচলনৰ এটা কাৰণ।

প্ৰবন্ধ

# অসমীয়া জাতিলৈ শঙ্কৰদেৱৰ অৱদান

*শ্ৰীমাণিক চহৰীয়া*
স্নাতক ৩য় বৰ্ষ

এটা জাতি জীয়াই থাকিবলৈ হ'লে তিনিটা সত্বাৰ বৰ প্ৰয়োজন। সেয়া হ'ল (১) নিজস্ব ভাষা, সাহিত্য, সংস্কৃতি (২) ধৰ্ম আৰু (৩) আধ্যাত্মিকতা। ভাষা, সাহিত্য, সংস্কৃতি, ধৰ্ম অবিহনে কোনো জাতিয়েই এই পৃথিৱীত বৰ্তি থাকিব নোৱাৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গুৰুজনাই অসমীয়া জাতিলৈ এই আটাইখিনি বস্তু দি গৈছে আৰু অসমীয়া জাতিৰ স্বকীয়তা দেখুৱাই থৈ গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে জাতি-বৰ্ণহীন, অস্পৃশ্যতাহীন, উচ্চ-নীচ, ভেদাভেদ সকলোবোৰ আঁতৰাই ৫৪৮ বছৰ আগতেই জন্ম গ্ৰহণ কৰি সুন্দৰ ভাৰতীয় সমাজ গঠন কৰি থৈ গৈছিল।

মহাপুৰুষ জনাই ধৰ্ম প্ৰচাৰৰ অৰ্থে ৰচনা কৰা তেখেতৰ ৰচনা ৰাজিয়েই অসমীয়া সাহিত্যৰ কিৰিটি স্বৰূপ। টৌটক ছন্দৰ 'মধু দানৱ দাৰণ'' স্তুতিটি আৰু প্ৰকৰণ গ্ৰন্থ ভক্তি ৰত্নাকৰক বাদ দি তেওঁৰ ৰচনাৱলীক তলত দিয়া ভাগ সমূহত ভগাব পাৰি— (১) উপাখ্যান —হৰিশ্চন্দ্ৰ উপাখ্যান, তথ্যমূলক (অনাদি পাতন), কীৰ্তন ঘোষা, বৰগীত আৰু অংকীয়া নাট সমাজ সংগঠনৰ অতুলনীয় উপাদান হিচাবে তেৰাই আগবঢ়াই থৈ গৈছে তেখেতৰ সাহিত্য ৰাজিৰ মাজেৰে। তেৰাৰ কৃত কীৰ্তন দশমক বৈষ্ণৱ ধৰ্মৰ চাৰিবেদৰ দুই বেদ আখ্যা দিয়া হয়।

৫৪৮ বছৰ আগতে এই ধৰাত আৰ্বিভাৱ হৈ তেখেতে যি ভক্তি ধৰ্ম প্ৰৱৰ্তন কৰি গ'ল তাৰ প্ৰাসংগিকতা আজিও বিদ্যমান। আজিৰ অসম অশান্ত। প্ৰাত্যহিক খবৰ কাগজে কঢ়িয়াই আনে হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ দৰে বিভৎস খবৰ। এতিয়া প্ৰশ্ন হয়, কিয় এনে হ'বলৈ পাইছে? তাৰ উত্তৰ বহুতো হ'ব পাৰে। তাৰ ভিতৰত নৈতিক অধঃপতন, প্ৰবঞ্চনা, দুৰ্নীতি প্ৰধান। কিন্তু হত্যা, লুণ্ঠন, দুৰ্নীতি, প্ৰতাৰণাটো আজিৰ ঘটনা নহয়। শঙ্কৰদেৱৰ আগৰ দিনটো আনকি নৰবলিৰ দৰে বিভৎস ঘটনা ঘটিছিল। কিন্তু তেৰাই তেৰাৰ অমূল্য বাণী —'কুকুৰ-শৃগাল গৰ্দডৰো আত্মাৰাম/জানিয়া সবাক কৰিবাহা প্ৰণাম'ৰ দ্বাৰা মানুহৰ মাজত থকা হিংসা-দ্বেষ, আঁতৰাই এখন নিকা সমাজ গঠন কৰিছিল। যদি আমি সঁচাকৈয়ে শান্তি বিচাৰো, এখন সুন্দৰ সমিল-মিলৰ সমাজ বিচাৰো তেন্তে শঙ্কৰদেৱ গুৰুজনাৰ অমৰ বাণী সমূহ সাৰোগত কৰিবই লাগিব। তেৰাৰ আদৰ্শ ৰাজি গ্ৰহণ কৰিবই লাগিব। সাম্প্ৰতিক সময়ত যদিহে মানুহৰ মাজত আধ্যাত্মিক স্ফুৰণ ঘটাব পৰা নাযায় তেতিয়া হ'লে সমাজত অসূয়াবোৰ থাকিয়ে যাব। যেতিয়া মানুহৰ মাজত পাপ-পুণ্যৰ বিচাৰ নোহোৱা হয় তেতিয়াই কিছুমান অসামাজিক কাৰ্য্য সংগঠিত হয়। গতিকে মানুহবিলাক অসামাজিক কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ হ'লে কলিৰ যুগৰ শ্ৰেষ্ঠ ধৰ্ম— একশৰণ হৰিনাম ধৰ্ম গ্ৰহণ কৰিবই লাগিব যিটো শঙ্কৰদেৱে আমাক দি থৈ গৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ আহিলা হিচাবে ব্যৱহাৰ কৰিছিল নাম ঘৰ। নাম ঘৰক অসমৰ জাতীয় নাট্যশালা আখ্যা দিয়া হয়। এই

নামঘৰেই মূলতঃ আমাৰ মাজত চলি অহা উচ্চ-নীচ ভেদভাৱবোৰ নোহোৱা কৰিলে। আজিৰ অসমত এনে এখন গাওঁ নোলাব য'ত নামঘৰ নাই। সময়ে সময়ে নামঘৰ বিচাৰালয় হিচাবে ব্যৱহৃত হৈ আহিছে। এই নামঘৰতেই বাইজ বহি ইঘৰ-সিঘৰৰ মাজত লগা কাজিয়া-পেচালৰ বিচাৰ কৰে আৰু এইদৰে নামঘৰে আমাৰ মাজৰ মিলা-প্ৰীতিৰ এনাজৰিডাল দৃঢ়কৈটীয়া কৰি ৰাখিছে। নামঘৰ অসমীয়া জাতিলৈ শঙ্কৰদেৱৰ অমূল্য অৱদান।

এই প্ৰবন্ধটোৰ মাজতে একশৰণ হৰিনাম ধৰ্ম বুলি উল্লেখ কৰা হৈছে। এই একশৰণ হৰিনাম ধৰ্মনো কি ? এই বিষয়ে জনাৰ আমাৰ ছাত্ৰ সমাজৰ অতীৱ প্ৰয়োজন আছে বুলি আমি অনুভৱ কৰো। একশৰণ হৰিনাম ধৰ্ম হ'ল— এজন দেৱতাৰ শ্ৰীচৰণত কায়বাক্যে মনে শৰণ গ্ৰহণ কৰা। দেৱতাজন হ'ল —দেৱৰো উত্তম দৈৱকী নন্দন কৃষ্ণ। একশৰণ হৰিনাম ধৰ্মৰ বৈশিষ্ট্য হ'ল— ১। ইয়াত যাগ-যজ্ঞ, পূজা-পাতল একোৰে প্ৰয়োজন নাই। ইয়াৰ একমাত্ৰ অৱলম্বন হ'ল শ্ৰৱণ, কীৰ্তন। ভাগৱতত এটা কথা আছে যদাপি ভকতি নৱবিধ মাধৱৰ/শ্ৰৱণ কীৰ্তন তাত মহাশ্ৰেষ্ঠতৰ। এই ধৰ্মত কোনো উচ্চ-নীচ, কুলাচাৰ আদি নাই। নবাচে ভকতি জাতি-অজাতি বিচাৰ/কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ। আমি এই কাৰণেই এই ধৰ্মৰ অতীৱ প্ৰয়োজন বুলি কৈছো। বহু ঈশ্বৰবাদ বিশৃংখল জীৱনৰ কাৰণ। শান্তি আৰু মুক্তি লাভৰো নিস্ফল প্ৰয়াস। বহুমুখী উপাসনাই জীৱনৰ স্বৰূপ প্ৰকাশটো নকৰেই বৰঞ্চ জীৱনক দুৰ্বিসহ কৰি তোলে। একেশ্বৰবাদত এনে আহুকাল নাই। বহু শৰণতকৈ একশৰণ শ্ৰেষ্ঠ। গীতাত আছে— সৰ্বাধৰ্মান পৰিত্যেজ্য সামেকং শৰণং ব্ৰজ/অহংত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষামী মা শুচঃ। শঙ্কৰদেৱ গুৰুজনাই একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰ কৰি আমাৰ সমাজত প্ৰচলিত অনাচাৰ-ব্যভিচাৰ, উচ্চ-নীচ, ভেদাভেদ, অস্পৃশ্যতা আঁতৰাই বৃহৎ অসমীয়া জাতি গঢ়ি থৈ গৈছে। গুৰুজনাৰ প্ৰয়াণৰ পিচৰে পৰা পুনৰ জাতিভেদে মূৰ দাঙি উঠিছিল। তেওঁ গঢ়ি থৈ যোৱা বৃহৎ জাতিটো থানবান হৈ যোৱাৰ উপক্ৰম হৈছিল। যদিও বৰ্তমান কিছুমান ৰবেণ্য নমস্য ব্যক্তিৰ আশাশুধীয়া চেষ্টাৰ বলত শঙ্কৰদেৱ আন্দোলন চলি আছে।

শঙ্কৰদেৱে যেনেদৰে সাহিত্যৰাজি সৃষ্টি কৰিছিল ঠিক তেনেদৰে এক নতুন বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰ উদ্ভাৱন কৰিছিল। যাক আমি শঙ্কৰী সংস্কৃতি বুলি জানো। এটা জাতিৰ চিনাকি হ'ল জাতিটোৰ সংস্কৃতি। সংস্কৃতিৰ মূল বস্তু ধৰ্ম। সংস্কৃতিয়ে ধৰ্মৰ সহায়ত মানুহৰ মানসিক উৎকৰ্ষ সাধন কৰি পশুত্বৰ পৰা মানৱত্বৰ মাজেদি দেৱত্বলৈ উত্তৰণ ঘটায়। অসমীয়া সংস্কৃতি বিশাল ভাৰতীয় সংস্কৃতিৰে অংগ। বিভিন্ন সময়ত অসমত পদাৰ্পণ কৰা বিভিন্ন জাতিৰ সংস্কৃতিৰ উপাদানবোৰ সংমিশ্ৰিত হৈ সংস্কৃতিৰ সমন্বয় ঘটিছিল। অসমীয়া সংস্কৃতি হ'ল সমন্বয় সংস্কৃতি। শঙ্কৰদেৱে প্ৰাক্-শঙ্কৰী যুগৰ কৈৱাতজ সংস্কৃতি উচ্ছেদ কৰি (কৈৱাতজ সংস্কৃতি হ'ল —লোক বিশ্বাস, লোকাচাৰ, ৰীতিনীতি যেনে— মৃতক, মৃতকৰ আত্মা, দেওভূত শক্তিৰ উপাসনা, বলিপ্ৰথা, যোনী পূজা) সমাজৰ আচাৰ-ব্যৱহাৰ সলনি কৰি এক নতুন সংস্কৃতিৰ পাতনি মেলিছিল। সেয়ে হ'ল শঙ্কৰী সংস্কৃতি। সাহিত্যৰথী বেজবৰুৱাই শঙ্কৰদেৱক জাতিৰ নিৰ্মাতা আখ্যা দি কৈছিল— শঙ্কৰদেৱে ভুৰি ভুৰি অমূল্য গ্ৰন্থ ৰচনা কৰি অসমক উচ্চ খাপৰ ধৰ্ম দিলে। অতুল সাহিত্য দিলে। নিৰ্মল চৰিত্ৰ দিলে। সাধু আচাৰ দিলে। গীত দিলে, বাজনা দিলে। মুঠতে আমাক সকলোপিনৰ পৰাই চহকী কৰিলে। আজি শঙ্কৰদেৱৰ সৃষ্টি নৃত্যবোৰক সত্ৰীয়া নৃত্য বোলা হয়। ই সত্ৰীয়া নৃত্য হ'ব নোৱাৰে। ই হ'ল শঙ্কৰী নৃত্য। এই ক্ষেত্ৰত লীলা গগৈৰ উক্তি বিশেষ মন কৰিবলগীয়া। "সত্ৰসমূহে শঙ্কৰী সংস্কৃতি বিকাশত বিশেষ অৰিহণা যোগোৱা নাই আৰু কেৱল সত্ৰক কেন্দ্ৰ কৰিয়েই শঙ্কৰী সংস্কৃতি বৰ্তি থকা নাই। শঙ্কৰদেৱে সৃষ্টি কৰি থৈ যোৱা সাংস্কৃতিক উপাদান সমূহক আমি শঙ্কৰী সংস্কৃতি নামেৰেই নামকৰণ কৰিব খুজিছো।"

শ্ৰীমন্ত শঙ্কৰদেৱৰ যুগত অসমীয়া সাহিত্যই এক আন্দোলনৰ ৰূপ ধৰি বিস্তাৰ লাভ কৰিছিল। মধ্যযুগৰ ভাৰতীয় সাহিত্যৰ লক্ষণ, বৃটিছ আগমণ আৰু দেশ অধিকাৰৰ পিছলৈকে বিয়পি পৰিছিল। তেৰাৰ নিজস্ব সময়ৰে পৰা আজিলৈকে অসমীয়া সাহিত্য সংস্কৃতিৰ অনেক বিপক্ষী লোক ওলাইছে। সকলোবোৰ কালৰ বুকুত আপোনা-আপুনি লয় পাইছে। কিন্তু শঙ্কৰদেৱ আৰু তেওঁৰ দ্বাৰা গঢ়া অসমীয়া সাহিত্য সংস্কৃতি অচল-অটলভাৱে থিয় দি থাকি ভাৰতীয় সাহিত্য-সংস্কৃতিৰ মানচিত্ৰত অসমক জিলিকাই ৰাখিছে।

*(প্ৰবন্ধটি সহায় লৈ লিখা হৈছে।)*



যিসকল লোকক আমি প্ৰতিভাৱান বুলি কওঁ তেওঁলোকৰ সকলোৰে এটা সাধাৰণ বৈশিষ্ট্য আছে। তেওঁলোকে সকলো সময়তে এই কথা অনুভৱ কৰি থাকে যে সৰ্বসাধাৰণ মানুহতকৈ তেওঁলোক বেলেগ।

*—মিগুৱেল দ্য উনামুনু*

প্ৰবন্ধ

# লোক-সংস্কৃতি

শ্ৰীসাধিৰাম বড়া
কাৰ্য্যালয় সহায়ক

লোক সাহিত্য কোনো এটা জাতি বা ধৰ্মৰ বাহক। কোনোবা অতীতত বনৰীয়া পশু-পক্ষীৰ লগতে মানুহে হাবিয়ে বননিয়ে বসবাস কৰিছিল। মানুহে জ্ঞান আৰু বুদ্ধিৰ দাবীতে নিজকে শ্ৰেষ্ঠ প্ৰাণী বুলি প্ৰতিষ্ঠা কৰিলে । বনত চিকাৰ কৰি জীৱ-জন্তু জুইত পুৰি ভাগ বাতি খাব জনা হ'ল। এনেদৰে সামাজিক বান্ধোনে মানুহক একেলগে বসবাস কৰিব শিকালে। আদিতে অসমৰ প্ৰায় আশীভাগ মানুহে গাৱঁত বাস কৰিছিল। কৃষি কৰ্মকে জীৱনৰ জীৱিকাৰ পথ হিচাবে গণ্য কৰিছিল। নাঙল, যুঁৱলি আৰু হালৰ গৰু হালকেই জীৱনৰ সম্বল হিচাবে লৈছিল। খেতিৰ নটা যোৱা —নিজৰ হাল, গৰু, হালোৱা, ৰোৱনি, নাঙল-যুঁৱলি, মৈ, ডাকুৰা, জাপি আৰু কোৰ। এই ন বিধ সঁজুলি যুগুতাই খেতিয়ক সকল কৃষি কৰ্মত আগবাঢ়ে। কঠীয়া ধান ভৰিৰে মোহাৰি মাৰি বাঁহেৰে সজা টোপাত সুকীয়াকৈ থোৱা হয়। নাঙল-যুঁৱলি, কোৰ, মৈ, ডাকুৰা ধুই পখালি নিৰ্দিষ্ট স্থানত ৰাখে।

শাওঁণ মাহৰ কোনোবা এটা ভাল দিনত প্ৰথম শালি ধানৰ গোছা লোৱা হয়। গুচি ল'বৰ দিনা এটা সৰু ল'ৰাক গা-পা ধুৱাই নতুন কাপোৰ পিন্ধাই ডিঙিত গামোছা এখন দি গোঁসাইৰ যোগাৰখিনি অন্য এজনে নিয়াত সহায় কৰি কলপুলি, তুলসী গছ, ক'লা কচু এজোপা ডোবলৰ উত্তৰ ফালৰ কোনটোত পূৱ মূৱাকৈ কই তলতে এটা মাটিৰ ভেঁটি সাজি গোসাইৰ বাবে ধূপ-ধূনা জ্বালই পান-তামোল দি আগলি কলপাতখনৰ চাৰিও কাষে পাঁচটা গোচা বাওঁহাতে কৰ লাগে। তাৰ পিছত গোচা পাঁচোটাকে সামৰি মিঠাতেল দি প্ৰত্যেকটো ধানৰ গোচাত সেন্দুৰৰ ফোঁট দিব লাগে। গৰু হালকো তেল-সেন্দুৰ পিন্ধাব লাগে।

সেইদৰে আঘোন মাহত শালি ধান চপোৱাৰ সময় হ'লে গোছা লোৱাৰ নিচিনাকৈ এটা ভাল দিন-বাৰ চাই ধানৰ "আগ" অনা দিহা কৰা হয়। গুচি লোৱা ল'ৰাজনকে গা-পা ধুৱাই নতুন কাপোৰ পিন্ধাই ডিঙিত গামোছাখন দি আগেয়ে ধুই পখালি থোৱা 'দোন' আৰু আগলি কলপাত, এখন কাঁচি লৈ ধানতলিলৈ যাব লাগে। ল'ৰাজনৰ লগত কিছু এজন মানুহ যাব লাগে। ধানতলিৰ পৰা পাঁচোটা ধানৰ গোচা কাঁচিৰে দীঘলকৈ কাটি লৈ আগলিকলপাত খনেৰে মেৰিয়াই দোনত ভৰাই মূৰত তুলি লৈ পিছফালে নোচোৱাকৈ আৰু মুখেৰে কোনো শব্দ নকৰাকৈ ঘৰ আহি পাব লাগে আৰু মুচি সাৰি থোৱা ভঁৰালৰ সন্মুখত আগতেই চাকি জ্বলাই থ'ব লাগে। নতুন ধান কাটি-মাৰি ৰ'দত শুকাই ঢেকীত বানি চাউল উলিয়াই জ্ঞাতি-কুটুম, ওচৰ চুবুৰীয়াৰ সৈতে 'ন' খোৱা পৰ্ব শেষ কৰা হয়।

শিক্ষাৰ ক্ষেত্ৰত যেতিয়া প্ৰথমতে ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াব সময় হয় তেতিয়া পঞ্জিকাত দিন বাৰ চাই ল'ৰা বা ছোৱালীক নিজৰ লগতে লৈ যায় শিক্ষকক চমজাই দি ল'ৰা বা ছোৱালীক পণ্ডিতৰ ভৰি চুই সেৱা কৰিব দি নিজেও এটা সেৱা কাঢ়ে। সেইদিন ধৰি শিক্ষা আৰম্ভ হয়। যেতিয়া প্ৰাইমাৰী শিক্ষা শেষ কৰে তেতিয়া বিদায় লোৱাৰ দিনা তাৰ আগে-পাচে পণ্ডিতক ঘৰলৈ মাতি আনি এসাজ ভাত খুৱাই বঁটা এখনত গামোছা এখন, তামোল-পান এযোৰ দি ভৰি চুই সেৱা কৰি শিক্ষাগুৰুৰ পৰা আশীৰ্বাদ লয় যাতে ভৱিষ্যতে উচ্চশিক্ষা লাভ কৰিব পাৰে সেই আশাৰে।

সংস্কৃতিৰ বিষয়ে যদি বিশ্লেষণ কৰি চোৱা হয়, বিহু উৎসৱতে সংস্কৃতিৰ স্বৰূপটো ওলাই পৰে। কাতি বিহু, মাঘ বিহু, বহাগ বিহু এই তিনিটা বিহু সংক্ৰান্তিতে জাতীয় চৰিত্ৰ নিৰ্ণয় কৰা হয়। মহ খেদা উৎসৱ, টোকাৰী গীত শিঙা বা কালীয়া বজোৱা ব্যৱস্থা আমাৰ মাজত আছে। আই নাম, বিয়া নাম, বিহুগীত আদিয়ে সৌ তাহানিৰ পৰা বৰ্তমানলৈ সংস্কৃতিৰবোজা কঢ়িয়াই আনিছে। তাতঁশাল বোৱা, জাকৈৰে মাছ মৰা, মাটিৰে বাচন-বৰ্তন সজা, নানা বাঁহ-বেঁতৰ কুটীৰ শিল্প, কাঁহ-পিতলৰ বাচন গঢ়া কৰ্মৰে সংস্কৃতিৰ বোৱতি সোঁত বৈ আছে। সাজ-পোছাকত নিজৰ নিজৰ জাতীয় চৰিত্ৰৰ বিকাশপায়। দা, কটাৰী, বাঁহ-খেৰেৰে নিৰ্মাণ কৰা সৰু সৰু জুপুৰী ঘৰ, গাঁৱৰ মাজৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি থকা লুংলুঙীয়া বাট স্মৃতিৰেখা স্বৰূপ। একেখন গাঁৱতে জাতি-বৰ্ণ নিৰ্বিশেষে বসবাস কৰা মানুহে একেলগে ঈদ মোবাৰক, ফাতেহা উৎসৱ আৰু ভেলা ঘৰত মতা-মাইকী, ল'ৰা-ছোৱালী মিলিজুলি খোৱা ভাত সাজে সুমধুৰ স্নেহৰ বতৰা নিশ্চয় দিয়ে।

বান্ধনি ঘৰখন পবিত্ৰ স্থান। গোঁসাই ঘৰ সদৃশ ৰান্ধনি শালখনত গা নোধোৱাকৈ কেতিয়াও সোমাব নাপায়। ৰান্ধনি ঘৰটোৰ কোঠালী দুটা। এটা কোঠাত বন্ধা-বঢ়া আৰু অনাটো কোঠাত খোৱা-লোৱা কৰা হয়। ৰান্ধনি শালখনত নিমখৰ চুঙা, তেলৰ বটল, খাৰৰ চতা আদি সদায় একে ঠাইতেই থোৱা থাকে। পাগ কৰা ঘটোৰ দুৱাৰমুখতে এখন বাঁহৰ চাং সজা হয়। এই চাঙখনৰ নাম পাত চাং। এই পাত চাংখনত ৰান্ধনি শালত লগা বস্তুখিনি যেনে —চালনিখন, খৰাহীটো ইত্যাদি বস্তু থোৱা হয়। খোৱা-লোৱা কৰা কোঠালীটোৰ এটা নিৰ্দিষ্ট ঠাইত মাটিৰে এটা ভেঁটি সজা হয়। ভেঁটিটোত গৃহস্থৰ মূল মানুহজনে নিতৌ ভাত খায়। ভাত খোৱাৰ কাষতে এখন জুহাল আৰু তাত এটা চৌকাও থাকে। এই চৌকাটোত চাহ বনোৱা হয়।

গাঁৱৰ প্ৰায় মানুহৰ ঘৰে ঘৰে ঢেঁকীশাল আছে। প্ৰত্যেক গৰাকী অসমীয়া তিৰোতাই ঢেঁকীত ধান বানি চাউল উলিয়াই ভাত খাইছিল। ঢেঁকীত বনা চাউলৰ ভাত, পিঠা-পনা আদি খাবলৈ বৰ মিঠা। সৰগৰ দেৱতা নাৰদৰ বাহন ঢেঁকী, কোনোবা মাঙ্গলিক কাৰ্য্যত ঢেঁকীশালত চাকি-বন্তি দি ঢেঁকীত এটা বান্ধ দিয়াৰ নিয়ম আজিও আছে। মাঘ বিহুৰ সময়ত ঢেঁকীৰ ধেঙ্কুচ ধেঙ্কুচ মাত ৰাতি এপৰলৈ শুনা যায়। বহুত দিন বৰষুণ নহ'লে গাঁৱৰ মানুহৰ ঘৰৰ পৰা ৰাতি ঢেঁকী চুৰ কৰি আনি থোৱাটো থকাৰ ফাল ওপৰ মুৱা কৰি

ফিঁচাখন পুটি থয় । এনেকৈ ঢেঁকী পুতি থ'লে বৰষুণ দিয়ে বুলি জন বিশ্বাস আছে ।

লোক সংস্কৃতিয়ে সাপ, বেং, মাছ, কুকুৰা চৰাই আদি সকলোকে সামৰি লৈছে । ইয়াৰ উপৰিও গছ-গছনি, নানা ৰঙৰ ফুল, শিল পূজা আদিয়েও অতীতৰ পৰা সংস্কৃতিৰ পৰিচয় দি আহিছে । ভেকুলীৰ বিয়া পাতিলে বৰুণ দেৱতাই বৰষুণ দিয়ে, আহঁত গছত পৰম ভগৱান বিৰাজ মান । অপৰাজিতা ফুল দুৰ্গা গোঁসানীৰ অতি প্ৰিয় । এনেবোৰ বহুত পতন্তৰে সংস্কৃতিৰ ভৰাল চহকী কৰিছে । সংস্কৃতিৰ বিষয়ে এটা প্ৰৱন্ধত হুবহু বৰ্ণনা দি অন্ত কৰিব নোৱাৰি । কিয়নো পাৰিবাৰিক জীৱনৰ সকলো দিশতে এইবোৰে গা এৰা নিদিয়ে । সংস্কৃতিৰ কথা লিখিব গৈ আইমাতৃ সকলৰ বিষয়ে দু-আষাৰ নিলিখিলে নহ'ব । কিয়নো আই-মাতৃ সকলে অতীতৰ পৰা সংস্কৃতিৰ মৈদানত আত্মপ্ৰতিষ্ঠা লাভ কৰি আহিছে । এটা নৱজাত শিশুৱে উপজিয়েই মাকৰ মুখ দেখে । সেয়েহে কোৱা হয় "মাক আকাশী গঙ্গা, বাপ ঢোৰা সাপ ।"

এগৰাকী গাভৰু ছোৱালীয়ে পিতৃ-গৃহতেই ঘৰ-সংসাৰৰ বিষয়ে কিছু জনাৰ দৰকাৰ । কিয়নো স্বামী গৃহলৈ গৈয়েই গৃহাশ্ৰমৰ সকলো দায়িত্ব মূৰপাতি ল'ব লগা হয় । মাতৃ গৃহতেই যদি ঘৰ সংসাৰৰ বিষয়ে কিছু জানি নাযায় তেতিয়া হ'লে স্বামী গৃহত শাহু আই, ননদ-জা আদিৰ কটু বাক্য শুনিব লগা হয় ।

আই মাতৃ সকলে সূৰ্যোদয় হোৱাৰ আগতেই শয্যা ত্যাগ কৰিব লাগে । ৰাতিপুৱা চোতাল পূবৰ পৰা পশ্চিম মুখে সাৰিব লাগে । সেইদৰে আবেলিৰ চোতাল পশ্চিমৰ পৰা পূব ফাললৈ সাৰিব লাগে । এনে কৰিলে গিৰিহঁতৰ শ্ৰীবৃদ্ধি হয় । সেইদৰে অভ্যাগত কোনোবা মানুহে বাঁহী চোতাল গচকিলে আয়ুস টুটে । আইমাতৃ সকলে নিজৰ গিৰিহঁতক স্পৰ্শ কৰি ভাত-জলপান খাব নালাগে । যদি কিবা কাৰণত খাব লগা হয় তৰ্জনি আঙুলিৰে মাটিত আঁক এটা দিহে খাব লাগে । তিৰোতা মানুহে যিকোনো মতা মানুহৰ ছাঁ গচকিলে অজান দোষে ক্ৰিয়া কৰে । সেইদৰে যদি দুজন মতা মানুহ বহি থাকিলে তেওঁলোকৰ মাজেৰে অকস্মাতে যাব লগা হয় তেতিয়া চাপৰি হাত দুখন আগলৈ দি পাৰ হৈ যাব লাগে । তিৰোতা মানুহৰ মূৰৰ ওৰণীখন অতি দৰ্কাৰী । কিয়নো এপিনে স্ত্ৰীসুলভ লক্ষণ আৰু আনপিনে জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন কৰা মহা নিদৰ্শন । সেইদৰে শিৰত সেন্দুৰ লোৱা কঁপালত ফোঁট লোৱা আদি নৈমিত্তিক কৰ্মৰ ভিতৰত পৰে । খোপা বান্ধোতে চুলিৰ আগটো যাতে ওলাই নাথাকে সেইটো লক্ষ্য কৰিব লাগে । চুলিৰ আগটো ওলাই থাকিলে পুৰুষৰ আয়ুস টুটে । তিৰোতা মানুহৰ পিন্ধা কাপোৰ বাটৰমূৰত মেলি দিব নালাগে । আইমাতৃ সকলে কাপোৰ পিন্ধোতে সৰু গাঁঠি উলিয়াই পিন্ধিব নালাগে । খোজ কাঢ়িলে মেখেলাৰ চট্ চট্ শব্দ হোৱাটো কুলক্ষণ । হাতেৰে পান ফালি খাব নালাগে । ৰাতি লোণ, চূণ, লো, হালধি দিব নালাগে।

লোক সংস্কৃতিৰ পমখেদি শেষ কৰিব নোৱাৰি । বৰ্তমান বিজ্ঞানৰ যুগত দেশে উন্নতিৰ পথত আগবাঢ়িছে । বৰ্তমান ৰন্ধন গেছ, ষ্টʼভ আৰু বহুতো আবিষ্কাৰ হোৱা বস্তুৱে আমাৰ কৰ্ম জীনৱক গ্ৰাস কৰিছে । সেইদৰে খেতি পথাৰত হালৰ গৰু আৰু নাঙলৰ ঠাই দখল কৰিছে টেক্টৰে । বৰ্তমান আৱিষ্কাৰ হোৱা কম্পিউটাৰে নিতৌ নতুন তথ্য আমাক দিছে । তথাপি লোক জীৱনৰ গাতে লাগি থকা সংস্কৃতিৰ দলিছাখন আমি হেৰাই যাব দিব নোৱাৰোঁ ।

**নবেল বঁটা পোৱা ভাৰতীয় ব্যক্তিসকল ঃ**

| নাম | বিষয় | চন |
|---|---|---|
| ১। ৰবীন্দ্ৰনাথ ঠাকুৰ | সাহিত্য | ১৯১৩ |
| ২। চি ভি ৰমণ | পদাৰ্থ বিজ্ঞান | ১৯৩০ |
| ৩। ড° হৰগোবিন্দ খোৰানা | শৰীৰ তত্ব | ১৯৬৮ |
| ৪। মাদাৰ টেৰেছা | শান্তি | ১৯৭৯ |
| ৫। সুব্ৰমনিয়াম চন্দ্ৰশেখৰ | পদাৰ্থ বিজ্ঞান | ১৯৮৩ |
| ৬। অৰ্মত্য সেন | অৰ্থনীতি | ১৯৯৮ |

প্ৰবন্ধ

# বিষয় ঃ প্ৰেম

মঃ শ্বাহনাৱাজ আহমেদ
স্নাতক ২য় বৰ্ষ

The best and most beautiful thing in the world cannot be seen or even touched, that can be felt with the heart only and that is ..... that is 'LOVE'.

'প্ৰেম' —দুটি বৰ্ণৰ এই সূক্ষ্ম শব্দটিয়ে মানৱ জীৱনলৈ কঢ়িয়াই আনে নতুন অৰ্থ। মানৱ সৃষ্টিৰ আদিতম মুহূৰ্তৰ পৰা আজিৰ এই বিজ্ঞান সভ্যতাৰ যুগলৈ প্ৰেমে সুললিত কৰি আহিছে মানৱীয় জীৱনধাৰা। ভূৱন বিজয়ী 'তাজমহল', ডাণ্টেৰ বিশ্ববিশ্ৰুত 'ডিভাইন কমেডী', শ্বেলীৰ মনোমোহা সাহিত্য সম্ভাৰ, ৰবাৰ্ট ব্ৰাউনিঙৰ কবি প্ৰতিভা, এই সকলোবোৰৰ অশেষৰ সংগী, এক অনন্য অনন্ত ; এক বিস্ময় আৰু .... আৰু এক মৃত্যুহীন কিম্বদন্তী।

ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে কৈছে "মই সেইজন ব্যক্তিকে পৃথিৱীৰ অন্যতম দৰিদ্ৰ আৰু হতভাগা বুলি গণ্য কৰো যাৰ জীৱনলৈ প্ৰেম অহা নাই।"

কুৰি শতিকাৰ মহান দাৰ্শনিক বাৰ্ট্ৰাণ্ড ৰাছেলে কয় "আধুনিক পৃথিৱীত কিছুমান ব্যক্তিয়ে প্ৰেমক প্ৰশ্ৰয় দিলে তেওঁলোকৰ ওজন কমি যাব বুলি ভয় কৰে। সেয়েহে তেওঁলোকে নিজকে ব্যক্তিত্বৰ আইনাৰ সঁজাত বন্দী কৰি থয় ; ফলত ব্যক্তিত্ব আইনাৰ সঁজাত মৰহি যাবলৈ বাধ্য হয়। আধুনিক জীৱনত ই হ'ল এক চৰম মূৰ্খামি। তথাকথিত অত্যাধুনিক ব্যক্তিসকলৰ দৰে আমি সেই মূৰ্খামি প্ৰদৰ্শন কৰিব নোখোজো। জীৱনৰ প্ৰতিটো মুহূৰ্ত প্ৰেমৰ সাধনা কৰিব খোজো, প্ৰতিটো মুহূৰ্ত প্ৰেমৰ অনুভূতিত ডুব গৈ থাকিব খোজো। আমি জানো 'প্ৰেম' জ্ঞানবো উৰ্দ্ধত। প্ৰেম আৰু জ্ঞানৰ যিকোনো এটাক বাছি ল'ব লগা হ'লে প্ৰেমকে বাছি ল'ম।"

'Love is a feeling, when you are going to feel a feeling which you never felt before'.

'প্ৰেম'। ই মাথোন দুটি বৰ্ণসমষ্টি নহয় ; ইয়াৰ গভীৰতা সাগৰতকৈও দ' আৰু বিস্তৃতি আকাশতকৈও বিশাল। ই এক অতিন্দ্ৰীয়াত্মিক মিঠা শিহৰণকাৰী অনুভূতি। প্ৰেমৰ বিস্তীৰ্ণ ক্ষেত্ৰত এফালে থাকে পুৰুষ আৰু আনফালে থাকে নাৰী। এজন পুৰুষ আৰু এজনী নাৰীৰ মাজৰ গভীৰ পাৰস্পৰিক নিৰ্ভৰতাই প্ৰেম। প্ৰেম হৈছে দুটা বিপৰীত লিঙ্গৰ দুটা মনৰ সামঞ্জস্যপূৰ্ণ সহাৱস্থান আৰু এজনৰ প্ৰতি আনজনৰ গভীৰ আকৰ্ষণ। ই হৈছে দুটা ভিন্ন সত্বাৰ মাজৰ একধৰণৰ বুজাপৰা বা সহমৰ্মিতাৰ নামান্তৰ য'ত সত্বা দুটিয়ে মিলিত হৈ একক আত্মা গঢ়ি তোলে। প্ৰেম আত্মাৰ অৰ্দ্ধাংগ ; আত্মাৰ দৰে প্ৰেমো অমৰণ, অভগন, এক অসীম অনল শিখা। সেয়েহে প্ৰেমৰ অৰ্থই হ'ল সুখী হোৱাৰ আকাংক্ষা, ইজনে সিজনৰ সুখ-দুখৰ অংশীদাৰ হোৱা।

প্ৰেমৰ প্ৰথম পৰ্যায় হ'ল আকৰ্ষণ ; কাৰোবাক আকৰ্ষিত কৰা বা কাৰোবাৰ প্ৰতি আকৰ্ষিত হোৱা। আকৰ্ষণৰ ফলতেই গঢ়ি উঠে ঘনিষ্ঠতা আৰু মিলন হয় দুটি মনৰ। ফলস্বৰূপে অঙ্কুৰিত হয় এটি স্বৰ্গীয় অনুভূতি — 'প্ৰেম'।

বিপৰীত লিংগৰ দুটি মনৰ সত্বাৰ মাজৰ যি পাৰস্পৰিক আকৰ্ষণ তাত নিহিত হৈ থাকে মানসিক অনুভূতি। এই অনুভূতিয়ে নাৰীগৰাকীক পুৰুষজনৰ চকুত হৈ পৰে সুন্দৰ। সেয়ে হয়তো প্ৰেমে ধনী-দুখীয়া, সুন্দৰ-কুৎসিত, জাতি-ধৰ্ম, বয়স আদিৰ ভেদাভেদ বিচাৰ নকৰে।

প্ৰকৃত অৰ্থত প্ৰেম হৈছে এক উচ্চস্তৰৰ বন্ধুত্ব। দুখন হৃদয়ৰ পাৰস্পৰিক বুজাবুজিৰ ফলত বন্ধুত্বই গঢ় লয় আৰু বন্ধুত্ব অনুৰাগেৰে ৰঞ্জিত হৈ উঠিলে বন্ধুত্ব ৰূপান্তৰিত হয় প্ৰেমলৈ। সেয়েহে প্ৰেমৰ আৱশ্যিক চৰ্ত হিচাপে পৰস্পৰৰ মাজত ভক্তি, শ্ৰদ্ধা, ভালপোৱা, আত্মত্যাগ আৰু গভীৰ বিশ্বাসৰ প্ৰয়োজন।

ভেলেণ্টাইন ডে' (১৪ ফেব্ৰুৱাৰী) ঃ ২৭০ খ্ৰীষ্টাব্দ। সেই সময়ত ৰোমত ছেণ্ট ভেলেণ্টাইন নামৰ এগৰাকী খ্ৰীষ্টান যুৱক আছিল। ছেণ্ট আছিল এগৰাকী প্ৰেমৰ পূজাৰী। সেই সময়ত ৰোমান সম্ৰাট দ্বিতীয় ক্লাউদিয়াছৰ যুদ্ধৰ বাবে সৈনিকৰ অভাৱ হৈছিল। তেতিয়া তেওঁ ভাবিছিল যে বিবাহিত ব্যক্তিসকলে পৰিয়ালৰ মায়া জালত পৰি যুদ্ধত যোগ দিবলৈ অনিচ্ছুক হ'ব। ছেণ্ট ভেলেণ্টাইনৰ কেবাগৰাকী যুৱতীৰ লগত প্ৰেম পৰ্ব চলি আছিল। ইয়াক সম্ৰাটে জানিব পাৰি 'ভেলেণ্টাইন'ক তেওঁৰ প্ৰেম বন্ধন ছিঙি সৈন্যবাহিনীত যোগ দিবলৈ আদেশ দিয়ে। কিন্তু ছেণ্ট ভেলেণ্টাইন আছিল প্ৰেমৰ প্ৰকৃত সাধক ; তেওঁ তেওঁৰ সেই স্বৰ্গীয় সম্পৰ্ক ছেদ কৰিবলৈ অস্বীকাৰ কৰে। ফলত সম্ৰাটে তেওঁক বন্দী কৰে। ছেণ্টৰ প্ৰেমিকাসকলে ইয়াক জানিব পাৰি, তেওঁলোকৰ প্ৰেমৰ এনাজৰীবোৰ সুদৃঢ়, চিৰঞ্জীৱ কৰি ৰাখিবলৈ কিছুমান হৃদয়াকৃতিৰ গছৰ পাতত "Remember your valentine" বুলি বন্দীশালৰ ফুটাৰে ভেলেণ্টাইনলৈ বাৰ্তা প্ৰেৰণ কৰিছিল।

শেষমুহূৰ্তলৈ ভেলেণ্টাইনে নিজৰ মতত অলৰ, অটল হৈ থকাত সম্ৰাটে ভেলেণ্টাইনক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। ২৭০ খ্ৰীঃৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে ভেলেণ্টাইনক যাঠি, জোং আদিৰে খুচি অতি নিৰ্মমভাৱে হত্যা কৰে। মৃত্যুৰ দিনা 'From your valentine' বুলি বাৰ্তা প্ৰেৰণ কৰিছিল তেওঁৰ প্ৰেমিকাসকললৈ।

তেতিয়াৰে পৰা প্ৰেমৰ প্ৰকৃত সাধক 'ছেণ্ট ভেলেণ্টাইনৰ স্মৃতিত সমগ্ৰ বিশ্বৰ প্ৰেমিক-প্ৰেমিকাসকলে ১৪ ফেব্ৰুৱাৰী দিনটো ভেলেণ্টাইন

ডে' হিচাবে পালন কৰি আহিছে। এই দিনটোত প্ৰেমিক-প্ৰেমিকাসকলে 'Be My Valentine' বুলি উভয়ে উভয়লৈ মনৰ শাশ্বত বাৰ্তা প্ৰেৰণ কৰে।

প্ৰেমে জাতি-ধৰ্ম, ধনী-দুখীয়া, বয়স আদিৰ ভেদাভেদ বিচাৰ নকৰে — আমেৰিকা যুক্তৰাষ্ট্ৰত অলপতে 'মাইকেল বর্টন নামৰ এগৰাকী মধ্যবয়সীয়া শিক্ষয়িত্ৰীক কাৰাদণ্ডেৰে দণ্ডিত কৰা হয়। তেওঁৰ অপৰাধ(?) হ'ল তেওঁ বিদ্যালয়ৰে ১৪ বছৰ বয়সীয়া ছাত্ৰ এজনৰ প্ৰেমত পৰিছে। শিক্ষয়িত্ৰীগৰাকীৰ মতে, এইজনেই সেই ল'ৰাজন যিজনে তেওঁৰ দুচকুৰ পৰা নিদ্ৰা হৰি নিছে, তেওঁৰ হৃদয় চুৰ কৰিছে আৰু .... আৰু যেন তেওঁৰ মানসিক অনুভূতিয়েই সলনি কৰি পেলাইছে। কিন্তু শাস্তিয়ে জানো তেওঁক প্ৰেমৰ পৰা বিৰত কৰিব পাৰিলে ? জেলৰ পৰা ওলায়েই পুনৰ জীপাল কৰি তুলিলে তেওঁৰ সেই চিৰ শ্বাশত প্ৰেমৰ সম্পৰ্ক।

দিল্লীৰ এখন পাব্লিক স্কুলৰ ছাত্ৰ এজনৰ ভাষা এয়া "মই আমাৰ সমাজ অধ্যয়ন বিষয়ৰ শিক্ষয়িত্ৰীগৰাকীৰ প্ৰেমত পৰিছো। তেখেতক মোৰ খুব ভাল লাগে। যেতিয়া তেওঁ বাতৰি কাকত পঢ়িবলৈ পুথিভঁৰাললৈ যায় মই তেওঁক অনুসৰণ কৰো আৰু তেওঁ য'তে বহে তাৰ সন্মুখৰ ফালে মই বহি তেওঁক চাই থাকো গোপনে। তেতিয়া মই খুব সুখ অনুভৱ কৰো আৰু মোৰ আনন্দ লাগে। তেওঁ মোতকৈ দহ বছৰমান ডাঙৰ ; কিন্তু এয়া বিচাৰ কৰিবলগীয়া বিষয় নহয়।"

আন এজন ছাত্ৰ ৰোহিতৰ ভাষা এয়া "I am madly in love with my English teacher. I don't know what to call this relationship. I feel so ashemed to admit that, I am so confused. She is unmarried, arround 25 and so very beautiful. I have great respect for her. I am afraid to reveal my love".

জৰ্জ বাৰ্ণাড শ্ব' আৰু এলিচ লকেটৰ মাজত আছিল গভীৰ প্ৰেম। উল্লেখযোগ্য যে এলিচ আছিল বাৰ্ণাড শ্ব'তকৈ প্ৰায় চৈধ্য বছৰে ডাঙৰ।

ডাচ কেপিটেলৰ স্ৰষ্টা কাৰ্ল মাৰ্ক্স যৌৱনৰ আদি বয়সতে য়েনি নামৰ এগৰাকী গাভৰুৰ প্ৰেমত পৰে। মাৰ্ক্সে খুব ভাল পাইছিল প্ৰেয়সী য়েনিক আৰু য়েনিয়েও কোনো কাৰ্পণ্য কৰা নাছিল তেওঁৰ ভালপোৱাত। য়েনি আছিল অত্যন্ত ধনী, সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী। আনহাতে মাৰ্ক্স আছিল এজন অতি দুখীয়া যুৱক, তাৰোপৰি য়েনি আছিল বয়সত মাৰ্ক্সতকৈ প্ৰায় চাৰি বছৰে ডাঙৰ।

ধৰ্মৰ বিভেদ স্বত্বেও, অসমীয়া চলচিত্ৰ অভিনেত্ৰী মণিতা কাকতি আৰু জিংখান, ক্ৰিকেট তাৰকা আজহাৰ আৰু সঙ্গীতা বিজলানী, যুৱৰাণী ডায়েনা আৰু ডডি আলফ্ৰয়দ, প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী আৰু ইটালীয়ান যুৱতী ছোনীয়া আদিৰ প্ৰেম (পিছলৈ অধিকাংশৰ বিবাহ)ৰ কথা হয়তো সৰ্বজনবিদিত।

অপ্ৰিয় হ'লেও সত্য যে আধুনিক যুৱক-যুৱতীয়ে এই স্বৰ্গীয়, পবিত্ৰ অনুভূতিটোৰ সংজ্ঞা বিকৃত কৰি পেলাইছে। সম্প্ৰতি গাওঁ তথা চহৰ সমূহৰ আলিয়ে-গলিয়ে দেখা যায় ৰোমাণ্টিক যুটিৰ সপ্ৰতিভ ছাঁ। কিন্তু গভীৰভাৱে অধ্যয়ন কৰি চালে দেখা যায় যে সেয়া সাময়িক কৃত্ৰিম প্ৰেমৰ বাহিৰে আন একো নহয়ল। আধুনিক প্ৰেম হ'ল একপ্ৰকাৰৰ বিলাসিতা। আনক দেখি নিজৰ সৌন্দৰ্য্য বঢ়াবলৈ, বিলাসিতাৰ বাবে আজিৰ যুগৰ যুৱক-যুৱতীয়ে প্ৰেম কৰে। এই যুগত প্ৰেম যেন যান্ত্ৰিকতাত পৰিণত হৈছে.। প্ৰেম যেন কিনা বেচা হয়। আধুনিক যুৱক-যুৱতীয়ে ইচ্ছানুসৰি প্ৰেমত পৰিব পৰা হ'ল, প্ৰয়োজন অনুসৰি প্ৰেমিক-প্ৰেমিকাই চিৰজীৱন এই সম্পৰ্কটোক অটুট ৰখাৰ মানসেৰেই প্ৰেম কৰিছিল ; কিন্তু বৰ্তমান যুগত প্ৰেম কৰাটো যেন পৰম্পৰাত পৰিণত হৈছে।

আধুনিক যুৱক-যুৱতীয়ে এই স্বৰ্গীয় সম্পৰ্কটোক এনে এটা পৰ্য্যায়লৈ অৱনমিত কৰিছে যে, প্ৰেম মানে শাৰীৰিক মিলন বা বিবাহ। নিজকে আধুনিক বুলি দাবী কৰা আজিৰ ডেকা-গাভৰুৰ মতে প্ৰেম হৈছে যৌন ক্ষুধা নিবাৰণৰ এক অতি সৰল পদ্ধতি.। কিন্তু অত্যাধুনিক (?) যুৱক-যুৱতীসকলে এইটো মনত ৰখা উচিত যে 'প্ৰেম' মানে শাৰীৰিক মিলন বা দৈহিক উপভোগ নহয়। প্ৰেমৰ স্থান তেনে 'অতি নিকৃষ্টতম' ধাৰণাতকৈ বহু ওপৰত।

এচাম ডেকা-গাভৰুৰ মনত প্ৰেমৰ অৰ্থই 'বিবাহ'। অতি দৃষ্টিকটুভাৱে তেওঁলোকে ভাবে যে বিবাহৰ উদ্দেশ্যতে মানুহে প্ৰেম কৰে। তেওঁলোকে ভাবে প্ৰেমিক-প্ৰেমিকাৰ প্ৰেমৰ পৰিণতি 'বিবাহ' নহ'লে সেই প্ৰেম অৰ্থহীন। কিন্তু প্ৰেম আৰু বিবাহ কেতিয়াও একে নহয়, প্ৰেমে কেতিয়াও বিবাহৰ উদ্দেশ্যকে নুবুজায়। নিৰ্মলপ্ৰভা বৰদলৈয়ে কৈছে "কেৱল পালেহে যে প্ৰেম জীয়াই থাকে তেনে নহয় ; প্ৰেম যদি সত্য হয় তেন্তে ই গোটেই জীৱন জুৰি থাকে, পোহৰ দি থাকে। এয়া সত্য যে, বন্ধুত্ব, ভাললগা, প্ৰেম আৰু বিবাহৰ মাজত বহুত পাৰ্থক্য আছে।"

প্ৰেমৰ উদ্দেশ্য শাৰীৰিক মিলন বা বিবাহ বুলি অৰ্থাৎ প্ৰেমৰ প্ৰতিদান বিচৰাটো ভিত্তিহীন ধাৰণা। ছেইণ্ট বাৰ্ণাডে কৈছে, "প্ৰেমে নিজৰ বাহিৰে আন একো নিমিত্ত নিবিচাৰে আৰু একো ফল আশা নকৰে। মই ভাল পাওঁ, মই যাতে আৰু ভাল পাব পাৰো তাৰবাবেই ভাল পাওঁ।"

নাৰী-পুৰুষৰ মাজত আকৰ্ষণ এক সহজাত প্ৰবৃত্তি। এই আকৰ্ষণৰ 'প্ৰেমৰ জৰিয়তেই মুক্ত আৰু নিঃস্বাৰ্থ প্ৰকাশ সম্ভৱ। বৰ্তমানৰ পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত প্ৰেমে নিজস্ব স্বকীয়তা কিছু পৰিমাণে হেৰুৱাইছে যদিও ই এক পবিত্ৰ আৰু স্বৰ্গীয় সম্পৰ্ক ৰূপে আজিও এচামৰ মাজত সজীৱ হৈ আছে।

> Immature love says I love you
> because I need you,
> Mature love says I need you
> because I love you.

নিজকে আধুনিক বুলি দাবী কৰা আজিৰ যুৱক-যুৱতীয়ে এনে স্বৰ্গীয় তথা পবিত্ৰ সম্পৰ্কটোৰ প্ৰকৃত অৰ্থ হৃদয়ঙ্গম কৰি ইয়াৰ সৎ তথা নিঃস্বাৰ্থ প্ৰকাশ কৰাৰ চেষ্টা কৰা উচিত।

আমাৰ আধুনিক (?) সমাজে আজি এই কুৰি শতিকাতো 'প্ৰেম'ৰ প্ৰকৃত অৰ্থ উদ্‌ঘাটন কৰি তাক এক 'সহজ' তথা 'ভাল' সম্পৰ্কৰূপে স্বীকৃতি দিব পৰা নাই। 'নাৰী' আৰু 'পুৰুষ'ৰ মাজত প্ৰেম —কথাটো আমাৰ সমাজৰ বাবে গ্ৰহণযোগ্য নহয়। কোনোবা এহাল যুৱক-যুৱতীৰ মাজত গঢ়ি উঠা সম্পৰ্কক সমাজে সহজভাৱে ল'ব নোৱাৰে। আমাৰ সমাজখনে ল'ৰা-ছোৱালীৰ মাজত সৰুৰে পৰা এনে ধাৰণা সুমুৱাই দিছে যেন তেওঁলোক ভিন ভিন গ্ৰহৰহে প্ৰাণী। তেওঁলোক পৰস্পৰে কাষ চপাটো যেন মহাপাপ।

যৌৱনৰ বিকাশৰ বাবে যুৱক-যুৱতীৰ যি আহাৰৰ প্ৰয়োজন তাৰ ভিতৰত সিহঁতৰ মাজত মুক্ত মানসিক ভাৱ আদান-প্ৰদান উল্লেখযোগ্য। কিন্তু আজিৰ সমাজে প্ৰেমক বহল দৃষ্টিভংগীৰে গ্ৰহণ কৰিব নোৱাৰাত যুৱক-যুৱতীৰ মাজত তেনে ভাৱ আদান প্ৰদানত বাধাৰ সৃষ্টি হৈছে। যৌৱনৰ স্বাচ্ছন্দ বিকাশত যুৱক-যুৱতীৰ পৰিপূৰক সত্ত্বা হৈছে মানসিক সহাৱস্থান। এই ক্ষেত্ৰত সমাজে 'প্ৰেম'ক স্বীকৃতি নিদিয়াত সমাজত যুৱ উচ্ছৃংখলতা পূৰ্ণ গতিত বৃদ্ধি পাব ধৰিছে। এনে ধৰণৰ উচ্ছৃংখলতাৰ বাবে যুৱ সমাজকে দায়বদ্ধ কৰিলে ভুল কৰা হ'ব। মুক্ত মিলা-মিচাৰ অভাৱত যুৱক-যুৱতীয়ে প্ৰেমৰ মানসিক দিগন্ত প্ৰসাৰিত কৰিব নোৱাৰে। ফলস্বৰূপে তেওঁলোকে বাচি ল'ব লগা হয় ৰেষ্টুৰা, হোটেল বা কোনো আছুতীয়া ঠাই। এনেবোৰ ঠাইত প্ৰেমৰ মানসিক দিগন্ত প্ৰসাৰিত কৰাৰ নামত বৃদ্ধি পায় তেনেকুৱা ধৰণৰ যুৱ উচ্ছৃংখলতাৰ।

গতিকে এনেধৰনৰ যুৱ উচ্ছৃংখলতাবোৰ ৰোধ কৰিবলৈ হ'লে সমাজে 'প্ৰেম'ক বহল দৃষ্টিভংগীৰে গ্ৰহণ কৰি ইয়াক এক সহজ সম্পৰ্কৰূপে স্বীকৃতি দিব লাগিব। প্ৰেমক যিমানেই সহজ আৰু পৰিবেশগত কৰিব পৰা যাব সিমানেই যুৱ চিন্তাধাৰাক সৎ তথা সুস্থৰূপ দিব পৰা যাব।

যিদৰে সমাজে ৰক্ষণশীলতা তথা সংকীৰ্ণতা বাদ দিয়া উচিত ঠিক সেইদৰে যুৱক-যুৱতীসকলো সংযত হোৱা উচিত। 'প্ৰেম' তেতিয়াহে সফল হ'ব, যেতিয়া ইয়াৰ সৈতে 'বিশ্বাস', 'সততা' আৰু 'সংযম' জড়িত থাকিব।

'প্ৰেম'ৰ জৰিয়তেই জীৱনৰ সুখানুভূতিৰ সৰ্বোচ্চ শিহৰণ আমাৰ মনত অনুভূত হৈছিল, আজিও হয় আৰু আগলৈও হ'ব ; কিয়নো 'প্ৰেম পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা'।



প্ৰবন্ধ

# ঐতিহ্যপূৰ্ণ মঙলদৈৰ চমু ইতিহাস ...


*শ্ৰীমণ্টু কুমাৰ বড়ো*
স্নাতক ৩য় বৰ্ষ


মঙলদৈয়ে দূৰ অতীজৰে পৰা পুৰাণ আৰু ইতিহাস প্ৰসিদ্ধ হৈ আহিছে।. অতীজৰ দৰং ৰাজ্যই (মঙলদৈ) বৰ উন্নত স্থান লাভ কৰিছিল। ৪০০ মান বছৰৰ পূৰ্বে এই ঠাইৰ নাম মঙলদৈ নাছিল। কেৱে কয় দৰঙী ৰজা পৰীক্ষিত নাৰায়ণৰ ৰূপৱতী জীয়ৰী মঙ্গলা দেৱীক আহোম ৰজা প্ৰতাপ সিংহলৈ (১৬০৩-১৬৪৯ খৃষ্টাব্দলৈ) মঙলদৈ নদীৰ পাৰত বিবাহ-বাহৰ পাতি বিয়া দিছিল। সেই অনুসাৰেই ঠাইডোখৰৰ নামো মঙলদৈ ৰখা হয়। ঘটনা পঞ্জীয়ে কিন্তু এই কথা সমৰ্থন নকৰে। স্বৰ্গদেৱ প্ৰতাপ সিংহই মঙ্গলা দেৱী বা মঙলদৈ কুঁৱৰীক বিয়া কৰোৱাৰ সময়ত পৰীক্ষিত নাৰায়ণ অশ্বক্লান্ততহে আছিল। তাৰ পৰাহে বিবাহ সম্পন্ন কৰা হৈছিল।

মঙলদৈ মহকুমাৰ পশ্চিমফালে থকা বৰনদীৰ নাম মঙ্গলা আছিল আৰু সেই নদীৰ পাৰৰ ঠাইৰ নাম অনুসৰি এই ঠাইৰ নাম মঙলদৈ হোৱা বুলি কামৰূপৰ বুৰঞ্জীৰ লিখকে প্ৰকাশ কৰে। কামাখ্যাক কেন্দ্ৰ কৰি কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰই কামৰূপৰ সৰ্বত্ৰ তীৰ্থস্থান পাতিছিল আৰু সেইবোৰৰ মাহাত্ম্য প্ৰচাৰ কৰিছিল। যোগিনীতন্ত্ৰত মঙলদৈ চহৰৰ বুকুৰে প্ৰৱাহিত মঙলদৈ নদীৰ নামো উল্লেখ আছে। মণিশৈল অৰ্থাৎ মণিকৰ্ণেশ্বৰৰ ঈশান কোণত এই মঙ্গলা নদী। মণিকৰ্ণেশ্বৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৰজাদুৱাৰৰ পশ্চিম কামাখ্যা তীৰ্থত কামাখ্যা দেৱীয়ে যিদৰে বিৰাজ কৰিছে সেইদৰে মধ্যক্ষেত্ৰত মঙ্গলা দেৱীয়ে বিৰাজ কৰিছে। কালিকা পুৰাণত এই নদীক সুমঙ্গলা বুলিছে। কামাখ্যা দেৱীৰ নামানুসাৰে যেনেকৈ নীলাচলৰ নাম কামাখ্যা হৈছে ; মঙ্গলা দেৱীৰ নামানুসাৰে নদীৰ নাম আৰু ঠাইৰ নামো মঙলদৈ হোৱাৰ যুক্তি-যুক্ততা আছে। দেৱ-দেৱী সকলৰ নামেৰে মানুহৰ নামকৰণ কৰা পদ্ধতি অতি প্ৰাচীন ; সেইদৰে পৰীক্ষিতৰ জীয়ৰীৰ নামে মঙলদৈ অথবা মঙ্গলা দেৱী হোৱাটো একো অস্বাভাৱিক নহয়।

শিৱ, কামাখ্যা, কেঁচাইখাইতী, মনসা, মঙ্গলা বা মণ্ডলচণ্ডী আদি দেৱ-দেৱী সকল বড়ো সকলৰ দ্বাৰা পূজিত হৈছিল। বড়ো সকলৰ দ্বাৰা অধ্যুষিত মঙ্গলদৈৰ ভাষা-সাহিত্য আৰু সংস্কৃতিত বড়ো সকলৰ অৱদান অনুভূত হয়। এসময়ত সমগ্ৰ মঙলদৈ অঞ্চলত বড়োসকলে আধিপত্য বিস্তাৰ কৰিছিল। অন্যান্য গোষ্ঠীৰ প্ৰৱ্ৰজনৰ হেচাত তেওঁলোকে ক্ৰমাৎ

উত্তৰাঞ্চললৈ গৈ থাকি সেইবিলাক ঠাইত স্থিতি লয় যদিও 'মঙলদৈ' নামে বড়ো সকলৰ ভাষা-সংস্কৃতিৰে স্বাক্ষৰ বহন কৰি আছে। কিয়নো বড়ো ভাষাত 'দি' বা 'দই' শব্দই পানীক বুজায়। অসমৰ অধিকাংশ নদীৰ নাম বড়ো 'দি' আৰু 'দই' শব্দৰ সংযোগেৰে গঠিত হৈছে আৰু সেইবিলাক নদীৰ নামেৰে তাৰ পাৰত থকা ঠাই বিলাকৰো নামাকৰণ কৰা হৈছে। যেনে— ডিব্ৰুগড়, ডিগবৈ, ডিফু, দিচাংমুখ ইত্যাদি। গতিকে মঙ্গলদৈৰ সোঁমাজেৰে বৈ যোৱা 'মঙ্গলদৈ নদীৰ নামানুসাৰে ঠাইখনৰ নাম 'মঙলদৈ' হ'ল বুলি অতীতৰ ঘটনাৱলীত উল্লেখ আছে।

ইতিহাসত মঙলদৈৰ পৰিবৰ্তে দৰঙহে প্ৰখ্যাত মঙ্গলা দেৱীৰ জন্মৰ পূৰ্বে এই মঙলদৈ মহকুমা আৰু তাৰ চৌদিশৰ কিছুমান ঠাইৰ সমষ্টিক দৰং ৰাজ্য বুলিছিল। দ্বাৰম্ শব্দৰ পৰাই দৰঙ্গ হয় বুলি বহুত পণ্ডিতে অনুমান কৰে। মঙলদৈ আৰু তেজপুৰ মহকুমাৰ উত্তৰ ফালে হিমালয় আৰু ইয়াৰ অঙ্গীভূত সুউচ্চ পৰ্বত শ্ৰেণী। এই পৰ্বত শ্ৰেণীৰ পৰা এই ৰাজ্যৰ গাবে থকা দ্বাৰ বা দুৱাৰবোৰেদি অৰ্থাৎ গিৰি পথেৰে পৰ্বতৰ পৰা ভৈয়ামলৈ লোকসকলে উঠা-নমা কৰিছিল। সেইবাবে সেই দ্বাৰ বা দ্বাৰম শব্দৰ পৰা এই ঠাইৰ নাম দৰং হয়। আনহাতে 'দ্যৌৰঙ্গ' শব্দৰ পৰাই দৰং শব্দৰ উৎপত্তি হোৱা বুলি কয়। 'দৌ' বা দেৱতা মণ্ডলী যি ঠাইত ৰঙ্গ প্ৰয়াসে সমবেত হৈছিল সেই পবিত্ৰ ভূখণ্ডই দৌৰঙ্গ বা দৰং ৰাজ্য। এই দৌৰঙ্গৰ নামাকৰণৰ লগে লগে এই ৰাজ্যত প্ৰতিষ্ঠিত মুনিৰাজ অত্ৰিৰ যজ্ঞশালা অত্ৰিঘাট বৰ্তমানৰ আঠাবি ঘাট। যোগসিদ্ধ কৌশিক বা বিশ্বামিত্ৰৰ যোগবন কৌলিন্য ব্ৰতৰ সিদ্ধ ভূমি কৌলিন্যদ্বাৰ বৰ্তমানৰ কলিঙ্গদুৱাৰ শুক্ল যজুবেদৰ উৎপত্তিস্থল ধলপুৰ ; বা ধৰ্মাৰণ্য মহামতি তপোধন মাৰ্কণ্ডৰ পূণ্যাশ্ৰম মাৰ্কণ্ডাশ্ৰম আৰু তাৰ নিকটৱৰ্তী পুষ্পভদ্ৰা নদী ; চন্দনগিৰি, শৃঙ্গাৰগিৰি (শিঙৰি) আদি প্ৰসিদ্ধ স্থানৰ অৱস্থিতিয়ে এই দৌৰঙ্গ মঙলদৈৰ স্বনাম প্ৰসিদ্ধিৰ ক্ষেত্ৰত যুক্তিৰ সমল আগবঢ়াই আছে।

ইয়াৰ উপৰিও অতীত কালত ৰঙ্গ নামে এখন দেশ আছিল। অমৰ সিংহ কৃত অমৰকোষতো ৰঙ্গ দেশৰ উল্লেখ আছে। সম্ভৱতঃ তিব্বত ভূটানকে ৰঙ্গ দেশ বোলা হৈছিল। কামেং সীমান্তৰ পশ্চিম অংশৰ মানুহে তিব্বতক 'বিস্তৰং' বুলি কয়। ৰঙ্গদেশৰ নামনিত বা সমতলত থকা বাবে দেশৰ নাম দ-ৰঙ্গ হ'ব পাৰে। কামৰূপৰ বুৰঞ্জীত দৰঙ্গৰ অৰ্থ কৰিছে ৰঙ্গৰ বা আনন্দ উপভোগৰ খৰচ তোলা। অতীজৰ ৰঙ্গ দেশৰ অস্তিত্ব দৰঙ্গ ; দৰঙ্গা ; ৰঙ্গিয়া ; আৰঙ্গ ; মহীৰঙ্গ আদি নামে প্ৰমাণ কৰে আৰু সেই অনুসাৰেই দৰঙ্গ হয়।

দৰং ৰাজ্য একালত বৃহৎ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল। সেই সময়ত ইয়াক কামৰূপ বা কামাখ্যা বুলিয়েই কৈছিল। বৰ্তমানেও দৰঙৰ ভিতৰত দুখন কামাখ্যা নামৰ দেৱালয় আছে। অতীত কালত কামৰূপক প্ৰাগদেশ বোলা হৈছিল। মহাৰাজ শ্ৰীবৎসৰ ৰাজ্যৰ ৰাজধানীৰ নাম আছিল 'ধমাৰণ্য'। এই ধৰ্মাৰণ্য বৰ্তমান দৰং ৰাজ্যৰ দক্ষিণ-পশ্চিম কোণত ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত ধলপুৰ পাহাৰকে বুলি অতীতৰ জনশ্ৰুতিত পোৱা যায়। দৰঙ্গ নাম খ্যাত হৈ আছিল ইংৰাজসকল অহাৰ আগলৈকে। ৰজা ধৰ্মনাৰায়ণে ইং ১৬১৪ চনত দৰং ৰাজ্যত ৰজা হৈ তেওঁ মঙলদৈৰ উত্তৰ-পশ্চিম সমীপ খেৰখেৰীয়াত প্ৰথমে ৰাজধানী পাতে। তাত কিছুদিন থকাৰ পাছত অসুবিধা পাই তাৰপৰা ৰাজধানী মোহনপুৰলৈ স্থানান্তৰ কৰে। এই 'মোহনপুৰ' বৰ্তমান মঙলদৈ চহৰৰ উত্তৰ-পশ্চিম দিশত দুমাইল দূৰৈত অৱস্থিত। ইয়াক আজিকালি 'হাউলী মোহনপুৰ' বোলে আৰু দৰঙ ৰাজ পৰিয়ালৰ বংশধৰসকলে এতিয়াও তাত বাস কৰে। ইংৰাজ সকলে সদৰ ঠাই পাতে মঙ্গলদৈ নদীৰ পূব পাৰত। পৰশুৰাম দ্বিজৰ ৰচনাত আছে— "দৰঙ্গ একদেশে লোহিত কাষৰ 'মঙ্গলদা' নামে নদী তাহাৰ পূৰ্বত। সিটো স্থানে ৰাজধানী হৈলা কালমত বেদ বান মুনি ইন্দু।" বৰ্তমান যি ঠাইত মঙলদৈ থানা, কাছাৰী আদি আছে সেই ঠাইতে বড়োসকলে বাস কৰা 'চুঙ্গাপাৰা' নামৰ গাওঁ এখন আছিল। ইংৰাজ 'ভেছ' নামৰ চাহাব এজনে ১৮৩৩-৩৫ চনত দৰঙ্গৰ অধিকৰ্তা হৈ মঙলদৈত জিলাৰ সদৰ থানিকা পাতিছিল। পিছত ১৮৩৫ চনত তেজপুৰলৈ সদৰ তুলি নিয়া হৈছিল। তেতিয়াৰে পৰা বৰ্তমানলৈকে মঙলদৈ মাত্ৰ মহকুমাৰ সদৰ হৈ থাকে। ইংৰাজ শাসকসকলে নতুনকৈ পতা চহৰখনৰ উন্নয়নৰ কাৰণে "টাউন ফাণ্ড" নামে অনুষ্ঠান এটাৰ জন্ম দিছিল। মঙলদৈ পৌৰসভাৰ গঠনৰ সেয়েই আছিল প্ৰথম পদক্ষেপ। সেই "টাউন ফাণ্ড" অনুষ্ঠানৰ পৰাই মঙলদৈ পৌৰসভা গঠন হৈছিল। মঙলদৈ চহৰৰ সোঁমাজতে থকা বিৰাট পুখুৰীটো ইংৰাজ শাসক প্লেফেয়াৰ চাহাবৰ আমোলত খন্দা হৈছিল।

দৰঙৰ বড়ো, কছাৰী, ৰাভাসকল আদিম বাসী। এইলোক সকল আছলতে খাটি দৰঙীয়াল অসমীয়া। এওঁলোক আন ধৰ্মী হ'লেই কোচ হৈ পৰে কিয়নো সকলো কোচ বড়ো, কছাৰীৰ পৰা হোৱা। কছাৰী ৰাজকোঁৱৰ ভীমবলে ১৬০৬ চনত মায়াঙত আহোম সেনাপতি সোন্দৰ গোঁহাইৰ কোঠ আক্ৰমণ কৰাৰ আগতে কেঁচাইখাতী গোঁসানীৰ পূজা কৰিছিল। চুতীয়া আৰু কছাৰীসকল একেটা বৃহৎ গোষ্ঠীৰ দুটা ঠাল। Colonel L.W. Shakespeare Mr. Endle আৰু Sibsagar District Gazetteer-ৰ মতে চুতীয়া সকলো বড়ো জাতিৰ মানুহ। Endle চাহাবৰ মতে অসমৰ ৰাভা, গাৰো, মৰাণ, মেচ, ধিমাল কোচ, চোলানিমিয়া, মহলীয়া, ফুলগুৰিয়া, শৰণীয়া, দিমাছা, কছাৰী হোসাই, লালুং, হাজোং বিলাকো বৃহৎ বড়ো গোষ্ঠীৰ অন্তভূৰ্ক্ত। স্বৰ্গীয় ডক্টৰ বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে— বড়ো বা কছাৰী, লালুং, ডিমাছা, গাৰো, কোচ, ৰাভা, ত্ৰিপুৰা, চুতীয়া আৰু মৰাণ সকল বৃহৎ বড়ো জাতিৰ অন্তভূৰ্ক্ত। নৰকাসুৰকে আদি কৰি কামৰূপৰ ৰজাসকলে দৰঙতো শাসন কৰিছিল। জিতাৰী বংশ, ভূঁঞাসকল, বড়োসকলে দৰঙত ৰাজত্ব কৰাৰ অলেখ প্ৰমাণ আছে। হজৰ বংশীয় ৰজাসকলেও দৰঙত ৰাজত্ব কৰিছিল। লুইতৰ কাষতে থকা বৰাচুৱা অঞ্চলত 'হজৰ পুখুৰী' এতিয়াও বৰ্তমান। কোচ ৰজাসকলে প্ৰায় চাৰিশ বছৰকাল দৰঙত ৰাজত্ব কৰি যুগমীয়া সংস্কৃতিৰ সৃষ্টি কৰি গৈছেৰ। আহোম সকলে দৰং দেশ তেওঁলোকৰ অধীন কৰিলেও দৰঙী ৰজা সকলে মাজে মাজে মূৰ তুলি স্বাধীনতাৰ প্ৰয়াসী হৈছিল আৰু আহোমৰ বিৰুদ্ধে যুদ্ধ কৰিছিল।

মঙলদৈ দৰং ৰাজ্যৰ ভিতৰত অতীজৰ পৰা বিদ্বান আৰু বিজ্ঞানী লোকসকলে বসবাস কৰিছিল। দেহবাদী অসুৰ সকলৰ লগত আত্মবাদী দেৱতা বিজ্ঞ সকলৰ মত সকলো সময়তে একমত হোৱা নাছিল যদিও ৰাজ ক্ষমতা প্ৰাপ্ত অসুৰ বা দানৱসকলে বিভিন্ন চিন্তা-চৰ্চা আৰু প্ৰতিষ্ঠাৰ বাবে সাধু বা সিদ্ধ বিজ্ঞানী সকলক কিছুমান সুবিধা দিছিল আৰু সন্মান কৰিছিল। মঙলদৈ মহকুমাৰ অন্তৰ্গত কৌৰৱৰ বিয়া-সবাহৰ কুৰুৱাৰ পৰা দুই মাইল দূৰত অৱস্থিত "বামন পৰ্ব্বত আৰু বমন পথাৰে" এই ঠাইত বলি ৰজাৰ

যজ্ঞস্থান আছিল বুলি প্ৰমাণিত কৰে। পাহাৰৰ ওপৰত ধ্বংস হৈ যোৱা শিলা মন্দিৰৰ ভগ্নাৱশেষ, শিলত কটা পদুমফুল আদিয়ে এই প্ৰচিন সভ্যতাৰ প্ৰমাণ দিয়ে। শোণিত পুৰাধিপতি মায়াসুৰ বাণৰ কন্যা উষা-আইদেউৰ বিয়াৰ কাৰণে কুমাৰ অনিৰুদ্ধক মুক্ত কৰি নিবলৈ আহোতে শ্ৰীকৃষ্ণই দৰঙত সোমাই যুদ্ধৰ শিঙা ধ্বনি কৰা ঠাই খণ্ডই আজিয়ো 'হৰিশিঙা' নামেৰে জনাজাত হৈ আছে।

ঐতিহ্যপূৰ্ণ দৰঙ, মঙলদৈৰ টংলা নগৰৰ উত্তৰ ফালে অৱস্থিত 'কালিখলা' নামে ঠাইত আৰ্য্যদেৱী পাৰ্বতী/কালী আৰু চণ্ডীত বৰ্ণিত শুম্ভ-নিশুম্ভ অসুৰৰ যুদ্ধ হৈ মৃত্যু মুখত পৰিছিল। এই ঠাইৰ উত্তৰ ফাললৈ মাৰ্কণ্ড মুনিৰ আশ্ৰম। মাৰ্কণ্ড পুৰাণতেই চণ্ডীৰ আখ্যান পোৱা যায়। মঙলদৈ মহকুমাৰ উত্তৰ অঞ্চলত অৱস্থিত 'ৰাজাগড়'ত নিশ্চয় কোনোবা ৰাজ গোষ্ঠীয়ে ৰাজত্ব কৰিছিল। আজিয়ো ইয়াৰ কিছু দক্ষিণফালে 'ৰাণী-পুখুৰী' নামৰ সৰোবৰ তুল্য বিৰাট এটি পুষ্কৰিণী সাক্ষী হৈ আছে। মাজবাটৰ দেৱাল খণ্ড মন্দিৰৰ ভগ্নাৱশেষ, ওৰাং মৌজাৰ মহামুনিৰ মন্দিৰ, হৰিশিঙা মৌজাৰ মাজুলী চাহ বাগিচাৰ ওচৰত থকা হয়গ্ৰীৱ মন্দিৰ, মঠাঝাৰৰ ভগ্নাৱশেষ আৰু নাৰিকলীৰ শিলা মন্দিৰে এই ঠাইত বৌদ্ধ ধৰ্মৰ আঁচোৰ লগা কথাবো সন্তেদ দিয়ে। ইয়াৰ উপৰিও কুকুৰাকাটা দেৱালয়ৰ ভগ্নাৱশেষ, কলাইগাঁৱৰ ওচৰৰ ভগ্ন 'মূৰাদেৱ' মন্দিৰটোৱে আজিও এই ঠাইৰ প্ৰচিন আসুৰীক সভ্যতাৰ নিদৰ্শন ৰূপে বিদ্যমান। পৌৰাণিক যুগৰ সতী বেউলাৰ বিয়াখলা, দোলা ৰখা ঠাই, ৰাওনাগড়, চান্দোৰ ডিঙাৰ ঘাট, নাওঁ ডিঙা নদীৰ সেজা, সতী বেউলাই তেওঁৰ মৃত পতিক ভেলত তুলি দেৱৰ পুৰীৰপৰা পুনৰজীৱিত কৰাৰ বৃতান্তই এই ঠাইৰ প্ৰচিন সভ্যতাৰ সঁহাৰি জনাই আহিছে।

মঙলদৈ মহকুমাত সৰ্ব্বমুঠ ৩৬১ টা ৰজাঘৰীয়া পুখুৰী বিৰাট সৰোবৰ তুল্যকৈ খন্দোৱা হৈছিল যাৰ দ্বাৰা সমগ্ৰ মহকুমাতে পানীৰ সৰবৰাহত সমস্যাৰ সৃষ্টি নহৈছিল। বৰ্তমান জলসিঞ্চন আঁচনিবো ভালেখিনি কাম এই সৰোবৰ সমূহৰ পৰা সম্পন্ন কৰা হৈছে। এই পুখুৰীবোৰ ঘাইকৈ বড়ো, কছাৰী, ভুঁঞা আৰু কোচ ৰজাৰ দ্বাৰা খন্দোৱা হৈছিল। মধ্য যুগৰ সৰোবৰ সদৃশ পুৰণি পুখুৰীসমূহেও ঐতিহ্যপূৰ্ণ মঙলদৈৰ অতীত সময়ৰ পৰিচয় দিয়ে। কলাইগাওঁ মৌজাৰ বুঢ়ীনগৰ পুখুৰী, লক্ষীমপুৰ পুখুৰী (আশে পাশে আৰু বহুটো ঐতিহ্যপূৰ্ণ পুখুৰী আছে), বয়নাকুচি মৌজাৰ জয়পাল পুখুৰী, ডাঁহি মৌজাৰ 'দীঘিৰ সৰোবৰ' স্মৃতিচিন, 'বৰমপুৰৰ পুখুৰী', ব্যাসপাৰাৰ 'দেৱৰায়ৰ পুখুৰী' স্মৃতিয়ে এই ঠাইৰ সভ্যতাৰ পৰিচয় দিয়ে। বাঘমৰা, গোৰাকাটা, লক্ষীমপুৰ, জলজলি, গৰুকামৰা আদি প্ৰচিন পুখুৰী সমূহে এই ঠাইৰ স্বাস্থ্য আৰু ঐতিহ্যৰ পৰিচয় ঘোষণা কৰি আছে। ৰণথলী বৌতা, নলখামৰা, কলাইগাওঁ মৌজাৰ অন্তৰ্গত লক্ষীমপুৰ অঞ্চলৰ অতীজৰ 'ব্যাঘ্ৰপিণ্ডা' মোগল বেচা, শিয়ালমাৰী মৌজাৰ শিলাবৰি, আদি ঠায়ে এই ঠাইৰ পূৰ্ব্বৰ যাউতি-যুগীয়া স্মৃতি ঘোষণা কৰি আছে। মানেই ঘাটা, বঙ্গলাগড়, মোহনপুৰ, ডুমুনিচকী, পাথৰিঘাট আদি ঠায়ে ঐতিহ্যপূৰ্ণ মঙলদৈৰ ঐতিহাসিক পৰিচয় ঘোষণা কৰি আছে।

ইয়াৰ উপৰিও মঙলদৈৰ ভাষা, কলা-কৃষ্টি, সংস্কৃতি আদিয়ে মঙলদৈৰ ঐতিহ্যৰ পৰিচয় ডাঙি ধৰি আছিল। এইবোৰে ইতিহাসৰ বুকুত উল্লেখনীয় স্থান অধিকাৰ কৰিছে। দৰংবাসীৰ এই ঐতিহ্যপূৰ্ণ ইতিহাস যাতে অদূৰদৰ্শী ব্যক্তিৰ সাময়িক উক্তি বা স্বপ্ৰণোদিত লিখনিয়ে কালিমা সানিব নোৱাৰে তালৈ সজাগ দৃষ্টি ৰখা প্ৰতিজন মঙলদৈবাসী বাইজৰ কৰ্তব্য।



চিন্তাক নিয়ন্ত্ৰণ কৰিবলৈ শিকাটোৱেই হ'ল নৈতিক সংস্কৃতিৰ উচ্চতম স্তৰ।

*—চাৰ্লছ ডাৰউইন*

দেশৰ অৰ্থে প্ৰাণ দিবা ; কিন্তু কাৰো প্ৰাণত আঘাট নিদিবা।

*—মহাত্মা গান্ধী*

প্ৰবন্ধ

# 'দুখ' আৰু বুদ্ধদেৱৰ মহাসত্য বাণী

শ্ৰীঅনন্ত বৰুৱা
স্নাতক ১ম বৰ্ষ

চিৰন্তন সত্য আৰু প্ৰকৃতিৰ নিয়ম জন্ম-মৃত্যু, দিন-ৰাতি। দুখ, ই হৈছে জন্ম-মৃত্যুৰ লগত অন্তৰ্নিহিত হৈ থকা আন এক মহাসত্যৰ নাম। আমাৰ জীৱনত দুখ আছে, তাক কেতিয়াও দিন-ৰাতিক উলাই কৰিব নোৱাৰাৰ দৰে কোনেও অস্বীকাৰ কৰিব নোৱাৰে। জীৱন যাত্ৰাত আমি কিবা পোৱা-নোপোৱাৰ খেদ কৰো। বৈ যোৱা ভুলবোৰৰ বাবে সময়ত অনুতাপ কৰো, সদায় জীৱনৰ আলিটো ৰঙীন হোৱাটো বিচাৰো, নানান বাধাৰ সন্মুখীন হৈ হতাশাত ভোগো ; এনেবোৰ আধ্যাত্মিক যিবোৰ অনুভূতি তাকেই দুখ বোলে। কাঁইটীয়া পিচল বাটেৰে আমি জীৱন যাত্ৰাত আগবাঢ়োতে কোনো মুহূৰ্তত কাঁইটে বিন্ধে বা কোনোবা মুহূৰ্তত আমি পিচলি পৰো। কাঁইটে বিন্ধা, পিচলি পৰা জীৱনৰ মুহূৰ্তটোৰ নামেই একপ্ৰকাৰ দুখ।

একপ্ৰকাৰে চাবলৈ গ'লে সংসাৰখন দুখময়। আমি যিফালেই চাওঁ কেৱল দুখ দেখো —জন্ম-মৃত্যু, ৰোগ-ব্যাধি, শোক-ক্লেশ, উদ্বেগ আকাংক্ষা, অপ্ৰিয় সংযোগ, প্ৰিয় বিচ্ছেদ আদি সকলোতেই দুখ জড়িত থাকে। কোনোবা ধনৱন্ত বা ৰজা-মহাৰজা নতুবা দীন-দয়াল সকলোৱেই দুখ পাওঁ তাক অস্বীকাৰ কৰিব নোৱাৰো। দুখৰ পৰা আমাৰ নিস্তাৰ নাই। কোনো কোনো ক্ষেত্ৰত সুখ বুলি ভবা অনুভূতিয়েও আমাক সাংঘাতিক দুখ দিব পাৰে। সেয়ে আমাৰ মনত প্ৰশ্ন হয় —দুখ কি ? ইয়াৰ কাৰণ কি ? আমি দুখক মনৰ পৰা আঁতৰ কৰিব নোৱাৰো নেকি ? ইয়াক দূৰ কৰা কিবা উপায় নাইনে ?

এনেবোৰ প্ৰশ্নৰ উত্তৰ পাওঁ 'বুদ্ধদেৱ'ৰ (৪৬৬ খৃঃপূঃত কপিলাবস্তুৰ ওচৰত জন্মগ্ৰহণ কৰে) চাৰিটা মহান সত্যৰ উপলব্ধিত। এইজনা ভগৱান লেখীয়া মহামানৱে দুখৰ প্ৰকৃত উৎস আৰু ইয়াক অতিক্ৰম কৰাৰ উপায় উদ্ভাৱন কৰি চাৰিটা দুখ সম্পৰ্কীয় সত্য আৱিষ্কাৰ কৰি গৈছে। এদিন বুদ্ধদেৱেও (সৰু কালত গৌতম নামেৰে ৰাজ পৰিয়ালত থাকোতে) দুখ কি ইয়াৰ কাৰণ কি ইত্যাদি লৈ অলেখ চিন্তা কৰিছিল, যাৰ বাবে তেওঁ বহুতো ধৰ্মগুৰু আৰু শাস্ত্ৰজ্ঞৰ কাষ চাপিবলগীয়া হৈছিল। কিন্তু তেওঁক কোনেও এটা মনঃপূত উত্তৰ দিব নোৱাৰিলে। এনেবোৰ চিন্তাত থকা দেখি দেউতাকে তেওঁক বহুটো লাহ-বিলাহৰ সামগ্ৰী দিনে, আনকি বুদ্ধই যাতে দুখ কোনো মুহূৰ্ততে অনুভৱ নকৰে তাৰ চেষ্টাতেই বিয়াও পাতি দিলে। কিন্তু সমাজৰ মানুহৰ দুখত গৌতম ইমানেই চিন্তিত হ'ল যে ৰাজপৰিয়াল, ঘৰ-সংসাৰ সকলো ত্যাগ কৰি যৌৱন কালতেই সন্যাস ধৰ্ম ললে। অৱশেষত তেওঁ ধ্যানমগ্ন হ'ল ; ধ্যানৰ দ্বাৰা তেওঁ জ্ঞান বুদ্ধি লাভ কৰি বুদ্ধ নামেৰে পৰিচিত হ'ল। এই ভগৱানৰূপী মানৱজন সন্যাস ৰূপেৰেই চল্লিশ বছৰ কাল বিভিন্ন ঠাইত ঘূৰি অসীম জ্ঞান লাভ কৰি নাম ল'লে 'জ্ঞানোদ্দীপ'। অৱশেষত বহুতো মানুহ তেওঁৰ সংস্পৰ্শলৈ আহিল। বুদ্ধদেৱৰ লগত থাকি তেওঁৰ 'ধৰ্ম', 'দৰ্শন' সৰ্ব্বভাৰতবৰ্ষতে প্ৰচাৰ কৰিব ধৰিলে। লগে লগে বুদ্ধৰ ধৰ্মই ভাৰতত এক গজগজীয়া আসন লাভ কৰিলে।

বৌদ্ধ দৰ্শন বা বুদ্ধ ধৰ্মলৈ লক্ষ্য কৰিলে আমি দুখ সম্পৰ্কে চাৰিটা মহান সত্যৰ বহল ব্যাখ্যা পাওঁ —আমাৰ দুখ আছে, দুখৰ কাৰণ আছে, দুখৰ নিবৃত্তি আছে, দুখ নিবৃত্তি বা বিনাশৰ উপায় আছে। বুদ্ধদেৱে জীৱনযোৰা সাধনাৰে এই চাৰিটা মহাসত্যক আৱিষ্কাৰ কৰি গৈছে। বুদ্ধৰ এনে বাণী আমাৰ জীৱনৰ দৈনিক প্ৰয়োজনীয় বস্তুবোৰৰ সমানেই গুৰুত্ব আছে বা তাতোকৈ বেচিহে গুৰুত্বপূৰ্ণ। উল্লেখ্য যে বুদ্ধৰ আধ্যাত্মিক যি দুখ আছে সেই সত্যকহে আমি আলোচনা কৰিম (ৰোগ, জন্ম-মৃত্যুৰ সময়ত পোৱা দুখ নহয়)। এই মহামানৱজনৰ বাণীবোৰ বৰ্তমান সৰ্বত্ৰ বিৰাজমান হৈ বিশ্বত টৌৰ খলকনি তুলিছে। ভাৰতে সেয়ে তাক লৈ গৌৰৱ কৰিব পাৰে কাৰণ বুদ্ধৰ জন্ম হৈছিল ভাৰতত আৰু ভাৰতৰ পৰাই সত্যবাণীবোৰ বিশ্বৰ চুকে-কোণে প্ৰচাৰিত হৈ পৰিছে। বুদ্ধদেৱৰ মহাসত্য বাণী বৰ্তমান বিশ্বৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা হৈছে লগতে পৃথিৱীৰ অন্যান্য দেশত তেওঁৰ ধৰ্ম প্ৰচাৰ হ'ব লাগিছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব এনে বাণীবোৰৰ বিভিন্ন সমালোচনাও হৈছে। ই এক অন্য আলোচনা। গতিকে আমি ভাৰতৰ সমাজৰ ছাত্ৰ হৈ তাৰ এটা থুলমুল আভাস নজনাটো অৱশ্যেই লজ্জাজনক।

ডেকা বয়সত বুদ্ধৰ মনত ৰোগ, বাৰ্দ্ধক্য আৰু মৃত্যুৱে বৰকৈ প্ৰভাৱ পেলাইছিল ; কিন্তু জ্ঞানোদ্দীপ বুদ্ধই পিছলৈ বুজিলে যে সমগ্ৰ মানৱ জীৱনেই দুখেৰে ভৰপূৰ। এইটো বুদ্ধৰ প্ৰথম মহাসত্য বুলি সৰ্বপ্ৰতীয়মান। বুদ্ধৰ মতে মানুহৰ ভৱ-সাগৰ হ'ল চকুপানী সাগৰ। এই সাগৰত আমি ককবকাই থাকি দুখকেই সকলো সামগ্ৰীৰূপে লৈ জীয়াই থাকিব লাগে। এইখিনিতে বুদ্ধই অলপ অতিৰঞ্জিত কৰা যেন লাগে। কিন্তু কথাটো সত্য, এটা কাৰণতেই যে আমি কোনো মানুহেই দুখক নুই কৰিব নোৱাৰো নাইবা কোনোৱেই ক'ব নোৱাৰে জীৱনত আমি সুখী। আজি আমি ৰাষ্ট্ৰৰ মুৰব্বী ৰাষ্ট্ৰপতি বা আন কোনো ধনৱন্ত লোক যদি প্ৰশ্ন কৰো আপুনি সুখীনে ? তেন্তে তেওঁ বুকুত হাত দি ক'ব নোৱাৰিব যে তেওঁ সুখী। সেয়ে বুদ্ধদেৱেও ঠিকেই কৈছে —জগতত এনে সত্তা বা বস্তু নাই যিয়ে আমাক বিমল আনন্দ দিব পাৰে।

জীৱনটো এক দুখ যাত্ৰা। কাৰণ —জন্ম, ৰোগ, শোক, ক্লেশ, আশংকা, নৈৰাশ্য, জৰা, মৃত্যু আদি জীৱন যাত্ৰাত পোৱা এই আটায়ে আমাক মনত দুখ দিয়ে। সেয়ে আমি নিঃসন্দেহে ক'ব পাৰো —"সংসাৰ সজা মানে দুখৰ সজা"। আমাৰ জীৱনত যি ক্ষণিক সুখ পোৱা বুলি ভাবো

সি আচলতে দুখেই। আমি যেতিয়া সুখ আনন্দ আদি ভোগ কৰো তাত এক অজান আশংকা থাকে জানোচা সেই সুখ স্থায়ী নহয় ; জানোচা বৰ্তমানৰ সুখ আনন্দবোৰ আমাৰ পৰা ক্ষন্তেকতে অতীতৰ অসীমত হেৰাই থাকে ! (?) গতিকে সুখৰ লগত দুখ মিহলি হৈ থাকে।

বুদ্ধদেৱে সংসাৰত দুখ আছে বুলি কৈয়ে এৰা নাই ; দুখৰ যে কাৰণো আছে সেইটোও ব্যাখ্যা কৰিছে। এনে কাৰণবোৰ সম্পূৰ্ণ ব্যাখ্যা বৌদ্ধ দৰ্শনত পোৱা যায়। এইটো এক অন্য আলোচনা। বুদ্ধই দুখৰ কাৰণত সাধাৰণভাবে কেইটামান কথা কৈছে —আমাৰ দুখ আহে অজ্ঞানতা, লোভ, মোহ, পৃথিৱীত থকা সম্পদৰাজিৰ প্ৰতি থকা আসক্তিৰ বাবে। এনে বস্তুবোৰ মনৰ পৰা আঁতৰ কৰিব নোৱাৰিলে আমাৰ মনত দুখ থাকিবই। লগতে বুদ্ধই কৈছে যে মনৰ পৰা উচ্চ আসক্তিবোৰ দূৰ কৰিব লাগিব। অৰ্থাৎ বৰ্তমান আমাৰ যি আছে তাতকৈ বেচি পাব যোৱাটো বুদ্ধৰ মতে দুখৰ কাৰণ। পোৱাতকৈ অধিক বিচাৰিলেও যদি নাপায় তেন্তে মনত দুখ আহিব। সেয়ে যি আছে তাকে শুদ্ধ মনেৰে উপভোগ কৰিব লাগে। গতিকে উচ্চ আসক্তি, লোভ-মোহ, অজ্ঞানতা আতঁৰাব পাৰিলেও দুখ আঁতৰে। মন কৰিবলগীয়া কথাটো হ'ল অজ্ঞানতায়ো আমাৰ দুখ কঢ়িয়ায়। কোনো এটা কাম জ্ঞান নোহোৱাকৈ কৰিলে ভুল হোৱা সম্ভাৱনাই অধিক আৰু বাৰে বাৰে ভুল কৰিলে নিশ্চয় আমাৰ দুখ আহিব। গতিকে বুদ্ধই কৈছে দুখ আঁতৰাবলৈ আমি এইবোৰ অনিবাৰ্য্যভাবে পৰিহাৰ কৰিব লাগিব।

বুদ্ধদেৱে দুখ আছে বুলি কৈ দুখৰ কাৰণ আছে বুলিছে। সেইদৰে দুখৰ নিবৃত্তি আছে বুলি কৈ দুখ নিবৃত্তিৰ উপায়বোৰৰো তথ্যভিত্তিক আলোচনা কৰিছে। দুখক কেনেকৈ অৱসান বা বিনাশ কৰিব পাৰি সেই সম্পৰ্কে তেওঁ জীৱনযোৰা গভীৰ অনুসন্ধান কৰি আঠোটা উপায় উদ্ভাৱন কৰিছে। তাকে বৌদ্ধ দৰ্শনত অষ্টাঙ্গিক মাৰ্গ বুলি কোৱা হৈছে। অৰ্থাৎ দুখ নিবাৰণৰ আঠোটা পথৰ কথা তেওঁ আলোচনা কৰিছে। এই মাৰ্গবোৰৰ বৌদ্ধ দৰ্শনত সুন্দৰ বৰ্ণনা আছে। এনে মাৰ্গবোৰৰ মূল কথাসমূহ তলত উল্লেখ কৰা হ'ল—

ক) ওপৰত আলোচনা কৰা চাৰিটা মহান সত্যসম্পৰ্কে শুদ্ধ জ্ঞান লাভ কৰিবলৈ আমাৰ শুদ্ধ দৃষ্টিভংগী থাকিব লাগিব।

খ) উপভোগ কৰি থকাতকৈ বেচি বিচাৰিব নালাগিব। অৰ্থাৎ নিজৰ বাবে নিম্ন প্ৰয়োজনীয়খিনিতকৈ অধিক আশা কৰিব নালাগিব।

গ) কাৰো প্ৰতি বেয়া মনোভাৱ থাকিব নালাগিব লগতে আনৰ অনিষ্ট কৰা মনোবৃত্তি ত্যাগ কৰিব লাগিব।

ঘ) মিছা বা অসংযত বাক্য ব্যৱহাৰ ত্যাগ কৰিব লাগিব।

ঙ) জীৱিকা উপাৰ্জনৰ পথ সদাই সৎ হ'ব লাগিব।

চ) অতীতৰ অসৎ মনোবৃত্তিবোৰ ত্যাগ কৰিব লাগিব।

ছ) মন বা আত্মাক শুদ্ধ বা পৰিষ্কাৰ কৰি ৰাখিব লাগিব।

জ) ওপৰত আলোচনা কৰা জ্ঞানবোৰৰ ওপৰত অবিৰত ভাৱে ধ্যান-জ্ঞান ৰাখিব লাগিব।

ওপৰোক্ত সম্পূৰ্ণ জ্ঞান আমাৰ মনত স্থাপিত হ'লে আমি এক শান্ত, স্থিৰ অৱস্থাত উপনীত হ'ব পাৰিম। তেতিয়াই মনত আহিব আত্মতৃপ্তি আৰু ইয়েই আনিব আমালৈ আনন্দ, উল্লাস, স্বাচ্ছন্দ্য ইত্যাদি য'ত কোনো দুখৰ সংসূত্ৰই নাথাকিব থাকিব কেৱল সুখ।

উল্লেখ নকৰিলেই নহ'ব যে বুদ্ধৰ এনে মহান সত্যক বাস্তৱত প্ৰয়োগ কৰিবলৈ যাওঁতে কিন্তু অসীম কষ্ট স্বীকাৰ কৰিবলৈ প্ৰথমে আমি প্ৰস্তুত হ'বই লাগিব। বৰ্তমান অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ যি ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে তাত যদি বুদ্ধৰ এনেবোৰ কথাৰ প্ৰচাৰ চলাব পৰা যায় তেন্তে সঁচাই অসমে বিশেষ এক শান্তিময় পৰিৱেশৰ সূচনা কৰিব। নহ'লে বৰ্তমান সমাজত যি স্বাৰ্থপূৰণ, হিংসা আদিয়ে পোখা মেলিছে সি এদিন আমাক গ্ৰাস কৰি নিজৰেই অস্তিত্ব হানি কৰিব। লগতে আমি ছাত্ৰ-ছাত্ৰীয়ে পাহৰিব নালাগিব যে মৰমে মৰম আনে, লোভ-মোহে দুখ হাত বাউলি দি মাতে।

এনেবোৰ তাত্বিক প্ৰসংগলৈ লক্ষ্য কৰিয়েই হ'বলা পৃথিৱীত বুদ্ধদেৱৰ দৰে লোকৰ মহান বাণীবোৰ ক্ৰমে জনপ্ৰিয় হৈ আহিব লাগিছে।



*(বিঃদ্ৰঃ - প্ৰবন্ধটি যুগুতাওতে বৌদ্ধ দৰ্শনৰ বিশেষ সহায় হোৱা হৈছে।)*

আৱশ্যকতকৈ বেচি ৰখাটো পাপ।

*—মহাত্মা গান্ধী*

প্ৰবন্ধ

# শ্ৰীমন্ত শংকৰদেৱৰ
# বৰগীতত ভক্তি-ৰস আৰু আধ্যাত্মিকতাৰ সুৰ

*শ্ৰীবাণীকান্ত বণিয়া*
স্নাতক ২য় বৰ্ষ

বৰগীত মহাপুৰুষ শংকৰদেৱৰ এক অপূৰ্ব সৃষ্টি। বৰগীত উচ্চাংগ প্ৰাৰ্থনা সংগীত। বিশ্ব মানৱৰ হৃদয় মালঞ্চত চিৰস্থায়ী শান্তি, প্ৰেম, করুণা, ভাগৱত ভক্তি প্ৰতিষ্ঠাৰ বাবে শ্ৰীমন্ত শংকৰদেৱে ধৰ্ম সাহিত্যৰ অংগাঙ্গি স্বৰূপে আধ্যাত্মিক ভাৱেৰে গধুৰ চাৰুকলাৰে মধুৰ সৰ্বজনৰ হৃদয় শান্ত ৰসেৰে ভৰপূৰ কৰি স্বৰ্গীয়, ৰাগমাল্লাৰে ৰোমাঞ্চিত কৰি ছকুৰি বৰগীত ৰচনা কৰিছিল যদিও কালৰ চাকনৈয়াত পৰি ৩৪ টা গীতহে ৰ'লগৈ। তেৰাৰ পাছত মহাপুৰুষ মাধৱদেৱ, গোপালদেৱ আদি ধৰ্মপ্ৰচাৰক সকলেও এই ধৰণৰ বহুগীত ৰচনা কৰে যদিও মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচিত গীতবোৰকে বৰগীত বোলা হয়। কাৰণ তেওঁ এইবোৰ গীতৰ মাজেৰে ব্ৰজাৱলী ভাষাৰ আলমত সংস্কৃত মূলীয়া শব্দাৱলী প্ৰয়োগেৰে পদ, দূলড়ী, ছবি, ছন্দাদিৰ মাধ্যমত পৰমব্ৰহ্ম কৃষ্ণৰ ঐশ্বৰিক কৰ্মলীলা, মাহাত্ম্য আৰু ভক্তি তত্বৰ গভীৰ অভিব্যক্তি দাঙি ধৰিছে। আধ্যাত্মিক ভাৱ ভক্তিৰস আদি গুণেৰে ৰঞ্জিত এই গীতবোৰৰ মাজেৰে মহাপুৰুষ জনাৰ ভগৱানৰ প্ৰতি থকা অনুকুল হিয়াৰ করুণ কাকুতি-মিনতি আদি প্ৰকাশ পাইছে। বৰগীতবোৰৰ ভাব গম্ভীৰ, ভাষা মধুৰ আৰু মাৰ্জিত। ইয়াৰোপৰি এই শ্ৰেণী গীতৰ কঠিন শব্দাৱলীৰ অৰ্থ ও ভাবাৰ্থ বুজিবলৈ বৰ কঠিন। এই বৰগীতবোৰ উচ্চাংগ সংগীত হোৱা বাবে ইয়াক হৃদয়ংগম কৰিবলৈকো গভীৰ চিন্তনৰ প্ৰয়োজন। সেয়ে ড° বাণীকান্ত কাকতিদেৱে —বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত বুলিয়েই 'Noble Numbers' অখ্যা দিছে। সাহিত্যিক কালিৰাম মেধি ডাঙৰীয়াই -Great Song's বা Songs Celestial, সাহিত্যিক দেবেন্দ্ৰ নাথ বেজবৰুৱাই —Holy Songs বুলি মন্তব্য কৰিছে।

বিষয়ানন্দৰ অসাৰতা আৰু আজীৱন কৃষ্ণ প্ৰেমানন্দৰ মুৰ্ছনাই এই গীতবোৰৰ প্ৰধান উপজীব্য। মানৱ জীৱনত বিষয় বাসনা বৰ্জিত কৃষ্ণ ভক্তিয়ে একমাত্ৰ পৰম পুৰুষাৰ্থ বুলি এই গীতবোৰত ঠাৱৰ কৰা হৈছে। এই গীতবোৰত কৃষ্ণৰ মানৱীলীলাৰ লগতে তেৰাৰ পৰম পুৰুষ পৰমব্ৰহ্ম ৰূপটোক অতি সংযম তথা গাম্ভীৰ্যপূৰ্ণ ৰূপত ৰূপায়ন কৰা হৈছে। সাংসাৰিক লঘু ৰসবোৰ আঁতৰাই মানৱ হৃদয়ত ভক্তি ৰসৰ উন্মেষ ঘটাই আধ্যাত্মিক জ্ঞান প্ৰদানেই বৰগীতৰ অন্যতম প্ৰধান উদ্দেশ্য। অহেতুকী ভক্তিৰে কৃষ্ণ প্ৰেমত মন আৱদ্ধ ৰাখিব পাৰিলেহে মানৱ জীৱনলৈ স্থায়ী আনন্দৰ সোঁত বয় বিভিন্ন বৰগীতৰ মাজেৰে গুৰু জনাই এই কথাকেই প্ৰতীয়মান কৰিছে।

সাহিত্য ৰস নবিধ — শান্ত, ৰৌদ্ৰ, বীৰ, ভয়ানক, অদ্ভূত, শৃংগাৰ, করুণ, হাস্য আৰু বিভৎস ৰস। ইয়াৰ বাহিৰেও মাধৱদেৱৰ ৰচনাত আন এবিধ ৰসৰ পৰাই ভক্তি ৰসৰ উদ্ভৱ হৈছে। এজনে আন এজনৰ কাষত সহায় কৰি বা আলপৈচান কৰি যি আনন্দ পোৱা যায় সেয়াই হ'ল সেৱা ৰস। আনহাতে ভক্তসকলে ভগৱানক ভক্তি কৰি থাকোঁতে মনলৈ এক বিমল আনন্দৰ সোঁত বয়। এয়াই মাধৱদেৱৰ ৰসময়ী ভকতি। মাধৱেদেৱে তেৰাৰ নামঘোষাত গাইছে—

"দিয়া মোক সেৱা ৰস সাৰ
ৰসময়ী মাগোহো ভকতি ॥"

—মূলতঃ সেৱা ৰস আৰু ভক্তিৰসৰ একেটাই উৎস।

মহাপুৰুষ শংকৰদেৱৰ বৰগীত সমূহ ভক্তিৰস প্ৰধান। তেৰাৰ প্ৰিয় শিষ্য মাধৱদেৱেও এনেধৰণৰ ভক্তিৰস প্ৰধান গীত ৰচনা কৰিছে। ৰচনাৰ মাধুৰ্য্য, ভাষাৰ সাৱলীলতা আৰু ভাৱৰ গাম্ভীৰ্য্য আদিলৈ লক্ষ্য ৰাখিয়ে এইবোৰক বৰগীত বুলি আখ্যা দিয়া হৈছিল। এই বৰগীতবোৰ ভাৱঘন আৰু ভক্তি ৰসাসিক্ত। আৰু ভক্তি ৰসসিদ্ধ এই গীতবোৰ ধ্ৰুপদী ৰীতিৰেহে গোৱাৰ নিয়ম আছে। প্ৰত্যেকটো বৰগীততেই এক নিৰ্দিষ্ট ৰাগত বন্ধা। এই শ্ৰেণীৰ গীতক উচ্চাংগ সংগীতৰ শ্ৰেণীতহে ধৰা হয়। প্ৰত্যেক বৰগীতৰ ৰাগ বেলেগ বেলেগ হলেও একাধিক বৰগীত এটা ৰাগত গোৱাৰ ৰীতি আছে। ৰাগৰ লগত তালৰ উল্লেখ নেথাকিলেও সাধাৰণতে বিষয় বস্তুৰ ব্যাপকতা আৰু ভাৱৰ গভীৰতালৈ লক্ষ্য ৰাখিহে বৰগীত পৰিবেশন কৰা হয়। মহাপুৰুষ দুয়োজনাৰ ৰচিত বৰগীতবোৰৰ ৰাগৰ ভিতৰত —আশোৱাৰী, মল্লাৰ, ধনশ্ৰী, গৌৰী, সুহাই, বসন্ত, স্ত্ৰী, কেদাৰ, মাউৰ, তুৰ বসন্ত, কল্যাণ, ভূপালি, খৰমান ইত্যাদিয়েই প্ৰধান।

গুৰুজনাৰ ৰচিত গীতবোৰ ৰাম আৰু কৃষ্ণ চৰিত্ৰ কেন্দ্ৰিক হলেও মূলতঃ এইবোৰ পৰমাৰ্থিক তত্বৰে ভৰপুৰ। জীৱ জগত আৰু ঈশ্বৰৰ মাজত সম্বন্ধ ৰক্ষা কৰি ৰচিত হোৱা এই গীতবোৰ ভক্ত প্ৰাণৰ নিভৃততম কোণৰ পৰা অনাবিল ভাৱে নিগৰি অহা তথা ফল্গুৰ দৰে।

বৰগীতবোৰৰ ভাষা ব্ৰজাৱলী। গুৰুজনাৰ সময়ত বংগদেশ আৰু উৰিষ্যাত ভক্তি গীত সমূহে ব্ৰজাৱলী ভাষাত ৰচিত হৈছিল। মহাপুৰুষ শংকৰদেৱে উত্তৰ ভাৰত ভ্ৰমণ কৰিবলৈ যাওঁতে এই ব্ৰজাৱলী ভাষাত ৰচিত গীতবোৰৰ প্ৰতি আকৰ্ষিত হৈছিল। সেয়েহে গুৰুজনাই এই ব্ৰজাৱলী ভাষাতেই গীত ৰচিবলৈ আৰম্ভ কৰিছিল।

মহামুনি ব্যাসদেৱৰ হাতত বিশাল ভাগৱত শাস্ত্ৰ ৰচিত হোৱা পবিত্ৰ ধাম বদৰিকাশ্ৰমতেই গুৰুজনাই বৰগীত ৰচনাৰ প্ৰথম অনুপ্ৰেৰণা লাভ কৰিছিল। তাতেই গুৰুজনাই 'ধনশ্ৰী ৰাগত' —'মন মেৰি ৰাম চৰণহি লাগু" —নামে প্ৰথমটো বৰগীত ৰচনা কৰি গুৰুজনাই ক্ষণ ভংগুৰ জীৱনত পৰম সুখৰ সন্ধান গৈ বৰ্ণাইছে যে—চঞ্চল মনেই হৈছে অনৰ্থকৰ মূল। এই মনক

সংযম কৰি ভগৱান ৰামৰ চৰণত আত্মনিবেদন কৰিব পাৰিলেহে পৰম পুৰুষাৰ্থ লাভ কৰিব পৰা যায় । তেৰাই আন আন গীতবোৰৰ মাজেৰেও ভক্তি ৰসৰ নিজৰা বোৱাবলৈ সক্ষম হৈছিল ।

মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত —"নাৰায়ণ কাহে ভকতি কৰো তেৰা" —নামেৰে আন এটা আশোৱাৰী ৰাগত গোৱা বৰগীত পৰিবেশন কৰিছিল । আৰু পাপক্লিষ্ট মনৰ চঞ্চলতাই মানুহক ভগৱান চিন্তাৰ পৰা আঁতৰলৈ ঠেলি পঠিয়াই ফলত কেনেকৈনো ভগৱানক চিন্তা কৰিব পাৰি তাৰ উপায় বিচাৰি গুৰুজনাই তাকেই দাঙি ধৰিছে । ঘট-পট, পৰ্বত-পাহাৰ, নদ-নদী সকলোতে বিদ্যমান ভগৱানৰ কৃপা যাতে লাভ কৰিব পাৰি তাৰ বাবে পৰম পিতাৰ ওচৰত এই গীতটোৰ জৰিয়তে প্ৰাৰ্থনা জনোৱা হৈছে ।

ভক্তি ৰসৰ অমৃত বোৱাই দিয়া আন কিছুমান গীতৰ মাজেৰে মহাপুৰুষ গুৰুজনাই ৰাম নামৰ মহাত্ম্যৰ কথাকে দোহাৰিছে—

"বোলহু ৰাম নামেসে মুকুদি নিদানা
ভৱ বৈতৰণী, তৰণী সুখ সৰণী
নাহি নাহি নাম সমানা আৰু নাহি নাহি
ৰময় বিতোণপ তাৰক কোই ।।" ইত্যাদি

বিষপূৰ্ণ বিষয় বাসনাৰে ভৰা সংসাৰৰ সকলো অসাৰ । এই সংসাৰত ধন, জন, জীৱন, যৌৱন, পুত্ৰ, পৰিবাৰ সকলো অথিৰ । অসাৰ সংসাৰত জীৱন কোনো ৰকমে ঠিৰে নামাকে । ভোগৰ পৰা ক্ষন্তেকীয়া সুখ পালেও পৰম শাশ্বত সুখ লাভ কৰিব নোৱাৰে । সেয়ে দুখৰ সাগৰ হেলাৰঙে পাৰ হ'বলৈ হৃষীকেশ ভগৱানক আৰধনা কৰি কেদাৰ ৰাগত গুৰুজনাই কাকুতি কৰিছে—

"পাৰে পৰি হৰি কৰোহো কাতৰি
প্ৰাণ ৰাখবি মোৰ ।।"

কিছুমান বৰগীতৰ মাজেৰে আকৌ তেৰাই আধ্যাত্মিক ভাৱৰ খলকনি তুলি ক্ষন্তেকীয়া মানৱ জীৱনত হৰি ভক্তিতে একমাত্ৰ আশ্ৰয়স্থান ঠাৱৰ কৰিছে। মানৱ জীৱন অনিত্য অথচ দুষ্প্ৰাপ্য । এবাৰ গ'লেই ই পুনৰ ঘূৰি নাহে । গতিকে ইয়াক হৰিভক্তি পৰায়ণ কৰি তুলিব পাৰিলেহে মানৱ জীৱন সাৰ্থক হ'ব বুলি গুৰুজনাই নিজকে দাস বুলি তেৰাই গাইছে—

কৃষ্ণ কিঙ্কৰ কহ ; ক্ষণিক দেহ ৰহ
নৰ তনু পুপুহ নৰপাই ।
কৰম গৰাব সৱ দুষ কৰি হৰি
চৰণ চিন্ত চিত নাই ।।

জীৱনৰ ভাটী বয়সত ৰচিত গুৰুজনাৰ কিছু সংখ্যক গীতৰ মাজেৰে ক্ষণভংগুৰ মানৱ জীৱনৰ আশ্বাশ্বতা আৰু অসাৰতাৰ বিষয়ে জীৱন্ত ছবি কিছুমান অংকিত কৰিছে । মায়াময় সংসাৰখন এখনি গহীন বননি, তাতে গুৰুজনাই নিজকে হৰিণ বুলি ঠাৱৰ কৰিছে আৰু কেঁউফালে ঘূৰি ফুৰিছে । এনে অৱস্থাত কাম, ক্ৰোধ আদি বিপুবিলাকে কুত্তাৰূপ ধৰি খেদি আহিছে । তাৰপৰা পলাবলৈ বাট বিচাৰি নাপাই বিমোৰত পৰি তেৰাই দুখ মনেৰে গাবলৈ লৈছে—

পলাইতে নেদেখো সন্ধি দিনে দিনে দৃঢ় বন্দী
ভৈলো মন্দ মনেৰে যুগুতি ।

সেইবাবে তেৰাই কাতৰ সুৰে প্ৰাৰ্থনা কৰিছে—

"তুৱা হৰি নাগো গো,
মোৰ মায়া পাশা ছোড়
শংকৰ কৰয় কাকুতি ।।"

মায়া মোহৰে সমাদৃত এই অথিৰ অসাৰ সংসাৰ যন্ত্ৰণাৰ পৰা হাত সাৰিবলৈ যে অকল কৃষ্ণ ভকতি স্তুতিকে মূল অস্ত্ৰ হিচাবে গ্ৰহণ কৰি পৰিত্ৰাণ পাব পাৰি তাকো তেওঁ সুন্দৰভাৱে বৰ্ণাইছে তলৰ বৰগীত ফাঁকিৰে—

অথীৰ জীৱন ধন যৌৱন জায়া ।
ভকতি বিৰোধী বিষয় সব মায়া ।।
কৃষ্ণ কিংকৰ ওহি শংকৰ ভান ।
বিনে হৰি ভকতি তৰণী নাহি আনা ।।

এইদৰে দেখা যায়, গুৰুজনাই ৰচিত প্ৰতিটো বৰগীততেই জীৱন দৰ্শনৰ একোখন মূল্যৱান পাত, য'ত জীৱ জগত আৰু ঈশ্বৰৰ সম্বন্ধ ঘটিছে ।

অনিত্য মানৱ জীৱনত হৰি ভক্তিয়েই প্ৰধান সম্বল । বৰগীতবোৰৰ মাজেৰে ভক্তি ৰসৰ অনন্ত সোঁত প্ৰৱাহিত হৈ আছে । এইবোৰৰ মাজেৰে ভক্তজনৰ আকুল হিয়াৰ পৰা নিগৰি অহা কাকুতি-মিনতিখিনি সুন্দৰ ভাৱে প্ৰকাশ পাইছে ।

*প্ৰসংগ পুথি ঃ*


১) মণিকাঞ্চন ধৰ্মালোচনী (১৯৯৭ সংখ্যা ১ ডিচেম্বৰ)
২) স্মৃতিগ্ৰন্থ —'অমিয়া ভকতি' (৬৭তম বাৰ্ষিক অধিবেশন, শ্ৰীমন্ত শংকৰদেৱ সংঘ) ।

প্ৰবন্ধ

# মজিদ চাৰৰ স্মৃতিৰে

*শ্ৰীথানেশ্বৰ শৰ্মা* (প্ৰাক্তন ছাত্ৰ)
প্ৰধান শিক্ষক, বিদ্যাপীঠ উঃমাঃবিঃ

চনটো ভালকৈ মনত পৰা নাই, ১৯৭৭ বা '৭৮ হ'ব পাৰে। পৰিবেশটো মনত আছে। নবেম্বৰ মাহৰ দ্বিতীয় ভাগ। স্কুলৰ ১০ম শ্ৰেণীৰ বাছনি পৰীক্ষা চলি আছে।

সময় দিনৰ প্ৰায় ১১ বজা। মঙ্গলদৈ বিদ্যাপীঠ হাইস্কুলৰ কাৰ্য্যালয়ৰ একেবাৰে সন্মুখলৈ বিক্সাখন অনাই প্ৰথমে নামিল মোৰ শিক্ষাগুৰু মঙ্গলদৈ কলেজৰ অধ্যক্ষ মাননীয় আব্দুল মজিদ চাৰ, আৰু পোনে পোনে মোৰ কোঠালৈ আগবাঢ়িল। তেখেতৰ পিচে পিচে মঙ্গলদৈ বিদ্যাপীঠৰ সম্পাদক তথা মঙ্গলদৈ কলেজৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীৰাজেন্দ্ৰ বৰুৱা দেৱ। যথাৰীতি সন্মান পূৰ্বক তেখেত সকলক আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো। চাৰে ক'লে— "হেৰা, ৰাতিপুৱা ৭ বজাৰ পৰা এটোপ পানীও পেটলৈ যোৱা নাই। একাপ চাহ খুউৱা।" মই লৰালৰিকৈ চকিদাৰক মাতি আনি চাহ-মিঠাইৰ যোগাৰ কৰিবলৈ ক'লো।

মই তেখেত সকলৰ ফালে ভালকৈ চালো। দুয়ো যেন বৰ ক্লান্ত। কাপোৰত দুই এটা বিৰিণা আৰু কহুৱা ফুল ওলমি আছে। দুই এটা কুশল মঙ্গলৰ কথা পাতিবলৈ লওঁতেই চাহ আহিল। চাহ খাই চাৰ সজীৱ হ'ল। চাৰে পোনে পোনে মোক প্ৰশ্ন কৰিলে— 'হেৰা, তোমালোকক কলেজখন লাগিব নে নেলাগে, হে ?'

মই ক'লো কিয় নালাগিব চাৰ ; মই পঢ়িলো, মোৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি আছে, পিচলৈ মোৰ ল'ৰা-ছোৱালীয়েও পঢ়িব লাগিব। কিয় সুধিলে, চাৰ ?

চাৰে ক'লে— 'কলেজখন কেতিয়াবা চাইছানে ? গাৰ্লচ হোষ্টেল যাওঁ যাওঁ। আৰু মাত্ৰ কেইফুট মান বাকী। তাৰপিছত গোটেই কলেজেই যাব।"

মই বুজি নেপালো। চাৰে বুজাই ক'লে— 'মঙ্গলদৈ নদীৰ গড়াখহনীয়া কলেজৰ ফাললৈ আগবাঢ়িছে। ছোৱালী হোষ্টেলৰ পৰা ৪/৫ ফুট আঁতৰত গড়া খহিছে। অহা বাৰিষাৰ আগতে কিবা এটা কৰিব নোৱাৰিলে কলেজখন গ'ল।'

মই ক'লো— 'নদীৰ পাৰ খহিব নোৱাৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ ওচৰত আবেদন কৰিব লাগে।" চাৰে ক'লে— সেইবোৰ বহুদিনৰ পৰাই কৰা হৈ আছে। মূল কথা হ'ল টকা। চৰকাৰৰ টকা নাই। ইঞ্জিনিয়াৰে চাইট (Site) চাই গৈছে। কম পক্ষেও ৬/৭ লাখ টকাৰ কাম। স্পাৰ বান্ধিলেই যে কলেজ ৰক্ষা পৰিব তাৰ কোনো গেৰাণ্টি নাই। কলেজে নিজাকৈ কৰিবলৈয়ো ইমান টকা ক'ত পাব।

হতাশভাৱে মই নদীখনলৈ মনত পেলালো। ভেবাৰঘাট চৌকাৰ ওচৰত নেশ্বনেল হাইৱে ৰক্ষা কৰিবলৈ চৰকাৰে বহু দূৰৰ পৰা নদীৰ পাৰ শিলেৰে বন্ধাইছে। তথাপিতো ৰক্ষা কৰিব পৰা নাই। তেনেহলে আমাৰ মৰমৰ কলেজখন আমাৰ আশা-ভৰষাৰ স্থল কলেজখন—মই পঢ়ি অহা বিদ্যামন্দিৰ —এই কলেজখন নৈৰ বুকুত এদিন যাব ? মনটো ব্যথাৰে ভৰি পৰিল। চাৰে সাহসেৰে ক'লে— Prevention is better than cure. কলেজ যদি বাচিব লাগে, নদী তাত থাকিব নোৱাৰিব। নদী দূৰলৈ যাব লাগিব। আজি বৰুৱাৰ লগত গৈ গোটেইখন চাপৰি ঘূৰি Survey কৰিলো। ৰাতি ৰাতি আল্লাক প্ৰাৰ্থনা জনাইছো উপায় বিচাৰি। তেৰাই প্ৰাৰ্থনা মঞ্জুৰ কৰিছে। বৰুৱা আৰু তুমি সম্পূৰ্ণ সহযোগ দিলে কাম হ'ব।

ইতিমধ্যে সেই বেলাৰ পৰীক্ষা শেষ হ'লত আমাৰ বিদ্যালয়ৰ কেবাজনো শিক্ষক তেখেত সকলৰ ওচৰ পালেহি। সকলোকে চাৰে বুজাই দিলে NT Road ৰ মঙলদৈ নদী দলঙৰ পৰা পোনে পোনে দক্ষিণলৈ যদি এটা খাল খন্দা যায় আৰু সেই খালেৰে যদি নদী গতি কৰে তেনেহলে অকল কলেজেই নহয় ভেবাৰঘাট চৌকাৰ আশে পাশে থকা অঞ্চল আৰু কেবাখনো গাওঁ পানীৰ গ্ৰাসৰ পৰা ৰক্ষা পৰিব। খালটো প্ৰায় এমাইল মান দীঘল হ'ব, ১০ ফুট মান বহল আৰু ৮ ফুট মান দকৈ খালটো খান্দিব পাৰিলে, বাৰিষা পানীৰ সোঁতে নিজেই গতি কৰিব।

চাৰে ক'লে— বৰুৱাক Commander in Chief পাতি দিছো। তেখেতে দুই এদিনতে NSSৰ ল'ৰাহঁতক লৈ Detail Survey কৰিব। ইতিমধ্যে তোমালোকৰ Test পৰীক্ষাও শেষ হ'ব। তাৰপিছত তোমালোকে গোটেই ল'ৰাজাক লৈ তাত যোগ দিবা। ল'ৰাহঁতক সামান্যভাৱে চাহ-তাহ খুউৱাৰ ব্যৱস্থা আমি কৰিম। এই গোটেই কামটো তোমালোকৰ Work Experience Schemeৰ ভিতৰুৱা কৰি ল'বা। আমি SEBA লৈ এই সম্পৰ্কত লিখিম। আমাৰ Work Experience শিক্ষকে ভালেই পালে। আমি গোটেই plan টো বুজি আনন্দত মতলীয়া হৈ উঠিলো।

নদীৰ জৰীপ সোনকালে শেষ হ'ল। প্ৰায় ৩৫০০ ফুট দীঘলকৈ ১০ ফুট বহল আৰু ৬/৮ ফুট দ'কৈ খাল এটা খান্দিব লাগিব। দিনবাৰ ঠিক হ'ল —সেইমতে আমিও কামত যোগদান কৰিলোগৈ।

প্ৰথমে কামটো যিমান সহজ বুলি ভবা হৈছিল সিমান সহজ নাছিল। কোৰ মৰা, মাটি কঢ়িওৱা কামত অনভ্যস্ত ল'ৰাহঁত এঘণ্টামান কাম কৰিয়েই ভাগৰি পৰিছিল। টকা-পইচাও বিশেষ নাছিল। ২৫খন মান কোৰ ৪০ টা মান খৰাহী যোগাৰ কৰাৰ উপৰিও ল'ৰাহঁতক চাহ খুউৱাৰ লগা হৈছিল। মঙলদৈ কলেজৰ NSSৰ ল'ৰাহঁতে কঠোৰ পৰিশ্ৰম কৰিছিল। আমাৰ বিদ্যালয়ৰ উপৰিও অন্য বিদ্যালয়ৰ দুই এখনৰ ছাত্ৰয়ো এই কামত সহায় কৰিছিল।

সাদিনমান কাম কৰাৰ পিছত দেখা গ'ল কামৰ বিশেষ অগ্ৰগতি হোৱা নাই । ইফালে চাৰৰ টেকেলি কাটি । তথাপি আৰু কেইদিনমান কাম কৰি এটা গড় খাৱৈৰ দৰে কৰা হ'ল ।

তেতিয়ালৈ বাহিৰৰ কোনো লোকৰ পৰা কামৰ বাবে স্বীকৃতি নায়েই, বৰং চাৰৰ লগত আমিও ইতিকিংৰহে পাত্ৰ হৈছিলো ।

প্ৰথম বছৰৰ কাম আধৰুৱা হৈ থাকিল । নদীয়ে সেইফালে নেচালেই বৰং পলস পেলাই খন্দাখিনিও পুতিহে দিলে ।

দ্বিতীয় বছৰ পুনৰ জোৰদাৰ কাম চলিল । চাৰে নিজেই প্ৰায় প্ৰতিদিনে কাম চাবলৈ আহে । বন্ধুৱাদেৱ তেখেতৰ NSS দলৰৈ সদায় ব্যস্ত । কামৰ যথেষ্ট অগ্ৰগতি হৈছিল যদিও সেইবাৰো সফল হোৱা নহ'ল ।

পিছৰ বছৰ পুনৰ পূৰ্ণোদ্যমে কাম আৰম্ভ হ'ল । এইবাৰ কেইবাখনো গাওঁৰ ৰাইজেও বাঁহ-বেত আনি নদীত ভেটা দিলে । খাল খন্দাতো সহায় কৰিলে । নদীৰ আক্ৰান্ত অঞ্চল ভ্ৰমি চাৰ আৰু বন্ধুৱাদেৱে গাঁৱৰ ৰাইজকো এই কামত লগাব পাৰিলে । ৰাইজে খাবলৈ জলপান আদিও নিজে লৈ আহিছিল । সেইবাৰ চৰকাৰৰ তৰফৰ পৰাও কিছু বাঁহৰ 'পাৰকুপাইন' যোগাৰ দিয়া হৈছিল ।

চাৰৰ কলেজ প্ৰীতি আৰু বন্ধুৱাদেৱৰ অক্লান্ত পৰিশ্ৰমক স্বীকৃতি দি নদীৰ জল দেৱতাই সঁহাৰি দিলে । নদীৰ স্থায়ী পথত ভেঁটা পাই পানী নতুনকৈ খান্দি উলিওৱা খালেৰে গতি ল'লে । মানুহে বুজি উঠিব পৰাৰ আগতেই তীব্ৰ সোঁতে খহাই খুন্দি খালক নদীলৈ পৰিবৰ্তন কৰিলে । চাৰৰ সপোন বাস্তৱত পৰিণত হ'ল । কলেজ নদীৰ কবলৰ পৰা মুক্ত হ'ল ।

কৰ্ম্মজীৱনৰ শেষৰ ফালে চাৰে ৰাজৰোষত পৰি কিছুদিন আৰ্থিক আৰু মানসিক কষ্ট পাইছিল । সেই সময়ত তেখেতে এখন ধৰ্মৰ পুথি আৰু এখন দৰঙৰ ঐতিহাসিক সম্বল লিখি উলিয়ায় । সৰু হ'লেও এই পুথি কেইখনৰ পৰাই চাৰৰ উদাৰ মন আৰু দৰঙ প্ৰীতিৰো আভাষ পোৱা যায় ।

অন্তৰত অত্যন্ত দুখ আৰু বেদনা লৈ চাৰে এদিন মোক কৈছিল— "অইনে মোক স্বীকৃতি দিয়ক বা নিদিয়ক তুমিতো জানা, কলেজৰ বাবে কিমান কৰা হৈছে । মই জানো আল্লাই মোক ৰক্ষা কৰিব ।" সঁচাকৈ ভগৱন্তই তেখেতৰ প্ৰাৰ্থনা মঞ্জুৰ কৰিলে —তেখেত সসন্মানে ৰাজৰোষৰ পৰা মুক্ত হৈছিল ।

মজিদ চাৰ আজি নাই । কিন্তু তেখেতৰ সবল সহজ শান্ত মুখখন আজিও মোৰ চকুত ভাঁহি আছে । তেখেতৰ স্মৃতিৰ বাবে কোনেও একো কৰা দেখা পোৱা নাই । আনঠাইত হোৱা হ'লে চাৰৰ দূৰদৰ্শিতাৰ শলাগ ল'লেহেঁতেন । ডাঙৰ ডাঙৰ ইঞ্জিনিয়াৰ বা নেতাই ভাবিব নোৱাৰা এনে এটা কামৰ বাবে তেখেতে যি দূৰদৰ্শিতাৰ পৰিচয় দি অসম্ভৱক সম্ভৱ কৰাৰ পৰিচয় দিলে, বিক্ত হস্তে কুমলীয়া ল'ৰাহঁতক লগাই দি অসাধ্য সাধন কৰি কলেজক খহনীয়াৰ পৰা ৰক্ষা কৰিলে তাৰবাবে মঙলদৈ কলেজে তেখেতক সুঁৱৰিব লাগিব ।

চাৰৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক, এয়ে পৰম পিতাৰ ওচৰত অভাজন ছাত্ৰৰ ভক্তি অঞ্জলি ।

| আৱিষ্কাৰ | আৱিষ্কাৰক | দেশ |
|---|---|---|
| ছপাযন্ত্ৰ | গুটেনবাৰ্গ | জাৰ্মানী |
| ছাবমেৰিন | ডেভিদ ব্ৰুছনেল | আমেৰিকা |
| বেলুন | মণ্টগ্লফাৰ ভাতৃদ্বয় | ফ্ৰান্স |
| ডায়নাকো | এইছ পিক্সি | ফ্ৰান্স |
| বাইচাইকেল | মেকমিলান | স্কটলেণ্ড |
| টেলিফোন | এ. গ্ৰাহাম বেল | আমেৰিকা |
| এক্সৰে | ৰোয়েণ্টজেন | জাৰ্মানী |
| টেংক (যুদ্ধৰ) | ই ছুইংটন | ইংলেণ্ড |
| লাউড স্পীকাৰ | ৰাইচ কেল'গ | আমেৰিকা |
| এৰোপ্লেন | ৰাইট ভাতৃদ্বয় | আমেৰিকা |
| মটৰ চাইকেল | ডেমলাৰ | জাৰ্মানী |
| চিলাই মেচিন | থিমনিয়াৰ | ফ্ৰান্স |
| এটম বোমা | অটোহান | জাৰ্মানী |
| টাইপ মেচিন | চোলচ | আমেৰিকা |
| মেচিন গান | গেটলিং | আমেৰিকা |

প্ৰবন্ধ

# অসমৰ বাদ্যযন্ত্ৰ ঃ এটি চমু আলোকপাত

*শ্ৰীদিপ্তী শৰ্ম্মা*
স্নাতক ১ম বৰ্ষ

বসন্তকালৰ ৰাতিপুৱা সাৰ পায়েই যেতিয়া কুলিটিৰ মিঠা মিঠা মাতটি কাণত পৰেহি, তেতিয়া বাৰু আপোনাৰ কেনেকুৱা লাগে ? কুলি চৰাইটিৰ মাতৰতালে তালে আপোনাৰো বাৰু তেতিয়া কু-উ-কৈ মাত দিবৰ মন নাযায়নে ? সুৰৰ ঢৌ তুলি ভোমোৰা আৰু মৌ মাখিৰ গুণ গুণ শব্দই যেতিয়া দিনটোৰ বাবে স্বাগতম জনাইহি তেতিয়া বাৰু দিনটোৰ কৰ্মব্যস্ততাৰ বাবে আপুনি প্ৰেৰণা নাপায়নে ? এই সকলোবোৰৰ সমাবেশেৰে সু-সজ্জিত আমাৰ জীৱনটোৱেই সুৰ আৰু সঙ্গীতৰ দৰে । ৰজনী পুৱাতে সুমধুৰ কণ্ঠত ভাঁহি অহা "তেজৰে কমলাপতি পৰভাতে নিন্দ"ৰ পৰা আৰম্ভ কৰি ৰাতি মমতাভৰা কণ্ঠৰে গাই কেঁচুৱাক টোপনি নিয়াব খোজা "শিয়ালীয়ে নাহিবি ৰাতি'ৰ দৰে নিচুকণি গীতলৈকে সকলো যেন একো একোটি ছন্দত বন্ধা । প্ৰাচীন কালৰে পৰা অসমীয়া সমাজ সঙ্গীতত চহকী । এই সঙ্গীতৰ অপৰিহাৰ্য্য আৰু অতি প্ৰয়োজনীয় আহিলা হিচাপে বাদ্যযন্ত্ৰৰ ভূমিকা প্ৰধান । তাহানি শঙ্কৰ-মাধৱে ৰচনা কৰা বৰগীত, ভটিমাকে ধৰি বৰ্তমানৰ উদীয়মান শিল্পী সকলে ৰচনা কৰা সঙ্গীতলৈকে সকলোতে বাদ্যযন্ত্ৰৰ বহুল ব্যৱহাৰ হৈ আহিছে । সাম্প্ৰতিক কালত আধুনিকতাৰ নামত বাদ্যযন্ত্ৰৰ কিছু সাল-সলনি হৈছে যদিও পুৰণি কালৰে পৰা প্ৰচলিত অসমীয়া থলুৱা বাদ্যযন্ত্ৰ এতিয়াও কালৰ বুকুত লীন হৈ যোৱা নাই ।

প্ৰচীন কালৰে পৰাই অসমত সঙ্গীতৰ লগত অপৰিহাৰ্য সংগত যন্ত্ৰৰূপে বাদ্যযন্ত্ৰৰ বহুল ব্যৱহাৰ হৈ আহিছে। অসমৰ ঠায়ে ঠায়ে উদ্ধাৰহোৱা প্ৰাচীন ভাস্কৰ্য আৰু পুথি-পাঁজি সমূহত থকা লিখনি আৰু চিত্ৰবোৰে তাহানিৰে পৰা প্ৰচলিত বাবে ৰহনীয়া সুৰ সৃষ্টিকাৰী সঙ্গীত আৰু বাদ্যযন্ত্ৰৰ জয়গানকে সূচায় ।

অসম বিভিন্ন জনগোষ্ঠীৰ সম্মিলিত ভূমি। সেয়ে এই জনগোষ্ঠীসমূহৰ স্বকীয় বৈশিষ্ট্য আৰু অৱিহণা অসমীয়া সঙ্গীতত বিদ্যমান। পুৰণি অসমীয়া সাহিত্যৰ পাত লুটিয়ালে বিভিন্ন বাদ্যযন্ত্ৰৰ নাম পোৱা যায় যিবোৰৰ সৰহভাগ এতিয়া অজ্ঞাত আৰু অপ্ৰচলিত। যেনে, ভামৰি, ভাতি, বেনা, ক্ষিগৱান, টকা, তবলা, টুপেচি, তূৰ্য্য আদি । এইবোৰৰ বাহিৰেও অসমত আন বহুতো বাদ্যযন্ত্ৰৰ প্ৰচলন হৈ আছে। সেইবোৰক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি ।

১। তত বা তাঁৰৰ যন্ত্ৰ ঃ তাঁৰেৰে সজা বাদ্যযন্ত্ৰই হ'ল তাঁৰৰ যন্ত্ৰ। ইয়াত তাঁৰত কম্পন দি সুৰ সৃষ্টি কৰিব পাৰি । তত যন্ত্ৰৰ ভিতৰত বীণাই অতি পুৰণি আৰু প্ৰধান । আনহাতে ই ভাৰতৰ জাতীয় বাদ্য । চাৰেন্দা, টোকাৰী, দোটোৰা আদিও এই তাঁৰ যন্ত্ৰৰ ভিতৰতেই পৰে। টোকাৰী আৰু দোটোৰা অসমীয়া লোকগীতত অপৰিহাৰ্য্য । লাও টোকাৰী বা একতাৰা আন এবিধ তাঁৰ বাদ্য। ইয়াক বৈৰাগী গায়কৰ বাদ্য বুলিও কোৱা হয়।

২। সুষিৰ যন্ত্ৰ ঃ মুখেৰে ফু দি সুৰ তোলা বাদ্যযন্ত্ৰই হ'ল সুষিৰ বাদ্যযন্ত্ৰ.। এইবিধ বাদ্যযন্ত্ৰৰ ভিতৰত পেঁপা আৰু শিঙাই আটাইতকৈ জনপ্ৰিয় আৰু পুৰণি । নল-খাগৰি আৰু ম'হৰ শিঙাৰ পেঁপাই ঘাইকৈ অসমত প্ৰচলিত । অসমীয়া বিহুগীতত পেঁপাৰ ভূমিকা লেখত ল'বলগীয়া । ম'হৰ শিঙৰ পেঁপাৰ শিঙৰ অংশক খোলা আৰু মুখেৰে ফু দিয়া অংশক চুপহি বোলে । দুটা শিঙেৰেও পেঁপা সজা হয় । এনে পেঁপাক যুৰীয়া পেঁপা বুলি কোৱা হয় । এনে পেঁপাৰ মাত অতি তীব্ৰ । তাহানি ৰাজকোঁৱৰ, গৰখীয়া ল'ৰাৰ সাধুত পোৱা ৰণশিঙা, খণ্ডশিঙা আদিবোৰ এই শিঙা আৰু পেঁপাৰেই প্ৰাচীন ৰূপ । বিবাহ উৎসৱ আদিত বিশেষকৈ বজোৱা কালি আৰু চাহনাই নামৰ সুষিৰ বাদ্যযন্ত্ৰ দুবিধ সাধাৰণতে ধাতু আৰু কাঠ দুয়োবিধৰে সজা হয়। কালি আৰু চাহনাইৰ সুৰ খুউব কৰুণ আৰু প্ৰাণ পৰশা । বিয়াত বজোৱা ইয়াৰ কৰুণ অথচ সুমধুৰ সঙ্গীতৰ সুৰে সকলোৰে মন বেদনাক্ৰান্ত কৰি তোলে ।

অসমৰ আন এবিধ সুষিৰ যন্ত্ৰ হ'ল সুতুলি.। ইয়াত তিনিটা বিন্ধা থাকে আৰু ভিতৰখন ফোঁপোলা । তাৰে এটাত ফু দি বাকী দুটাত আঙুলি বুলাই সুৰৰ সৃষ্টি কৰা হয় । বাঁহী হ'ল অসমৰ আন এবিধ জনপ্ৰিয় আৰু বহুল প্ৰচলিত সুষিৰ বাদ্যযন্ত্ৰ । বাঁহী বাঁহেৰে সজা হয় । ইয়াৰো ভিতৰখন ফোঁপোলা আৰু কেবাটাও বিন্ধা থাকে। তাৰে এটাত ফু দি বাকী কেইটাত আঙুলি বুলাই সুৰৰ সৃষ্টি কৰা হয় । অসমৰ পাহাৰ-ভৈয়াম সকলোতে বাঁহীৰ প্ৰচলন আছে যদিও ঠাই বিশেষে ইয়াৰ নাম, আকাৰ আৰু গঠন আদি বেলেগ বেলেগ । বড়ো জনজাতিসকলে বজোৱা বাঁহীটোক চিফুং বোলা হয় ।

৩। আনদ্ধ বাদ্যযন্ত্ৰ ঃ মাটি, কাঠ, বাঁহ বা ধাতুৰ খোলাক চামৰাৰে বন্ধ কৰি সজা বাদ্যযন্ত্ৰক আনদ্ধ বাদ্যযন্ত্ৰ বোলে । এই বাদ্যযন্ত্ৰৰ ভিতৰত ডবাকেই আটাইতকৈ পুৰণি বুলি কোৱা হয় । ডবা সাধাৰণতে মন্দিৰ, নামঘৰ আদিত ব্যৱহাৰ কৰা হয়। ডবাৰ শব্দই গাওঁবাসীক সময়ৰ জাননী দিয়ে । গধূলি মন্দিৰত ডবাৰ শব্দ শুনিয়েই গৰখীয়াই গৰু-গাই ঘৰলৈ চপাই আনে, আইতাই নাতিনীহঁতক লৈ তুলসীৰ তল আৰু থাপনাত চাকি গছি জ্বলাই সকলোৰে মঙ্গল কামনা কৰে। ঠিক তেনেদৰে ৰাতিপুৱা ডবাৰ শব্দ শুনিয়েই আকৌ গৃহস্থই গৰু-গাই পথাৰলৈ উলিয়াই আনে, লখিমী-বোৱাৰীয়ে সকলোৰে বাবে চাউলমুঠি সিজাবলৈ আখলত জুই দিয়ে।

ডবাৰ সমসাময়িক আন এবিধ বাদ্যযন্ত্ৰ হ'ল নাগাৰা । ভক্তিমূলক নাম গোৱাত নাগাৰাৰ ব্যাপক প্ৰচলন আছে। অসমত 'নাগাৰা-নাম' নামে এবিধ বিশেষ ধৰ্মীয় নামৰ প্ৰচলন আছে ।

আন এবিধ জনপ্ৰিয় বাদ্যযন্ত্ৰ হ'ল ঢোল। অসমীয়া বিহুগীতত ঢোলৰ অৱদান অপৰিহাৰ্য্য। ঢোলৰ চেৱে-চেৱে বিহুৱতী গাভৰুৰ মনোমোহা নৃত্যই কাৰণো মন হৰি নিনিয়ে ? তেনেদৰে খোল, মৃদংগ আদি আনদ্ধ বাদ্যযন্ত্ৰয়ো অসমীয়া সঙ্গীতৰ জগত চহকী কৰি ৰাখিছে। সত্ৰীয়া নৃত্যত খোল, মৃদংগ আদি অপৰিহাৰ্য্য। দগৰ, কুৰকুৰি, তবলা, মাদল, ডম্বৰু আদি অসমত প্ৰচলন থকা আন আন আনদ্ধ বাদ্যযন্ত্ৰ। অসমীয়া বাদ্যযন্ত্ৰৰ ভিতৰত এইবিধ বাদ্যযন্ত্ৰৰ প্ৰচলনেই অধিক।

৪। **ঘনবাদ্য যন্ত্ৰ ঃ** সাধাৰণতে ধাতুৰে নিৰ্মিত এইবিধ বাদ্যযন্ত্ৰ নৃত্যগীতত ব্যৱহৃত হয়। ইয়াৰ ভিতৰত কাঁহেৰে নিৰ্মাণ কৰা নানাধৰণৰ তালৰ স্থানেই প্ৰধান। আকাৰত ডাঙৰ আৰু গধুৰ তালবিধৰ নাম ৰামতাল বা ভোৰতাল। বৈষ্ণৱ নাম প্ৰসংগত এইবিধ তালৰ বহুল প্ৰয়োগ হোৱা দেখা যায়। আটাইতকৈ সৰু তালবিধক 'খুটি তাল' বুলি কোৱা হয়। অসমত প্ৰচলিত আন কেইবিধমান তাল হ'ল পাতিতাল, মঞ্জিৰা, সুকন্নানীৰ তাল, বিয়াহৰ তাল, খঞ্জৰী আদি।

অসমত প্ৰচলিত আন এবিধ ঘনবাদ্য হ'ল কাঁহ। ঘূৰণীয়া আৰু চেপেটা আকাৰত কাঁহেৰে গঢ়া এইবিধ বাদ্যৰ আন নাম নাই যদিও বৰকাঁহ আৰু সৰুকাঁহ বুলিয়েই জনা যায়। আহোমৰ ৰাজত্বকালত বৰকাঁহৰ শব্দই ৰাজমহল আৰু ৰাজধানীত বিভিন্ন জাননী দিছিল। ঘণ্টাকো এবিধ ঘনবাদ্য বুলি কব পাৰি। হিন্দুৰ পূজা-অৰ্চনা, মাঙ্গলিক কাৰ্যত ঘণ্টা ব্যৱহাৰ কৰা হয়। ধতুৰা ফুলৰ আকৃতিৰ ঘণ্টাক টিলিঙা, ককাঁলত বন্ধা সৰু ঘণ্টাক কিংকিনী আৰু ভৰিত পিন্ধাবোৰক জুনুকা, নেপুৰ আদি বিভিন্ন নামেৰে জনা যায়।

এই বাদ্যযন্ত্ৰবোৰৰ বাহিৰেও অসমত আন বহুতো বাদ্যযন্ত্ৰ আছে। গগণা, টকা আদি এইবোৰ বাদ্যযন্ত্ৰৰ ভিতৰত পৰে। অসমীয়া বিহুগীত আৰু বিহুনৃত্যত গগণা আৰু টকাৰ ব্যাপক প্ৰচলন আছে। বিহুৱতী গাভৰুৱে খোপাত গুজি লোৱা গগণাটি উলিয়াই যেতিয়া নাচোনৰ তালে তালে বজাব ধৰে, তেতিয়া সকলোৰে দৃষ্টিত বিহুনৃত্যই মনোমোহা হৈ ধৰা দিয়ে।

অসমৰ লোকসংগীত আৰু মাৰ্গ সংগীত উভয়তে বাদ্যযন্ত্ৰৰ বহুল ব্যৱহাৰ কৰা হয়। সাম্প্ৰতিক কালত আধুনিক সঙ্গীতৰ মাজেদি বহুবিধ পাশ্চাত্য আৰু ভাৰতীয় বাদ্যযন্ত্ৰৰ সংযোগ ঘটিছে বাবে অসমীয়া থলুৱা বাদ্যযন্ত্ৰই নিজৰ মান ৰাখিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। তাহানিৰে পৰা অসমীয়া সংগীতক বৰ্তমানৰ এই অৱস্থা পোৱাত যে এই বাদ্যযন্ত্ৰবোৰেই সহায় কৰিছে সেই কথা আজি সকলোৱে পাহৰি গৈছে। কিন্তু অতীতৰ ভালখিনি পাহৰি যোৱাটো জানো আমাৰ বাবে বাঞ্চনীয় ? এতিয়া নতুনক অন্তৰেৰে আকোঁৱালি লৈ পুৰণিকো শ্ৰদ্ধাৰে জীয়াই ৰখাৰ সময় প্ৰত্যেকজন সংগীত প্ৰেমীৰেই নহয়, প্ৰত্যেকজন অসমীয়াৰেই কৰ্তব্য।

*বিঃ দ্ৰঃ*— "অসমীয়া বিশ্বকোষ" পুথিখনিৰ পৰা সহায় লৈ।



ভাল বিচৰাটো দানৱীয়, ভাল কৰাটো মানৱীয় আৰু ভাল হোৱাটো স্বৰ্গীয়।

*—জেমৃছ মাৰ্টিন*

আদৰ্শ যদি ম্লান নহয়, আশা যদি ভয়হীন হৈ থাকে, তেন্তে ব্যৰ্থতা আহিব নোৱাৰে।

*—পণ্ডিত জৱাহৰলাল নেহৰু*

প্ৰবন্ধ

# ১৯৯৮ চনৰ অৰ্থনীতিৰ ন'বেল বঁটা বিজয়ী অধ্যাপক ড° অমৰ্ত্য সেনৰ জীৱন আৰু কৃতি

*শৰৎ চন্দ্ৰ শৰ্মা*
মুৰব্বী অধ্যাপক
অৰ্থনীতি বিভাগ, মঙলদৈ মহাবিদ্যালয়

প্ৰস্তাৱনা ঃ

পূণ্যভূমি ভাৰতৰ যি সকল সুপুত্ৰই নিজৰ লগতে দেশলৈ অমৰ কৃতি কঢ়িয়াই আনিছে, তমসাচ্ছন্ন বিশ্ববাসীক মুক্তিৰ সন্ধান দিছে, পুৰণি পৃথিৱীখনিক নকৈ সজাবলৈ জীৱন জোৰা সাধনা কৰিছে ; সেই সকলৰ ভিতৰত নিঃসন্দেহে ১৯৯৮ চনৰ অৰ্থনীতিৰ ন'বেল বঁটা বিজয়ী অধ্যাপক ড° অমৰ্ত্য সেনো এজন । এই সুপুত্ৰ গৰাকীক লৈয়ে আজি বিশ্বদৰবাৰত ভাৰতবাসীও গৌৰৱপূৰ্ণ আসনত অধিষ্ঠিত হ'ল । আজি আমি কৃতজ্ঞ সমাজে ড° সেনলৈ অভিনন্দন যাঁচিছো । অধ্যাপক সেন দুৰন্ত প্ৰতিভাশালী লোক । তেওঁৰ কৃতকৰ্মৰ প্ৰকৃত মূল্যায়ন তেওঁৰ সমকক্ষ এগৰাকী ব্যক্তিয়েহে কৰা সম্ভৱ । অকিঞ্চন হ'লেও আমিও তেওঁৰ কৃতকৰ্মৰ বিষয় আলোচনা কৰিবলৈ আগবাঢ়িবই লাগিব ।

জন্ম আৰু বংশ পৰিচয় ঃ

ড° অমৰ্ত্য সেনৰ জন্ম হয় শান্তি নিকেতনত ইং ১৯৩৩ চনৰ নৱেম্বৰ মাহত । জন্মৰ তাৰিখ কোনোৱে এক আৰু আন কোনোৱে তিনি তাৰিখ বুলি ক'বলৈ বিচাৰে । তেওঁৰ পিতৃ আশুতোষ সেন আৰু মাতৃ শ্ৰীঅমিতা সেন (৮৭) । আশুতোষ সেন কৃষি বিজ্ঞানী আছিল আৰু পিছলৈ তেওঁ পশ্চিম বঙ্গৰ পাব্লিক চাৰ্ভিচ কমিচনৰ সভাপতি হৈছিল । আশুতোষ পিতৃ সাৰদা প্ৰসাদ সেন, ঢাকা হাইকোৰ্টৰ ন্যায়াধীশ আছিল । ঢাকা তেওঁলোকৰ পিতৃভূমি। মাতৃ পক্ষৰ ফালৰ পৰাও ককাদেউতাক ক্ষীতিমোহন সেন ঢাকা বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ অধ্যাপক আছিল । বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ আহ্বান ক্ৰমে নামমাত্ৰ দৰ্মহা লৈ শান্তি নিকেতনত সংস্কৃতৰ অধ্যাপক হয় আৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সৌহাতস্বৰূপ চেক্ৰেটাৰী হিচাবে কাৰ্য্যনিৰ্বাহ কৰে ।

শিক্ষা আৰু কৰ্মজীৱন ঃ

ড° সেনে শান্তি নিকেতনতেই বিদ্যা আৰম্ভ কৰে । কিছুদিন পিতৃভূমি ঢাকাটো অধ্যয়ন কৰে । আই. এ. পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত প্ৰথম স্থান লাভ কৰে । প্ৰেচিডেন্সি কলেজৰ পৰা অৰ্থনীতি সহকাৰে বি.এ. আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম.এ. পাছ কৰে অৰ্থনীতি বিষয়ত । এই পৰীক্ষা সমূহতো তেওঁ সদায় প্ৰথম আছিল ।

প্ৰথমতে তেওঁ ১৯৫৬ চনত অৰ্থনীতিৰ অধ্যাপক হিচাবে যাদৱপুৰ বিশ্ববিদ্যালয়ত যোগদান কৰে । ড° সেনৰ কৰ্মজীৱনৰ তালিকা তলত উল্লেখ কৰা হ'ল—

১৯৫৬-১৯৫৮ চনলৈ যাদৱপুৰ বিশ্ববিদ্যালয়ত অৰ্থনীতিৰ অধ্যাপক,
১৯৫৭-১৯৬৩ চনলৈ ত্ৰিনিটি কলেজৰ ফেল',
১৯৬৩-১৯৭১ চনলৈ দিল্লী স্কুল অৱ ইকনমিক্সত অৰ্থনীতিৰ অধ্যাপক,
১৯৭১-১৯৭৭ চনলৈ লণ্ডন স্কুল অৱ ইকনমিক্সত অৰ্থনীতিৰ অধ্যাপক,
১৯৭৭-১৯৮০ চনলৈ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ নাফিল্ড কলজেত অৰ্থনীতিৰ অধ্যাপক,
১৯৮০-১৯৮৭ চনলৈ অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ ড্ৰামেন্ড প্ৰফেছাৰ,
১৯৮৭-১৯৯৮ চনলৈ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ অৰ্থনীতি আৰু দৰ্শন বিভাগৰ লামণ্ট প্ৰফেছাৰ,
১৯৯৮ চনৰ পৰা ত্ৰিনিটি কলেজৰ মাষ্টাৰ (আচাৰ্য্য) ।

ড° সেনে বহুতো গ্ৰন্থ ৰচনা কৰিছে তাৰে ভিতৰত কেইখনমানৰ নাম উল্লেখ কৰা হ'ল—

1. Choice of Techniques (1960)
2. Collective Choice & Social Welfare (1970)
3. Economics of Inequality (1973)
4. Poverty & Famines : An Essay on Entitlement and Deperivation (1980)
5. Choice Welfare & Manaqement (1982)
6. On Ethics and Economics (1987)
7. The political Economy of hunger (1990-91)
8. India : Economic Development & Social Opportunitis (Jointly Authored with Prelgian Econonist Jean Dreze) (1995)
9. জীৱন যাত্ৰ এবং অৰ্থনীতি ।

ড° অমৰ্ত্য সেনে ন'বেল বঁটা পোৱাৰ উপৰিও শিক্ষাজীৱন আৰু তাৰ পিছত বহুতো বঁটা লাভ কৰে । সেইবোৰ হৈছে -কেম্ব্ৰিজত গৱেষণা কৰি থকা সময়ত লাভ কৰে সন্মানীয় আদামস্মিথ প্ৰাইজ, ৰেণবাৰী বৃত্তি আৰু ষ্টিভেন বঁটা । ১৯৯৭ চনত পায় এডিনবাৰ্গ মেডেল আৰু কোৰ্টালনিয়া প্ৰাইজ। ১৯৯০ চনত লাভ কৰে আগনেলী ইণ্টাৰনেট প্ৰাইজ আৰু এলাম শ্বৱন সেইনষ্টেইন বিশ্বক্ষুধা বঁটা । ইয়াৰ উপৰিও লাভ কৰে সন্মানীয় ডি লিট চাম্মাৎছেৱন ১৯৮০ আৰু অক্সফোৰ্ডৰ অল চাউলছ কলেজৰ ফেল' ১৯৮০-৮৮ ।

ড° সেনৰ গৱেষণাৰ বিষয় আছিল Choice of technique within agriculture in a populour economy, গৱেষণা চলোৱাত সহায় কৰিছিল কৃতবিদ্য পণ্ডিত জোৱান ৰবিনচন আৰু মৌৰিচ দোৰে। এই দুগৰাকী পণ্ডিতো বজাৰ অৰ্থনীতিৰ বিশ্বাসী নাছিল । তেওঁলোকে কল্যাণ অৰ্থনীতিৰ পৃষ্ঠপোষকতা কৰিছিল । ইয়াত ড° সেনে দেখুৱাইছে যে জনসংখ্যা বহুল দেশত কৃষি পদ্ধতি প্ৰথমতে শ্ৰম নিবিড় পদ্ধতি প্ৰয়োগ কৰিলেও পিচলৈ মূলধন নিবিড় পদ্ধতি গ্ৰহণ কৰিব লাগিব ।

**পাৰিবাৰিক জীৱন ঃ**

ড° সেনৰ বিদুষী মহিলা শ্ৰীনবনিতা দেৱৰ লগত প্ৰথম বিবাহ হয় । অন্তৰা আৰু নন্দনা নামৰ কন্যা দুগৰাকীৰ জন্মৰ পিছত তেওঁলোকৰ বিবাহ বিচ্ছেদ হয় । ইয়াৰ পিছত দিল্তীত ইভা কোলোৰ্নিৰ লগত বিবাহ হয় । ইভাৰ মৃত্যু ঘটে অলপদিনৰ ভিতৰতে । ইয়াৰ পিছত ত্ৰিনিটি কলেজৰ অধ্যাপিকা এমা ৰথচাইল্ডৰ লগত বিবাহ হয় । কবীৰ আৰু ইন্দিৰা তেওঁলোকৰ দুই পুত্ৰ-কন্যা । অন্তৰা অক্সফোৰ্ডত থাকে, তেওঁ সাংবাদিক, নন্দনাই কানাডাত চিনেমা নিৰ্মাণত ৰত । কবীৰ আৰু ইন্দিৰাই আমেৰিকাত অধ্যয়ন কৰি আছে। তেওঁৰ দুখন ঘৰ, এখন আমেৰিকাৰ হাৰ্ভাৰ্দত আনখন ইংলণ্ডৰ কেম্ব্ৰিজত ।

**ড° সেনৰ কৰ্ম পৰিসৰ ঃ**

আমি ইতিমধ্যে জ্ঞাত যে ১৯৯৮ চনত অৰ্থনীতিৰ ন'বেল বঁটা প্ৰদান কৰে ৰয়েল চুইডিছ একাডেমী অৱ চায়েন্সে । প্ৰসস্তি পত্ৰত কোৱা হৈছে যে, ড° সেনক কল্যাণ অৰ্থনীতিৰ বাবেই ন'বেল বঁটা প্ৰদান কৰা হৈছে । ড° সেনে ১৯৭৪ চনৰ বাংলাদেশৰ দুৰ্ভিক্ষ আৰু ভাৰত বাংলাদেশ তথা চাহাৰা মৰুপ্ৰান্তৰ দেশ সমূহৰ বিভিন্ন অৰ্থনৈতিক বিপৰ্যয়ৰ বিস্তৃত অধ্যয়ন চলায় । দুৰ্ভিক্ষৰ অন্তৰালত থকা অৰ্থনৈতিক কাৰকসমূহক হৃদয়ঙ্গম কৰাৰ ক্ষেত্ৰত ড° সেনে আগবঢ়োৱা তাত্ত্বিক বিশ্লেষণে অৰ্থনীতিত এক দিশ উন্মোচিত কৰিছে। অৰ্থনীতিৰ মূল বিষয়বস্তুৰ ক্ষেত্ৰত নতুন দিশৰ অধ্যয়ন আৰু গৱেষণাৰ বাবে পৰৱৰ্তী কালৰ গৱেষক সকলৰ বাবে নতুন নতুন ক্ষেত্ৰৰ সন্ধান দিছে ড° সেনে । ঘোষণাটোত লগতে কোৱা হয় —"ড° সেনে অৰ্থনীতি আৰু দৰ্শনৰ পদ্ধতিৰ সামঞ্জস্যৰে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সমস্যাৰ অধ্যয়নৰ ক্ষেত্ৰত নতুন দিশ প্ৰদান কৰিছে । তেওঁসংখ্যা গুৰুৰ শাসন, ব্যক্তি অধিকাৰ আৰু ব্যক্তি কল্যাণৰ বাবে পৰ্য্যাপ্ত তথ্যৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিস্তৃত অধ্যয়ন চলাই গৈছে ।"

অধ্যাপক ড° সেনৰ দিকদৰ্শনকাৰী, Collective Choice and Social Welfare (1970) নামৰ গ্ৰন্থই তেওঁক বিশ্ববিখ্যাত কৰে । আমেৰিকাৰ ন'বেল বঁটা বিজয়ী, কেনেথ এৰো নামৰ অৰ্থনীতিবিদজনে লজিৰ সহায়ত প্ৰতিপন্ন কৰেযে সকলো ভোটদানৰ নীতি যেনে সংখ্যা গৰিষ্ঠৰ সিদ্ধান্ত (2/3rd majority) বা সংখ্যা লঘুৰ সিদ্ধান্ত অথবা যেনে আছে তেনে (Status Quo) সিদ্ধান্তৰ কথাই বোলক, ই কিছুমান গণতন্ত্ৰৰ ভিত্তি (Norms) ভঙ্গ কৰে । কিন্তু ড° সেনে প্ৰমাণ কৰে যে ভোটদানৰ নীতিয়ে গণতন্ত্ৰৰ ভিত্তি ভঙ্গ নকৰে । তেওঁ তৰ্কশাস্ত্ৰ, অৰ্থনীতি আৰু দৰ্শনৰ সমন্বয় সাধন কৰি এই সিদ্ধান্তলৈ আহে । এই কাৰ্য্য সৰ্বসাধাৰণৰ বাবে সম্ভৱ নহয় ।

১৯৭৩ চনত প্ৰকাশ পোৱা "On Economic Inequality" নামৰ গ্ৰন্থত দাৰিদ্ৰতাৰ জোখ কেনেকৈ ল'ব পাৰি তাক দেখুৱাইছে । ড° সেনে দাৰিদ্ৰতাৰ তলৰ লোক সকলক ভিত্তি কৰি দাৰিদ্ৰতাৰ সূচীৰ (Poverty Index) উদ্ভাৱন কৰে । এইটোৱেই প্ৰখ্যাত "সেন ইনডেক্স" । মানৱীয় উন্নয়ন সূচী (H.D.E.) নিৰ্ধাৰণ কৰাৰ অৰ্থে উক্ত সূত্ৰটো প্ৰয়োগ কৰিছে ।

তৃতীয় গ্ৰন্থ Poverty and Famine : an Essay on Enlitlement and Deprivation নামৰ বিখ্যাত গ্ৰন্থখন প্ৰকাশ পায় ১৯৮১ চনত । ১৯৪৩ চনত বঙ্গত হোৱা দুৰ্ভিক্ষ তেওঁ নিজেই দেখিছিল । এই গ্ৰন্থৰ প্ৰতিপাদ্য বিষয় হৈছে —দাৰিদ্ৰতা আৰু ক্ষুধাৰ কাৰণ হৈছে, দক্ষতা আহৰণত ব্যৰ্থতা তথা সুযোগ সুবিধাৰ অভাৱ । খাদ্যৰ অভাবেই দুৰ্ভিক্ষৰ কাৰণ নহয় বৰং সামাজিক অৰ্থনৈতিক তথা ৰাজনৈতিক কুপ্ৰভাৱৰ ফলত ক্ৰয়শক্তি নথকা জনসাধাৰণ দুৰ্ভিক্ষত পতিত হয় । সাময়িক সাহায্য প্ৰদান কৰি দৰিদ্ৰতা আঁতৰাব নোৱাৰি। দাৰিদ্ৰতাৰ মূল কাৰণ সমূহকেই আঁতৰ কৰিব লাগিব । স্বাস্থ্য সেৱাৰ প্ৰসাৰ, শিক্ষা তথা সুযোগ সুবিধাৰ প্ৰসাৰ কৰিব পাৰিলেহে প্ৰকৃততে দাৰিদ্ৰতা আঁতৰ হ'ব ।

ড° সেনে দেখুৱাইছে যে গণতান্ত্ৰিক দেশত মুক্ত বাতৰি কাকত আৰু বিৰোধ পক্ষ থকা বাবে দুৰ্ভিক্ষ হ'ব নোৱাৰে । কাৰণ চৰকাৰে আগতিয়াকৈ খাদ্যৰ অভাব সম্পৰ্কে উমান পায় আৰু প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। জনমূৰি খাদ্য অধিক মজুত থকা স্বত্বেও আফ্ৰিকাৰ স্বৈৰচাৰি শাসন চলা দেশ সমূহত দুৰ্ভিক্ষ প্ৰায়ে হয় । তেওঁ পৰিসংখ্যাৰ দ্বাৰা এই তথ্য প্ৰমাণ কৰিছে । মানৱতাবাদী কমিউনিষ্ট দেশ চীনত মাওঁৰ নেতৃত্বত Great Leap Forward আঁচনি চলি থকা সময়ত এই দেশৰ ২৯ নিযুত লোকে খাবলৈ নাপায় মৰে ।

India Economic Development and Social Opportunity নামৰ গ্ৰন্থ, বেলজিয়ামৰ অৰ্থনীতিবিদ Kean Dreze ৰ লগত যোগহৈ ৰচনা কৰে । ইয়াত প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে যে সম্পূৰ্ণ গতিশীলতা থকা বজাৰ অৰ্থনীতিয়েও মানবীয় শক্তি কামত লগাব পৰা নাই । ইয়াৰ কাৰণ হৈছে শিক্ষাৰ অভাৱ, স্বাস্থ্য সেৱাৰ অভাৱ, সম্পদৰ অধিকাৰহীনতা, সামাজিক বৈষম্য আৰু মহিলাৰ প্ৰতি বৈষম্যমূলক আচৰণ ।

**দাৰ্শনিক ড° সেন ঃ**

ড° অমৰ্ত্য সেন যে এগাকী বিশ্ববিখ্যাত অৰ্থনীতিবিদ তাত কাৰো সন্দেহ নাই, কিন্তু ড° অৰ্জুন সেনগুপ্তই মত প্ৰকাশ কৰে যে তেওঁ মূলতঃ এগৰাকী দাৰ্শনিকহে । যুক্তিবাদী সমাজ বিপ্লৱী হ'লেও ভাৰতীয় সমাজ আৰু পৰম্পৰাৰ প্ৰতি তেওঁ সমানে শ্ৰদ্ধাশীল । দৰ্শন শাস্ত্ৰৰ জ্ঞান তেওঁৰ সুগভীৰ । ককাদেউতাকে হিন্দুধৰ্ম সম্পৰ্কে লিখা গ্ৰন্থখনি তেওঁ ইংৰাজীলৈ অনুবাদ কৰি বিখ্যাত গ্ৰন্থ প্ৰকাশক 'পেঙ্গুইন'ৰ দ্বাৰাই প্ৰকাশ কৰায় । দৰ্শন শাস্ত্ৰত থকা বুৎপত্তিৰ বাবে তেওঁ ১৯৮৭-১৯৯৮ চনলৈ হাৰ্ভাৰ্দ বিশ্ববিদ্যালয়ৰ অৰ্থনীতি আৰু দৰ্শন বিভাগৰ লামাণ্ট প্ৰফেছাৰ পদৱী পায় । আমেৰিকাৰ উচ্চস্তৰৰ Mind নামৰ দৰ্শনৰ আলোচনীত "যুক্তি সংগতা আৰু ন্যায়" শীৰ্ষক গৱেষণাপত্ৰ প্ৰকাশ পায় । অক্সফোৰ্ডৰ বিখ্যাত দাৰ্শনিক বিমলকৃষ্ণ মতিলাল তেওঁৰ পৰম সুহৃদ আছিল । বৰ্তমানৰ পত্নী এমা ৰথ চাইল্ডো কেম্ব্ৰিজৰ প্ৰখ্যাত দৰ্শনৰ অধ্যাপকৰ পৰিয়ালৰ । আমেৰিকাৰ দাৰ্শনিক মাৰ্থা নুচবাউনো তেওঁৰ বন্ধু ।

সাহিত্য ক্ষেত্ৰতো ড° সেন সুদক্ষ । নিউইয়ৰ্ক ৰিভিও অৱ বুকছ নামৰ আলোচনীত তেওঁ ৰবীন্দ্ৰ নাথ ঠাকুৰৰ সাহিত্য প্ৰতিভা শিতানত এলানি প্ৰবন্ধ লিখে । এই লিখনিয়ে আমেৰিকাত সমাদৰ লাভ কৰে ।

ড° সেন আৰু আন্তৰ্জাতিক মুদ্ৰানিধি ঃ

ড° সেন আৰু তেওঁৰ সহযোগী সকলে আন্তৰ্জাতিক মুদ্ৰানিধি আৰু বিশ্ববেংকৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰিছে । তেওঁলোকৰ পৰামৰ্শ অনুযায়ী ১৯৯০ চনৰ পৰা সামাজিক আৰু দাৰিদ্ৰতা হ্ৰাস কৰা আঁচনি -ঋণদান নীতিৰ লগত সংযোগ কৰা হয় ।

ড° সেন বামপন্থীনে ?

ড° সেনে কিছুদিন ধৰি আন্তৰ্জাতিক মুদ্ৰানিধিৰ কিছুমান নীতিলৈ বদানুবাদত লিপ্ত হয় । ভাৰতীয় বামপন্থী সকলে ড° সেনক বাওঁপন্থী ৰাজনীতিৰ লোক বুলি ভাবিছিল । ড° সেনে ন'বেল বঁটা পোৱাৰ পিছত ঘোষণা কৰে যে তেওঁ বজাৰ অৰ্থনীতিৰ পোষকতা কৰে আৰু চৰকাৰৰ দায়বদ্ধতা বিশেষকৈ দুখীয়া সকলক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সমানে বিশ্বাসী। অৰ্থাৎ বজাৰৰ ভূমিকাৰ লগতে ৰাষ্ট্ৰৰ ভূমিকাও স্বীকাৰ কৰে । তেওঁ গণতন্ত্ৰৰ বিশ্বাসী, য'ত মানুহৰ মুক্তভাৱে পূৰ্ণবিকাশৰ সুবিধা আছে ।

সুবক্তা আৰু সুলেখক ঃ

ড° সেন এগৰাকী সুবক্তা আৰু সুলেখক । তেওঁ হাৰ্ভাৰ্দত পাই থকা দৰ্মহাৰ ৬৫% কৰ্তন কৰি ত্ৰিনিটি কলেজৰ আচাৰ্য্য হ'বলৈ আহে । উক্ত পদ অতি সন্মানজনক ।

সামৰণি ঃ

যদিও ব্যক্তিকেন্দ্ৰীক অৰ্থনীতিৰ পৃষ্ঠপোষক সকলে ড° অমৰ্ত্য সেনে ন'বেল বঁটা লাভ কৰাত সন্তোষ পোৱা নাই, তথাপি তৃতীয় বিশ্বৰ আৰ্থিকভাৱে অনাগ্ৰসৰ সকল এই কৃতকাৰ্য্যত অতিশয় আনন্দিত হৈছে । কল্যাণ অৰ্থনীতিয়ে আন্তৰ্জাতিক ক্ষেত্ৰত এক মহত্বপূৰ্ণ স্থান দখল কৰিলে । আলোচনাৰ অন্তত মহান মানৱপ্ৰেমী অৰ্থনীতিবিদ গৰাকীলৈ অভিনন্দন জ্ঞাপন কৰিলো ।

প্ৰবন্ধ

# দৰঙৰ ভাষা-সাহিত্যত ঠাৰৰ প্ৰয়োগ

*শ্ৰীমৃদুল কুমাৰ শৰ্মা*
স্নাতক ২য় বৰ্ষ

কুৰি শতিকাৰ মাজছোৱা সময়ৰ পৰাই দৰঙত 'ঠাৰ' এটি কৃত্ৰিম ভাষাৰ উৎপত্তি হৈছে। এই ভাষা সৃষ্টিৰ মূলতে হ'ল আনে বুজি নোপোৱাকৈ কোৱাৰ প্ৰয়াস । ঠাৰক অসমীয়া ভাষাৰেই এটি ৰূপ বুলিব পাৰি । অসমীয়া ভাষাৰ কোনো এটা শব্দকে প্ৰকাৰান্তৰে প্ৰকাশ কৰিলেই 'ঠাৰ'ৰ ৰূপ লয়।

দৰঙৰ বিশিষ্ট ব্যক্তি কিছুমানৰ মতে ঠাৰৰ উৎপত্তি পোন প্ৰথমে ব্যাসপাৰা ছিপাঝাৰকে ধৰি মঙ্গলদৈৰ মাজৰ এই অঞ্চলটোত হোৱা বুলি কয় । আকৌ আন কিছুমানে কয় যে পানেৰী অঞ্চলত ইয়াৰ উৎপত্তি হয়। আন কিছুমানৰ মতে পাথৰিঘাট অঞ্চলতহে প্ৰথমে ঠাৰৰ উৎপত্তি হয় । গতিকে দেখা যায় যে 'ঠাৰ'ৰ উৎপত্তি পোনপ্ৰথমে ক'ত হৈছিল কোনোও নেজানে । কিন্তু বৰ্তমানৰ প্ৰয়োগৰ দৃষ্টিভংগীলৈ লক্ষ্য কৰিলে বুজিব পাৰি যে ব্যাসপাৰা অঞ্চলতে ইয়াৰ উৎপত্তি হয় । বৰ্তমান দৰঙৰ বিভিন্ন অঞ্চলত এই ঠাৰৰ প্ৰয়োগ দেখা যায় ।

আগৰ দিনৰ বুঢ়া মানুহবোৰে কোৱা মতে বেছিভাগ মানুহে ফূৰ্তি-ফাৰ্তা কৰি কথা পাতিবৰ বাবে ঠাৰ ব্যৱহাৰ কৰিছিল । যিকোনো কথা ক'লেও যাতে আনে নুবুজে তাৰ বাবেও 'ঠাৰ' প্ৰয়োগ কৰিছিল । যি ক'বৰ বাবেই নহওক কিয় 'ঠাৰ' প্ৰয়োগ দৰঙত বহুলভাৱে প্ৰচাৰ হ'ব ধৰিছে । 'ঠাৰ' নজনা লোক বৰ্তমান দৰঙত বিৰল ।

'ঠাৰ'ৰ নিৰ্দিষ্ট নীতি-নিয়ম নাই যদিও কিছুমান সূত্ৰৰ জৰিয়তে ইয়াক প্ৰয়োগ কৰা হয়.। উদাহৰণস্বৰূপে তলত তাৰ কিছুমান প্ৰয়োগ দেখুওৱা হ'ল—

১। **'ফ' সূত্ৰ ঃ** ক) মলফয় ভালফাত খালফালো । (মই ভাত খালো)
খ) তলফয় কলফলৈ যাৱলফা । (তই কলৈ যাৱ)

ইয়াত 'ফ' ব্যঞ্জন বৰ্ণতো প্ৰতিটো শব্দতে যোৰাই লৈ প্ৰয়োগ কৰা হয় ।

২। **'ল' সূত্ৰ ঃ** ক) মিলয় ভিলাত খিলালো । (মই ভাত খালো)
খ) তিলয় কিলত যিলা । (তই ক'ত যাৱ)

ইয়াত 'ল' ব্যঞ্জণ বৰ্ণতো খটুৱাই শব্দবোৰ প্ৰকাশ কৰা হয় ।

৩। **'ঞ্চ' সূত্ৰ ঃ**
ক) মঞ্চয় ভাঞ্চাত খাঞ্চালো । (মই ভাত খালো)
খ) তঞ্চয় কঞ্চলৈ যাঞ্চা । (তই কলৈ যাৱ)

ইয়াত 'ঞ্চ'টোৰে যোৰাই শব্দৰ গাঁঠনি সৃষ্টি কৰে ।

৪। **'ম্ব' সূত্ৰ ঃ** ক) মম্বই ভাম্বাত খাম্বালো । (মই ভাত খালো)
খ) তম্বই কম্বলৈ যাম্বা । (তই কলৈ যাৱ)

ইয়াত 'ম্ব'টোৰে শব্দৰ মাজত সোমাই শব্দটো উচ্চাৰণ কৰা হয় ।

৫। **উচ্চাৰণৰ মিলয় সূত্ৰ ঃ**
ক)অইম তাভ খাবিলো । (মই ভাত খালো)
খ) অইত তক চগা । (তই কলৈ যাৱ)

ইয়াত শব্দবোৰ কেতিয়াবা ওলোটাকৈ প্ৰকাশ কৰা হয় আৰু কেতিয়াবা শব্দৰ লয়ৰ মিলেৰে প্ৰকাশ কৰা হয় ।

এনেদৰে বিভিন্ন সূত্ৰ প্ৰয়োগ কৰি ঠাৰ কোৱা হয় । এই ঠাৰ কোৱাৰ কৃত্ৰিম প্ৰয়োগ দৰঙীয়া মানুহে নিজে উলিয়াইছে । এই 'ঠাৰ' ঠিক কোন সময়ৰ পৰা প্ৰয়োগ হৈছিল সঠিকভাৱে ক'ব নোৱাৰি । যিয়েই নহওঁক বৰ্তমান ই এটি উপভাষাৰ দৰে ৰূপ লৈছে ।

প্ৰবন্ধ

# ভাৰতবৰ্ষৰ বৰ্দ্ধিত জনসংখ্যা আৰু ইয়াৰ জ্বলন্ত সমস্যা

শ্ৰীঅনিমা কলিতা
স্নাতক প্ৰাৰম্ভিক বৰ্ষ

স্বাধীনতাৰ ৫০ বছৰ পিছত ভাৰতবৰ্ষই আন বহু ক্ষেত্ৰত আগবাঢ়িব নোৱাৰিলেও জনসংখ্যাৰ ক্ষেত্ৰত বৰ্তমান এই দেশ বিশ্বৰ ভিতৰত দ্বিতীয় স্থানত আছে। হয়তো আৰু কিছুদিন পিছত জনসংখ্যাৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত প্ৰথম স্থানত থাকিব। এইদৰে বাঢ়ি অহা জনসংখ্যাই বৰ্তমান ভাৰতবৰ্ষত বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। তাৰ ভিতৰত নিবনুৱা সমস্যা অন্যতম। চিকিৎসা বিজ্ঞানৰ উন্নতি হোৱাৰ লগে লগে আগৰ তুলনাত মৃত্যুৰ হাৰ কমি আহিছে। কিন্তু জন্মৰ হাৰ আগৰদৰেই অনিয়ন্ত্ৰিত হাৰত বাঢ়ি গৈ আছে। ইয়াৰ ফলত নিতৌ লাখ লাখ নৱজন্মই হেতা-ওপৰা লগাইছে। ভাৰতবৰ্ষত প্ৰতি মিনিটত ৩০টাকৈ শিশুৰ জন্ম হয়। এই অনুপাতে প্ৰতি দিনে প্ৰায় ৪৩ হাজাৰ শিশুৰ জন্ম হয়। ভাৰতবৰ্ষৰ দৰে দুখীয়া তথা উন্নয়নশীল দেশ এখনৰ জনসংখ্যা এই হাৰত বাঢ়ি থাকিলে নানা সমস্যাৰ সৃষ্টি হোৱাটো স্বাভাৱিক। বৰ্তমান ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধিৰ প্ৰধান কাৰণ হ'ল উৰ্দ্ধমুখী জন্মৰ হাৰ আৰু নিম্নগামী মৃত্যুৰ হাৰ। বৰ্তমান ভাৰতবৰ্ষৰ জন্মৰ হাৰ হাজাৰে প্ৰতি ৩০.৯% আৰু মৃত্যুৰ হাৰ হাজাৰে প্ৰতি ১০.৮% হৈছে (১৯৯১ চনৰ লোকপিয়ল মতে)।

তাৰোপৰি ভাৰতবৰ্ষত নিতৌ বাংলাদেশ, পাকিস্তান আদি চুবুৰীয়া দেশবোৰৰ পৰা কৰ্মসংস্থান, বেহা-বেপাৰ আদি বিভিন্ন কামত নানান লোক আহিব লাগিছে। আকৌ অন্য কিছুমান লোক ভাৰতবৰ্ষৰ মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য্যৰ প্ৰতি আকৰ্ষিত হৈ প্ৰথমে ফুৰিবলৈ আহি ইয়াতেই স্থায়ীভাৱে থাকিবলৈ লৈছে ; গোজেই গজালি মেলি গছ হোৱাৰ দৰে। এই সকললোকেও ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

পৃথিৱীৰ মুঠ ভূ-ভাগৰ প্ৰায় ২.৪% মাটি ভাৰতবৰ্ষৰ অন্তৰ্গত। ভাৰতবৰ্ষৰ বাৰ্ষিক আয় পৃথিৱীৰ মুঠ আয়ৰ ১.৫% যদিও ভাৰতবৰ্ষই পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৬% ৰ ভৰণ-পোষণৰ দায়িত্ব মূৰপাতি ল'ব লগা হৈছে। গতিকে ভাৰতবৰ্ষৰ জনসংখ্যাৰ সমস্যাটো বৰ ভয়াবহ হৈ পৰিছে। স্বাধীনতাৰ প্ৰাতঃ মুহূৰ্তত ভাৰতবৰ্ষৰ জনসংখ্যা আৰু স্বাধীনতাৰ স্বৰ্ণ জয়ন্তীৰ পিছত ভাৰতবৰ্ষৰ জনসংখ্যাৰ এক বৃহৎ পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়। এই পাৰ্থক্যৰ পৰা বৰ্তমান ভাৰতবৰ্ষৰ জনসংখ্যা কিমান বাঢ়িছে তাক স্পষ্ট ৰূপত দেখা যায়। স্বাধীনতা লাভৰ সময়ত ভাৰতবৰ্ষৰ জনসংখ্যা আছিল ৩৪.২ কৌটি আৰু এতিয়া ১৯৯১ চনত ভাৰতবৰ্ষৰ জনসংখ্যা হৈছেগৈ ৮৪.৪ কৌটি। ফলত ভাৰতবৰ্ষৰ সম্পদ সমূহৰ ওপৰত প্ৰচণ্ড হেঁচাৰ সৃষ্টি হৈছে। অকল সেয়াই নহয় এইদৰে জনসংখ্যা বাঢ়ি অহাৰ ফলত দিনে দিনে হেজাৰ হেজাৰ লোক নিবনুৱা হৈ পৰিছে আৰু কুৰি শতিকাৰ ভয়াবহ অভিশাপ দাৰিদ্ৰতাক আঁকোৱালি ল'ব লগা হৈছে। ফলত আমাৰ দেশৰ উন্নয়নত বাধাৰ সৃষ্টি হৈছে।

জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ এচিয়াৰ ভিতৰত ভাৰতবৰ্ষতে প্ৰথমে ১৯৫১ চনত পৰিয়াল কল্যাণ আঁচনি গ্ৰহণ কৰা হৈছেল। কিন্তু হ'লেও এই আঁচনিয়ে ভাৰতবৰ্ষৰ জনসংখ্যা নিয়ন্ত্ৰণ কৰিব পৰা নাই। আৰু ভৱিষ্যতেও যে এই আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষৰ জনসংখ্যাৰ সমস্যা কমাব পৰা যাব ই সপোনৰো অগোচৰ। তথাপি ভাৰত চৰকাৰৰ লগত ৰাজ্য চৰকাৰ সমূহেও এই আঁচনিৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা গৈছে।

১৯০১ চন মানৰ পৰা ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ গতিধাৰা লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ত ভাৰতবৰ্ষৰ জনসংখ্যা একেবাৰে কম আছিল। কিন্তু ইয়াৰ পিছৰ পৰা ভাৰতবৰ্ষৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়ি যাবলৈ আৰম্ভ কৰে। ১৯০১ চনত ভাৰতবৰ্ষৰ জনসংখ্যা প্ৰায় ১৫ নিযুত বাঢ়ি গৈ ২৫১ নিযুত হয়গৈ। হ'লেও এতিয়াতকৈ বহু কম আছিল। সেই সময়ত জনসংখ্যা বৃদ্ধি কম হোৱাৰ প্ৰধান কাৰণ হ'ল সেই সময়ত জন্মৰ হাৰ যিমান আছিল মৃত্যুৰ হাৰো প্ৰায় সমান আছিল। কিন্তু ১৯২১ চনৰ পৰা ভাৰতবৰ্ষৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়ি যায়। ইয়াৰ কাৰণ হ'ল জনস্বাস্থ্যৰ উন্নতিৰ বাবে চৰকাৰে লোৱা বিভিন্ন আঁচনিৰ বাবে মৃত্যুৰ হাৰ কমি আহে। মৃত্যুৰ হাৰ কমিল যদিও জন্মৰ হাৰ আগৰ দৰেই থাকিল। এই উদ্দেশ্যে ১৯৫১ চনত অৰ্থনৈতিক পৰিকল্পনা গ্ৰহণ কৰি চিকিৎসা বিজ্ঞানৰ যথেষ্ট উন্নতি সাধন কৰে। এই আঁচনি সমূহৰ বাবে ভাৰতবৰ্ষত ১৯০১ চনৰ পিছৰ পৰা জনসংখ্যা বহুখিনি বাঢ়িছে। বৰ্তমান ১৯৯১ চনৰ লোকপিয়ল মতে ভাৰতবৰ্ষৰ জনসংখ্যা হয়গৈ ৮৪.৪ কৌটি। বিভিন্ন তথ্যৰ পৰা জানিব পৰা গৈছে যে যদি ভাৰতবৰ্ষৰ জনসংখ্যা এইদৰে বাঢ়ি গৈ থাকে তেতিয়া হ'লে ২০১৬ চনত ভাৰতবৰ্ষৰ জনসংখ্যা হ'বগৈ প্ৰায় ১২৬ কৌটি। আৰু ২০৪০ চনত ভাৰতবৰ্ষৰ জনসংখ্যা হ'বগৈ বিশ্বৰ ভিতৰত প্ৰথম।

ভাৰতবৰ্ষত যদিও জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে পৰিয়াল পৰিকল্পনা আঁচনি গ্ৰহণ কৰা হৈছে তথাপি বিশেষকৈ গ্ৰাম্য অঞ্চলৰ স্ত্ৰী স্বাক্ষৰতাৰ অভাৱ আৰু বিভিন্ন কু-সংস্কাৰৰ বাবে এই আঁচনি কাৰ্য্যকৰী হ'ব পৰা নাই। সেয়েহে বৰ্তমান ভাৰত চৰকাৰে স্ত্ৰী শিক্ষাৰ প্ৰসাৰতাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে আৰু বহু পৰিমানে কৃতকাৰ্য্যও হৈছে। প্ৰথম পৰিকল্পনাৰ সময়ছোৱাত ভাৰতবৰ্ষৰ মহিলাৰ স্বাক্ষৰতাৰ হাৰ আছিল ৮.৯% আৰু বৰ্তমান ১৯৯১ চনত মহিলাৰ স্বাক্ষৰতাৰ হাৰ হ'লগৈ ৩৯.৪%। লগতে পুৰুষৰ স্বাক্ষৰতাৰ হাৰো ক্ৰমান্বয়ে বাঢ়ি আহিছে। পুৰুষৰ স্বাক্ষৰতাৰ হাৰ ১৯৫১ চনত ২৭.২% ৰ পৰা ১৯৯১ চনত এই সংখ্যা ৬৩.৯% লৈ বাঢ়ি যায়। গতিকে দেখা যায় যে ভাৰতবৰ্ষৰ স্বাক্ষৰতাৰহাৰ ক্ৰমাৎ বাঢ়ি গৈছে। কিন্তু জনসংখ্যা অনুপাতে এই সংখ্যা আশানুৰূপ হোৱা নাই।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ অন্য এটা বিশেষত্ব হ'ল ইয়াত স্বাধীনোত্তৰ কালচোৱাত প্ৰতি হাজাৰ পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা হ্ৰাস পাই আহিছে। ১৯০১ চনত ভাৰতবৰ্ষত প্ৰতি হাজাৰ পুৰুষত মহিলাৰ সংখ্যা আছিল ৯৭২ জনী ; কিন্তু ১৯৯১ চনত এই সংখ্যা ৯২৯ জনী হ'লগৈ। ভাৰতবৰ্ষৰ ভিতৰত কেৰালা আৰু মণিপুৰেই বিপৰীত ধৰ্মী ৰাজ্য য'ত পুৰুষৰ তুলনাত মহিলাৰ সংখ্যা বেছি।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ বয়সৰ গাঁঠনিলৈ চালে দেখা যায় যে বৰ্দ্ধিত জন্মৰ হাৰ আৰু শিশুৰ মৃত্যুৰ হাৰ কমি অহাৰ ফলত ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়ি আহিছে। অৰ্থাৎ আশ্ৰিত লোকৰ সংখ্যা বাঢ়ি আহিছে। আশ্ৰিত অনুপাত অৰ্থনৈতিক উন্নয়নৰ প্ৰতিকূল হোৱা দেখা যায়। ভাৰতবৰ্ষত ১৪ বছৰ বয়সৰ শিশুৰ সংখ্যা ১৯৮১ চনত ৩৯.৫% আছিল আৰু ১৯৯১ চনত এই সংখ্যা ৩৭.২% হয়গৈ। ৬০ বছৰৰ ওপৰৰ জনসংখ্যা ১৯৮১ চনত ৩.৫% আছিল। কিন্তু ১৯৮১ চনত এই সংখ্যা হয়গৈ ৬.৮% এই দুয়োখিনি জনসংখ্যাই আশ্ৰিত। অৰ্থাৎ এই আশ্ৰিত জনসংখ্যাই উৎপাদন কাৰ্য্যত সহায় কৰিব নোৱাৰে। ১৪ বছৰৰ ওপৰৰ আৰু ৬০ বছৰৰ তলৰ জনসংখ্যাখিনিহে উৎপাদন কাৰ্য্যৰ সহায়ক। কিন্তু ভাৰতবৰ্ষৰ জনসংখ্যা অনুপাতে এই সংখ্যা কম। গতিকে অধিক উৎপাদন হ'লেও বহু জনসংখ্যা নিবনুৱা হ'বলৈ বাধ্য।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ ঘনত্বলৈ মন কৰিলে দেখা যায় যে আন আন দেশৰ তুলনাত ভাৰতবৰ্ষৰ জনসংখ্যাৰ ঘনত্ব বেছি। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশৰ জনসংখ্যাৰ ঘনত্বৰ এই সমস্যাটো বৰ ভয়াবহ। ১৯০১ চনত ভাৰতবৰ্ষৰ জনসংখ্যাৰ ঘনত্ব আছিল প্ৰতি বৰ্গ কিল'মিটাৰত ৭৭ জন আৰু ১৯৯১ চনত এই সংখ্যা হয়গৈ ২৬৭ জন। গতিকে ইও এটা জ্বলন্ত সমস্যা।

ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা বিভিন্ন সমস্যা ঃ

ভাৰতবৰ্ষত বাঢ়ি অহা জনসংখ্যাৰ বাবে নিতৌ বিভিন্ন সমস্যাৰ সৃষ্টি হ'ব লাগিছে। এই সমস্যসমূহ সমাধানৰ বাবে চৰকাৰৰ ফালৰ পৰা বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে যদিও এইবোৰ সম্পূৰ্ণভাবে নিৰ্মূল কৰিব পৰা নাই। ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দুখীয়া দেশৰ জনসংখ্যা যি হাৰত বাঢ়ি আহিছে, এই সমস্যাই দেশখনৰ ক্ৰমাগত উন্নতিত বিভিন্ন সমস্যা সৃষ্টি কৰাটো ধ্ৰুৱপ।

ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ এটা ভয়াবহ সমস্যা হ'ল নিবনুৱা সমস্যা। স্বাধীনতা লাভৰ সময়ৰ পৰাই ভাৰতবৰ্ষত নিবনুৱা সমস্যা দ্ৰুত গতিত বাঢ়ি আহিছে। ভাৰতবৰ্ষত প্ৰতিখন পৰিকল্পনাৰ অন্তত পোৱা নিবনুৱাৰ সংখ্যা চালে আচৰিত হ'বলগীয়া। অকল জনসংখ্যা বৃদ্ধিয়ে যে নিবনুৱা সমস্যা সৃষ্টি কৰিছে সেইটো সম্পূৰ্ণ সঁচা নহয়। বহিৰাগতৰ প্ৰব্ৰজন, প্ৰাকৃতিক দুৰ্যোগ, লেহেমীয়া উদ্যোগীকৰণ, অনুন্নত কৃষি পদ্ধতি, শ্ৰম বিমুখীতা আদিও নিবনুৱা সমস্যা সৃষ্টি হোৱাৰ অন্যতম কাৰণ। ভাৰতবৰ্ষত প্ৰথম পৰিকল্পনাৰ অন্তত নিবনুৱাৰ সংখ্যা আছিল ৫.৩ নিযুত আৰু অষ্টম পৰিকল্পনাৰ অন্তত নিবনুৱাৰ সংখ্যা ১০৬ নিযুত হ'ব বুলি অনুমান কৰা হৈছিল।

ওপৰোক্ত নিবনুৱা সকলৰ ভিতৰত ছদ্মবেশী নিবনুৱা আৰু শিক্ষিত নিবনুৱাই সৰহ। সীমিত কৃষিভূমি আৰু নিয়োগৰ সুবিধাৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ।

আমাৰ দেশত বাঢ়ি অহা জনসংখ্যাৰ বাবে জনমূৰী আয় কমি আহিছে। জনসংখ্যা যি হাৰত বাঢ়িছে জনমূৰী আয় সেই হাৰত বঢ়া নাই। গতিকে জীৱন নিৰ্বাহৰ মানদণ্ড নিম্নগামী হৈছে। ভাৰতবৰ্ষৰ জাতীয় আয় বৃদ্ধিৰ গতিধাৰা লক্ষ্য কৰিলে দেখা যায় যে ১৯৮০-৮১ চনৰ মূল্যৰ ভিত্তিত ১৯৬০-৬১ চনৰ পৰা ১৯৮৮-৮৯ চনলৈ জাতীয় আয় ১৮৪% বৃদ্ধি হৈছিল যদিও জনসংখ্যা বৃদ্ধি হৈছিল ৮০%। জনমূৰী আয় বৃদ্ধি হয় মাত্ৰ ৫৪%। গতিকে জনসংখ্যা বৃদ্ধিৰ ইও এটা জ্বলন্ত সমস্যা।

জনসংখ্যা বৃদ্ধিৰ এটা ভয়াবহ কাৰণ হ'ল সীমিত সম্পদৰাজিৰ অধিক ব্যৱহাৰ। ফলত ভাৰতবৰ্ষৰ সম্পদ সমূহ লোপ পাই আহিছে। তাৰোপৰি ভাৰতবৰ্ষত কিছুমান সম্পদ উন্নত কাৰিকৰী বিদ্যাৰ অভাৱৰ বাবে উচিত ব্যৱহাৰ হোৱা নাই। ফলত জনসংখ্যা বৃদ্ধি হ'লেও সম্পদসমূহ উপযুক্ত ব্যৱহাৰ নোহোৱাত নানা সমস্যা সৃষ্টি হৈছে।

জনসংখ্যা বৃদ্ধিৰ ফলত ভাৰতবৰ্ষত বৰ্তমান পৰিবেশ প্ৰদূষণ হোৱা দেখা যায়। ভাৰতবৰ্ষত যি দুই এটা উদ্যোগ স্থাপন হৈছে, সেইবোৰৰ পৰা নিৰ্গত ধোঁৱা, বিভিন্ন বৰ্জিত পদাৰ্থ আদি উপযুক্ত কাৰিকৰী বিদ্যাৰ অভাৱত নিৰ্মূল কৰিব পৰা নাই। গতিকে জনসংখ্যা বৃদ্ধিৰ লগে লগে উদ্যোগীকৰণ হৈছে কিন্তু এইবোৰ পৰিবেশ সংৰক্ষণ কৰিব পৰা নাই। তাৰোপৰি বাঢ়ি অহা জনসংখ্যাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চৌদিশৰ গছ-গছনি লগতে বনাঞ্চলৰ পৰিমাণ কমি আহিছে। জনসংখ্যা বৃদ্ধিৰ ইও এটা কু-ফল।

ভাৰতবৰ্ষৰ জনসংখ্যা বৃদ্ধিৰ ফলত কৃষিভূমিৰ পৰিমাণ কমি আহিছে। ফলত কৃষি উৎপাদন হ্ৰাস পাইছে। গতিকে ভাৰতীয় জনসাধাৰণে পুষ্টিহীনতাত ভুগিছে। সপ্তম পৰিকল্পনাৰ আৰম্ভণিত ৩৭% লোকে নুন্যতম কেলৰিখিনিও ভোগ কৰিব পৰা নাছিল। এই পৰিমাণ গ্ৰাম্য অঞ্চলত জনমূৰী ২৪০০ কেলৰি আৰু নগৰ অঞ্চলত জনমূৰী ২১০০ কেলৰি। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত মানুহে এই কেলৰিখিনিও ভোগ কৰিব পৰা নাই। জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়েই পুষ্টিহীনতাৰ মূল কাৰণ।

উল্লিখিত সমস্যাসমূহৰ পৰা দেখা যায় যে ভাৰতবৰ্ষত বৰ্দ্ধিত জনসংখ্যাই বিভিন্ন সমস্যাৰ সৃষ্টি কৰিছে। ভৱিষ্যাতে যদি ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধিৰ গতিধাৰাক নিয়ন্ত্ৰণ কৰিব পৰা নাযায় তেন্তে ভাৰতবৰ্ষৰ ভৱিষ্যত যে অন্ধকাৰ হ'ব সেইটো সঁচা কথা। সেয়ে জনসংখ্যা বৃদ্ধিৰ গতিধাৰা ৰোধ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা কাৰ্য্যসূচী হাতত লোৱা উচিত। অকল চৰকাৰৰ কাৰ্য্যসূচীয়ে এই গতি ৰোধ কৰিব নোৱাৰে। ইয়াৰ বাবে দেশৰ প্ৰতিজন নাগৰিকে সচেতন হোৱা উচিত। নহ'লে ভাৰতবৰ্ষত জনসংখ্যা বৃদ্ধিৰ ফলত এটা সময়ত দৰিদ্ৰতাৰ কবালগ্ৰসে দেশখন চানি ধৰিব।

*(সহায় লৈ)*

প্ৰবন্ধ

# অমৰত্ব সম্ভৱনে ?

*মূলঃ ষ্টিভ্ ক'নৰ*
*অনুবাদক ঃ কুলদীপ শইকীয়া*
স্নাতক ২য় বৰ্ষ

**অমৰত্বৰ গোপন ৰহস্য বোধহয় নিউয়ৰ্কৰ মালষ্ট্ৰীটিস্থিত ষ্টক দালালসকলৰ মাজত ভূমুকি মৰা অৱস্থাত আৱিষ্কাৰ হয়। আগৰটো ফেব্ৰুৱাৰী মাহৰ এদিন আবেলি তেওঁলোকে 'চাইন্স' (এখন আগশাৰীৰ জাৰ্ণেল)ৰ ৱাছিংটনস্থিত কাৰ্য্যালয়লৈ ফোন কৰিবলৈ আৰম্ভ কৰিছিল । তেওঁলোকে মানৱ কোষৰ বাৰ্ধক্য ৰোধ কৰিব পৰা এবিধ দ্ৰব্য আৱিষ্কাৰৰ গুজৱৰ বিষয়ে অধিক জানিব বিচাৰিছিল । তেওঁলোকে শুনিছিল যে জাৰ্ণেলখনে শীঘ্ৰেই 'টেল'মিৰেজ' নামৰ এবিধ পদাৰ্থৰ বিষয়ে নিশ্চিত সাক্ষ্য প্ৰকাশ কৰিব যিবিধে মানৱ কোষৰ বিভাজন (সাধাৰণতে সীমাবদ্ধ) অবিৰতভাৱে চলাই নিব পাৰে আৰু নতুন কোষৰ সৃষ্টি কৰে । অনন্ত জীৱনৰ আশাৰপৰা দালালসকলে এক বৃহৎ অৰ্থৰ সপোন দেখিছিল । বাৰ্ধক্যৰোধী পদাৰ্থৰ গৱেষণা কৰিবলৈ 'জেৰণ' নামৰ ক'ম্পেনী এটা প্ৰতিষ্ঠিত হয় । জেৰণে টেল'মিৰেজৰ পেটেণ্ট লাভ কৰে আৰু ইয়াৰ 'শ্বেয়াৰ'ৰ বজাৰমূল্য 'ষ্টক মাৰ্কেট'ৰ তালিকাভূক্ত হয় ।**

**খবৰটো প্ৰচাৰ হোৱাৰ লগে লগে জেৰণৰ শ্বেয়াৰ বাঢ়ি গ'ল । শতিকাজুৰি বিচাৰি থকা বাৰ্ধক্যৰোধী মহৌষধ বিজ্ঞানীসকলে সঁচাকৈয়ে পাইছিলনে ? সেই সময়ত অমৰত্ব কেৱল এটা পৰীক্ষানলীতে আৱদ্ধ আছিল । কিন্তু বিশেষজ্ঞসকলে জীৱনকাল মাইবেলৰ তিনিকুৰি দহ বছৰৰ সীমাতকৈ অধিক হোৱাৰ সম্ভাৱনা দাঙি ধৰিছিল ।**

**'এলায়েঞ্চ ফৰ এজিং ৰিচাৰ্চ'ৰ কাৰ্য্যবাহী পৰিচালক ডেনিয়েল পেৰিয়ে কৈছে যে টেল'মিৰেজ বাৰ্ধক্যক স্থগিত ৰাখিবলৈ ব্যৱহাৰ কৰিব পাৰি । "এইটো দুশবছৰীয়া পুৰুষ বা স্ত্ৰী 'বনোৱা'ৰ বিষয় নহয়, মানুহৰ সুস্থতাকাল বৃদ্ধিৰ সম্ভাৱনাক শক্তিশালী কৰাহে" তেওঁ কয় । "এই গৱেষণাই আমাক এনে এটা যুগলৈ বাট দেখুৱায় য'ত বাৰ্ধক্য নিয়ন্ত্ৰণ পদ্ধতিক মানৱৰ উপকাৰত লগাব পৰা যাব আৰু ইতিমধ্যে সেই যুগ আৰম্ভ হৈছে ।"**

**কোষৰ বৃদ্ধিৰ ৰহস্য বুজিবলৈ আমি ১৯৬০ খ্ৰী:লৈ উভতি যাব লাগিব যেতিয়া বাৰ্ধক্য অধ্যয়নৰ আমেৰিকান অগ্ৰগণী ড° লিঅ'নাৰ্ড হেইফ্লিকে 'কোষীয় ঘড়ী'ৰ ধাৰণাটি আগবঢ়াইছিল । তেওঁৰ মতে কোষৰ প্ৰতিটো বিভাজনৰ লগে লগে 'কোষীয় ঘড়ী'টোও আগবাঢ়ি যায় । তেওঁ দেখুৱায় যে প্ৰায় এশটা বিভাজনৰ অন্তত এই 'ঘড়ী বন্ধ হয় আৰু কোষটো নিদ্ৰাৱস্থাত পৰে । এই অৱস্থাত কোষটোৰ মৃত্যুও নহয় আৰু পুনৰ বিভাজনো নহয় । হেইফ্লিকে ইয়াক 'কোষীয় জৰাৱস্থা' বুলি অভিহিত কৰিছে ।**

**ইয়াৰ বিপৰীতে দেহৰ পৰা লোৱা কোষ এটা পৰীক্ষা নলীত বাঢ়িবলৈ দিলে ই অবিৰাম বিভাজিত হয় । বিজ্ঞানীসকলে তেনে কোষক 'অমৰ কোষ' নাম দিছে আৰু মাল্টিমোৰৰ মহিলা হেন্‌ৰিটা লেক্‌চৰ কৰ্কট কোষবোৰ তেনে জনাজাত কোষ । এতিয়াও বিশ্বৰ বহু গৱেষণাগাৰত মহিলা গৰাকীৰ** বিলিয়নবো অধিক কোষ বিভাজিত হৈ আছে । সেয়ে তেওঁ এক বিশেষ অমৰত্ব লাভ কৰিছে, কিন্তু প্ৰকৃততে ১৯৫১ খ্ৰী:ত ৩১ বছৰ বয়সত তেওঁৰ মৃত্যু ঘটে ।

মাৰাত্মক কৰ্কট ৰোগৰ সৃষ্টি নকৰাকৈ কেনেকৈ জৰাগ্ৰস্ত কোষক অমৰ কোষত পৰিণত কৰিব পাৰি এই চিন্তাই হেইফ্লিকৰ কিছুসংখ্যক ছাত্ৰৰ মন অধিকাৰ কৰিলে । তেওঁলোকৰ মাজৰে এজন আগশাৰীৰ গৱেষক ড° উডী ৰাইট্ ক্ৰম'জমৰ মূৰৰ গঠন 'টেল'মিয়েৰ'ৰ ভূমিকাৰ প্ৰতি আকৃষ্ট হয় । ইয়াক জোতাৰ ফিটাৰ প্লাষ্টিকৰ মূৰৰ সতে বিজাব পাৰি । ই কোষৰ বিভাজনৰ সময়ত ক্ৰম'জম পাকমুক্ত হোৱাটো বন্ধ কৰে ।

তেতিয়াৰ কেলিফৰ্ণিয়াস্থিত ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাইটে কোষৰ মৰণশীলতা সীমাবদ্ধ কৰাত টেল'মিয়েৰৰ ভূমিকা আৱিষ্কাৰ কৰিবলৈ ক'ল'ৰাজে বিশ্ববিদ্যালয়ৰ ছাত্ৰ জেৰি ছেইৰ লগ লাগে । দুয়ো একেলগে টেক্সাছ বিশ্ববিদ্যালয়ত এটা তত্ব উদ্ভাৱন কৰিলে যে তেওঁলোকৰ উপদেশক হেইফ্লিকৰ 'কোষীয় ঘড়ী' প্ৰকৃততে টেল'মিয়েৰহে ।

ছেই আৰু ৰাইটে দেখুৱালে যে প্ৰতিটো বিভাজনত কোষৰ বয়স বাঢ়ি যোৱাৰ লগে লগে টেল'মিয়েৰ এটা বিন্দুলৈ চুটি হৈ গৈ থাকে য'ত ই কোষটোক পুনৰ বিভাজিত হ'বলৈ নিদিয়ে । ফলত কোষটো জৰাগ্ৰস্ত হয় । তেওঁলোকে পৰামৰ্শ আগবঢ়ালে যে 'টেল'মিৰেজ' নামৰ এবিধ উৎসেচকৰ সহায়ত এই ঘড়ী কাৰ্য্যকৰীভাৱে বন্ধ কৰিব পাৰি ঃ ইয়াৰ উপস্থিতিয়ে টেল'মিয়েৰক প্ৰতিটো কোষ বিভাজনৰ অন্তত চুটি হোৱাত বাধা দিয়ে ।

তেওঁলোকে দেখুৱায় যে কৰ্কট ৰোগাক্ৰান্ত টিউমাৰ আৰু পৰীক্ষানলীৰ 'অমৰ কোষ'ৰ ৮৫ শতাংশতেই টেল'মিৰেজ থাক । ইয়াৰ অৰ্থ স্পষ্ট ঃ টেল'মিৰেজক বাধা দি কৰ্কট ৰোগৰ বৃদ্ধি ৰোধ কৰিব পাৰি ; টেল'মিৰেজ যোগ কৰি সাধাৰণ কোষৰ জীৱনকাল বঢ়াব পাৰি । বিজ্ঞানী আৰু সহায়কাৰী সকল এক সোণালী ভৱিষ্যতত বিভোৰ আছিল আনহাতে 'জেৰণ' তেওঁলোকৰ ধাৰণাক ব্যৱহাৰোপযোগী কৰিবলৈ প্ৰতিষ্ঠিত হৈছিল আৰু অধিক গৱেষণাৰ বাবে অৰ্থ বিনিয়োগ কৰিছিল ।

তেওঁলোকে অপেক্ষা কৰা সমাধান পোৱা গ'ল যোৱা বছৰ যেতিয়া আন বিজ্ঞানীসকলে টেল'মিৰেজৰ কাৰ্য্যকৰী অংশৰ জিন পৃথকীকৰণ আৰু ক্ল'নিঙৰ ব্যৱস্থা কৰিলে । ইয়েই ৰাইট আৰু ছেইক এই জিন সেইবিলাক কোষলৈ হস্তান্তৰণৰ উপায় দিলে যিবিলাকে সাধাৰণতে উৎসেচক বিধ প্ৰস্তুত নকৰে ।

তেওঁলোকে পৰীক্ষা-নিৰীক্ষা চলাই নিলে আৰু জৰাগ্ৰস্ত কোষবোৰ টেল'মিৰেজ যোগ কৰি 'অমৰ কোষ'ত পৰিণত কৰিলে । টেক্সাছ

বিশ্ববিদ্যালয়ে বিবৃতি দিলে যে বাৰ্ধক্য অধ্যয়নত এয়া এক স্মৰণীয় পদক্ষেপ। বিজ্ঞানীসকলে 'যৌৱনৰ কোষীয় আধাৰ' বিচাৰি পালে।

তথাপি আন বিজ্ঞানীসকল পতিয়ন নগ'ল। অলপতে এক অনানুষ্ঠানিক ৰায়দানে সাব্যস্ত কৰিলে যে প্ৰায়ভাগ বিজ্ঞানীয়েই বিশ্বাস নকৰে যে এইটোৱেই বাৰ্ধক্যৰ ছাবিকাঠি ; তাৰ পৰিবৰ্তে তেওঁলোকে বিভিন্ন মত অনুসৰণ কৰে। জিনে বাৰ্ধক্যত প্ৰামাণিক ভূমিকা পালন কৰে কাৰণ কিছুমান প্ৰমাণিত প্ৰাণী, যেনে- 'ফ্ৰুইট ফ্লাই' আৰু 'ওৱৰ্ম' আদিক দীৰ্ঘ জীৱন পোৱাকৈ সৃষ্টি কৰিব পাৰি। জিনীয় অভিযন্ত্ৰণৰ সহায়ত সৃষ্টি কৰা ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য প্ৰতিৰোধী 'ফ্ৰুইট ফ্লাই'বোৰে সাধাৰণবোৰতকৈ দুগুণ বয়স লাভ কৰে।

এই ক্ষেত্ৰত খাদ্যৰো ভূমিকা উল্লেখনীয়। নিম্ন কেল'ৰিযুক্ত খাদ্য খোৱা এন্দুৰবোৰ পৰীক্ষাগাৰৰ উচ্চমান বিশিষ্ট খাদ্য খোৱা এন্দুৰতকৈ অধিক কাল জীয়াই থাকে। ইয়াৰ এটা সম্ভাৱনীয় ব্যাখ্য হ'ল ঃ কম কেল'ৰিৰ দ্বাৰা খাদ্যশক্তি মন্থৰ বিপাকীয় 'দহন' ঘটে। ইয়াৰ ফলত কমকৈ ক্ষতিকাৰক ৰাসায়নিক দ্ৰব্য সৃষ্টি হয় যিবোৰে বাৰ্ধক্য ত্বৰান্বিত কৰে।

আন বিজ্ঞানীসকলে কয় যে যদিও টেল'মিৰেজ 'কোষীয় ঘড়ী'ক নিয়ন্ত্ৰণ কৰে তথাপি ইয়াৰ ব্যৱহাৰ বিপদমুক্ত নহয়। ইয়াৰ অনুপস্থিতি হয়তো প্ৰকৃতত কৰ্কট ৰোগৰ বিৰুদ্ধে প্ৰাকৃতিক প্ৰতিৰোধ। 'ৱেলছ কলেজ অব মেডিচিন' বিশ্ববিদ্যালয়ৰ টেল'মিৰেজ বিশেষজ্ঞ ড° ডেভিদ কিপলিঙে কয় 'যদি তুমি এই প্ৰ'টিন (টেল'মিৰেজ) মানুহৰ গাত প্ৰবেশ কৰোৱা তেতিয়া কি ঘটিব ? তুমি বেছ কিছুদিন ডেকা হৈ থাকিবা কিন্তু তোমাৰ কৰ্কট ৰোগৰ সম্ভাৱনা তুংগত থাকিব।'

মানৱৰ বাৰ্ধক্য চিকিৎসাৰ ইতিহাস বন্য ধাৰণাৰে সমৃদ্ধ। যেনে বান্দৰৰ ঠেতেলা কৰা অণ্ডকোষৰ বেজী লোৱা, শেলাইৰ চাটনি খোৱা নাইবা (পুৰুষৰ) দুজনী কুমাৰীৰ মাজত শোৱা ইত্যাদি। তুলনামূলকভাৱে টেল'মিৰেজ আৰু ইয়াৰ ধৰ্ম সমূহৰ আৱিষ্কাৰ এক বৃহৎ পদক্ষেপ। কিন্তু ইয়াৰ প্ৰথম ব্যৱহাৰিক প্ৰয়োগ জীৱনকাল বৃদ্ধি কৰাতকৈ অধিক প্ৰকৃত আৰু হয়তো অধিক ব্যৱহাৰযোগ্য হ'ব। 'জেৰণে' ইতিমধ্যে কৰ্কট ৰোগৰ পূৰ্বনিৰ্ণয়ত টেল'মিৰেজ ব্যৱহাৰৰ উপায় গৱেষণা কৰি আছে। উৎসেচকবিধৰ উপস্থিতিয়ে কোষ কৰ্কট ৰোগাক্ৰান্ত হোৱাটোকে সূচায়।

ক'ম্পেনীটোৱে সবল চিকিৎসা সামগ্ৰী উদ্ভাৱন কৰিবলৈ চেষ্টা কৰি আছে। ইয়াৰ উপৰিও ই আন ঔষধ ক'ম্পেনীৰ লগলাগি এবিধ অব্যৰ্থ কৰ্কট প্ৰতিৰোধী ঔষধ উদ্ভাৱন পদ্ধতিৰ ওপৰতো কাম কৰি আছে যিবিধে সুস্থ কোষবোৰৰ হানি নকৰাকৈ টিউমাৰৰ অনিয়ন্ত্ৰিত বৃদ্ধিৰ কোষবোৰ ধ্বংস কৰিব।

যদি পদ্ধতিসমূহ কাৰ্যকৰী হয় তেনেহলে বহু বিজ্ঞানীয়ে ভবাৰ দৰে স্বাস্থ্যৱান জীৱন সুদীৰ্ঘ কৰি অমৰত্বতকৈ অধিক বাস্তৱ লক্ষ্যত উপনীত হ'ব পাৰিব। তেতিয়া অধিকেই প্ৰায় ১২০ বছৰ পৰ্যন্ত জীয়াই থাকিব আৰু বৃদ্ধকালৰ ব্যাধিবোৰ প্ৰতিকাৰ কৰিব পৰা যাব। যদিও এই ঘটনাই টেল'মিৰেজৰ সৰ্বোত্তম গুণকে প্ৰমাণ কৰে, বিজ্ঞানৰ বাবে ই এটা মাইলৰ খুটি হ'ব আৰু সম্ভৱ ইয়াৰ আৱিষ্কাৰক সকলৰ বাবে সৌভাগ্য গঢ়িব।

■

সত্যৰ পৰাই সৎ সাহসৰ জন্ম হয়। অন্যায়-অত্যাচাৰ আৰু অসত্যৰ বিৰুদ্ধে সত্যই প্ৰধান অস্ত্ৰ।

*—মহাত্মা গান্ধী*

জগতত যদি কিবা পাপ আছে, তেন্তে ই দুৰ্বলতা। দুৰ্বলতা ত্যাগ কৰা। দুৰ্বলতাই মৃত্যু।

*—উপনিষদ*

# মুখামুখি





*মঙলদৈ মহাবিদ্যালয়ৰ প্ৰথম আলোচনী সম্পাদক, বৰ্তমান কলাইগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শ্ৰীযুত বোধেশ্বৰ ডেকা চাৰৰ লগত এখন্তেক ঃ*

**? প্ৰথম আলোচনী সম্পাদক হিচাপে আপোনাৰ অনুভৱ অলপ কওঁকচোন**

☞ সেইয়া ১৯৬২ চনৰ কথা । মই মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিপুল ভোটত জয়লাভ কৰি আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হওঁ । মোৰ সমৰ্থক সকৰ বাৱস্থাৰ সকিয়নিত ময়ো বিদ্যালয়ৰ আলোচনী বিভাগৰ পুঁজি টনকিয়াল নোহোৱা স্বত্বেও আলোচনী প্ৰকাশৰ কামত দৃঢ় মনোবল লৈ আগবাঢ়ো । মোৰ সকলো কামতে সহায় সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়াইছিল সভাপতি বৰ্তমান অৱসৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত পূৰ্ণ বড়া মহোদয়ে । আলোচনী প্ৰকাশৰ কাম শেষ হোৱাত অৰ্থৰ অভাৱত ছপাশালতে আৱদ্ধ হৈ থকা সময়ত কলেজৰ কাৰ্য্যালয়ৰ মুখ্য সহায়ক মঃ মহচিন আলিদেৱে সম্পূৰ্ণ দায়িত্ব গা-পাতি লৈ মুক্ত কৰে । তেখেতে এইখিনি সহায় নকৰা হ'লে হয়তো আৰু কিছুদিন পোহৰৰ বাটলৈ নাহিলহেঁতেন। অৱশ্যে এইখিনি কষ্টক বিশেষ কষ্ট বুলি ক'ব নোৱাৰি ।

**? সাম্প্ৰতিক পৰিস্থিতিত আলোচনী এখনৰ ভূমিকা কেনেকুৱা হোৱাটো বিচাৰে**

☞ আমি সকলোৱে পৰিস্থিতিৰ দাস । অসুস্থ ৰাজনৈতিক আৰু সমাজনৈতিক অৱস্থাত এখন আলোচনীয়ে যথেষ্টখিনি সহায় কৰিব পাৰে । দেশৰ বিপৰ্যায়ৰ সময়ত শিল্পী-সাহিত্যিকৰ কলমে পুনৰ শান্তি ঘূৰাই অনাত যিমানখিনি অৰিহণা যোগাব পাৰে কোনো অস্ত্ৰ-শস্ত্ৰ, বন্দুক-বাৰুদে যোগাব নোৱাৰে । সেই মহৎ উদ্দেশ্য আগত ৰাখি লিপিবদ্ধ কৰা এখন পূৰ্ণ পৰ্য্যায়ৰ আলোচনীয়ে যথেষ্ট সহায় কৰিব পাৰে বুলিয়ে মই ভাবো ।

**? ছাত্ৰ-ছাত্ৰীৰ ওপৰত আলোচনী এখনে কেনেকুৱা ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি আপুনি ভাবে**

☞ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য ক্ষেত্ৰত প্ৰবেশ কৰাৰ একমাত্ৰ উৎস হ'ল বিদ্যালয়ৰ মুখপত্ৰখন । আলোচনীত প্ৰকাশ পোৱা সকলো গল্প, প্ৰবন্ধ, কবিতাই ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিসৰকে বুজায় । ভৱিষ্যত জীৱনত এজন সুস্থ-সবল সাহিত্যিক ৰূপে গঢ়ি তোলাত এখন আলোচনীয়ে যথেষ্ট সহায় কৰে —বিশেষকৈ উঠি অহা ডেকা-ডেকেৰী সকলক । সেয়ে সাহিত্য ক্ষেত্ৰত নিজকে পৰিচয় দিয়াৰ বাবে এখন আলোচনীৰ ভূমিকা কোনোগুণে কম নহয় । তাৰোপৰি মহাবিদ্যালয় খনিৰ সকলো দিশতে বছৰটিৰ উন্নতি-অৱনতিৰ প্ৰতিচ্ছবি এখন ইয়াৰ যোগেদিহে সমাজৰ আগত ডাঙি ধৰা হয় ।

**? এইবাৰৰ আলোচনীখনৰ ওপৰত আপোনাৰ ধাৰণা**

☞ মঙ্গলদৈ মহাবিদ্যালয় আলোচনীখনিৰ প্ৰতি মোৰ যেন এৰাব নোৱাৰা এটি সম্পৰ্ক এনে অনুমান হয় । প্ৰত্যেক বছৰে কাৰোবাৰ পৰা বিচাৰি আনি হ'লেও এবাৰ চকু ফুৰাও । বছৰে বছৰে ইয়াৰ কলেৱৰ আৰু মানদণ্ড বাঢ়ি যোৱা দেখি নিজকে গৌৰৱ অনুভৱ কৰো । এইবাৰৰ আলোচনীখন আগতকৈয়ো উন্নত মানবিশিষ্ট হ'ব বুলিয়েই মোৰ ধাৰণা ।

**? আপোনাক যদি আকৌ আলোচনী সম্পাদক হিচাপে গ্ৰহণ কৰা হয় আপুনি আলোচনীখন প্ৰকাশত কেনেদৰে আগবাঢ়িব**

☞ সাহিত্যৰ ক্ষেত্ৰত বিশেষ বৰঙণি নাথাকিলেও সাহিত্য সাধনাৰ প্ৰতি ৰাপ যথেষ্ট আছে । ভাগ্যত হয়তো নঘটিব আৰু যদি মই কেনেবাকৈ সেই সৌভাগ্যৰ অধিকাৰী হওঁ নিশ্চয় এখন উচ্চ মানৰ আলোচনী প্ৰকাশ কৰি উলিয়াবলৈ যত্নৰ ত্ৰুটি নকৰো । আলোচনী এখনৰ বাবে যাৱতীয় যিখিনি আহিলা-পাতিৰ দৰ্কাৰ, খুজি-মাগি আনি হলেও প্ৰকাশ কৰি উলিয়াবলৈ যৎপৰোনাস্তি চেষ্টা কৰিম ।

*সাক্ষাৎ লওঁতা ঃ —সম্পাদক*
*আলোচনী বিভাগ*

# গল্প



শৰাই

গল্প

# বন্দুক

*শ্ৰীনাৰায়ণ চন্দ্ৰ ঘোষ*
স্নাতক ১ম বৰ্ষ

মৃত্যুৰ দৰে হিম চেঁচা সেই নিৰ্জন আন্ধাৰ ঠাইত দুটা অত্যাধুনিক বন্দুক পূৰণ চিনৰ আকাৰত এনেকৈ পৰি আছিল যেন সিহঁত যুঁজ কৰি ভাগৰি পৰিছে আৰু ভাগৰ পলুৱাবলৈ শুই আছে । এই বন্দুক দুটাৰ পৰা প্ৰায় দুহাতমান আঁতৰত দুয়োপিনে সৈনিকৰ দৰে পোছাক পৰিহিত ব্যক্তি দুজনো লাংখাই পৰি আছে । সিহঁতৰ বুকুৰেদি বৈ গৈছে তেজৰ নৈ । ওচৰতে গোটমৰা ৰঙা তেজ । দুয়োটা মানৱ শৰীৰেই মৃত । চেতনাহীন । সমাজ-শাস্ত্ৰীয়ে নামকৰণ কৰা মৃত ব্যক্তি দুজনৰ এজন সন্ত্ৰাসবাদী আৰু আনজন ৰজাৰ সৈন্য ।

কেইঘণ্টামান আগতে পাহাৰৰ ওচৰৰ এই জয়াল ঠাইখনিত এখন যুদ্ধ হৈছিল —এই দুয়ো দলৰ মাজত বন্দুকৰ পৰা নিৰ্গত হোৱা গুলিৰ শব্দত কঁপি কঁপি উঠিছিল নিষ্পাপ পাহাৰৰ বুকু। ভয়তে যেন সৰি পৰিছিল গছৰ পাতবোৰ ।



আন্ধাৰ নিশা চলা এই যুদ্ধত কোন দলৰ কিমান লোক মৰিল কাৰো বিদিত নহয়, কিন্তু এই দুজন শত্ৰুৱে পৰস্পৰে পৰস্পৰক গুলিৰ আঘাত হানি চিৰদিনৰ বাবে মাটিত ঢলি পৰিছিল আৰু আচৰিত ভাবে ইহঁতৰ হাতৰ বন্দুক দুটা পূৰণ চিনৰ ৰূপ ধাৰণ কৰি ইহঁতৰ সোঁমাজতে পৰি গৈছিল । বন্দুক দুটাৰ আকাৰ প্ৰকাৰ একেই আছিল এটাৰ ৰং সেউজীয়া আৰু আনটোৰ ৰং ক'লা আছিল ।

সহোদৰ হেন বন্দুক দুটা বহু সময় ধৰি নিশ্চুপ-নিঃশব্দে পৰি থাকিল । সিহঁতে যেন মাত-বোল কৰিবলৈ লাজ পাইছে বা ভাগৰৰ বাবে মাতিব বিচৰা নাই । ক'লা বন্দুকটোৰ তলত চেপেটা খাই পৰি থকা সেউজীয়া বন্দুকটোৱে অৱশেষত অলপ কঠুৱা মাতেৰে ক'লে- -হেৰা বন্ধু, তুমি মোৰ ওপৰতে এনেকৈ পৰিছা কিয় ? অলপ আঁতৰ হ'ব নোৱাৰানে ? তোমাৰ হেঁচাত মোৰ কঁকালটো ভাঙো ভাঙো হৈছে । তাৰ কথাত ক'লা বন্দুকটোৰ গা লৰচৰ কৰাৰ কোনো লক্ষণ দেখা নগ'ল । সি দীঘলকৈ উশাহ টানি ক্লান্ত সৈনিকৰ দৰে ক'লে— নাই বন্ধু, মই আঁতৰি যাব নোৱাৰোঁ । মোৰ গাত লৰচৰ কৰাৰ অকণো শকতি নাই ! তুমি দেখা নাছিলানে, মই অকলে ভয়ংকৰ যুদ্ধ কৰিবলগীয়া হৈছিল ।

ঃ তাবমানে মই তোমাৰ চেপা সহ্য কৰি যাব লাগিব নেকি ?

ঃ এৰা, তাৰ বাহিৰে উপায় আৰু নাই ।

ঃ হে ভগৱান ।

দুয়ো আন্ধাৰ আকাশৰ পিনে মুখ কৰি তেনেকৈয়ে পৰি থাকিল ।

সেউজীয়াটো কিন্তু বেছিপৰ মনে মনে থাকিব নোৱাৰিলে । সি অলপ হঁহাৰ নিচিনাকৈ ক'লে —যুদ্ধখন কিন্তু বেছ ভালেই হৈছিল নহয় জানো ?

ঃ যুদ্ধৰ আকৌ কিটো ভাল থাকেহে ! ক'লাটোৱে মুখ বিকটাই ক'লে —ইহঁতে মাত্ৰ মাৰিবহে খোজে ।

ঃ তুমি ইহঁতৰ কিমান শত্ৰু মাৰিলা ?

ঃ ক'ব নোৱাৰো । আন্ধাৰত কিমান মৰিল, কিমানে আঘাত পালে, কেনেকৈনো ক'ম ?

ঃ ইহঁত দুয়োটা দল দেখাত একেই 'দুখন হাত, দুখন ভৰি, দুটা চকু, এখন মুখ, এটা নাক, খালী পোছাকহে সামান্য বেলেগ । ইহঁতে পৰস্পৰে এইদৰে কটা-মৰা কৰা ৰহস্য কি বুলি ভাবা তুমি ? সেউজীয়াটোৱে বৈ বৈ প্ৰশ্ন কৰিলে ।

ঃ অ' তুমি হ'বলা নতুন ! একোকে গম নোপোৱা ! ক'লাটোৱে তাচ্ছিল্যৰ সুৰত ক'লে ।

ঃ এৰা, তুমি ঠিকেই ধৰিব পাৰিছা । মই ইয়াৰ কান্ধত উঠা বেছিদিন হোৱা নাছিল । তোমাক মিছা মাতি কি লাভ —আজিয়েই মোৰ প্ৰথম যুদ্ধ । সেউজীয়াটোৱে লাজ লাজ ভাবেৰে ক'লে ।

ঃ তথাপি তুমি ভাই এজনক বগৰাই দিলা । তুমি যিজনক হত্যা কৰিলা সেইজন মোৰ বন্ধুৰ দৰে আছিল । সি আছিল এজন অসীম সাহসী সেনা নায়ক —ক'লাটোৱে শোক প্ৰকাশ কৰিলে ।

তাৰ কথাত সেউজীয়াটো স্তব্ধ হ'ল । তাৰ নিজকে কিবা অসাধ্য সাধন কৰা যেন লাগিল । সি গৌৰৱবোধ কৰিলে । কিছু পৰৰ পাছতহে তাৰ মুখৰ পৰা মাত ওলাল —তুমি ইয়াৰ লগত থকা কিমান বছৰ হৈছিল ?

ঃ মই .... বুলি ক'লাটোৱে অলপ পৰ কিবা এটা চিন্তা কৰি ক'লে— ইয়াৰ লগত থকা হৈছিল চাৰি-পাঁচ বছৰ মান । বেচেৰা ! মোক কান্ধত

কটিয়াই লৈ দলটোৰ সৈতে হাবিয়ে-বননিয়ে, পাহাৰে-গহ্বৰে অনাই-বনাই ফুৰিছিল। ই সদায় মোৰ সেৱা-শুশ্ৰূষা কৰিছিল। দিনত দহোকুৰিবাৰ মোক চুমা খাইছিল। শোওঁতেও মোক সাৱটি ধৰি শুইছিল। মোক ই তাৰ প্ৰাণতকৈও অধিক মৰম কৰিছিল।

সেউজীয়াটোৱে তাৰ কথাবোৰ বৰ মনোযোগেৰে কাণপাতি ৰ' লাগি শুনি আছিল।

ঃ "কিমানবাৰ যে মই ইয়াক শক্ৰৰ মুখৰ পৰা ৰক্ষা কৰা নাছিলোঁ। অসংখ্য শক্ৰক উৰুৱাই দিছিলোঁ মই। কিন্তু আজি ইয়াৰ শেষ, ৰক্ষা কৰিব নোৱাৰিলোঁ।" —সি পুনৰ শোক প্ৰকাশ কৰিলে।

ঃ "তোমাৰ শোক প্ৰকাশ কৰাৰ কাৰণটো মই বুজিব নোৱাৰিলোঁ। —সেউজীয়াটোৱে ইতিকিং কৰাৰ দৰে ক'লে —আমাৰ একমাত্ৰ কামেই হ'ল হত্যা কৰা। কিমান মাৰিলোঁ, কিয় মাৰিলোঁ, কাক মাৰিলোঁ, এইবোৰ আমাৰ বাবে অৰ্থহীন।"

ঃ "তথাপি যাৰ লগত বহুদিন ধৰি থাকিলোঁ তাৰ লগত আত্মীয় সম্বন্ধ এটা গঢ়ি উঠে। হৃদয়হীন হ'লেও ভাবিলৈ ইচ্ছা যায় আমাৰ ভিতৰতো হৃদয়ৰ দৰে কিবা এটা আছে।" —ক'লাটোৱে গুণী-গুণীৰ দৰে ক'লে।

ঃ "হেৰা ভাল বন্দুক, তুমি ভুলতে তেনেকৈ নাভাবিবা। অন্যথাই বন্দুক আৰু মানুহৰ মাজত পাৰ্থক্য ক'ত? আমি এইদৰে ভাবিলে ইহঁতে আমাৰ ওপৰত থকা বিশ্বাস হেৰুৱাই পেলাব।" —সেউজীয়াটোৱে প্ৰায় উপদেশ দিয়াৰ দৰে ক'লে কথাষাৰ।

ঃ এৰা, তুমি ঠিকেই কৈছা, আমিবোৰ কি বন্দুক, কি বোমা-বাৰুদ আমাৰ কামেই হ'ল হত্যা কৰা, নিঃশেষ কৰা। তথাপি।" —এইবুলি সি থমকি ৰ'ল যেন বৃদ্ধ এজনেহে শোকত বিহ্বল হৈ হুমুনিয়াহ কাঢ়িছে।

দুয়ো কিছুসময় নিমাত হৈ থাকিল। সিহঁতৰ ওপৰেদি নিশাচৰ অচিন চৰাই কেইটামান বিকটভাৱে চিঞৰি-চিঞৰি আঁতৰি গ'ল।

ঃ "আজিৰ এই ৰাতিটো বৰ দীঘল! যেন নাযায়-নপুৱায়।" ক'লাটোৱে মাত লগালে।

ঃ "আমাৰ দৰে নিষ্প্ৰাণ অস্ত্ৰই ৰাতি-দিন অথবা সময়ৰ দীৰ্ঘতা-হ্ৰস্বতা বিচৰাটো মূৰ্খামিৰ কথা নহয়নে?"

ঃ "হয়। তথাপি ইয়াত মানুহৰ ম'ৰাশৰ ওচৰত এইদৰে কিমাননো পৰি থাকিবা, কোৱাচোন?"

ঃ যিমান ইচ্ছা পৰি থাকা। কিহৰনো চিন্তা-ভাৱনা? যেতিয়ালৈকে ইহঁতৰ দৰে কোনোবাই আমাক তুলি নলয় তেতিয়ালৈকে আমাৰ পৰি থাকা।" —সেউজীয়াটোৱে হাঁহি মাৰি কথাখিনি ক'লে— "বাৰু মই যে তোমাক গুৰিতেই কথা এটা সুধিছিলোঁ ....."

ঃ "কেনে কথা ভাই?" —ক'লাটোৱে হাময়াই ক'লে।

ঃ "এই ৰহস্যটো জানি তোমাৰ কোনো ধৰণৰ উপকাৰ নহ'ব, বৰং চিন্তিতহে হ'বা।

ঃ "তথাপি কোৱাচোন কোৱা" —সি বৰ আগ্ৰহ প্ৰকাশ কৰিলে।

ক'লাটো চিন্তামগ্ন হ'ল। অৱশ্যে সিওঁ এই যুঁজ লগা আচল ৰহস্যটো নাজানে। কিন্তু কিবা এটাতো ক'বই লাগিব, সেই দেখি ক'লে চোৱা ইহঁতে পৰস্পৰে কিয় এনেকৈ মৰিয়া মৰি কৰিছে ইয়াৰ গূঢ় ৰহস্য মোৰো বিদিত নহয়। ইহঁতে আলোচনা-বিলোচনা কৰা শুনিছিলোঁ যে যেতিয়া আমাৰ জন্ম হোৱাই নাছিল —সৌ তাহানিতে ইহঁতে ধনু-কাঁড়, তৰোৱাল আদিৰে কটা-মৰা কৰিছিল হেনো। আজিকালি আমাক পাই ইহঁতে আৰু দুগুণ উৎসাহেৰে কটা-মৰাত লাগিছে। ইহঁতৰ দেশত হেনো কিবা গৃহ যুদ্ধৰ সূত্ৰপাত ঘটিছে। ধনী-দুখীয়াৰ মাজৰ ব্যৱধান বাঢ়িছে, শাসন কৰা সকলে শোষণ কৰিছে, দুৰ্নীতিত নামিছে, কিবা ব্যভিচাৰ-ভ্ৰষ্টাচাৰ বাঢ়িছে। সেই দেখি প্ৰাপ্য অধিকাৰৰ বাবে ইহঁত যুঁজত নামিছে। তুমি কিবা বুজিলানে মোৰ কথাবোৰ?"

ঃ "নাই, মোৰ লোহাৰ ভিতৰত তোমাৰ এটা কথাওঁ সোমোৱা নাই! অৱশ্যে মোৰ দৰকাৰো নাই। কিন্তু শুনি ভাল লাগিছে। তুমি কৈ যোৱাচোন।"

তাৰ কথা শুনি ক'লাটোৱে হাঁহিলে। ক'লে—"বুজিতো ময়ো নাপাওঁ, শুনিছিলোঁ দেখি মনত ৰোৱাখিনি কৈছোঁ। —এই ন্যায্য অধিকাৰ বিচৰাখিনিয়ে সন্ত্ৰাসবাদী নামলৈ হাবিয়ে-বননিয়ে পলাই ফুৰি ৰজাৰ সেনাৰ লগত যুঁজ-বাগৰ কৰিছে। তুমি শুনি হতবাক হ'বা যে ইহঁত দুয়ো পক্ষই কিন্তু একে ঘৰৰ লোক।"

ঃ "একেঘৰৰ মানুহে পৰস্পৰে যুঁজ-বাগৰ কৰিছে?"

ঃ "এৰা।"

ঃ "সঁচাকৈয়ে আচৰিত কথা!"

ঃ "আচৰিত হ'বলগীয়া অৱশ্যে একো নাই। ইহঁতে যুগ যুগ ধৰি এইদৰেই পৰস্পৰৰ মাজতে কটা-মৰা কৰি আহিছে। এইটো সিহঁতৰ প্ৰকৃতি ... স্বভাৱ।"

ঃ ইয়াৰ পৰা কিবা লাভ?"

ঃ "লাভ আছে দেখিহে ইহঁতে যুঁজৰ পাছত যুঁজ কৰি গৈছে, অন্যথাই ... লাভহীন কৰ্ম মানুহে কেতিয়াও নকৰে।"

ঃ "মই দেখোন ইহঁতৰ একো লাভ দেখা নাই। লাভ উপভোগ কৰা দুয়োটা পক্ষই দেখোন আমাৰ গুলি খাই মৰি থাকে। তেন্তে লাভ হ'ল ক'ত?"

ঃ "সেইটোৱেইতো আচল ৰহস্য। লাভ হ'ল কাৰ? যিজনৰ লাভ হয় সি থাকে সাত পৰ্দাৰ সিপাৰে। সি যুদ্ধও নকৰে, নমৰেও, মাত্ৰ বহি বহি মুনাফা আদায় কৰি থাকে। তাৰ কামটো হ'ল দুটা দলৰ মাজত যুদ্ধ লগাই দিয়া।

ঃ "তেনেহ'লে যুঁজ-বাগৰ কৰাবোৰ মূৰ্খ নেকি? ইহঁতৰ মস্তিষ্ক নাই নেকি? থকা হ'লে এইদৰে আত্মহত্যা নিশ্চয় নকৰিলে হেঁতেন।" সেউজীয়াটোৱে আচৰিত হৈ সুধিলে।

ঃ মূৰ্খ, এৰা মূৰ্খ বুলিয়েই ধৰা ইহঁতক মূৰ্খ সজোৱা হৈছে —দেশৰ নামত, জাতিৰ নামত অস্তিত্বৰ নামত, ধনী-দুখীয়াৰ নামত, বীৰত্বৰ নামত, ছহিদৰ নামত। অন্যথাই এইদৰে মৃত্যুবৰণ কৰাটো কিবা কৌতুক বুলি ভাবিছা নেকি?" ক'লাটোৱে ক্ষোভেৰে ক'লে।

ঃ "এৰা, তুমি ঠিকেই কৈছা । এহাতে এই মানুহবোৰে নমৰিবলৈ কত কি কি উপায় অবলম্বন কৰে অন্যহাতে মৰিবলৈ আমাৰ দৰে আধুনিক অস্ত্ৰৰ আৱিস্কাৰ কৰে, সঁচাকৈয়ে এই মানুহবোৰ ৰহস্যময় প্ৰাণী ।" সেউজীয়াটো অবাক হৈ গ'ল ।

তাৰ কথা শুনি ক'লাটোৱে হাঁহি দিলে । দুয়ো বহুপৰ মনে মনে থাকিল।

এনেতে ওচৰৰ কোনোবা গাঁৱত কুকুৰাৰ ডাক শুনা গ'ল ।

ক'লাটোৱে ক'লে— "উঃ ৰক্ষা, ৰাতি পুৱাইছে যেন পাইছোঁ ।"

ঃ "এৰা ।"

ঃ "তুমি চিন্তিত নেকি ?"

ঃ "নাই কিহৰ চিন্তা !"

ঃ "ঠিকেই, মানুহৰ কথা চিন্তা কৰি লাভ কি ! আমি হ'লোঁ বন্দুক ! অস্ত্ৰ ঃ আমাক মানুহে যিদৰে ব্যৱহাৰ কৰে সেইদৰে ব্যৱহৃত হ'বলৈ বাধ্য । কিমান মাৰিছোঁ, কাক মাৰিছোঁ, কিয় মাৰিছোঁ এইবোৰ চিন্তা নকৰাই ভাল ।

ঃ "নাই মই এনেবোৰ বাজে কথা চিন্তা নকৰোঁ । মানুহৰ লগত মোৰ সম্বন্ধ —মই তাৰ অস্ত্ৰ ! মাৰিবলৈ পালে মই ভালেই পাওঁ ।"

এনেতে সিহঁতে বুট জোতাৰ শব্দ শুনিবলৈ পালে । যেন এচাম সৈনিক সিহঁতৰ পিনে দ্ৰুত গতিৰে আহি আছে ।

তাকে দেখি ক'লাটোৱে বিজ্ঞৰ দৰে ক'লে— "সৌৱা, কোনোবা বেগেৰে আমাৰ পিনে আহিছে । ইহঁতে, দুয়োটাকে তুলি লৈ যাব । আমাৰ এৰা-এৰি হ'বৰ হ'ল ।"

ঃ "ইহঁতৰ বা কোন শত্ৰু কোন মিত্ৰ ?"

ঃ আমাৰ বাবে শত্ৰু-মিত্ৰ দুয়ো সমান । শত্ৰু-মিত্ৰ মানুহৰহে থাকে । বাৰু যদি একেলগে থাকো, তেন্তে আকৌ কথা পাতিম । এতিয়া বিদায়হে !"

ঃ "বিদায় ।"

বুটৰ শব্দ আহি সিহঁতৰ ওচৰত থমকি ৰ'ল । মানুহৰ হাত কেইখনে হেৰোৱা মূল্যবান মাণিক বিচাৰি পোৱাৰ দৰে বন্দুক দুটাক আলফুলকৈ মাটিৰ পৰা তুলি ল'লে । আৰু সিহঁত দুটা মানুহৰ কান্ধত বহি দ্ৰুত গতিৰে তাৰপৰা আঁতৰি যাবলৈ ধৰিলে । বন্দুক দুটাই সেই ব্ৰহ্মমুহূৰ্তৰ পোহৰত দেখিবলৈ পালে — যুঁজাৰু মানুহৰ মৰাশ দুটা অলাগতিয়াল বস্তুৰ দৰে তাতেই পৰি আছে ।



গল্প

# পিংকী

*জাহিদুল ইছলাম*
স্নাতক ১ম বৰ্ষ

"হয় । ছোৱালীজনী ঠিক পিংকীৰ দৰেই । মুখৰ গঠন, গাৰ ৰং সকলো একেই । মাথোন ছোৱালীজনীৰ বাওঁ চকুৰ তলফালে এটা সৰু ক'লা দাগ আছে। পাৰ্থক্য ইমানেই।" গুৱাহাটীৰ পৰা ঘৰ অভিমুখী বাছ এখনত লগ পোৱা মোৰ কাষৰ চিটটোত বহা ছোৱালী এজনীক দেখি ভাবিলোঁ আমাৰ পিংকীও জীয়াই থকা হ'লে ইমানখিনিয়েই হ'লহেঁতেন। কিন্তু তাই আজি নাই। তাই ভাৰতীয় প্ৰশাসনৰ নৰ-পিশাচ সৈন্য কিছুমানৰ হাতত ধৰ্ষিতা হৈ মৃত্যুক আঁকোৱালিব লগা হ'ল । মোৰ চকু চলচলীয়া হ'ল । মোৰ চকুৰ আগত ভাঁহি উঠিল পিংকীৰ মিঠা মুখখন ।

পিংকী মোৰ একমাত্ৰ ভণ্টী আছিল । একমাত্ৰ হোৱা হেতুকে আমি সকলোৱে তাইক খুউব মৰম কৰিছিলো । স্কুলত থকা সময়খিনিৰ বাবে প্ৰায় সকলো সময়তেই তাই মোৰ লগতে আছিল । পঢ়া-শুনা কৰা, খোৱা-লোৱা কৰা, সন্ধিয়া ফুৰিবলৈ যোৱা আনকি মই কলেজলৈ যাওঁতেও তাই তাইৰ স্কুললৈকে মোৰ লগতে গৈছিল । তাই দশমমান শ্ৰেণীত পঢ়ি আছিল । পঢ়াত বৰ বেয়া নাছিল । তথাপিও এক চান্সত মেট্ৰিক পাছ কৰিব পাৰিলেহেঁতেন ।

এদিনৰ কথা মনত পৰিলে এতিয়াও মোৰ বেয়া লাগে । তেতিয়া তাই সপ্তমমান নে অষ্টমমান শ্ৰেণীত পঢ়ে ঠিক মনত নাই । সিদিনা দেওবাৰ

আছিল। আমি কেইটামানে সিদিনা চিনেমা চোৱাৰ প্ৰ'গ্ৰেম কৰি থৈছিলোঁ। প্ৰথম দৰ্শনী চাম। যথা সময়ত মোক ঘৰৰ পৰা ওলোৱা দেখি তাই ক'ৰবাৰ পৰা আহি ক'লে— "দাদা, ময়ো যাম তহঁতৰ লগত।"

মই সুধিলো— "ক'ত যাবি ?"

তাই ক'লে— "চিনেমা চাবলৈ। মোকো নিব লাগিব।"

মই মিছাকৈ ক'লো— "চিনেমা চাবলৈ নাযাওঁ নহয়। ৰুবুলক লগত লৈ বন্ধু এজনৰ তালৈকেহে যাম।"

তাই ক'লে— "মই নাজানো বুলি ভাবিছনেকি ? তই, ৰুবুল আৰু বুবুলে যাবি নহয়। মোক বুবুলে কৈছে। ময়ো যাম কিন্তু।"

মই ক'লো— "মই কিন্তু লৈ যাব নোৱাৰিম। সকলো সময়তেই তোক লগত লৈ ফুৰিব লাগিব নে ?"

এই বুলি মই কিবা এটা বিচাৰি থাকোতে তাই একেবাৰে সাজি-কাচি ওলাই আহিল। মোৰ বিৰাট খং উঠিল। ঠাচ্ ঠাচ্‌কৈ দুটামান চৰ সোধাই গুচি আহিলো।

চিনেমা চাই আহি মাক সুধিলো— "মা পিংকী শুলে নেকি ?"

মায়ে ক'লে— "তই যোৱাৰে পৰা কান্দি কান্দি টোপনি গৈছে কেবাবাৰো মাতিলো, নুঠিল।" মোৰ বেয়া লাগি গ'ল। "তাইক নিলেওতো মোৰ বিশেষ কোনো অসুবিধা নহ'ল হেতেন।" মই ভাবিলো। ভাবি ভাবি তাইৰ কাষ পালোঁ। টোপনিতো তাই উচুপি আছিল। কেবাবাৰো মতাৰ পিছত সাৰ পালে। সম্মুখত মোক দেখি মোৰফালে পিঠি দিহে শুলে। বহুত বুজালো উঠিবলৈ। ভাত খাবলৈ। কাম নহ'ল। "কালিয়েই তোক চিনেমা চাবলৈ লৈ যাম। উঠ এতিয়া।" মই ক'লো। তথাপি কাম নহ'ল। মই যেতিয়া ক'লো তই নুঠিলে বা ভাত নাখালে ময়ো আজি ভাত নাখাওঁ তেতিয়া তাই উঠিল। আমি একেলগে খোৱা-লোৱা কৰি নিজৰ নিজৰ শোৱা কোঠাত গ'লো। পিছদিনা তাইক লগত লৈ চিনেমা চালো। সেইদিনাৰ পিছৰ পৰা তাইৰ মৃত্যুৰ দিনলৈকে প্ৰায়ে তাইক লগত লৈয়ে ফুৰিছিলোঁ।

যোৱা একত্ৰিশ ডিচেম্বৰ। যিটো দিনত তাই বলি হৈছিল সেনাৰ হাতত। সেইদিনা মই পুৱা নটা বজাত চাকৰি এটাৰ বাবে ইণ্টাৰভিউ দিবলৈ গৈছিলোঁ। ঘৰ পাওঁতে পাওঁতে সন্ধিয়া প্ৰায় সাতটা মান হৈছিল। অইন দিনা কৰবাৰ পৰা আহিলে তাই দৌৰি আহিছিল মোৰ কাষলৈ। "আজি এতিয়ালৈ নাহিল কাৰণ কি ?" মই ভাবিলো। ভাবি চিন্তি কাপোৰবোৰ সলাই মুখ-হাত ধুই মাক সুধিলো— "মা পিংকী ক'ত গৈছে।" মায়ে ক'লে— "আবেলি লিপিকা আহিছিল, তাৰ লগত গৈছে। তই ভাত খাই যাচোন লিপিকাহঁতৰ ঘৰলৈ খবৰ এটাকে লৈ আহ।" মই একো নকলো। ভাত খাই উঠি টৰ্চটো লৈ ৰুবুলক লগত লৈ লিপিকাহঁতৰ ঘৰলৈ গ'লো। লিপিকাহঁতৰ ঘৰৰ পৰা গম পালো যে সিহঁত দুটা সন্ধিয়াৰ আগে আগে গ্ৰিটিংছ কিনিবলৈ টাউনলৈ ওলাই গৈছে। আমি দুয়ো টাউনলৈ গ'লো। বহুত বিচাৰিলো কিন্তু বিচাৰি নাপালো। ঘৰলৈ গ'লো। তেতিয়াও যোৱা নাই। আকৌ গ'লো লিপিকাহঁতৰ তালৈ। নাই তাতো নাই। আমাৰ দুয়ো ঘৰৰ মানুহৰ মনত হাঁহাকাৰ লাগিল। সিহঁতে যাব পৰা সম্ভাব্য সকলো ঠাইতেই গ'লো। বিফলে ঘূৰি আহিব লগা হ'ল সকলো ঠাইৰ পৰা। আমাৰ চিন্তা আৰু বাঢ়িল। আৰু কেইটামান মুহূৰ্তৰ পিছত নতুন বছৰে ভুমুকি মাৰিব এবছৰলৈ। আমাৰ দুয়ো ঘৰৰ মানুহৰ মনৰ পৰা নৱবৰ্ষৰ চিন্তা গুচি সিহঁত দুটাৰ নিৰুদ্দেশৰ দুঃচিন্তাই আৱৰি ধৰিলে। এনেতে চাৰিওফালৰ পৰা আতচ্‌বাজিৰ শব্দ ভাঁহি আহিল। তাৰমানে নৱবৰ্ষই পাতনি মেলিলে। পুৱতি নিশালৈকে বিচাৰি নাপাই নিৰাশ মনেৰে আমি ঘৰলৈ উভতিলো।

পিছদিনা অৰ্থাৎ প্ৰথম জানুৱাৰীত আকৌ আৰম্ভ কৰিলো সিহঁতৰ সন্ধান। বেছি দুৰ যাবলগা নহ'ল। আমি গৈ তিনি আলি পালোঁ। ঠাইখিনি প্ৰায় সকলো সময়তেই এন্ধাৰ হৈ থাকে। তাত কিছুমান সৰু সৰু গছ আছিল। হঠাৎ সেই ঠাইৰ পৰা এটা কন্দাৰ শব্দ পালোঁ। প্ৰায় দৌৰি গ'লোঁ। দূৰৈৰ পৰা দেখা অৰ্ধনগ্ন অৱস্থাত পৰি আছে দুটা দেহ। মোৰ বুকুখন চিৰিংকৈ গ'ল। ওচৰত গৈ দেখো এফালে পিংকী আনফালে লিপিকা পৰি আছে। সিহঁতৰ গাৰ কাপোৰ ঠিক কৰি দি ৰুবুলৰ হতুৱাই পুলিচক খবৰ দিয়ালোঁ। মই চকুৰে আন্ধাৰ দেখিব ধৰিলোঁ। যথা সময়ত পুলিচ আহি সিহঁতক লৈ গ'ল। মই আৰু ৰুবুলো গ'লোঁ।

"বেগাই ব'ল এজনীৰ নাড়ীৰ স্পন্দন আছে।" পুলিচ অফিচাৰজনে ক'লে। তীব্ৰ বেগেৰে গৈ আমি হস্পিতাল পালো। লিপিকাক চিকিৎসাৰ বাবে আৰু পিংকীক প'ষ্টমৰ্টেমৰ বাবে পঠোৱা হ'ল। প'ষ্টমৰ্টেম ৰিৰ্পোট আহিল। পিংকীক ধৰ্ষণ কৰোৱা হৈছে। কিছুসময় পিছত লিপিকাৰো জ্ঞান ঘূৰি আহিল। পুলিচে সোধাত তাই বৰ কষ্টৰে ক'লে— "আমি পিংকীহঁতৰ ঘৰলৈ গৈ আছিলো। তিনি আলিত থকা কেইজনমান আৰ্মিয়ে আমাৰ মুখত কাপোৰ দি টানি লৈ গৈছিল। তাৰ পাছত আৰু নাজানো।" হস্পিতাল কৰ্তৃপক্ষই আমাক পিংকীৰ মৃত দেহটো দিলে। এনেকৈ নতুন বছৰে আমালৈ কঢ়িয়াই আনিলে চকুপানী।

যিকি নহওক তাইৰ অন্তিম সৎকাৰ কৰা হ'ল। মোৰ প্ৰতিশোধ ল'বৰ মন গ'ল। কিন্তু কাৰ ওপৰত....। বিচাৰ ... কোনে দিব আমাক সুবিচাৰ কৰি। পিছদিনা এই ঘটনাৰ সবিশেষ কাকততত প্ৰকাশ পালে। বহু ব্যক্তি, সংগঠনে এই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে। দোষীক উপযুক্ত শাস্তি বিহিবলৈ চৰকাৰলৈ দাবী জনাইছে, ইত্যাদি।

কিন্তু আজিলৈকে ইয়াৰ সুবিচাৰ নাপালোঁ। আৰু আগলৈ হয়তো নাপামগৈ। মায়ো ভগৱানক প্ৰাৰ্থনা কৰে— আৰু কোনেও যাতে পিংকী, লিপিকাহঁতৰ দৰে ধৰ্ষিতা নহয়।

ছোৱালীজনীৰ সৈতে পৰিচয় হ'বলৈ মোৰ খুউব ইচ্ছা হ'ল। "ভ-ন-টী" বুলি কৈ ঘুৰি চাই দেখো ছোৱালীজনী নাই। তাৰ ঠাইত বহি আছে এজন যুৱক। তাৰমানে ছোৱালীজনী ক'ৰবাত নামিল। মই গমকে নাপালোঁ।

# শৰবিদ্ধ বিহংগ কম্পন

*মিচ্ নুৰেদা আখতাৰা খানম*
স্নাতক ২য় বাৰ্ষিক

বিৰাজ কৰিছে মাথোন এটি বিভীষিকাময় নিস্তব্ধ পৰিৱেশ। চাৰিওফালে শূণ্যতা আৰু শূণ্যতা। সকলো থাকিও যেন একোকে নাই। যিফালে চোৱা হয় সেইফালেই চোন প্ৰহেলিকা! প্ৰহেলিকা!!

যিমানেই ৰাতি গভীৰ হৈ আছে সিমানেই বৰ্ষাৰ মনটোৱেও গতি কৰে গভীৰৰ পৰা গভীৰতলৈ। জোনাকীৰ ৰূপোৱালী ৰংবোৰ আজিকালি তাইৰ ভাল নালাগে। এই ৰংবোৰ, ইমান ধুনীয়া পোহৰবোৰ যে এটি বাস্তৱ, তাই ভাবিবই নোৱাৰে। তাইৰ বাবে সেইবোৰ কল্পনাৰ উৰ্ধত। বাস্তৱ জানো ইমান সুন্দৰ হ'ব পাৰে? তাইৰ জীৱনটো জানো বাস্তৱ নহয়? তেনেহলে ইমান আন্ধাৰ কিয়? নাই, তাই আৰু ভাবিব নোৱাৰে। চকু পানীবোৰ নদীৰ স্ৰোত হৈ বাগৰি আহে চকুৱেদি।



এটি মিঠা লগা জোনাক ৰাতিতেই তাইৰ জীৱনলৈ আহিছিল সেই ভাল লগা খবৰটো। যিটো খবৰে তাইৰ আউললগা জীৱনটোৰ জঁটবোৰ ভাঙিছিল। আগফালৰ চোতালত দুবৰিডৰাৰ ওপৰত বহি কিবা-কিবি কথাবোৰ ভাবি আছিল বৰ্ষাই। এনেতে ক্ৰিং ক্ৰিং কৈ বাজি উঠিল ফোনটো। ৰিছিভাৰটো তুলি ললে তাই। মৃণালৰ ফোন। মৃণালে আত্মসমৰ্পণ কৰিছে। আনন্দত তাই সেইদিনা আত্মহাৰা হৈ গৈছিল। মা, মা বুলি পাগঘৰলৈ দৌৰ দিছিল তাই। এজনী সৰু ছোৱালীৰ দৰে।

"কি হ'ল বৰ্ষা? ইমান যে উধাতু খাই আহিছ?"

"জানা মা, মৃণালে আত্মসমৰ্পণ কৰিলে।"

"মৃণালে আত্মসমৰ্পণ!'

পিছ দিনাখন কাহিনি পুৱাতে উঠি গা-পা ধুই গোঁসাই ঘৰত সকলোৰে মংগল চিন্তি এগছি চাকি দিলে তাই। মাক-দেউতাক, বায়েক-ককায়েক সকলোৱে আনন্দিত হৈছিল তাইৰ পৰিবৰ্তন দেখি। আচৰিত নোহোৱাকৈও থকা নাছিল কোনোৱে। তাইৰ আন্ধাৰময় জীৱনটোৱো যে এটি পুৱা আছিল কোনোৱে ভবা নাছিল। তায়োতো ভবা নাছিল?

এটা সময়ত সংগঠনৰ প্ৰতি মৃণালৰ অপাৰ দুৰ্বলতা আছিল। সংগঠনৰ সকলো কামেই তাৰ ভাল লাগিছিল। আৰু অৱশেষত ভৰ্তি হৈছিল সংগঠনত। 'দূৰৈৰ পাহাৰ দেখিবলৈ বৰ শুৱনি।' কথাফাঁকিৰ সত্যতা কোনো গুণেই কম নহয়। সংগঠনত ভৰ্তি হোৱাৰ পিছতহে সি তাৰ আচল সত্যটো দেখা পাইছিল। কি বিভীষিকাময়? ক'তো যেন সিহঁতৰ বাবে নিৰাপদ আশ্ৰয় নাই। পিছে পিছে খেদি ফুৰে মৃত্যুৰ ছাঁয়াই আগত দৌৰে হাজাৰ বিজাৰ মৰীচিকা।

সম্পূৰ্ণ পাঁচটা বছৰৰ মূৰত মৃণালে আত্মসমৰ্পণ কৰিলে চৰকাৰৰ ওচৰত। প্ৰথমে তাৰ সংগঠনৰ ওপৰত আস্থা আছিল। কিন্তু যেতিয়া হেৰাই গৈছিল তেতিয়া আঁতৰি আহিছিল এটি ভৱিষ্যতহীন ভৱিষ্যত লৈ। অৱশ্যে চৰকাৰী মোটা টকাৰ বাণ্ডিল ল'বলৈ লালায়িত হৈ নহয়।

প্ৰথমে মৃণালে বৰ্ষাক বিয়া কৰাবলৈ অমান্তি হৈছিল। তাৰ মৃত্যুৱে আহ্বান কৰি থকা জীৱনটোলৈ বৰ্ষাক নিবলৈ ভয় হৈছিল। কিন্তু বৰ্ষা অচল-অটল। তাইৰ জীৱন গঢ়িছে মাথোন মৃণালৰ বাবে। মৃণাল অবিহনে তাইৰ জীৱন অন্ধকাৰ। তাইতো সংকল্পবদ্ধ হৈছিলেই। পোহৰলৈ আৰু কেতিয়াও নাহো বুলি। কিন্তু সকলোবোৰ খেলি-মেলি হৈ গ'ল। সংকল্পৰ বান্ধ সোলকি গ'ল। এতিয়া তাই সকলো বিপদ মূৰ পাতি ল'বলৈ প্ৰস্তুত।

এদিন দুয়োৰে বিয়া হৈ গৈছিল। মৃণাল কিমান সুখী হৈছিল তাই নাজানে। কিন্তু বৰ্ষা! সেই সময়ত তাইৰ সমান সুখী যেন কোনোৱে নাছিল। দুখন ভগা হৃদয় আকৌ জোৰা লাগিছে। কাৰবাৰু নালাগিব ভাল? এনেকৈয়ে পাতনি মেলিছিল সিহঁতৰ যুগ্ম-জীৱনৰ।

জোনাক ৰাতি প্ৰায়েই সিহঁতে চোতালত বহে। বেছি কথা নাপাতে। দুয়ো বিচৰণ কৰে দুখন বেলেগ বেলেগ কল্পনা ৰাজ্যত। বৰ্ষাই টানি দিয়ে

কল্পনাৰ পাখিলগা ঘোঁৰাৰ লেকাম । পাৰ হয় এনেকৈয়ে বহুতো মৌন সময় । হঠাৎ মৌনতা ভংগ কৰি মৃণালে প্ৰশ্ন কৰে—

"বৰ্ষা, আমিযে বহি আছো এই জোনাকৰ তলত, এয়া বাৰু বাস্তৱনে ? বাস্তৱ জানো ইমান সুন্দৰ ?"

"বাস্তৱৰ সুন্দৰতায়েটো চিৰ সুন্দৰ মৃণাল । সপোনৰ সুন্দৰতা এই আছে, এই নাই ।"

আৰু এদিন এনেকুৱা এটি জোনাক ৰাতিতেই আহিছিল তাইৰ জীৱনলৈ সেই খবৰটো । তাই মৃণালৰ কাৰণে অপেক্ষা কৰি বহি আছিল বাহিৰত । ইমান পলমকৈ মৃণাল কেতিয়াও ঘৰলৈ নাহে । আজি কিয় অহা নাই ? অজান আশংকাত তাইৰ হৃদয়খন কঁপি উঠিল । হঠাৎ ক্ৰিং, ক্ৰিং, কৈ আৰ্তনাদ কৰি ফোনটো বাজি উঠিল । ভিতৰলৈ দৌৰি গৈ ৰিছিভাৰটো তুলি ললে । মৃণালৰ বন্ধু জীৱনে ফোন ৰিছে । কোনোবা বন্দুকধাৰীয়ে মৃণালক হত্যা কৰি চহৰৰ মাজমজিয়াত মৃতদেহটো পেলাই থৈ গৈছে ।

তাৰ পিছত বৰ্ষাই আৰু ক'ব নোৱাৰে । যেতিয়া জ্ঞান আহিছিল তেতিয়া তাই একোকে ধৰিব পৰা নাছিল । ইমান মানুহ কিয় ? কোনে কান্দিছে ইমানকৈ ? চোতালত বগা কাপোৰেৰে ঢাকি থোৱা মৃতদেহটো দেখা পালে তেতিয়াহে তাইৰ সম্পূৰ্ণ জ্ঞান ঘূৰি আহিল । দৌৰ দিলে তাই চোতাললৈ । কোনোবা এজনে আহি তাইক টানি ধৰিলে আৰু ওচৰলৈ লৈ গৈ মচি দিলে তাইৰ শিৰৰ সেন্দুৰ মৃণালৰ ভৰিৰ বুঢ়া আঙুলিৰে । কোনোবাই মৃণালৰ মুখৰ কাপোৰ আঁতৰাই দিলে । সৰ্বশৰীৰ কঁপি উঠিল বৰ্ষাৰ । কোনে মাৰিলে তাইৰ মৃণালক ? কোনে ক্ষত-বিক্ষত কৰিলে ইমান ধুনীয়া মুখখন? কোনে বহুৱালে ইমান মৰমীয়াল হৃদয়খনত মৰণাস্ত্ৰৰ আঘাত ? কোন সেই হৃদয়হীন ? ক্ষোভত তাইৰ কঁপি উঠিল গোটেই শৰীৰ । ধিক্কাৰ দিলে তাই মৰণাস্ত্ৰৰ জন্মদাতাক । "কিয় দিছিলা জন্ম এই মমতাহীন মৰণাস্ত্ৰক । কিয় কাঢ়ি নিলে মোৰ শিৰৰ সেন্দুৰ ?" বৰ্ষাই কান্দিব পৰা নাই । তাতেই আকৌ মূৰ্চ্ছা গ'ল তাই ।

"আই অ' বৰ্ষা, কিয় ইমান ৰাতিলৈ অকলে অকলে বাহিৰত বহি আছ । আহ ভিতৰলৈ আহ ।"

শাহুৱেকৰ মাতত হে তাই বাস্তৱ জগতখনলৈ ঘূৰি আহিল । আচলেৰে মচি ললে তেজৰঙা চকুলোবোৰ । ঘৰৰ ভিতৰলৈ সোমাই গ'ল নিঃশব্দে । য'ত বিৰাজ কৰে সদায় শূণ্যতাই !

গল্প

# বন্ধুত্ব ০০০

শ্ৰীভূচিত্ৰা শৰ্ম্মা
স্নাতক ২য় বাৰ্ষিক

ক্ৰিং ক্ৰিং ক্ৰিং....

বাহিৰত চাইকেলৰ ক্ৰিং ক্ৰিং শব্দ শুনি বৰষা ওলাই আহিল কোন আহিছে চাবলৈ । পদূলীৰ মূৰত পিয়নজনক দেখিয়েই বৰষাৰ মনটো খুউব ভাল লাগি গ'ল । বহুদিন বৰষাৰ ককায়েকৰ চিঠি অহা নাই । সেয়েহে বৰষাৰ লগতে ঘৰৰ সকলোৰে কিছু চিন্তাই লাগিছিল । কিয় অহা নাই চিঠি .... ? যি নহওক পিয়নজনে নিশ্চয় ককায়েকৰ চিঠিয়েই আনিছে ।

সাতামপুৰুষীয়া পিয়নজনে বৰষাৰ হাতত চিঠি এখন দিয়েই তাৰ বুঢ়া চাইকেল খনেৰে ঘেৰ্-ঘেৰ শব্দ কৰি গুচি গ'ল । হয়তো সি আন এঘৰৰ পদূলীমুখত আকৌ এনেদৰে ক্ৰিং ক্ৰিং শব্দ কৰিব লাগিবগৈ । কোনোবাই কাৰোবালৈ পঠোৱা মৰম-চেনেহবোৰ তাৰ মোনাটিৰ ভিতৰত থকা চিঠি জাপৰ জৰিয়তে বিলাব লাগিবগৈ । ৰ'দলৈ তাৰ সেয়েহে অকণো সময় নাই । চিঠিখন হাতত লৈ বৰষা ভিতৰলৈ গ'ল আৰু ককায়েক ভালে আছেনে জানিবলৈ ইমান দূৰ বাটত বিপদ বিঘিনী নোহোৱাকৈ কঢ়িয়াই আনি তাইৰ হাতত নিৰাপদে তুলি দিয়া খামটো ফালি পেলাবলৈ আনি তাইৰ হাতত নিৰাপদে তুলি দিয়া খামটো ফালি পেলাবলৈ উদ্যত হ'ল । ভোকাতুৰ সিংহৰ আগত পৰা শহা পোৱালীৰ অসহায় দৃষ্টিৰে দুৰ্ভগীয়া খামটোৱে কাতৰ ভাৱে শেষবাৰৰ বাবে বৰষাৰ মুখলৈ চাই ল'লে ।

কিন্তু হঠাতে বৰষাৰ হাত দুখন স্থবিৰ হৈ গ'ল । মানে স্থবিৰ হ'বলৈ হাত দুখনক বৰষাই বাধ্য কৰালে । হঠাতে তাই দেখিবলৈ পালে চিঠিখন তাইৰ ককায়েকৰ নহয় । প্ৰেৰকজন কোনোবা এম. বৰুৱা । নিৰৱে এবাৰ ভাবিলে কোন এই এম বৰুৱা ! এম বৰুৱা নামৰ কোনো ব্যক্তিকেইটো তাই

চিনি নাপায় । অথচ চিঠিখন সম্পূৰ্ণ তাইৰ ঠিকনাত আৰু শুদ্ধ ঠিকনাত অহা । কোনে দিছে বাৰু চিঠিখন ! কি লিখিছে তাত ? বেইমানী চিঠি নহয়তো ? দেহ-মনত এক অবুজ শিহৰণ জাগি উঠিল তাইৰ । চিঠিখনৰ বিষয়ে বিতং তথ্য আৱিষ্কাৰৰ হেঁপাহত এফালৰ পৰা চিঠিখন পঢ়িবলৈ ধৰিলে—

মৰমৰ

বৰষা,

মৰম ল'বা । চিঠিখন পাই চাগে অলপ আচৰিত হ'বা । কিন্তু যদি সেই চিনাকীৰ মুহূৰ্তটি মনত পৰে তেনেহলে নিশ্চয় বৰ ভাল লাগিব । তুমি তোমাৰ ভাগিনৰ সতে আৰু মই মোৰ মামাৰ সতে দুয়োফালৰ পৰা দুয়োফালে বিয়া খাবলৈ আহোতে ৰাস্তাত যে চিনাকী হৈছিলো, সেই চিনাকীৰ ভাগিন (মণিময়ে) চিঠিখন লিখিলোঁ । জীৱনত এক অভূতপূৰ্ব আনন্দ পালো সেই দিনা, আৰু যদি 'বন্ধুত্ব' জীয়াই ৰাখা তেনেহলে আজীৱন আমাৰ এই বন্ধুত্ব থাকিব । তোমাৰ ঠিকনাটি মামাই যোগাৰ কৰি দিয়াত চিঠিখন লিখিলো । অ' মোৰ ঘৰৰ চিনাকী দিওঁ বৰা —মা আছে, দেউতা নাই, দাদা এজন আৰু ভাইটি দুজন । এয়েই আমাৰ পৰিয়াল । তোমাৰ খবৰ আৰু পৰিয়ালৰ চা-চিনাকী দি মোলৈ চিঠি দিবা । অ' আমি যে সিদিনাখন ৰাস্তাত চিনাকী হৈছিলো তুমি সেই কথা ঘৰত কৈছানে ? বৰষা, মই অহা পহিলা আগষ্টৰ পৰা তোমালোকৰ ওচৰৰ কাহিকুঁচি কলেজত প্ৰবক্তা হিচাবে জইন কৰিম । তুমি তাত খবৰ কৰিব পাৰা । বি. নাই । শেষত তোমালৈ মৰমেৰে এৰিছোঁ ।

ইতি—

তোমাৰ

'মণিময়'

'জাপৰি'

অপ্ৰত্যাশিতভাবে পোৱা চিঠিখনে আচৰিত কৰি তুলিলে বৰষাক । তাইৰ মনত পৰিল প্ৰায় সাত-আঠ মাহমান আগতে এদিন বান্ধৱী এজনীৰ বিয়া খাবলৈ যাওঁতে ৰাস্তাত একপ্ৰকাৰ নাটকীয় ভাৱেই চিনাকী হৈছিল ল'ৰা দুজনৰ সৈতে । কিন্তু এইদৰে চিঠি আদান-প্ৰদান কৰাৰ কথাতো কোৱা হোৱা নাছিল । ল'ৰা দুজনে তাইৰ ঠিকনা ক'ত পালে চিঠি দিবলৈ ! অৱশ্যে তাইৰ পৰিচয় দিওঁতে তাইৰ নামৰ লগতে গাওঁখনৰ নামো তাই কৈছিল ।

বৰষাই সিদিনাৰ চিনাকীৰ মুহূৰ্তটি মনত পেলাই বৰ ৰোমাঞ্চ অনুভৱ কৰিলে.। ..... জেঠ মাহৰ ভৰ দুপৰীয়া ; মুৰৰ ওপৰত খাওঁ খাওঁ মূৰ্ত্তিৰে সূৰ্য্য দেৱতাৰ অৱস্থান । তাইৰ লগত কাণসমনীয়া ভাগিনীয়েক কল্পনা । বাছ ষ্টপেজলৈ প্ৰায় ডেৰমাইল বাট খোজ কাঢ়ি গৈ থাকোতে সন্মুখৰফালে বৰষাই লক্ষ্য কৰিছিল দুজন চাইকেলাৰোহী ল'ৰা । লক্ষ্যস্থান সিহঁতৰ বিপৰীত দিশে । ভৰ দুপৰীয়াৰ জয়াল পৰিৱেশৰ সেৰেঙা ৰাস্তাটিত দুজন ল'ৰাক অকলশৰে দেখা পোৱা সত্বেও কিন্তু সেইদিনা বৰষাহঁতৰ মনত ভয়ৰ উদ্বেগ হোৱা নাছিল । সন্দেহো হোৱা নাছিল দুজনীকৈ গাভৰু ছোৱালীক অকলশৰে পাই কিবা অশ্লীল ইংগিত কৰিব পাৰে বুলি । তাৰ পৰিবৰ্তে বৰষাৰ মনত ল'ৰা দুজনৰ প্ৰতি কিবা এক চিনাকীৰ ভাৱহে উদয় হৈছিল । এই ক্ষেত্ৰত কল্পনায়ো ইতিবাচক সহাঁৰি জনাইছিল । ল'ৰা দুজনে বৰষাহঁতৰ পিনে চাই চাই সিহঁতৰ ভিতৰতে কিবা এটা কৈ অলপ হাঁহিছিল । কি কৈছিল বৰষাই কিন্তু শুনা নাছিল । বুজি পোৱা নাছিল সিহঁতৰ হাঁহিৰ অৰ্থ । মাথো তাই ভাবিছিল ল'ৰা দুজনক আগতে তাই চিনি পাইছিল ; কিন্তু এতিয়া কোন পাহৰিছে আৰু তাইক চিনিব পাৰি ল'ৰা দুজনে তাইক কিবা কৈছে । নিৰুপায় হৈ তাই ল'ৰা দুজনক মাত দিবলৈ বাধ্য হৈছিল ।

ইফালে ল'ৰা দুজনৰ বাবে বৰষাহঁত একেবাৰে অচিনাকী আছিল যদিও বৰষাৰ মাতক সঁহাৰি জনাবলৈ সিহঁত বাধ্য হৈ পৰিছিল । সিহঁতৰ মাজত চিনাকীৰ আদান-প্ৰদান হৈছিল । খুউব ভদ্ৰতা আৰু নম্ৰতাৰ প্ৰকাশ পাইছিল সেই চিনাকী পৰ্বটিত । চিনাকী হোৱাৰ পিছত গম পোৱা গৈছিল বৰষা-কল্পনাৰ মাজত থকা মাহী-ভাগিন সম্বন্ধৰ দৰে সেই অচিনাকী ল'ৰা দুজনৰ সম্বন্ধও মামাক-ভাগিনিয়েক । দুয়োপক্ষৰ মাজত সম্বন্ধ আৰু উদ্দেশ্য একে হোৱা কথাটোৱে সেইদিনা সিহঁতৰ চিনাকী পৰ্বটি অধিক ৰোমাঞ্চিত কৰি তুলিবলৈ সক্ষম হৈছিল ।

সময়ৰ সোঁতত সেইদিনাৰ ক্ষন্তেকীয়া ৰোমাঞ্চবোৰ হেৰাই গৈছিল বৰষাৰ মনৰ পৰা । বাকী কেইজনেও হেৰুৱাৰ বুলিয়েই ভাবিছিল বৰষাই । কিন্তু তাইৰ ভাৱনা ভুল বুলি প্ৰমাণ কৰি দেখুৱালে চিঠিখনে । চিঠিখনে সেইদিনাৰ চিনাকীৰ মুহূৰ্তটি সজীৱ কৰি তুলিলে বৰষাৰ মানস পটত । গভীৰ আনন্দাবেগত বৰষাৰ চকুহাল সিক্ত হৈ উঠিল । চিঠিখনৰ প্ৰতিটো শব্দই প্ৰতিটো বাক্যই তাইৰ মনত কিবা এটা সাঁচ বহুৱাই থৈ গ'ল । চিনাকীৰ সেই 'ভাগিন'জনে বিচৰাৰ দৰে তায়ো এতিয়া বিচাৰিছে সিহঁতৰ মাজত আজীৱন বন্ধুত্ব জীয়াই ৰাখিবলৈ । কিন্তু কেনেকৈ ? ঠিকনা বিহীন পত্ৰ-প্ৰেৰক এজনৰ লগত কেনেকৈ তাই বন্ধুত্ব জীয়াই ৰাখিব ? যিকোনো প্ৰকাৰেই বৰষাই 'বন্ধুত্ব' জীয়াই ৰাখিবলৈ দৃঢ় সংকল্পিত হ'ল । লগে লগে বৰষাই সেই বন্ধুত্ব পিয়াসী পত্ৰপ্ৰেৰকজনৰ চিঠিৰ উত্তৰ লিখিবলৈ কাগজ-কলম গোটাই ল'লে ।

শ্ৰদ্ধাৰ

মণিময় দা,

মোৰ নমস্কাৰ গ্ৰহণ কৰিব । আপুনি ভবাৰ দৰেই আপোনাৰ চিঠিখন পাই আচৰিত হৈছো । কিন্তু তাতোধিক আচৰিত হ'লো আপুনি আগবঢ়োৱা 'প্ৰস্তাব'টিত । 'বন্ধুত্ব' শব্দটি ইমান সাধাৰণ শব্দ নহয় যে ইয়াক যিয়ে য'তেই মন যায় তাতেই অনায়াসে ব্যৱহাৰ কৰিব পাৰিব । আচলতে বন্ধুত্ব এনে এক মহান শব্দ ; যাৰ আচল মানে প্ৰকৃত অৰ্থ কেৱল বুজোতাইহে বুজে ।

মণিময় দা, আপুনি আগবঢ়োৱা প্ৰস্তাৱটিত মই যিমানেই সুখী হৈছো তাতোধিক হৈছো চিন্তান্বিত । ই জানো মোৰ বাবে সম্ভৱ ! ক'ত আপুনি আৰু ক'ত মই ! আপুনি এজন অধ্যাপক আৰু মই এজনী সাধাৰণ ছোৱালী । আপোনাৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ হোৱাটো মোৰ বাবে বাম দৰীয়ে ডিঙিত সোণৰ হাৰ পিন্ধিব খোজাৰ দৰে নহ'ব জানো ? অৱশ্যে বন্ধুত্বৰ ক্ষেত্ৰত যে বয়স তথা অৰ্হতাৰ মানদণ্ডৰ আয়োজন নাই সেইটো মই জানো । তথাপি আজিৰ এই প্ৰতিযোগিতা মূলক অগ্ৰগামী সময়ৰ লগত নিজকে খাপ খুৱাই ল'বলৈ হ'লে আপোনাৰ প্ৰস্তাৱটিয়ে আমাৰ মাজত

সমাদৰ নাপাব যেন লাগে। পিছে আপোনাৰ পৰা সাহস, প্ৰেৰণা আৰু সঁহাৰি পালে মৰুভূমিৰ মৰিচীকাৰ পিছতো দৌৰিব পাৰিম যেন লাগিছে।

মই দাদা-ভনীৰ সম্বন্ধেৰে আমাৰ মাজত আজীৱন বন্ধুত্ব জীয়াই ৰাখিব বিচাৰোঁ। মই ভাবো পৃথিৱীত যদি কিবা পবিত্ৰ বস্তু আজিও বৰ্ত্তমান তেন্তে সি নিশ্চয় এই ভাতৃ-ভগ্নীৰ সম্বন্ধই হ'ব লাগিব। তাতে ভাতৃ-ভগ্নীৰ মাজত বন্ধুত্ব থাকিলে এই সম্বন্ধটোত সোণত সুৱগা চৰাৰ দৰে হ'ব। নহ'বনে বাৰু ? চাওক মণিময় দা, আপোনাৰ চিঠিৰ উত্তৰত এইয়া মই মোৰ মনৰ ভাব জনালো। ইয়াৰ পিছৰখিনিৰ চাবি-কাঠি আপোনাৰ হাতত। আপুনি বিচৰাখিনি এতিয়া আপোনাৰ মনৰ মাজতেই পাব নিশ্চয়। আপোনাৰ ইতিবাচক সঁহাৰিলৈ বাট চাই থাকিম। আপোনাৰ পৰা ভগ্নী মৰ্যদা পালে আজীৱন 'বন্ধুত্ব' জীয়াই ৰাখিবলৈ মই প্ৰতিজ্ঞাবদ্ধ হ'লো।

মামাক মোৰ সেৱা জনাব। বি. নাই।

ইতি—
'বৰষা'

এদিন চিঠিখন নিজহাতে বৰষাই মণিময়ৰ হাতত তুলি দিছিল। বৰষাৰ চিঠি পঢ়ি মণিময়ৰ মনত কেনেকুৱা প্ৰতিক্ৰিয়াৰ জাগৰণ উঠিছিল তাক জনাৰ সৌভাগ্য বৰষাৰ একেবাৰে হোৱা নাছিল। কাৰণ সেই দিনাৰ পৰাই বৰষাৰ কোনো খবৰ বাতৰি লোৱা নাছিল মণিময়ে। কিন্তু কিয় ? ব্যস্ততা ? ওহো ! ইয়াৰ কাৰণ কেৱল মাথো ব্যস্ততাই হ'ব নোৱাৰে। এই বিশাল জনসমুদ্ৰত, ব্যস্ততাবিহীন আছেই বা কোন ? হয়তো অপৰিসীম ব্যস্ততাৰ মাজতো মণিময়ে বৰষাৰ খবৰ ল'লেহেঁতেন ; যদিহে বিচৰা ধৰণে কিবা এটা পালেহেঁতেন ! নোপোৱাৰ বেদনাত হয়তো হতাশাত ভুগিছে মণিময়। কি পোৱা নাই বাৰু মণিময়ে ! বিচাৰিছিলেই বা কি ??

বৰষাৰ পৰাটো বন্ধুত্বই বিচাৰিছিল মণিময়ে। কিন্তু বৰষাই অসীম আগ্ৰহেৰে সেই বন্ধুত্ব আঁকোৱালি ল'বলৈ আগবাঢ়ি যোৱা সত্ত্বেও মণিময় আজি নিমাত কিয় ? কিয় মণিময়ে বৰষাক এনেদৰে প্ৰতাৰণা কৰিছে ? বৰষাই গঢ়ি তুলিব বিচৰা 'বন্ধুত্ব' মণিময়ে বিচৰা নাইনেকি ? মণিময়ক তেতিয়া হ'লে কেনেকুৱা বন্ধুত্ব লাগে ? ভাই-ভনীৰ মাজত কিয় বন্ধুত্ব থাকিব নোৱাৰে ? মণিময়ৰ বন্ধুত্বৰ অৰ্থ কি ? বন্ধুত্বক বাৰু প্ৰেমলৈ ৰূপান্তৰ কৰিব বিচাৰিছিল নেকি ? নহ'লে কিয় আজি ডেৰ বছৰে মণিময়ে বৰষাৰ খবৰ লোৱা নাই ? কিয় ??

অসংখ্য প্ৰশ্নই আজি বৰষাক আমনি কৰিছে। তাই জানে এই প্ৰশ্নবোৰৰ তাই উত্তৰ দিব নোৱাৰে। ইয়াৰ উত্তৰ কেৱল মণিময়েহে দিব পাৰিব। কিন্তু মণিময় হয়তো আজি ব্যস্ত আন কোনোবা বৰষাৰ লগত বন্ধুত্ব (?) স্থাপন কৰাত। আন কোনোবা বৰষাক আজীৱন বন্ধুত্ব জীয়াই ৰখাৰ প্ৰতিশ্ৰুতি দিয়াত। বৰষাৰ খবৰ ল'বলৈ, উত্তৰ নোহোৱা প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ মণিময় আজি অপাৰগ। সময় যে নিচেই তাকৰ। দুধাৰি তপত চকুলোক সাক্ষী কৰি লৈ বৰষাই তাইৰ উত্তৰ নোহোৱা প্ৰশ্নবোৰক প্ৰতিশ্ৰুতি দিলে ; আজীৱন তাই এই প্ৰশ্নবোৰৰ লগত 'বন্ধুত্ব' জীয়াই ৰাখিব।



প্ৰকৃত মানুহ এজন তিনিটা লক্ষণেৰে চিনা যায়, উদ্দেশ্যত উদাৰতা, কাৰ্য সম্পাদনত মানৱতা আৰু কৃতকাৰ্য্যতাত আত্মসংযম।

*—বিচমাৰ্ক*

মই মোৰ ঘৰখনৰ চাৰিওকাষে বেৰ দিয়াটো নিবিচাৰো আৰু খিৰিকিবোৰতো ঠাহ খোৱাব নিবিচাৰো 'সকলো ঠাইৰ কৃষ্টি সংস্কৃতিৰবতাহ যিমান অবাধে আহিব পাৰে সিমানেই মোৰ ঘৰৰ চৌপাশ্বলৈ ভাঁহি আহক। কিন্তু সেইবোৰৰ কোনোটোকেই মোৰ ভৰি দুখন ভহাই নিবলৈ নিদিওঁ।

*—মহাত্মা গান্ধী*

সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নোৱাৰি।

*—বিবেকানন্দ*

ৰাইজৰ মৰম-স্নেহেই ৰক্ষা কবচ। ৰাইজৰ আশীষেই পশুপাত অস্ত্ৰ। এই ৰক্ষা কবচ, অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ, নিৰ্ভীক সৈনিক।

*—বিষ্ণু ৰাভা*

গল্প

# সংগ্ৰাম

*শ্ৰীমিতালী শইকীয়া*
স্নাতক ২য় বৰ্ষ

ৰাতিপুৱাৰ নিত্য নৈমিত্তিক কাম-কাজ ফেৰা সম্পন্ন কৰি ৰুবীয়ে বাৰান্দাৰ বেঞ্চখনত বহি পৰিছিল ক্ষন্তেক বিশ্ৰাম লোৱাৰ অভিপ্ৰায়ে। হঠাতে তাইৰ মনত পৰি গ'ল দৈনন্দিন তাই চলাই অহা মনোৰঞ্জক অভ্যাসটিৰ কথা। তাই লগে লগে তৎপৰ হৈ উঠিল। তড়িৎবেগে তাই ঘৰ সোমাই গৈ এমুঠি চাউল লৈ আহিল আৰু পাঁচটা ভাগ কৰি চোতালখনৰ সোঁমাজত ৰাখি নাতি দূৰৈৰ পৰা তাই অনিমেষনেত্ৰে চাই ৰ'ল— কেতিয়া সেই শালিকীজনী উৰি আহি তাই সিঁচি থোৱা চাউলৰ কোনটো ভাগ প্ৰথমতে খাবলৈ আৰম্ভ কৰে। তাই বাস্তৱিকতে বৰ আনন্দ পায়, যেতিয়া শালিকীজনী এক অজান উল্লাসত চেঁওধৰি, নাচি-বাগি, উৰি আহি চোতালত থকা চাউলৰ ভাগ গ্ৰহণ কৰেহি। ৰুবীৰ এই কাৰ্য্যটিত আনন্দ আৰু বুজাব নোৱাৰা এক উৎকণ্ঠাও বিদ্যমান।

চকুৰ পচাৰতে শালিকীজনী উৰি আহি চোতালত পৰিলহি। আৰু পাঁচটা ভাগৰ মাজত ভাগটি খাবলৈ আৰম্ভ কৰিলে। ৰুবীয়ে আবেগত উৎফুল্লিত ভাবে দেখা মাত্ৰেই মাকক চিঞৰি মাতিলে— মা-মা চোৱাহিচোন, চোৱা। মাক 'প্ৰতিমা বৰুৱা' সেই সময়ত ঘৰৰ পিছফালে থকা শাকনিবাৰীত শাক-পাত গোটাই আছিল। আচম্বিত ভাৱে জীয়েকে তেনেকৈ মতাত উধাতু খাই লৰি আহিল চোতাললৈ আৰু আহিয়েই ৰুবীয়ে চাই থকা দৃশ্যটি প্ৰত্যক্ষ কৰিলে। প্ৰতিমা বৰুৱাৰ আৰু ক্ষন্তেক সময়ো স্থিৰ হৈ থাকিব নোৱাৰিলে। কাৰণ তেওঁ জানে বা বিশ্বাস কৰে কাউৰীয়ে মাজৰ ভাগ গ্ৰহণ কৰিলে প্ৰবাসত থকা ঘৰৰ মানুহ ঘৰলৈ উভতি আহে। অতীত স্মৃতিয়ে তেওঁক বাৰুকৈয়ে আমনি কৰিব ধৰিলে তেওঁ হঠাতে মাটিত বহি পৰিছিল আৰু সম্ভাব্য আশংকাত উচুপি উঠিছিল। কিহৰ আশংকা বাৰু সেয়া ?

এবছৰ আগৰ সেই দিনটো যিটো দিনত তেওঁৰ হেৰোৱা পুত্ৰ অজান বৰুৱা ঘৰলৈ উভটি আহিছিল। সেইদিনাও বাৰু এনেদৰে কাউৰীয়ে মাজৰ ভাগটোৰ পৰা চাউল খোৱা নাছিলনে ? আজিও সেই ঘটনাৰে পুনৰাবৃত্তি হ'ব নেকি ? এক বুজাব নোৱাৰা বেদনাই তেওঁৰ মন ভাৰাক্ৰান্ত কৰি তুলিলে। সেইদিনাও তেনেদৰে কাউৰীয়ে পুৱা চাউল খোৱাৰ পিছত নিশা অজান ঘৰলৈ আহিছিল। আজিও বাৰু তাৰেই ইংগিত নহয়নে ? তেনেহ'লে সঁচাই আহিব জানো তেওঁৰ চেনেহৰ পুত্ৰ অজান ?

অজান বৰুৱা। অৰবিন্দ বৰুৱা আৰু প্ৰতিমা বৰুৱাৰ কনিষ্ঠ পুত্ৰ। বৰপুত্ৰ অৰুনাভ বৰুৱা ওচৰৰ হাইস্কুলৰ বি.এচ.চি. শিক্ষক। একমাত্ৰ জীয়ৰী ৰুবী নৱম মানৰ ছাত্ৰী। অজান তেতিয়া প্ৰৱেশিকা পৰীক্ষাত ২য় বিভাগত উত্তীৰ্ণ হৈ ওচৰৰ হায়াৰ চেকেণ্ডাৰীখনত নামভৰ্তি কৰিছে। তাৰ লক্ষ্য আছিল ইংৰাজীত এম.এ. পাছ কৰি কলেজত অধ্যাপক হোৱা। সেইবাবে ইংৰাজী বিষয়টোৰ ওপৰত বেছি গুৰুত্ব দিছিল। হঠাৎ জানো কি হৈ গ'ল এদিন অজান ঘৰৰ পৰা নিৰুদ্দেশ হ'ল। বহুত বিচাৰ খোচাৰ কৰিও কোনো খবৰ পোৱা নগ'ল। মাথো পোৱা গ'ল এখিলা কাগজ।

'মা, তোমালোকে মোক বিচৰাৰ প্ৰচেষ্টা নকৰিবা। বহু ভাবি চিন্তি শুদ্ধ পথ বুলিয়েই মই এই পথত গুচি আহিলো। সময়ত মই নিজে আহিম।

তোমালোকৰ 'জান'

তাৰ সম্পূৰ্ণ দুবছৰ পিছত সিদিনাখন ৰাতি যেতিয়া গোটেই জগত নিৰৱ নিস্তব্ধ। মাথো জিলিৰ মাতৰ বাহিৰে। তেতিয়া ৰুবীহঁতৰ ৰুমৰ পিছ দুৱাৰত টোকৰ পৰিছিল। আৰু এটি চিনাকী মাত দুৱাৰৰ সিপাৰৰ পৰা প্ৰতিধ্বনিত হৈছিল। 'মা, অ' মা, ভণ্টী, অ' ভণ্টী। লগে লগে মাক প্ৰতিমা বৰুৱা উঠি পৰিছিল আৰু পুনঃ অনুধাৱন কৰিছিল সেই শব্দ। এটি চিৰ পৰিচিত মাত। আনন্দ আৰু বিষাদৰ দোমোজাত তেওঁ কোনোমতে দুৱাৰখন খুলি দিছিল।

খোলা দুৱাৰেৰে সোমাই অহা জানে মাকৰ ভৰি চুই সেৱা কৰিলে। মাকে তাৰ মূৰত হাত বুলাই কান্দিব ধৰিলে। লগে লগে ভণ্টী ৰুবী, দাদাক অজয় আৰু দেউতাকো উঠি আহিল। গোটেইকেইজনে একাধিক প্ৰশ্ন কৰি তাক ব্যতিব্যস্ত কৰি তুলিলে কেনেকৈনো ইমান দিনৰ মূৰত সি ঘৰত আহিল। ইমান দিন ক'ত আছিল কি কৰিছিল ইত্যাদি। তাৰ খুউব ভোক লাগিছিল। সি ক'লে, "আগতে মোক খাবলৈ দিয়া তাৰ পাছত সকলো ক'ম।" মাকে ৰুবীৰ সৈতে কিবা কিবি বনাই তাক খাবলৈ দি ওচৰতে বহি তাৰ ফালে চাই আছে। আগৰ সেই জানক চিনিব নোৱাৰা হৈছিল। সি যেতিয়া ঘৰৰ পৰা নোহোৱা হৈছিল তেতিয়া তাৰ ডাড়ি গজিবৰ আৰম্ভ হৈছেহে মাত্ৰ। এতিয়া সি ভৰা মুখৰ ডাড়িৰে মস্ত ডেকা এজন হৈ উঠিছে।

খাই বৈ লাহে লাহে সি কথাবোৰ ক'ব ধৰিলে অজানৰ বন্ধু চন্দনে তাক কেইবাদিনো মিটিঙলৈ লৈ গৈ আছিল। তাৰ পাছত এদিন সি এজন মানুহৰ লগত চিনাকী কৰি দি অজানক ক'লে যে "এখেতৰ কথা মতে আমি কামবিলাক কৰোঁ আৰু আজি তোমাক এখেতে কিছুমান কথা ক'ব তাৰ বাবেহে লৈ আহিছো।" তেতিয়া মানুহজনে অজানক বহুত কথাই ক'ব ধৰিলে। "আমি যদিও স্বাধীন হৈছো স্বাধীনতাৰ নামত আমি কি পাইছো। এতিয়াও আমি আনৰ তলতেই থাকিব লগা হৈছে। আমি যি বিলাকক আমাৰ প্ৰতিনিধি কৰি দেশ চলাবৰ বাবে নিৰ্ব্বাচিত কৰো তেওঁলোকেও শাসনৰ গাদীত বহি আমাক পাহৰি যায়। আজি কেৱল চাৰিওফালে এক অৰাজকতাই বিৰাজ কৰিছে। গতিকে আমাৰ দেশখন উদ্ধাৰ কৰিব লাগিলে আমি বিদ্ৰোহ কৰিব লাগিব। মহাত্মা গান্ধীৰ অহিংসা নীতিৰ দ্বাৰা পৰিচালিত হ'লে নহ'ব। আমি কৰিব লাগিব সংগ্ৰাম। তাৰ বাবে শিকিব লাগিব অস্ত্ৰ চালন। আৰু তুমি যদি ইচ্ছা কৰা তেতিয়া হ'লে

প্রশিক্ষণ ল'বৰ বাবে কাচিনলৈ যাব পাৰা । তেতিয়া তুমি ঘৰৰ মৰম ত্যাগ কৰিব পাৰিব লাগিব । এনেদৰে কিছুমান মন উত্তেজক কথা কৈ তেওঁ গুচি গ'ল । তেতিয়া অজানে বহু চিন্তা কৰি প্ৰশিক্ষণ লোৱাটোকে ঠিক কৰিলে।

এদিন ৰাতি মনে মনে এখন চিঠি লিখি অজান ঘৰৰ পৰা ওলাই গ'ল। সেই যি গ'ল গ'লেই । আৰু বহুদিনলৈ তাৰ দেখাদেখি নাই । সি তাত প্ৰশিক্ষণ শেষ কৰি পুনৰ সিদিনাখন আহিল । সি মাজে মাজে ৰাতি এনেকৈ আহি থাকিব, আকৌ গুচি যাব । কিন্তু কোনেও যাতে এই কথা গম নাপায় । এনেকৈ কৈ দেউতাকক সেৱা এটি কৰি যাব ওলোৱাত দেউতাকে ক'লে "দেশৰ কাম কৰিব ওলাইছ ভালেই কৰিছ, কিন্তু নিজকে বচাই ফুৰিবি ।" সি গুচি গ'ল ।

এনেদৰে আকাশ-পাতাল ভাবি কিমান সময় তেনেদৰে থৰ হৈ বহি আছিল মাক প্ৰতিমা বৰুৱাই ক'বই পৰা নাছিল । পদূলী মূৰত গাড়ী এখনৰ শব্দত হে তেওঁৰ সম্বিত ঘুৰি আহিল । সচকিত হৈ তেওঁ এখোজ-দুখোজ আগবাঢ়িছেহে এনেতে দেখা গ'ল ধৰাধৰিকৈ কেইজনমান ল'ৰাই কিবা এটা নমাই আনিছে। তেওঁৰ বুকুখন চিৰিং কৈ গ'ল । তেওঁৰ আৰু বুজিবলৈ বাকী নাথাকিল। তেজেৰে লুতুৰি-পুতুৰি হৈ থকা এয়া তেওঁৰ চেনেহৰ পুত্ৰ অজান ।

গল্প

# সাপ

*শ্ৰীমহাদেৱ বৰুৱা*
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ

সাপ ওলাইছে । সাপ ! সাপ !

এক মুহূৰ্তৰ ভিতৰতে খবৰটো বিয়পি পৰিল জগদীশৰ ৰুমৰ পৰা আৰম্ভ কৰি আমাৰ মেচ্‌ৰ একেবাৰে দক্ষিণ প্ৰান্তত অৱস্থিত হিতেশৰ ৰুমলৈকে। হিমুৱে খবৰটো কৈ ফুৰিছে আটাইকে। অন্য খবৰ হোৱা হ'লে হয়তো বিজয়ে তাৰ চিৰপৰিচিত ভংগীৰে চুচুক-চামাককৈ ক'লেহি-হেঁতেন। পিচে এনে বাৰ্ত্তা প্ৰদানত হিমুৰ স্থান শীৰ্ষত ।

ৰাতিপুৱাই গোটেই মেচ্‌টোতে এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হ'ল। মই বিচনাত ত্যাগ কৰিছোহে মাত্ৰ এনেতে এই হুলস্থুল। ঘড়ী চাই দেখো আঠ বাজি পোন্ধৰ মিনিট গৈছে। ৰাতিপুৱাৰ সূৰ্য্য দেখাৰ সৌভাগ্য প্ৰায়েই নহয় । ইমান পৰে ভাস্কৰে চাগে টিউশ্যন শেষ কৰি ৰুমলৈ উভতিছে। দুৱাৰ খুলি বাহিৰলৈ ওলাই দেখো যে ইতিমধ্যে বাইদেউহঁতৰ ড্ৰয়িংৰুমৰ সমুখত লগৰ আটাইবোৰে জুম বান্ধিছে । সকলোৰে চকুত একেই প্ৰশ্নবোধক চাৱনি কি সাপ ? ক'ত ওলাইছে কিমান ডাঙৰ ? .... বাইদেউ মানুহজনী ভয়ত বিৱৰ্ণ হৈছে। এনেকৈনো ঘৰৰ ভিতৰতহে সোমাব পাইনে সাপটো । বাইদেৱে মুখৰ ভিতৰতে আৰু কিবাবোৰ ভোৰভোৰালে। আমি আটায়ে সাপ ওলোৱা ৰুমটোৰফালে আগবাঢ়িলো। আটায়ে বোলোতে কেইজনমান নাই ; ঘৰলৈ গৈছে । তপন, হেমেন, হিমু, জগদীশ, বিজয় আৰু মই আছো । এনেতে চুৰমাও আহি ওলাল কৰবাৰ পৰা। আমাৰ লগৰে হৰেণক চুৰমা বুলি মাতে কেইজনমানে। তাৰ উপাধি আছিল শৰ্মা ; তাকে কোনোবা এজনে এদিন ভুলকৈ উচ্চাৰণ কৰিলে চুৰমা ।

দলটোৰ মাজত জগদীশৰ হাতত এডাল লাঠি মাত্ৰ । তাৰ আকৌ দেও-ভূত, সৰ্প-ব্যাঘ্ৰ আটাইলৈকে ভয় বেছি । হিমুৰ মতে সাপ মাৰিব নাপায়। সাপ হেনো বাসুকী নাগৰ বংশধৰ, অস্তিক মুনিৰ মোমায়েক আৰু দেৱী মহামায়াৰ কিবা সেই লাগি ভাগিনেকি ।

ঐ তপন বাদ দি নামাৰিবি, নাপায় । আমাৰ ঘৰত এবাৰ সাপ মাৰোতে কি হৈছিল জানা ? তোৰ কিবা সেই .....

হিমুৱে ইতিমধ্যে কাহিনী ক'বলৈ আৰম্ভ কৰিছে। মোৰ একো কাণত নোসোমাল। সাপ চাবলৈ উদগ্ৰীৱ হৈ খোজ দিছো সমুখৰ ফালে । মোৰ পিচে পিচে বাইদেউ । এনেতে কুকাৰৰ হুচেইল শুনি হেমেন গুচি গ'ল ভাত হোৱাৰ অজুহাত উলিয়াই । মই ড্ৰয়িংৰুম পাৰ হৈ বাইদেউহঁতৰ শোৱনী কোঠাত ভৰি দিছো। এনেতে কিচ্চেন আৰু শোৱনী কোঠাৰ মাজৰ দৰ্জাখনৰ কাষত দেখা পাইছো ফুটুকা-ফুটুকী উজ্জ্বল মুগা বৰণীয়া এটা সৰু মৰমলগা সাপ । সাপকতো আৰু মৰম কৰিব নোৱাৰি ; মাৰিবই লাগিব। মই মনে মনে ঠিৱাং কৰিলো। সাপডাল দেখাৰ লগে লগে জগদীশে মোৰ হাতত লাঠিডালৰ এটা মূৰ গুজি দিলে। মই লাঠিডালৰ এমূৰে খামোচ মাৰি ধৰি সাপটোলৈ এবাৰ চাই জগদীশলৈ ঘুৰি চালো। সি ইতিমধ্যে এখোজ-দুখোজকৈ পিচুৱাবলৈ ধৰিছে।

মাৰাহে। কি চাই আছা ? একেকোবেই মৰিব সৰু সাপ। বাইদেউলৈ চাই দেখো মোকেই কৈছে।

তেতিয়াহে মই সম্বিত ঘুৰাই পালো। মই মাৰিব লাগিব ? এৰা মোৰেই হাতত লাঠি। ছেঃ কি কৰা যায় এতিয়া ? ৰাতিপুৱা শুই উঠিয়েই সৰ্পবধ ! ইয়াৰ পিচত বা আকৌ দিনটোত ক'ত কি হয়। সাপটোৱে মোলৈ অপলক নেত্ৰে চাই আছে। মাথো মাজে মাজে জিভাখন উলিয়াই শব্দৰ উমান লৈছে। সাপ যে মাৰিব লাগিব এইটো প্ৰায় নিশ্চিত হৈছে। বিনা কাৰণতে এটা জীৱ বধ কৰিবলৈকো ইচ্ছা যোৱা নাই। মনত পৰিল গুৰুজনাৰ এফাঁকি পদ—

কুকুৰ শৃগাল গদৰ্ভৰো আত্মা ৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম

হিতেশ আৰু মই এই দৰ্শনৰ ভক্ত। এই বিষয়ে আমাৰ মাজত প্ৰায়েই বিভিন্ন আলোচনা হয়। এতিয়া এনে ধৰ্ম সংকটৰ সময়ত কিবা এষাৰ ক'বলৈ হিতেশো নাই। ৰাতিপুৱাই কিজানি চিনেমাৰ হিৰ'টো যেন হৈ কোনোবা ফালে ওলাই গৈছে। বেলা দুপৰীয়া আহি লেকচাৰ দিব —কলেজলৈ যোৱা কোনজনী ছোৱালীয়ে ট্ৰেফিক পইণ্ট পাৰ হ'বৰ সময়ত তাৰ চকুত চকু থৈ খোজ দিবলৈ পাহৰি গৈছিল, ৰিক্সা ৰখাই কোনজনীয়ে তাৰ লগত কথা পাতিছিল, কোনজনীয়ে তাক দূৰতে দেখা পাই নখে মাটি লেখা খোজ দিছিল ইত্যাদি ইত্যাদি অনেক কথা।



সাপডাল এইবাৰ মূৰটো অকমান লৰচৰ কৰিছে। পিছফালে চাই দেখিছো আটাইবোৰে নিৰাপদ দূৰত্বৰ পৰা মোৰ গতিবিধি লক্ষ্য কৰি আছে। মোৰ আৰু বুজিবলৈ বাকী নাই যে পাপ কামটো মোৰ হতুৱাই সমাধা কৰি আটায়ে নিষ্কণ্টক হ'ব বিচাৰিছে। মই মহা সমস্যাত পৰিলো। চিৰাচৰিত পাপবোধে মোক বিব্ৰত কৰি তুলিলে। আনহাতে এতিয়া যদি লাঠি পেলাই উভতি লৰ মাৰো বাইদেউহঁতে হাঁহিব। মই একো সিদ্ধান্তলৈ আহিব পৰা নাই। মনৰ এনে দোধোৰ-মোধোৰ অৱস্থাতে লাঠি দাঙিছো।

ঐ ৰহ ৰঃ নামাৰিবি নামাৰিবি। হিমুৰ চিঞৰ শুনি মই থমকি পিচফালে চালো। আজি সাপ মাৰিব নাপায়, নাগ পঞ্চমী নহয় আজি। হিমুৱে উশাহ নোলোৱাকৈ কৈ গ'ল। নাগ পঞ্চমী বুলি কোৱাৰ লগে লগে আটায়ে হুলস্থূল লগাই দিলে। মই স্বস্তিৰ নিশ্বাস এৰিলো। যা হওঁক পাপ কাৰ্য্য এটাৰ পৰা যেনেতেনে নিবৃত্ত হ'লো। সৰুতে আইতাই কোৱা শুনিছিলো নাগ পঞ্চমীত হেনো সাপক পূজা কৰিব লাগে। সেইদিনা সাপক গাখীৰ খুৱাব লাগে। বাঃ কি সৌভাগ্যৰ দিন আজি। মনটো হঠাৎ ফৰকাল লাগি গ'ল।

মিনু ! ঐ মিনু ! মই বাইদেউহঁতৰ কাম কৰা ছোৱালী মিনুক উদ্দেশি চিঞৰিলো —গাখীৰ এবটল লৈ আহ। ঐ গাখীৰ বুজিছ গাখীৰ। মিনুই খন্তেক পিছতে গাখীৰৰ বটল হাতত লৈ মোৰ পিছফালে থিয় হ'ল। জগদীশ হিমু, তপন আটায়ে আহি আকৌ মোৰ লগত থিয় হৈ মহামায়া দেৱীৰ অৱতাৰ বাসুকীৰ বংশধৰ সেই কালিনাগৰ প্ৰতি হাতযোৰকৈ মৌন প্ৰাৰ্থনা আৰম্ভ কৰিলে। মই হাতৰ লাঠি পেলাই গাখীৰৰ বটলটোৰ সাঁফৰটো খুলিবলৈ গৈ চিন্তা কৰিলো সাপক বা কি মন্ত্ৰেৰে মাতে। কিবা নাগ মন্ত্ৰ আছে নেকি ? কি কৰা যায় ! একো মনত নপৰে এতিয়া।

এহ বাদ দিয়া। মনটোক প্ৰবোধ দিলো। নিশ্চয় দেৱীৰ মন্ত্ৰেৰেই মাতে কিজানি—

যা দেৱী সৰ্বভূতেষুঃ শক্তি ৰূপেনঃ সংস্থিতা
ওম নমোতৈষে ..........

মই ছটিয়াই দিয়া গাখীৰ গাত পৰাৰ লগে লগে সাপডালে কেৰ্‌মেৰাবলৈ ধৰিলে। বিকৃত দেহ ভংগীৰে ইফালৰ পৰা সিফাললৈ লুটি বাগৰ মাৰিছে। দেৱী অসন্তুষ্ট হ'ব পাৰে বুলি মই বটলটোৰ আটাইখিনি গাখীৰ সাপটোৰ গাত ঢালি দিলো আৰু লগে লগে গদগদ কণ্ঠেৰে গাই গ'লো—যা দেৱী সৰ্বভূতেষু ......

এনেতে পানী মিশ্ৰিত ফিনাইলৰ গোন্ধ এটা আহি মোৰ নাকত লাগিল। মূৰটোও অলপ ঘূৰোৱা যেন লাগিছে। সন্দেহ আৰু উত্তেজনা বশতঃ বটলটো নাকৰ ওচৰলৈ নি পৰীক্ষা কৰি মই নিশ্চিত হ'লো।

আহঃ মাই গড। সৰ্বনাশ হ'ল, সৰ্বনাশ।

মোৰ মুখৰ পৰা অজানিতে ওলাই গ'ল শব্দ কেইটা। আটয়ে মোৰ মুখলৈ নিক্ষেপ কৰিলে বিস্ময়-বিমিশ্ৰিত দৃষ্টি। কোনো দিনে আবেগৰ টৌ লাগি চঞ্চল হৈ নুঠা মোৰ মুখমণ্ডল লক্ষ্য কৰি সিহঁত হতাশ হৈ পৰিছে। একেই মুখৰ অভিব্যক্তি, একেই ভ্ৰূসংকোচন, ঠিক একেই কপালৰ বলিৰেখাৰ অৱস্থান। সেই সময়ত মোৰ মনত কি ভাৱনা-ধাৰণাই প্ৰতিক্ৰিয়া কৰিছিল তাৰ বাহ্যিক অভিব্যক্তি হয়তো মোৰ কঠোৰ মুখ মণ্ডলত প্ৰকাশ পোৱা নাই। কিয় জানো মোৰ সন্দেহেই সঁচা হ'ল। মই আৰু মুখখুলি ক'ব লগীয়া নহ'ল যে সেয়া গাখীৰ নাছিল ; আছিল পানী মিহলি ফিনাইলহে কাৰণ ফিনাইলৰ তীব্ৰ গোন্ধে আটাইকে ইতিমধ্যে আচ্ছন্ন কৰি পেলাইছে। সাপটোলৈ চাই দেখিলো মই ঢালি দিয়া পানী মিহলি বগা ফিনাইলৰ মাজত তেতিয়াও সি চটফটায়ে আছে। মোৰ ভাবিবলৈ ইচ্ছা নগ'ল যে ক্ষন্তেক পিছতে নিঠৰ নিস্পন্দ হৈ পৰিব তাৰ ফুটুকা-ফুটুকী উজ্বল মুগা বৰণীয়া মৰমলগা অকণমানি দেহটো।

গল্প

# সিদ্ধান্ত

*শ্ৰীতপন কুমাৰ বৰুৱা*
স্নাতক ৩য় বাৰ্ষিক



এয়া কি শুনিছে খগেনে !! সি যেন নিজৰ কাণকেই বিশ্বাস কৰিব পৰা নাই.। শুনাত তাৰ ভুল হোৱা নাইতো ??? সিতো কোনো ভুল কৰা নাছিল । তেন্তে, দুখীয়াহে জন্ম লভাই কি পাপ নেকি ??? নানা প্ৰশ্নই আজি তাৰ মন মজিয়াত কৰিছেহি নিষ্ঠুৰ ভাবে আঘাত ।

জীৱনৰ ঊনৈশটা বসন্তত ভৰি দিয়েই যিজনী ছোৱালীক খগেনে হৃদয় দলিছাত আলফুলে সংগোপনে এদিন স্থান দিছিল ; যিজনী ছোৱালীক সি নিজৰ প্ৰাণতকৈও ভাল পাইছিল সেই ৰশ্মিতাই আজি তাক তাৰ প্ৰকৃত প্ৰেমৰ প্ৰতিদান দিলে এনেকৈ ???

ইন্দ্ৰমণি চলিহা, চহৰৰ এজন সম্ভ্ৰান্ত ব্যক্তি । ডাঙৰ ল'ৰা প্ৰশান্তই মেডিকেল পঢ়ি আছে । তেওঁৰেই একমাত্ৰ আৰু সৰু ছোৱালী ৰশ্মিতা । মিঠাবৰণীয়া, ক্ষীণাঙ্গী, দেখিবলৈ ধুনীয়া ৰশ্মিতাৰ গাত বিৰাজমান কৰিছিল এক আভিজাত্যৰ চাপ । যৌৱনৰ উত্তাল সাগৰত ভৰি দিয়া সেই বাংঢালী ৰশ্মিতা সহজ-সৰল খগেনৰ প্ৰেমত পৰিছিল আজিৰ পৰা প্ৰায় তিনিবছৰ আগেয়েই এদিন কলেজৰ এটি মিঠা সন্ধিক্ষণত ।

চহৰৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ নিলগৰ এখনি গাঁৱৰ এটি দুখীয়া পৰিয়ালত পূৰ্বজন্মৰ কিবা অভিশাপৰ ফলস্বৰূপেই যেন জন্মিছিল খগেন। খেতিৰ মাটি বুলিবলৈ আছে মাথো ৩ বিঘা মাটি। অশেষ দুখ-কষ্টৰ মাজেদি শৈশৱ কাল অতিবাহিত কৰি যৌৱনত ভৰি দিয়া খগেনে এদিন সুখ্যাতিৰে মেট্ৰিক পাছ কৰি মঙ্গলদৈ মহাবিদ্যালয়ত নাম ভৰ্তি কৰালে ।

ক্লাচৰূমত সোমায়েই হঠাতে এদিন খগেনৰ নয়নযুৰি স্তব্ধ হৈ বৈছিল ক্ষন্তেকৰ বাবে এখনি সুন্দৰ মুখত । খগেনৰ নয়নযুৰিয়ে যেন বিচাৰিছিল ৰশ্মিতাৰ দু-চকুত সাগৰৰ এচামুচ নীলা । মুহূৰ্ত্তে দুটি মিঠা শিহৰণ বৈ গৈছিল দুয়োৰে দেহৰ অঙ্গে-অঙ্গে, দুয়োৰে অজ্ঞাতেই ।

আৰু এদিন সিহঁতৰ চিনাকীয়েই গঢ়ি তুলিলে দুয়োৰো মাজত বন্ধুত্বৰ এনাজৰীডাল। লাহে লাহে সিহঁতৰ মাজৰ বন্ধুত্বৰ সীমাৰেখাডাল ক্ৰমান্বয়ে বেচি ঘনিষ্ঠতাৰ ফালে আগুৱাই গ'ল দুয়োৰো অজ্ঞাতেই । সুৰুজৰ স্নিগ্ধ কিৰণে দুয়োৰে ৰিক্ত মনত আনি দিছিল এক সজীৱতা আৰু এদিন দুয়োৰো অব্যক্ত প্ৰেম পৰিস্ফুটভাবে বিকশিত হ'ল । ৰশ্মিতাৰ সান্নিধ্য নহ'লে এখন্তেকো থাকিব নোৱাৰা হ'ল খগেন । একেই অৱস্থা ৰশ্মিতাৰো । দুয়োৰে মাজত মৰমৰ গাঢ় প্ৰলেপ বোলাই সময়বোৰ ক্ৰমে পাৰ হৈ যাব ধৰিলে ।

....খগেন, ঘৰলৈ যাওঁ ব'লা, বহু দেৰি হ'ল। অ' পাহৰিছিলোৱেই। অহাকালি মোৰ জন্মদিন মই তোমালৈ অপেক্ষা কৰিম । এটা দুষ্টামি ভৰা হাঁহিৰে ৰশ্মিতা ঘৰলৈ গ'ল ।

পিছদিনা খগেনে কিনি ল'লে এটি কাঠেৰে সজা সৰু ধুনীয়া ঘৰ ; ৰশ্মিতাৰ জন্মদিনৰ উপহাৰ হিচাপে । এই উপহাৰটি যেন ৰশ্মিতাৰ সতে হ'ব লগা তাৰ সোণালী সংসাৰৰ আগজাননী । সেইদিনা ৰশ্মিতাৰ ঘৰৰ পৰা উভতি আহি জীৱনত প্ৰথমবাৰৰ বাবে সি তাৰ দেউতাকক এটি মিছা কথা ক'ব লগাত পৰিছিল । আনকি সি তাৰ অতি ঘনিষ্ঠ বন্ধু নকুলকো কোৱা নাছিল ঘড়ীতো বিক্ৰি কৰাৰ কথা । ঘড়ীটো সি হেৰোৱা বুলিয়েই কৈছিল । এনেদৰে মাহবোৰ ক্ৰমান্বয়ে বছৰৰ বুকুত হেৰাই যাব ধৰিলে ।

আৰ্থিক অসুবিধাৰ বাবে হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত খগেনৰ অধ্যয়নৰ গতিৰ সিমানতেই প্ৰায় ইতি পৰিল । এটি মটৰ দুৰ্ঘটনাত দেউতাকৰ ভৰি এখন কাটি পেলাব লগা হোৱাত ঘৰৰ গোটেই দায়িত্ব মূৰ পাতি ল'ব লগাত পৰিছিল খগেনে তেতিয়াই । চহৰৰে এটি গেৰেজত সি সাধাৰণভাবে এটি কাম পালে । কঠোৰ সংগ্ৰাম কৰিব লগা হৈছিল তাৰ জীয়াই থকাৰ তাড়ণাত ।

তথাপিও কিন্তু খগেনে তাৰ হৃদয়ৰ শোৱনী কোঠাৰ কোমল শয্যাত আলফুলে, সযতনে সদায় শুৱাই থৈছিল তাৰ মৰমৰ ৰশ্মিতাৰ প্ৰতিচ্ছবিক। ৰশ্মিতা যে তাৰ জীয়াই থকাৰ সম্বল ; প্ৰেৰণাৰ উৎস ! প্ৰায় সদায় সিহঁত দুয়ো লগ হয়, পাতে মনৰ বহু কথা, তথাপিও যেন দুয়ো অসমৰ্থ হৈ ৰয় শব্দৰ শেতেলীৰ পৰা শব্দ বিচাৰি উলিয়াবলৈ ! মনৰ বহু গুপুত কথা যেন মনতে ৰুদ্ধ হয় দুয়োৰে ।

আজি বহুদিন হ'ল, খগেনে ৰশ্মিতাক লগ পাব পৰা নাই। ৰশ্মিতাই খগেনক লগ দিব নোৱাৰাৰ কাৰণ কোনো অজুহাত নহয়তো ?? নানা প্ৰশ্নই দোলা দি গ'ল খগেনৰ মন মজিয়াত ।

নাই নাই, ৰশ্মিতাক মই ভালদৰে জানো, তাইৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে। খগেনে নকুলৰ কথা বিশ্বাস কৰিবলৈ টান পালে। কিন্তু খগেনৰ ভুল ভাঙিবলৈ সময় বেচি নালাগিব, যেতিয়া ছবি ঘৰৰ পৰা ওলাই তাৰ কাষেদিয়েই পাৰ হৈ গ'ল তাৰ মৰমৰ ৰশ্মিতা হাতত হাত থৈ ভাস্কৰৰ সতে। ৰশ্মিতাৰ ওপৰত থকা তাৰ অগাধ বিশ্বাসৰ আজি যেন নিমিষতে অপমৃত্যু ঘটিল। অশ্ৰুভৰা নয়নে বিষণ্ণ হৃদয়েৰে উভতি আহি বৰফ যেন লগা স্মৃতি টৌবোৰত প্ৰচণ্ড ঠেকা খালেহি।

কেবাদিনো দেখিলে খগেনে ৰশ্মিতাক ভাস্কৰৰ সতে অন্তৰঙ্গ মুহূৰ্তত। সি আৰু ধৈৰ্য্য ধৰি থাকিবলৈ নোৱাৰিলে। খগেন আহিছে আজি কলেজলৈ, ৰশ্মিতাক লগ ধৰিবলৈ ! জয়ন্তৰ সতে।

ৰশ্মিতা, তোমাৰ লগত মোৰ অলপ কথা আছে— ৰশ্মিতাই ক্লাচ ৰুমৰ পৰা ওলাই আহোতেই খগেনে মাত দিলে পিছফালৰ পৰা।

অ' খগেন দেখোন, কি কথা আছে ?

এই কণ্ঠস্বৰ যেন সেই ৰশ্মিতাৰ নহয়। খগেনে অনুভৱ কৰিলে।

নাই, মানে, তোমাক কথা এটি সুধিব খুজিছোঁ।

সোধা, ৰশ্মিতাই খগেনৰফালে নোচোৱাকৈয়ে ক'লে।

ৰশ্মিতা, ভাস্কৰ তোমাৰ কি হয় ? খগেনে শান্তভাৱেই সুধিলে কথাষাৰ।

অ' ভাস্কৰ মোৰ ভাল বন্ধু। পিছে কিয় সুধিলা ? —ৰশ্মিতাৰ মুখৰ পৰা শব্দকেইটি অলপ খহটাভাৱেই ওলাই আহিল।

ভাস্কৰৰ সতে তোমাৰ ইমান ঘনিষ্ঠতা মই কিন্তু ভাল পোৱা নাই।

মানে ? —অলপ উত্তেজিতভাৱেই সুধিলে ৰশ্মিতাই।

মানে .... মানে মই ক'ব বিচাৰিছো, ভাস্কৰৰ সতে তোমাৰ কিবা ... খগেনে শেষ কৰিব নাপালেই। শুনা খগেন। কাবোবাৰ ভাল লগা, বেয়া লগা এই বিষয়লৈ মই কোনো গুৰুত্ব নিদিওঁ। অ', তুমি ঠিকেই ধৰিছা, মই ভাস্কৰক ভাল পাই পেলাইছো। আৰু কিছুদিনৰ পাছত আমাৰ বিয়াও হ'ব। তেতিয়া হ'লে তুমি মোক ভাল পাইছিলা কিয় ?? কিয় অভিনয় কৰিলা মোৰ লগত ?? খগেন কিছু উত্তেজিত হ'ল।

খগেন, মই তোমাক ভাল পোৱাৰ অৰ্থ এইটো নহয় যে মই তোমাৰ সতেই বিয়াত সোমাম। জীৱনটো মই ভালদৰে উপভোগ কৰিব বিচাৰো। তুমি গেৰেজ এটাৰ এজন সাধাৰণ কৰ্মী। তোমাৰ সতেময়ো গোটেই জীৱন দুখৰ বোজা কঢ়িয়াব লাগিব নেকি ? আজিৰ পৰা তুমি যেন মোক কেতিয়াও আমনি নকৰা। পাৰিলে তুমি মোক ক্ষমা কৰি দিবা —যথেষ্ট কৰ্কশ মাতেৰেই কথাখিনি কৈ ৰশ্মিতা আঁতৰি গ'ল খগেনৰ ওচৰৰ পৰা।

তাৰ মনৰ কোহত আলফুলে সজাই লোৱা কঁহুৱা ফুলবোৰ যেন আজি নিমিষতে মৰহি গ'ল। প্ৰলয়ৰ বহ্নি শিখাই আজি গ্ৰাস কৰিলেহি তাৰ ৰঙীণ সপোনবোৰক। তাৰ চাৰিওফালে দেখিলে কেৱল শূণ্যতা ! মাথোঁ তাৰ সম্মুখত পৰি স্মৃতিৰ নিৰ্মম আঘাতৰ পৰা বাচি থাকিবলৈ সি আশ্ৰয় ল'লে মৃত্যু দূতস্বৰূপ সেই পানীয়ৰ। দিনৰ পিছত দিন ধৰি মদ খাই যাবলৈ ধৰিলে। সি যেন আজি মৰা মানুহৰ এটি জীয়া কংকাল।

নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস ! চহৰৰ মাজমজিয়াত শুনা গৈছে বিয়াৰ উৰুলি। আজি অশ্বিনী চলিহাৰ ডাঙৰ ল'ৰা ভাস্কৰৰ সতে ৰশ্মিতাৰ মিলনৰ শুভদিন। আৰু একেখনি চহৰৰে পৰা কিছু নিলগত অৱস্থিত এখনি গাঁৱত শুনা গৈছে দুখনি ভগ্ন হৃদয়ৰ ক্ৰন্দনৰ ৰোল। শুভ্ৰ বস্ত্ৰেৰে আৱৰি ৰাখিছে খগেনৰ মৃতদেহ। গেৰেজত কাম কৰি পোৱা সামান্য ধনেৰেই ৰশ্মিতাৰ জন্মদিনৰ উপহাৰ হিচাবে কিনি অনা নতুন শাড়ীখনেৰে খগেনে চিৰবিদায় মাগিলে সকলোৰে পৰা। তৃণশয্যাত আজি খগেনৰ আশাবোৰ আছে নিৰৱে শুই ৰশ্মিতালৈ জনাই বিদায়ৰ অন্তিম অঞ্জলী।

গল্প

# পুনঃ প্ৰতিশ্ৰুতি

*শ্ৰীমনোজ হাজৰিকা*
স্নাতক ৩য় বাৰ্ষিক

মেকুৰীৰ চিনত —ভোট দিয়ক, ভোট দিয়ক

মেকুৰীৰ চিনত —ভোট দিয়ক, ভোট দিয়ক।

চাৰিওফালে নিৰ্বাচনৰ বতাহে পৰিবেশ গৰম কৰি তুলিছে। সকলোৰে মাথো এটাই আলোচনা 'নিৰ্বাচন' —কোন জিকিব ! কোন হাৰিব ! বকুলপুৰ গাৱোঁ এই ক্ষেত্ৰত পিছ পৰা নাই। আনৰ দৈতেই ফেৰ মাৰিব পাৰিছে। গাঁৱত থকা প্ৰাৰ্থীৰ সমৰ্থক সকলো নিজা নিজা কামত ব্যস্ত। প্ৰত্যেকেই ৰাতি বেনাৰ আঁৰা, পোষ্টাৰ মৰা, বদন, মুহিৰাম, কাৰ্তিয়াহঁতৰ দৰে দুখীয়া মানুহৰ ঘৰত গৈ নিজ নিজ প্ৰাৰ্থীক ভোট দিবলৈ কোৱা আদি কাৰ্যত ব্যস্ত। নিৰ্বাচনত তেওঁলোকৰ সমৰ্থনকাৰী জিকিলে যে সকলোৰে অভাৱ অনাটন দূৰ হ'ব তাকো বুজাইছে। গাঁৱৰে ডেকা তৰুণ —সি যোৱা ৰাতি মুহিৰামৰ ঘৰলৈ গৈছিল ; মুহিৰাম যদিও তাৰ বাপেকৰ বয়সৰ, তথাপি সি নাম কাঢ়িয়েই কৈছিল —"এই মুহিৰাম ভোট কাক দিম বুলি ভাবিছা ?" গতানুগতিক উত্তৰত মুহিৰামে কৈছিল —"জানো বোপাই কাকনো দিম ক'বই পৰা নাই ; সকলোৱে দেখোন জিকাৰ পিছত পাহৰিয়েই পেলায়।"

তৰুণ —"শুন তহঁতে মেকুৰীৰ চিনত ভোট দিবি আৰু যদি নিদিয় তেতিয়াহলে চাবি ... ।" ১০০ টকাৰ নোট এখন উলিয়াই দি —"এই ১০০ টকা ৰাখ, যদি আমাৰ ছাৰ জিকে আৰু পাবি আৰু শুন কাইলৈ আবেলি ছাৰ আহিব, এখন ৰাজহুৱা সভা আছে, তাত ছাৰে তহতৰ কাৰণে ইস্তাহাৰ প্ৰকাশ কৰিব। তই যাবই লাগিব আৰু এতিয়া কাতিয়াহতকো কওঁগৈ ।" মুহিৰামৰ কথালৈ বাট নেচাই সি ঘপহকৈ গুচি গ'ল।

তৰুণ যোৱাৰ পিছত মুহিৰামে টকা কেইটা লৈ কি কৰিব, কি নকৰিব ভাবিব ধৰিলে। তাৰ তৰুণৰ ওপৰত খং উঠিছিল —"তাৰ মানে মই ১০০ টকাৰ বিনিময়ত ভোট বিক্ৰী কৰিব লাগে, মোৰ ভোটটোৰ মূল্য ১০০ টকা, মোৰ বিবেকৰ মূল্য ১০০ টকা — কিন্তু তাৰ ওচৰত এইবোৰ প্ৰতিবাদ কৰিব মন থকা সত্ত্বেও পৰিণামলৈ গুৰুত্ব দি বিৰত থাকিল।"

বকুলপুৰ গাওঁ, অসমৰ এক অখ্যাত ভিতৰুৱা গাওঁ। জনপ্ৰবাদ মতে এজুপি ডাঙৰ বকুলৰ অৱস্থিতিৰ কাৰণে এই গাওঁখনৰ নাম বকুলতলি ৰাখিছিল বুলি শুনা যায়। অৱশ্যে বৰ্তমান বকুলৰ অৱস্থিতি নাই। কিন্তু নামটো বৈ গ'ল। গাওঁখনৰ ৰাস্তা পদূলি আদিৰ কোনো উন্নতি নাই। বাৰিষা হ'লেই একাঠু বোকাৰে ভৰি থাকে। স্থানীয় ৰাইজে খৰালি যদিও দুই-এচপৰা মাটি দি ৰাস্তাতো ঠিক কৰি লয়, বাৰিষা হ'লে সকলো শেষ। গাঁৱৰ উত্তৰ দিশত এখন চৰকাৰী হাস্পাতাল। কিন্তু ডাক্তৰ নাই, মানে কোনো ডাক্তৰেই এনে ভিতৰুৱা ঠাইলৈ আহিব মন নকৰে। সদ্যহতে গাঁৱৰেই কম্পাউণ্ডৰ এজনেই চলাই আছে। স্কুল (এল.পি.) এখন, তাবো জৰাজীৰ্ণ ৰূপ। উচ্চ শিক্ষাৰ কাৰণে ধাউতি থকাবোৰে চহৰলৈ গতি কৰে। গাওঁৰ প্ৰায়বোৰ মানুহেই কৃষিজীবি যদিও খেতিৰে বছৰতো খাব নোৱাৰে। বানপানীয়ে মাৰি নিয়াৰ পাছত যি ৰয় তাকেই কাটি সামৰি ঘৰলৈ আনে। ২/৩ মাহ মান খোৱাৰ পিছত শেষ হয়। গতিকে দৰিদ্ৰতা তেওঁলোকৰ চিৰলগৰী। এই গাঁৱৰেই দিগম্বৰ কলিতাও নিৰ্বাচনৰ এজন মুখ্য প্ৰতিদ্বন্দী। বিগত বছৰ কেইটাতো তেওঁ এই অঞ্চলৰ স্থানীয় বিধায়ক আছিল। যদিও তেওঁক এই গাঁৱৰেই বুলি কোৱা হয় ; সেইদৰে কোৱাতো সমীচিন নহ'ব, কিয়নো দিগম্বৰ কলিতাৰ বাপেকে চাকৰি সূত্ৰে তেওঁৰ জন্মৰ চাৰি বছৰ পিছত চাকৰিৰ কামত গাওঁ এৰি চহৰলৈ গৈছিল আৰু তাৰ পিছত তেওঁলোকৰ গাঁৱৰ ফালে অহা-যোৱা নোহোৱাই হৈছিল। এই সূত্ৰে দিগম্বৰ কলিতাৰ গাঁৱলীয়া জীৱনৰ লগত পৰিচয় নহ'ল। প্ৰায় ২৮ বছৰ পিছত যোৱা বছৰৰ নিৰ্বাচনৰ এনেকুৱা বতৰত বকুলপুৰ গাঁৱৰ মাজত উপস্থিত হৈছিল —ভোট বিচাৰি —কাৰণ তেওঁ আঞ্চলিক দলটোৰ হৈ এই অঞ্চলটোৰ কাৰণে প্ৰতিদ্বন্দ্বিতাত নামিছে। তদুপৰি ভাষণ প্ৰষঙ্গত তেওঁ যে প্ৰকৃততে এই গাঁৱৰেই তাকো শুনাই দিছিল। নিজৰ গাঁৱৰেই বুলি শুনি তথা নিজৰ গাঁৱৰে পৰা এজন প্ৰাৰ্থী ওলোৱাত ৰাইজেও ভাল পাইছিল। গতিকে সকলোৱে লাগি ভাগি আগৰজনক হৰুৱাই তেওঁক আসনত বহুৱাই দিছিল। কিন্তু ফলাফল —শূণ্য। লঙ্কালৈ যি সকল যায় তেওঁলোক হেনো ৰাৱণেই হয়। দিগম্বৰ ডাঙৰীয়াও ইয়াৰ ব্যতিক্ৰম নহ'ল, পৰম্পৰা ভাঙিবলৈ মন নকৰিলেও। নিৰ্বাচনত জিকাৰ পিছৰে পৰা তেওঁৰ পদধূলি আৰু এই বুকুলপুৰ গাঁৱত পৰাৰ কোনো সৌভাগ্য নহ'ল। বুকুলপুৰ গাঁৱত এইজনাৰ কৃপাত কোনো নতুন অলঙ্কাৰ পিন্ধিব নোৱাৰিলে। পুৰণি ৰূপটোৰেই থাকিল। গাঁৱৰ ৰাইজে শুনিব পায় যে বৰ্তমান ছাৰ ৰাইজৰ কাৰণে বিভিন্ন আঁচনি প্ৰস্তুতি কৰাত ব্যস্ত। অৱশ্যে এনেকুৱা বহু আঁচনিৰ কথা ৰাইজে শুনিছে যদিও এইবোৰ কি বুজি নাপায় বা বুজি পাবলৈ সৌভাগ্য হোৱা নাই। গাঁৱৰ ৰাইজেও ছাৰে আঁচনি ৰচনাৰ কাৰ্যত ব্যস্ত থকা বুলি গম পাই আমনি কৰিবলৈ মন নকৰে। এইদৰে সুদীৰ্ঘ পাঁচ বছৰ কাল আঁচনি প্ৰস্তুত কৰি ৰাইজৰ কাৰণে নোৱাৰিলেও নিজৰ কাৰণে হ'লেও কল্যাণ কৰি থৈ ৰাইজৰ বিধায়ক ৰাইজৰ মাজলৈ আহিল। যোৱা পৰহি গধূলি তেওঁ গাঁৱত পদধূলি পেলালে। লগে লগে আৰম্ভ হৈছিল—

মেকুৰীৰ চিনত —ভোট দিয়ক

এই মেকুৰীৰ চিহ্নটো তেওঁৰেই দলীয় প্ৰতীক আৰু যোৱা ৰাতি এওঁক ভোট দিবৰ কাৰণে ক'বলৈয়েই তৰুণ মুহিৰামৰ ঘৰত গৈছিল। তৰুণ দিগম্বৰ কলিতাৰ পাৰ্টিৰে সদস্য তথা এই অঞ্চলটোৰ আঞ্চলিক দলটোৰ নেতা। গতিকে ইয়াৰে ভোট কেইটা ছাৰক দিব পাৰিলে তাৰেই নাম। পিছত তাৰেই সুবিধা হ'ব। অৱশ্যে এই কেইদিন তাৰ অলপ কষ্ট নোহোৱাকৈ থকা নাই। জেপৰ পৰাও অলপ গৈছে। কিন্তু সি সেইবোৰলৈ চিন্তা কৰা নাই। ছাৰে তাক আশ্বাস দিছে—"জিকিলে তোৰ কাম হ'ব।"

ৰাতিপুৱাৰে পৰা মুহিৰামে এটা চিন্তাই মনত লৈ ফুৰিছে—মিটিঙলৈ যোৱা ভাল হ'বনে নহয়। ৰাতিপুৱা পথাৰলৈ যাওঁতে, বজাৰলৈ যাওঁতে আৰু ঘৰত বেৰখন দি থাকোঁতেও যোৱা নোযোৱাৰ কথাকেই ভাবি থাকিল। যোৱা ৰাতিৰে পৰা তাৰ মনটোত কিবা এটা ক্ষোভ জাগি আছে। শেষত মনটোক সৈমান কৰিব নোৱাৰি মিটিঙলৈ যোৱাটোকে ঠিক কৰিলে —অন্তত শুনাকৈ হ'লেও। দিনটোৰ কৰ্মব্যস্ততাৰ মাজত আকাশৰ ফালে চাই দেখিলে ইতিমধ্যে বেলি হালিলেই। লৰালৰিকৈ গাটো পুখুৰীত তিয়াই চুৰিয়াখন পিন্ধি কান্ধত গামোছাখন লৈ মিটিঙলৈ বুলি ৰাওনা হ'ল।

সভাস্থলী ভৰি পৰিছিল। ল'ৰা-ছোৱালী, মুনিহ-তিৰোতা প্ৰায় সকলোবোৰ আহিছে। মুহিৰাম গৈ পোৱাত ল'ৰা এজনে মাতি নি বহিব দিলে। সভাৰ উদ্দেশ্য ব্যাখ্যা কেতিয়াবাই শেষ হৈছিল। মাইকত শুনা গৈছিল —এতিয়া মাননীয় শ্ৰীযুত দিগম্বৰ কলিতাই আপোনালোকক দু-আষাৰ ক'ব। কলিতা ডাঙৰীয়াই লগে লগে এক গহীন গম্ভীৰ খোজেৰে লাউড স্পীকাৰৰ সম্মুখত গৈ থিয় হ'ল আৰু আৰম্ভ কৰিলে— "মোৰ শ্ৰদ্ধাৰ বকুলপুৰ নিবাসী ৰাইজ, প্ৰথমতে মই মোৰ আন্তৰিক শ্ৰদ্ধা ও মৰম জ্ঞাপন কৰিছোঁ। মই আজি কিয় আপোনালোকৰ সম্মুখত আহি হাজিৰ হৈছো আপোনালোকে হয়তো জানিব পাৰিছে। মই এইবাৰো আপোনালোকৰ সমৰ্থিৰ পৰা আঞ্চলিক দলটোৰ হৈ প্ৰতিদ্বন্দ্বিতাত নামিছোঁ। গতিকে আপোনালোকে আপোনালোকৰ বহুমূলীয়া ভোট কেইটা দি জয়যুক্ত কৰাত সহায় কৰি আপোনালোকৰ সেৱা কৰিবলৈ পুনৰ সুবিধা দিয়ে যেন।" (ক্ষন্তেক বৈ) "মোৰ শ্ৰদ্ধাৰ ৰাইজসকল, আপোনালোকে মোৰ অন্তৰৰ কথা কি বুজিব, আজি বকুলপুৰৰ অৱস্থা দেখি মোৰ অন্তৰ দুখেৰে ভৰি পৰিছে। কিন্তু কি কৰিম, হাতত ধন নাথাকিলে সকলো মিছা। কেন্দ্ৰতো বিৰোধী পাৰ্টিৰ চৰকাৰ থকা কাৰণে সুবিধা নেপাও। তদুপৰি আমাৰ ওপৰৰ চৰকাৰে ৰাজভঁৰালৰ তলি উদং কৰিও ধাৰ এসোপা লগাই গ'ল। কিন্তু মই এইবাৰ আপোনালোকক কথা দিছো এইবাৰ জিকিব

পাৰিলে এই অঞ্চলটোৰ উন্নতিৰ ব্যৱস্থা মই আগতে কৰিম, ইয়াৰ ৰাস্তা-পদূলিৰ অৱস্থা আৰু আগৰ দৰে নাথাকিব । এইবোৰ মই পকা কৰি দিম। স্কুলঘৰটোও মই বনাই দিম, চাকৰি নথকা প্ৰত্যেক ঘৰতেই একোটাকৈ চাকৰি দিম, আপোনালোকৰ যি বানপানীৰ সমস্যা তাকো মই সমাধা কৰিম, এখন কলেজ প্ৰতিস্থা কৰাৰ কাৰণেও মই চেষ্টা কৰিম, বৃদ্ধ পেঞ্চনৰ কাৰণে সকলোবোৰ মই সুবিধা কৰিম, কাকতে-পত্ৰই অভিযোগ কৰাৰ দৰে আৰু কৰিব নালাগে, মই ইয়ালৈ এজন ডাক্তৰ পঠাই দিম, বাইজ মই সপ্তাহত আপোনালোকৰ মাজলৈ এদিন আহিবলৈ চেষ্টা কৰিম, এই অঞ্চলটোৰ কল্যাণৰ কাৰণে মই আচুতীয়া আঁচনি ল'বলৈ চৰকাৰৰ ওচৰত দাবী জনাম আৰু .... কৰিম ..... কৰা হ'ব .... চেষ্টা কৰিম ........ ।

ইতিমধ্যে সময়ো ভালেখিনি হ'ল । চাৰিওফালে আন্ধাৰে আৱৰি ধৰিছে। সভাস্থলিৰ পৰা দুই-এজন লোক উঠিবলৈ আৰম্ভ কৰিছে। কলিতা ডাঙৰীয়াই দুঃআমাৰ কম বুলি বহিবলৈকে পাহৰিলে। কেৱল 'কৰিম' আৰু 'কৰা হ'ব' বুলিয়েই ভালেখিনি কৈ আছে । মুহিৰামৰ উঠিবৰ সময় হ'ল। গাই-গৰু কেইটা পথাৰতে আছে। গতিকে সেইকেইটা আনি বান্ধিব লাগিব ।

ঘৰলৈ গৈ থাকোতে মুহিৰামে মাইকত শুনিবলৈ পালে—ৰাইজসকল মই আপোনালোকৰ মাজলৈ শান্তি ও নিৰাপত্তা ঘূৰাই আনিবলৈ চেষ্টা কৰিম, আপোনালোকে যি নিৰাপত্তাহীনতাত ভূগিছে, সেয়া মই ঘূৰাই আনিম, অসমৰ পৰা সেনা বাহিনী প্ৰত্যাহাৰ কৰিবলৈ আমি চেষ্টা কৰিম ........, মুহিৰামে ভাবিলে প্ৰাক্তন বিধায়ক ডাঙৰীয়াই এইবোৰ সঁচাই কৈছেনে ? আগৰবাৰো দেখোন এইবোৰকে কৈছিল। নে এইবাৰ সঁচাকৈয়ে কৰিম বুলি ভাবিছে । কিন্তু এইবাৰ যদি সঁচাকৈয়ে কৰিম বুলি ভাবিছে আগৰবাৰ এনেয়ে কৰিম বুলি কিয় কৈছিল ? কথাবোৰ ভাবি মুহিৰামে ঘৰ কেতিয়া পালেহি গমকে নাপালে । সন্ধিয়া ইতিমধ্যে লাগি ভাগিছিল ।

গল্প

# তেজৰ চিঠি

*শ্ৰীজন্টিৰাম কলিতা*
স্নাতক ৩য় বৰ্ষ

কাকোবাৰ মাতত জুৰি উচপ খাই উঠিল । ভুমুকিয়াই দেখিলে পিয়ন । চিনাকী আখৰৰ চিঠিখন লৈ সোমাই পৰিল তাইৰ পঢ়া কোঠাত । দূৰণিবটীয়া চিঠিখন বহুদিনৰ মূৰত পাই মনতো অজান আনন্দত নাচিবলৈ ধৰিলে । হেঁপাহেৰে চিঠিখন পঢ়িবলৈ দৰ্জাখন বন্ধ কৰি ল'লে জুৰিয়ে ।

জুৰি সোণালী গাঁৱৰ ৰমেন চলিহাৰ এক মাত্ৰ ছোৱালী । মাক-দেউতাকৰ মৰম-চেনেহৰ মাজত জুৰি লহ-পহকৈ বাঢ়ি আহিছিল। দেউতাকে তাইক কোনো অভাৱৰ সম্মুখীন হ'বলৈ দিয়া নাছিল । আনৰ ল'ৰা-ছোৱালীৰ লগত জুৰিক বিশেষ মিলা-মিচা কৰিব দিয়া নাছিল দেউতাকে। চলিহা মানুহজন গৌৰৱী বিধৰ আছিল । চলিহা যদিও পুলিচ ইন্সপেক্টৰ আছিল তথাপি এজন ডাঙৰ ব্যৱসায়ীও আছিল। গাঁৱৰ মাটি বুলিলে গাঁৱৰ প্ৰায় আধাভাগ চলিহাৰেই । অটোমোবাইলচ্ দোকান, ধান মিল, আদিৰ উপৰিও নতুনকৈ এটা টেক্সটাইলচ ইণ্ডাষ্ট্ৰীও খুলিছে। মাক দেউতাকৰ এটাই চিন্তা, জুৰিক মেট্ৰিকটো পাছ কৰাই কটন কলেজত পঢ়ুৱাব, মানুহ গঢ়িব । জুৰি পঢ়াত মজলীয়া বিধৰ আছিল । সেয়ে দেউতাকে তাইৰ বাবে ঘৰুৱা টিউচন ধৰি দিছে । এইবাৰ তাই মেট্ৰিক পৰীক্ষাত বহিব ।

মেট্ৰিক পৰীক্ষা হৈ যোৱাৰ পিছত ঘৰতে থাকিব লগীয়া হোৱাত মনটো জুৰিৰ কিবা কিবা যেন লাগিছে । সেয়ে তাই আবেলি দেউতাকৰ ইণ্ডাষ্ট্ৰীৰ কাষলৈ ফুৰিব আহে। দিনটোৰ ক্লান্তিত সূৰ্যটোৱে পশ্চিম আকাশত জিৰণি লৈছে । হেঙুলী কিৰণবোৰ গছৰ আগবোৰত পৰি পাতৰ সৈতে লুকা-ভাকু খেলিছে । চৰাইবোৰ বাঁহলৈ উভতিছে, হয়তো পোৱালীলৈ আহাৰ লৈ । এনেতে পিছফালৰ পৰা ৰাজুৱে মাত লগাইছে —অকলে অকলে ক'লৈ যোৱা নো ? অচিনাকি ল'ৰাজনৰ মাতত জুৰি থমকি ৰৈ উত্তৰ দিলে —ফুৰিবলৈ আহিছো ।

প্লিজ পৰিচয়টো দিবা নেকি ? ৰাজুৱে ক'লে ।

মিচিকিয়া হাঁহিটিৰে সঁহাৰিসূচকভাবে জুৰিয়ে ক'লে মোৰ নাম জুৰি চলিহা, ঘৰ ওচৰতে, সৌ সোণালী গাঁৱত। যদি আপত্তি নাই, আপোনাৰ পৰিচয়টোও জানিব পাৰোনে ?

চৰি, দিম বুলিয়েই ভাবিছিলো, মোৰ নাম ৰাজু, ঘৰ কমলপুৰত । ৰাজুৱে ক'লে ।

ৰাজু বৰুৱা কমলপুৰৰ এটা অতি দুখীয়া পৰিয়ালৰ ল'ৰা । ৰাজুৰ জন্মৰ পিছতেই দেউতাকে ইহসংসাৰৰ পৰা বিদায় ল'লে । সেয়ে মাকে

ভিক্ষা বৃত্তিকে জীৱনৰ পথ হিচাবে ল'লে, নহ'লেতো উপাই নাই। মাকৰ এটাই আশা ৰাজুক পঢ়াই-শুনাই মানুহ কৰা। এটা সময়ত ৰাজুৱে স্থানীয় বিদ্যালয়খনৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি জ্ঞানদ্বীপ কলেজত নাম ভৰ্ত্তি কৰিলে। এখন বুঢ়া চাইকেলেৰে কলেজলৈ অহা-যোৱা কৰে.। কেৰ্ ..... কেৰ্ .... কেৰেক্, ঘেৰ ...... ঘেৰ ...... ঘেৰেক্ শব্দ কেইটা শুনিলে মাক ওলাই আহি জকৰা ভাত মুঠি উলিয়াই দিয়ে। সেইকেইটা খাই আকৌ টিউচনলৈ ওলায় যায়। টিউচন কৰা পইচাৰে বুঢ়া চাইকেলখন গোটাই লৈছে। এনেকৈয়ে সি পঢ়া খৰচটো উলিয়াই আছে। এটা সময়ত সি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাও প্ৰথম বিভাগতেই পাছ কৰিলে। একেখন কলেজৰ পৰা এটা সময়ত ১ম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি বি.এ. পাছ কৰিলে। বি.এ. পাছ কৰাৰ পিছত ৰাজুৱে চাকৰি বিচাৰিলে। অনেক ইণ্টাৰভিউ দিলে, কিন্তু ক'তা ? সকলোবোৰ পানীৰ মিঠৈ। চাকৰিৰ বাবে ভেটি লাগে। যাৰ এমুঠি ভাতৰ বাবে দিনে ৰাতি চিন্তা সি চাকৰিৰ বাবে টকা দিয়ে ক'ৰপৰা ? তাৰ জীৱনৰ প্ৰতি বিতৃষ্ণা আহিল। ইমানবোৰ পঢ়া-শুনা কৰিও ইমান ভালকৈ পাছ কৰিও এটা সাধাৰণ চাকৰি নাপালে পঢ়াৰ অৰ্থ কি ? সি জানে জ্ঞান অৰ্জনৰ বাবে পঢ়িব লাগে। কিন্তু সেই সত্যতা কেইজনে আজি মানি চলিছে ? মানিব কোনে ? ইমান টকা খৰছ কৰি পঢ়াৰ পিছত .... ? আজি-কালি সকলো টকাৰ অধীন। ডিগ্ৰী কিনা-বেচা কৰিব পাৰি। উপায়হীন হৈ ৰাজুৱে এটা প্ৰাইভেট ইণ্ডাষ্ট্ৰীত চাকৰি কৰিবলৈ ল'লে।

ৰাজুৱে মাকলৈ পইচা পঠায়। মাকে এতিয়া ভিক্ষা কৰিবলৈ নাযায়। পুতেকে লাজ পায়, ৰাজুৱে মাহেকত দিয়া পইচা কেইটাৰে নিজে খাই দুই পইচা সাঁচিছেও। এটাই আশা পুতেক এদিন ডাঙৰ মানুহ হ'ব। কোনোবা এটা শুভক্ষণত পুতেকৰ বিয়া পাতিব। ঘৰলৈ ন-বোৱাৰী আহিব আদি অলেখ জল্পনা-কল্পনাই মাকৰ শুকান ওঠ দুটিত দুখৰ মাজতো হাঁহি বিৰিঙাই তোলে।

জুৰি চলিহা .....। নামটোৱে ৰাজুৰ মনত উখল-মাখল লগালে। কিহে পাইছিল তাক অচিনাকী ছোৱালীজনীক মাতিবলৈ ? এই কথাবোৰে ইণ্ডাষ্ট্ৰীৰ মেচিনৰ শব্দবোৰকো বাধা দিছিল। এইবোৰ ভাবি ভাবি তাৰ কেতিয়া টোপনি আহিল সি গমকে নাপালে।

কিছুদিনৰ পিছত জুৰিৰ মেট্ৰিকৰ খবৰ ওলাল। দেউতাকে ভবাৰ দৰে জুৰিৰ ৰিজাল্ট নহ'ল। জুৰিয়ে ৩য় বিভাগতহে উত্তীৰ্ণ হৈছে। দেউতাকৰ মনৰ আশা মনতে থাকিল। তাইৰ আপত্তিৰ বাবে দেউতাকে ওচৰৰে কলেজখনত উচ্চতৰ মাধ্যমিক শ্ৰেণীত নাম ভৰ্তি কৰাই দিলে। তাই এতিয়া সৰু হৈ থকা নাই। এতিয়া তাই মেখেলা-চাদৰযোৰেৰে খাচ অসমীয়া গাভৰুজনী। ইণ্ডাষ্ট্ৰীৰ আগেৰে যোৱা ৰাস্তাটোৰে জুৰি কলেজলৈ অহা-যোৱা কৰে, দেখাত জুৰি কমজনী নাছিল। খামুচিয়া কঁকালটোৰে, কিচ্‌কিচিয়া চুলিটাৰীৰে ন-গাভৰুজনী। হৰিণৰ দৰে চঞ্চল মনটো এতিয়া চাৰিবেৰৰ মাজত ৰাখিব নোৱাৰে। কলেজলৈ যাওঁতে দুই এজন ল'ৰাই জোকায় .... বাঃ ভাল লাগিছে দেই ! তাই মিচিকিয়া হাঁহিটো মাৰি সহজ-সৰলভাৱে গুচি আহে। কলেজৰ পৰা আহোতে ৰাজু আৰু তাইৰ চাৰি চকুৰ মিলন হয়। দুয়োৰে দুয়োকে ভাল পাই পেলাইছিল নজনাকৈয়ে।

দুয়ো এতিয়া ইণ্ডাষ্ট্ৰীৰ ওচৰলৈ ফুৰিব আহে। বহি বহি নানা সুখ-দুখৰ কথা পাতে। ৰাজু ঘৰলৈ গ'লে এদিনকে এমাহ মান লাগে জুৰিৰ। সৌ সিদিনা কলেজ বন্ধত দুয়ো পাৰ্কলৈ ফুৰিব গৈছিল। এটি নিৰিবিলি গধূলি ৰাজুৰ কোলাত মূৰ থৈ আবেগেৰে জুৰিয়ে সুধিলে-

ৰাজু দা, আপুনি মোক সঁচাকৈ ভাল পায়নে ?

'তোমাক ভাল নাপালেও তোমাৰ মনটো'ক মই অতি ভালপাও জুৰি, ৰাজুৱে ক'লে।

ৰাজু দা, সঁচা প্ৰেম বাৰু কেনেকুৱা ? জুৰিয়ে সুধিলে।

জুৰি সঁচা প্ৰেমৰ দৃঢ় জ্ঞান মোৰ নাই। তথাপি সুধিছা যেতিয়া মোৰ সম্যক জ্ঞানৰ পৰা কওঁ শুনা 'এটি মনৰ দুটি প্ৰাণী' এজনী ছোৱালী একেলগে বহি চাহ খালে, একেলগে চিনেমা চালেই সঁচা প্ৰেম নহয়। ডাণ্টে-বিয়েট্ৰিছ, জল্কি-পানৈ, মমতাজ-চাহজাহান আদি সঁচা প্ৰেমৰ উদাহৰণ।

ৰাজু দা, আপুনি মোক জীৱনৰ লগৰী কৰি ল'ব পাৰিবনে ?

জুৰি, দেউতাৰাই জানো নিজৰ কাৰখানাত কাম কৰা লেবাৰ এজনলৈ তোমাক বিয়া দিব ? কোনোমতে তোমালোকৰ কাৰখানাত কাম কৰি পেটটো পূৰাই আছো, এনে এজন নিচলালৈ জানো তোমাক .... ?

ৰাজু দা, মোৰ যদি আনৰ লগত বিয়া হয় তেতিয়া আপুনি কি কৰিব ?

তেতিয়া আৰু মই এইখন পৃথিৱীত জীয়াই নাথাকো জুৰি।

তেনেকৈ নক'ব ৰাজু দা ! তেনেকৈ ক'লে মই সহ্য কৰিব নোৱাৰো।

জুৰি, সঁচাকৈ তোমাক মই ভাল পাওঁ। যদি ঈশ্বৰ সহায় থাকে তেন্তে আমাৰ বিয়া হ'বই। আৰু যদি নহয় ভাবিম ঈশ্বৰে আমাক সহায় নকৰিলে। তেতিয়া মই এই পৃথিৱীৰ পৰা বিদায় ল'ম। তেনেকৈ নক'ব ঈশ্বৰে আমাক সহায় কৰিবই। ৰাজু দা তোমাৰ বাহু যুগলৰ ছাঁত বিশ্ৰাম ল'বৰ বাবে অকমান ঠাই দিবানে ? ওঁঠ যুৰিৰ মধুৰ পৰশ ল'বলৈ তুমি জানো ...... ?

জুৰি, সকলো তোমাৰ বাবেই। কোৱা জুৰি তুমি মোক অপেক্ষা কৰিবা ? সেইদিনা আছিল পূৰ্ণিমা ৰাতি। দুয়ো পূৰ্ণিমাৰ জোনটিলৈ চাই আজীৱন নেবো বুলি প্ৰতিজ্ঞাবদ্ধ হৈ আলোচনাৰ অন্তত ঘৰমুৱা হ'ল।

কালক্ৰমত ৰাজু গুৱাহাটীৰ এটা কোম্পানীলৈ বদলি হ'ল। তথাপি সিহঁতৰ মাজত চিঠিৰে ভাব আদান-প্ৰদান চলি থাকিল। এসময়ত জুৰি আৰু ৰাজুৰ প্ৰেমৰ কথা দুয়োখন ঘৰৰ মানুহে জানিব পাৰিলে।

জুৰিৰ দেউতাক গুজৰি-গুমৰি উঠিল। "সামান্য এজন লেবাৰলৈ, সেই ভিক্ষাৰিণীৰ পুতেকলৈ এই চলিহাৰ ছোৱালী বিয়া দিম ? ই কি সম্ভৱ ? হ'ব নোৱাৰে, চলিহাৰ বংশৰ মান-মৰ্য্যাদা আছে। মই ভালকৈ জানো তাৰ কথা, নিজৰ কাৰখানাত সি কাম কৰে।" এইখিনি কৈ জুৰিক বুজনি দিলে চলিহাই। দেউতাকৰ বুজনিত তাই ৰাজুক পাহৰিলে.। তাইৰ বাবে ল'ৰা বিচাৰিলে। ল'ৰা পালে। গুৱাহাটীৰ এজন ইণ্ডাষ্ট্ৰীৰ মালিকৰ ল'ৰা ড° পঙ্কজ বৰুৱা। ইঞ্জিনিয়াৰ বৰুৱাৰ লগত জুৰিৰ বিয়াৰ ঠিক কৰিলে। মাৰ্চ মাহৰ পোন্ধৰ তাৰিখে জুৰিৰ বিয়া। জুৰিয়ে ভাবিলে ৰাজুদাক কথাটো জনাব পাৰিলে ভাল হ'ব।" এই বুলি মনতে ভাবি হাতত কলম লৈ লিখিবলৈ ধৰিলে—

মৰমৰ ৰাজু দা,

পোনতে তোমালৈ মোৰ মৰমবোৰ পঠালো। আশা ঘৃণা নকৰি গ্ৰহণ কৰিবা। এটা বিশেষ কাৰণত তোমালৈ লিখিলো। তুমি চাগৈ আচৰিত হ'বা। মাৰ্চ মাহৰ পোন্ধৰ তাৰিখে মোৰ বিয়া। ল'ৰাজনৰ ঘৰ গুৱাহাটীত। ইঞ্জিনিয়াৰ পঙ্কজ বৰুৱা। সেয়ে তোমাক বিয়ালৈ নিমন্ত্ৰণ জনালো। ৰাজু দা বিধিৰ লিখন কোনে জানে ? ঈশ্বৰৰেই ইচ্ছা, তোমাৰ মনে-প্ৰাণে ভাল পায়ো জীৱনৰ সংগী হ'বলৈ নাপালোঁ। দেউতাই জোৰ-জুলুম বিয়া ঠিক কৰিলে। মোৰ আপত্তিত দেউতাই ক্ষীণ চকুৰেও নাচালে। দেউতাৰ মৰমত ডাঙৰ দীঘল হ'লো যেতিয়া ময়ো দেউতাৰ অবাধ্য হ'ব নোৱাৰিলো।

আশাকৰো সেইদিনা বিয়াত উপস্থিত থাকি মোক আশীৰ্ব্বাদ দিবাহি।

ইতি—
তোমাৰ
জু...ৰি।

নিজৰ সৰু কোঠাটোত ৰাজু সোমাইছিলহে মাথো। ৰঙা খামটো, তাৰ লেটাৰ বক্সটো খুলিয়েই দেখা পালে। দেখিলে জুৰিৰ আখৰ। চিঠিখন পঢ়ি চাই বিশ্বাস কৰিবই পৰা নাছিল। বহুবাৰ পঢ়ি চাই দেখিলে জুৰিৰেই হাতৰ আখৰ। সি মনতে ভাবিব ধৰিলে— "ইমান বিশ্বাসঘাটকতা কৰিলে জুৰিয়ে। নাই নাই তাৰ নিজৰেই ভুল। কিহে পাইছিল ইমান ধনী মানুহৰ ছোৱালী ভাল পাবলৈ।" তাৰ উশাহ-নিশাহ বন্ধহৈ যাবৰ উপক্ৰম হৈছিল। সি ধৈৰ্য্য ধৰি ৰ'ল। বেছি সময় বৈ নাথাকিল। ডাড়ি খুড়াবলৈ অনা নতুন ব্লেডখন লৈ বাওঁ হাতৰ মাজৰ আঙুলিৰ পেটত লেপি দিলে। চিঁয়াহী বিহীন কলটোৰে জুৰিলৈ তেজেৰে লিখিবলৈ ধৰিলে—

মৰমৰ জুৰি,

পোনতে তোমালৈ থকা অনাবিল মৰম যাছিলোঁ। মোৰ বৰ্তমান ভাল। বৰ সুখী হৈছো তোমাৰ চিঠিখন চাই। জুৰি ! যৌৱনৰ প্ৰাক্-মুহূৰ্ত্ত তোমাক ভাল পাইছিলো। নিৰিবিলি গধূলি পূৰ্ণিমাৰ জোনটোলৈ চাই প্ৰতিজ্ঞাবদ্ধ হৈছিলো। কিন্তু তুমি সকলোকে নেওচি আগবাঢ়িলা। তুমি ঠিকেই কৰিছা জুৰি। তুমি তোমাৰ উপযুক্ত মানুহ বিচাৰি পাইছা। মোৰেই ভুল হৈছিল। তোমাৰ আগত আজি মই ভুল স্বীকাৰ কৰিছো। তুমি ধনী মানুহৰ ছোৱালী। তোমাক পাবলৈ আশাকৰাটো মোৰ পাপ। পৰ্বতৰ টিঙত কাছৰ কণী বিচাৰিলে জানো পায় ? তুমি তোমাৰ পথ বিচাৰি লৈছা। জুৰি তুমি যেতিয়া এই চিঠিখন পাবা তেতিয়া আৰু মই এই পৃথিৱীত নাথাকো। গুচি যাম অজান দূৰলৈ। য'ত মানুহৰ ভেদা-ভেদ নাই। শেষত তোমাৰ দাম্পত্য জীৱন সুখী হোৱাৰ কামনাৰে তোমাৰ

ৰা.... জু .... দা।

জুৰিয়ে চিঠিখন পাই দৰ্জাৰ হুক দি ল'লে। চিঠিখন চাই দেখিলে তেজৰ আখৰ। তাইৰ চিঞৰি দিবলৈ মন গৈছিল। কিন্তু পঢ়িলে। তাই মাথো এবাৰ চিঞৰিলে —ৰাজু দা ময়ো তোমাৰ পিছে পিছে গৈ আছোঁ।

গল্প

# নিলাজ চকুলো

মিচ. ৰৌছন আৰা বেগম
স্নাতক ৩য় বৰ্ষ

দোকমোকালি। সূৰ্য্যৰ কিৰণ গছ-লতিকাৰ পাতে পাতে জিলিকিছে। বাগিছাৰ তলসৰা ফুলবোৰ নিয়ৰ কণিকাৰ পৰশত এতিয়াও সতেজ হৈ আছে। জুনুৱে ফুলৰ কৰণিটো লৈ শেৱালি গছজোপাৰ কাষলৈ গ'ল। তাই নিয়ৰত তিতা ফুলবোৰ গোটাই কৰণিটো ভৰালে। জুনুৰ শিশু সুলভ চঞ্চল মনটো উলাহত নাচিবলৈ ধৰিলে। তাই নিতৌ ফুল গোটায়। ফুলবোৰ লৈ দোকানে দোকানে দিয়ে আৰু তাৰ পৰা যি পইচা পায় তাৰেই হিয়া নধৰা আনন্দত লিচু, আম, জাম আদি কিনি খায়। আজি গোটোৱা ফুলবোৰ বেছি সতেজ হৈ থকা যেন লাগিছে; কাৰণ ৰাতিপুৱা অতিপাত নিয়ৰ পৰিছিল। নিয়ৰৰ পৰশ পালে তলসৰা ফুলবোৰ সহজতে লেৰেলি নাযায়। তাই আনন্দত ফুল ফুলা গানৰ কলি এটা গাবলৈ ধৰিলে—

সুন্দৰে যে ফুলাৰ মন্ত্ৰ আহোৰাত্ৰি মাতে
সেয়ে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।

"হেৰৌ জুনু !

পিছফালৰ পৰা কোনোবাই তাইক মাতিলে। জুনুৱে উভতি চাই ডাক্তৰ হাজৰিকাৰ ঘৈণীয়েকক দেখিবলৈ পালে। জুনুৱে ততাতৈয়াকৈ নমস্কাৰ জনালে। অলকা হাজৰিকা এগৰাকী শিক্ষয়িত্ৰী, ডাঃ হাজৰিকাৰ পত্নী। সুন্দৰ, সুঠাম, দেহশ্ৰী, মুখখনি ফুলৰ দৰেই কোমল লাৱণ্যময়ী।

জুনু, ফুলৰ কৰণিটো লৈ মোৰ লগতে আহা । আজি গোটেইখিনি ফুল মোক লাগিব ।

জুনুৱে একো নোকোৱাকৈ মাথো মিচিকিয়াই হাঁহি এটা মাৰি অলকা হাজৰিকাৰ পিছে পিছে গৈ থাকিল । অলকা বিধবা মহিলা । তিনিমাহ মান আগতে ডাঃ হাজৰিকা ঢুকাইছে । তজবজীয়া গাভৰুজনী অকালতে বিধবা হ'ল । বিয়াৰ আগতে আৰু পিছতো অলকাই পূজা-পাৰ্বণলৈ মন দিয়া নাছিল । এতিয়া শহুৰ-শাহুৰেকৰ চাপত পৰি মৃত স্বামীৰ মংগলৰ কাৰণে পূজা-পাতল কৰিবলগীয়া হৈছে । স্বামীৰ মৃত্যুৰ পিছৰ পৰাই অলকা শহুৰৰ ঘৰতেই আছে । তাইৰ দুভাৰ্গ্য যে, তাই কোনো ল'ৰা-ছোৱালীৰ মাক হ'ব নোৱাৰিলে । চাকৰিয়াল বোৱাৰী ঘৰৰ লখিমী । শহুৰ-শাহুৰৰ আদৰ উপেক্ষা কৰিবলৈ অলকাৰ শক্তি নাই । অলকা এজনী বিনয়ী আৰু মৰমিয়াল বোৱাৰী । মৃত গিৰিয়েকৰ প্ৰতি শ্ৰদ্ধা জনাই তাই শহুৰ-শাহুৰৰ লগতে দিনবোৰ কটাইছে ।

জুনু, কোৱাচোন তোমাক কিমান পইচা দিব লাগিব । অলকাৰ প্ৰশ্নত জুনুৱে হাঁহিলে ।

ৰাতি পুৱাৰ মিঠা মিঠা ৰ'দত জুনুৰ মুখখনিত জেউতি চৰিছিল । কেনে নিমজ মুখখনি বৰ ভাল লগা অলকাই মনে মনে ক'লে । ৰ'বা বুলি কৈ অলকাই ঘৰৰ ভিতৰলৈ সোমাল । খন্তেক পিছতে উভতি আহি ক'লে —চাহ খাবানে ? জুনুৱে মুৰ জোকাৰিলে ।

অলকাই এপিয়লা গাখীৰ আৰু কিছু মিঠাই জুনুৰ হাতত তুলি দিলে । কাষৰ চোফাখনত বহি তাই মিঠাই খাবলৈ ধৰিলে ।

"এপিয়লা এৱাঁ গাখীৰ"

জুনুৰ চকু দুটা উজ্বল হৈ উঠিল । চাহৰ কথা কৈ গাখীৰ খাবলৈ দিছে । জুনুৰ জীৱনত এইয়া এক ব্যতিক্ৰম ঘটনা । তাই মৰমৰ বন্যাত উপঙি ফুৰিবলৈ ধৰিলে । দুচকু পানীৰে উপচি পৰিল ।

"কি কৰুণ দৃশ্য !"

জুনুৰ দুচকুত পানী চাই অলকাই হতভম্ব হৈ গ'ল । মই কি কৰিলো ? তুমি বেয়া পাইছানেকি ? জুনুৱে অলকা হাজৰিকাৰ কথাৰ কোনো ধৰণৰ উত্তৰ দিব নোৱাৰিলে । চকুপানী আৰু গাখীৰ একাকাৰ হৈ গ'ল ।

অলকাই আগবাঢ়ি আহি শাৰিৰ আচলেৰে তাইৰ চকুপানী মছি দিলে । তাৰ পিছত কোমল হাতেৰে মূৰত হাত বোলাই মৰমৰ মাতেৰে সুধিলে —তুমি কান্দিছা কেলেই ?

"নাই এনেয়ে, কথাষাৰ কৈ জুনুৱে হাত দুখনেৰে চকু-মুখ ঢাকিলে ।

—'তোমাৰ মা আছে ?'

—'আছে ।'

—'দেউতা ?'

—জুনু নিমাত ।

—তুমি পঢ়া নে ?

—নাই —নপঢ়ো ।

—তোমাৰ মাই কি কাম কৰে ?

—মানুহৰ ঘৰত কাম বন কৰে ।

অলকাই দীঘলীয়াকৈ উশাহ্ এৰি হুমুনিয়াহ এটা কাঢ়ি ক'লে --এই লোৱা সাত টকা, ফুলবোৰৰ দাম দিছো, লোৱা ।

জুনুৱে বিশ্বাস কৰিবলৈ টান পায় । তাইৰ সংকোচ ভাব চাই অলকাই ক'লে, লোৱা মই দিছো ।

ইমান টকা নেলাগে দুই টকা দিয়ক । মই সদায়ে দুই টকাতে ফুলবোৰ দিওঁ —জুনুৱে ক'লে ।

তুমি লোৱাচোন, মই ইচ্ছা কৰি দিছো, লোৱা । অলকাৰ কথাত তাই টকা ল'বলৈ বাধ্য হ'ল । শুনা গধূলি তোমাৰ মাৰাক লৈ আহিবা, কথা আছে বুইছা ।

অলকাৰ কথাত হয়ভৰ দি জুনু লাজ ৰঙা ভঙ্গিমাৰে ঘৰৰ পৰা ওলাই যায় ।

গধূলি জুনুৱে মাকক লৈ আহিল ।

জুনুৰ মাকৰ বয়স হৈছে প্ৰায় ৪০ বছৰ । তথাপি চেহেৰাৰ মাধূৰ্য্য আছে । অলকাই সিহঁতক বহিবলৈ দিলে । চাহ এপিয়লা দি আল-পৈচান ধৰিলে । চাহৰ পৰ্বৰ শেষ হোৱাৰ পিছত অলকাই জুনুৰ মাকক সুধিলে ; আপোনাৰ নাম কি ?

জেতুকী, জুনুৰ মাকে উত্তৰ দিলে । আপোনাৰ স্বামী আছে ? আছে কিন্তু তেওঁ আমাৰ লগত নাথাকে । ছোৱালী (জুনু) জনী ওপজাৰ দিনাৰ পৰাই তেওঁ .... তাৰ মানে ছোৱালী ওপজা বাবে সি মনে মনে বেজাৰ পাই আপোনাক এৰি বেলেগকৈ থকা কৰিছে নেকি ? — হয় তেনেকুৱাই ।

—তেওঁ এতিয়া কি কৰে, ক'ত থাকে ?

—শুনিছো গোলাঘাট নগৰীত ঠেলা চলোৱা বুলি । হ'ব দিয়ক । আপোনাৰ চলাটো এতিয়া কষ্ট হৈছে । জুনুক মোক দিয়ক, মই তাইক নিজৰ ছোৱালীৰ দৰে লালন-পালন কৰিম । মোৰ নিজৰ সন্তান নাই —মোৰ আপত্তি নাই, তাই যদি আপোনাৰ ওচৰত থাকি ভাল মানুহ হ'ব পাৰে । তাতে ময়ো শান্তি পাম —ধন্যবাদ ।

কথা শেষ হ'ল । সিদিনাৰ পৰা জুনু অলকাৰ ছোৱালী হ'ল আৰু তাইক স্কুলত নাম লগাই দিয়া হ'ল । জুনুৰ বাবে এইয়া এক নতুন জীৱন । নিতৌ ৰাতিপুৱা তলসৰা ফুলবোৰ গোটাই লৈ দোকানে দোকানে ঘুৰি ফুৰা ছোৱালীজনী এতিয়া স্কুলীয়া ছোৱালী হ'ল । জুনু হাজৰিকা নামেৰে পৰিচিত হ'ল । এই ছোৱালীৰ সাজ-পাৰ, আচাৰ আচৰণত সম্পূৰ্ণ পৰিৱৰ্তন আহিল ।

মাজে সময়ে মাকে আহি চাই যায় আৰু হিয়া উদঙাই আশীৰ্বাদ দি যায় ।

জুনুৰ জীৱনৰ এইটো এটা নতুন অধ্যায় । তাই নিতৌ স্কুললৈ যায় । পঢ়া-শুনাত বৰ ধাউতি । জুনুৰ পঢ়ালৈ চাই অলকাৰ মনত অপাৰ আনন্দ । তায়ো যতন ল'লে সময়ৰ সোঁতবোৰ একে গতিতে বৈ যায় ।

এতিয়া জুনুৰ পৰিৱৰ্তন পোৱা গ'ল । তাই সুখ্যাতিৰে H.S.L.C পৰীক্ষা পাছ কৰি বিজ্ঞান শাখাত কলেজত ভৰ্তি হ'ল । ইতিমধ্যে পৰিবেশৰ অৱস্থা বহু ওলট-পালট হৈ গ'ল । অলকাৰ শহুৰ-শাহুআই ঢুকাল স্বাভাৱিকভাৱে তেওঁৰ জীৱন দ্বীপ নিৰ্বাপিত হৈছে ।

অলকা আৰু জুনু ঘৰখনত উজ্জ্বল চাকি । জুনুৰ নিজা মাকে এতিয়া জুনুহঁতৰ ঘৰতেই থাকে । কাম-বন কৰে আৰু সিহঁতৰ আলপৈচান ধৰে । অলকাৰ দেহাটোত বয়সৰ ছাপ পৰিছে । জুনুৱে ডা০ হ'বলৈ বিচাৰে । যতন লৈ অলকাই উদ্দেশ্যৰ বাটত আগবঢ়াই দিছে ।

ঘৰৰ আটায়ে উদ্বিগ্ন । পৰীক্ষা হৈ গৈছে, ফলাফল ওলালেই উদ্দেশ্য সফল হ'বহি । জুনুৱে ডাঃ হ'ব । ডাঃ জুনু হাজৰিকা নামটো লিখিবলৈ কিমান হেঁপাহ, কিমান উদ্বিগ্ন ।

অলকাৰ দুচকু পানীৰে উপচি পৰে । তাইৰ জীৱনৰ সাধনা ব্যৰ্থ হোৱা নাই । জুনুৰ মাকে দিবাস্বপ্নত বিভোল । এসময়ত যিজনী ছোৱালী ওপজাৰ লগে লগে তাইৰ জীৱনলৈ দুৰ্যোগ নামি আহিছিল । আজি সেইজনী ছোৱালীক লৈ তাই গৰ্ববোধ কৰিছে, নিয়তিৰ পৰিহাস বুজি পোৱা টান । অৱশেষত সেই দিনটো আহিল ।

জুনুৱে সুখ্যাতিৰে ডাক্টৰী পৰীক্ষাত উত্তীৰ্ণ হ'ল । অলকাৰ মুখত বিজয়ৰ হাঁহি । জুনুৱে দুয়োকে সেৱা জনাই মানুহৰ সেৱা কৰিবলৈ সংকল্প গ্ৰহণ কৰিলে ।

অলকাৰ পইচাৰ কোনো অভাৱ নাছিল । তেওঁ নিজা ঘৰতে জুনুৰ ডাক্টৰী চেম্বাৰ আৰু দৰব-পাতিৰ ব্যৱস্থা কৰি দিলে । চাইনবোৰ্ড চাই ৰোগীৰ ভিৰ হ'বলৈ ধৰিলে । লাহে লাহে জুনু পাকৈত হৈ উঠিল ।

এদিনৰ ঘটনা । জুনুৱে চেম্বাৰত বহি ৰোগী চাইছে । কাষতে অলকাই জুনুৰ ৰোগী ছোৱা চাই তৃপ্তি লাভ কৰিছে । মাকে ওচৰতে থিয় হৈ নচিবৰ (কপাল) কথা সোঁৱৰিছে । ঠিক এনে সময়ত ৰোগী এজন আহিল । ৰোগীৰ বয়স ৫০ মান হ'ব । দেহাটোত বলিষ্ঠতাৰ ছাপ আছে । আকস্মিক দুৰ্ঘটনাত বেয়াকৈ আঘাট পোৱা ৰোগীজন জুনুৰ ওচৰলৈ আহি কাকুতি-মিনতি কৰিবলৈ ধৰিলে । জুনুৰ বুকুখন চিৰিংকৈ উঠিল । জুনুৰ মাকে ৰোগীৰ মুখখনলৈ চাই থাকিল ।

ৰোগীয়ে জুনুৰ মুখৰ ফালে চাইছে আৰু তাইৰ মাকৰ ফালে চাইছে । কিন্তু ঠাৱৰ কৰিব পৰা নাই, ঠাৱৰ কৰিব পাৰিছে যদিও মুখেৰে ক'বলৈ সাহস পোৱা নাই ।

ৰোগীয়ে ক'লে —তুমি জুনুৰ মাক নেকি ?

জুনুৰ মাকে মূৰ দুপিয়ালে ।

এইজনী জুনু, ডাঃ জুনু মোৰ ছোৱালী । কথাষাৰ কৈ ৰোগীজনে ধুপুচকৈ মাটিত বাগৰি গ'ল । জুনুৰ মাকে ক'লে, হয় এইজনেই জুনুৰ দেউতা । অলকাৰ দিহামতে ৰোগীক আলপৈচান ধৰা হ'ল । যথা সময়ত মানুহজন সুস্থ হৈ উঠিল ।

জুনুৱে দেউতা বুলি মাতিলে, জুনুৰ দেউতাকে উত্তৰ দিব নোৱাৰিলে । কেৱল দুচকুৰ পৰা ধাৰাসাৰে চকুলো বৈ গৈছে ।

সম্পূৰ্ণ নীৰৱতা, কাৰো মুখত মাতবোল নাই । অলকাই ক'লে মানুহৰ ভুল ধাৰণা ছোৱালী ওপজিলে মূৰৰ বোজা বুলি ভাবে । দৰাচলতে ল'ৰাই হওক ছোৱালীয়েই হওক যতন লৈ মানুহ কৰি গঢ়ি তুলিব পাৰিলে সিয়েই সৌভাগ্য কঢ়িয়াই আনিব পাৰে ।

নিজৰ জন্মদাতা পিতৃৰ সম্মুখত থিয় হৈ জুনুৱে ক'লে, মই হেৰুৱা দেউতাক পাইছো । আজি মই প্ৰাণ খুলি মাতিম দেউতা, দেউতা দেউতা... ।

গল্প

# প্ৰতিশোধ



শ্ৰীনমিতা (মণি) ডেকা
স্নাতক ১ম বৰ্ষ

"হৃদয়ৰ সাগৰ তেনেই কোমল
প্ৰেম প্ৰাচীৰ যে কঠিন ..."

নতুনকৈ অনা Philips টেপটোত বাজি উঠিছিল এক মধুৰ সংগীত । "নমিতা"

কোনে বাৰু মোক মাতিছে খুলি থোৱা দুৱাৰখনৰ পৰা ? ঘূৰি চাই দেখো 'নিশা' । মোৰ ৩ বছৰ আগৰ প্ৰিয় বান্ধৱীজনী । যি জনী ছোৱালী আছিল মোৰ শৈশৱৰ আৱশ্যকীয় অংগ সদৃশ । নিশা কেনেকৈ আহিল ইয়ালৈ ? তাইৰ মুখখনলৈ চাই মই থৰ হৈ গ'লো । তাইৰ শিৰত সেয়া তিৰবিৰকৈ কি জ্বলিছে ? তাৰমানে নিশাজনী এতিয়া কাৰোবাৰ বিবাহিতা ! 'নিশা' মোৰ মুখৰ পৰা কোনোমতে শব্দটো ওলাব পালেহে নিশাই মোৰ

গাত জোৰকৈ সাবটি ধৰি কান্দি দিলে । তাইক শান্ত্বনা দিবলৈ মই একো ভাষাই বিচাৰি নাপালো । মই মাথো এটা মন্ত্র শক্তিৰ দৰে নিস্তব্ধ হৈ ৰ'লো ।

"নিশা দুৱৰা" অলকেশ দুৱৰা আৰু অল্প দুৱৰাৰ একমাত্র কন্যা সন্তান । চাৰিটি মাথো পৰিয়ালেৰে এখন সুখী ঘৰ । মাক, দেউতাক, ককায়েক আকাশ আৰু তাই । আমি ১ম শ্রেণীৰ পৰাই একেলগে পঢ়িছিলো । নিশাহঁতৰ ওচৰৰ শইকীয়া খুড়াৰ ঘৰত আমি ভাড়া আছিলো । আমাৰ দুয়োজনীৰে মাজত বন্ধুত্ব গঢ় লৈ উঠাৰ বাবেই নেকি নিশাহঁতৰ ঘৰখনৰ লগতো আমাৰ ঘৰখনৰ এটা বেছ সম্পর্ক গঢ়ি উঠিছিল । দুয়োজনী বান্ধৱীৰ মাজত আকৌ শ্রেণীটোত ১ম স্থান দখল কৰিবলৈ বেছ প্রতিযোগিতা চলিছিল । কিন্তু সময় কালৈকো ৰৈ নেথাকে । কেইবছৰমান পিছত পাপাৰ চাকৰি সংক্রান্তত মঙ্গলদৈলৈ আহিব লগা হ'ল । তিতাবৰত সৰুৰে পৰা খেলি-ধূলি ডাঙৰ হোৱা সকলো সমনীয়াৰ লগতে মই নিশাৰো চকুৰ আঁতৰ হ'লো । অৱশ্যে সম্পূর্ণ ৩ বছৰ আমাৰ মাজত চিঠিৰ আদান প্রদান চলিছিল । কিন্তু তাৰ পিছত ' নিশাক চিঠি দি দি মই ভাগৰি পৰিছিলোঁ ; তাইৰ পৰা কোনো উত্তৰ অহা নাছিল । সময়ৰ কোবাল গতিত হেৰাই গৈছিল আমাৰ বন্ধুত্ব । আৰু আজি সেইজনী নিশাই মোৰ আগত উচুপি আছে এজনী সৰু ছোৱালীৰ দৰে । মোৰ ভাবৰ জটিলতাৰ আঁত পেলাই নিশাই মাত লগাইছিল । 'নমিতা' মোক দেখি হয়তো তোৰ খং উঠিছে নহয়! আজি তোৰ মোৰ ওপৰত থকা অভিমানহে শেষ কৰিব আহিছো নমিতা । যোৱা ৫ বছৰে আমি কেনেকৈ জীয়াই আছো তাকতো তই নেজান? মই তোক আজি এই আটাইবোৰ ক'বলৈকে বিছাৰি বিছাৰি এইখিনি পাইছোহি । চা নমিতা, মোৰ চকুত চকুপানী শুকাই গৈছে আৰু মই তোৰ আগত ক'ব ওলাইছো কুহেলিকাময় মোৰ অতীতটোৰ কথা । তই কিন্তু ইয়াৰ মাজত কোনো প্রশ্নই নকৰিবি । মোৰ পাৰি থোৱা বিছনাখনতে তাই বহি পৰিছিল আৰু কৈ গৈছিল অভিজ্ঞতাৰে পুষ্ট হোৱা তাইৰ যোৱা ৫ বছৰৰ ঘটনাবোৰ ।

'নমিতা' তইতো মোক সৰুৰে পৰা লগ পায় আহিছা । তইটো জানই সাধাৰণ এলপি স্কুলৰ শিক্ষক দেউতাৰ দৰমহাক অবলম্বন কৰিয়েই আমাৰ খোৱা-লোৱাৰ পৰা পঢ়া-শুনালৈ সকলো চলি আছিল । এইটোওতো জান তহঁত মঙ্গলদৈলৈ গুচি অহাৰ তিনি বছৰ পিছত দেউতাৰ ব্লাডকেঞ্চাৰ হৈছিল । তাৰ পিছৰে পৰা মই তোক চিঠি দিব বন্ধ কৰি দিছিলো । কাৰণ তাৰ পিছত আমাৰ ঘৰত যিবোৰ ঘটিছিল সেইবোৰ তোক জনোৱা হ'লে তই দুখঃহে পালিহেঁতেন । কিন্তু আজি তোক মই এই দুখবোৰ দিবই ইয়াত আহিছো । তোক কথাবোৰ খুলি ক'লেহে মই শান্তি পাম । অন্তত তই তোৰ দেউতাৰ অর্থাৎ পুলিচ ইন্সপেক্টৰ অজয় বৰুৱাক ক'ব পাৰিবি 'বিপ্লৱী অগ্নি শিখা' কেনে ছোৱালী ? বাৰু সেইবোৰ এতিয়া থাওক । দেউতাৰ অসুখৰ খবৰ পায় আমি বলীয়াৰ দৰে হৈছিলো । দেউতাক ভাল কৰিবৰ বাবে আমি মহাজন অভিলাষ চৌধাৰীৰ পৰা ৫ হেজাৰ টকা সুতত লৈছিলো । তাৰ উপৰিও সাঁচতীয়া টকা আৰু দুই-এপদ বস্তু বিক্রী কৰি পোৱা টকাৰে দেউতাক ভেলোৰলৈ নিছিলো । ভগৱানক যে কিমান খাটিছিলো দেউতাক ভাল কৰি দিবলৈ । কিন্তু ভগৱানে আমাৰ প্রার্থনা শুনা নাছিল । দেউতাক আমাৰ মাজৰ পৰা অনন্ত ধামলৈ লৈ গৈছিল । ককাইদেউ আকাশৰ মেট্রিক পৰীক্ষালৈ আৰু মাত্র বাকী আছিল ২৮ দিন । যি সময়ত এজন ছাত্রই মেট্রিক পৰীক্ষা বুলি সমষ্ট দায়িত্ব কাটি কৰি পঢ়াত মন দিয়ে সেই সময়ত মোৰ আকাশ ককাইদেৱে দেউতাৰ শ্রাদ্ধৰ ওপৰিও এখন ঘৰৰ সমস্ত দায়িত্ব মূৰ পাতি ল'বলগীয়া হৈছিল । দেউতাৰ মৃত্যুৰ বতৰাই আমাৰ ঘৰলৈ কঢ়িয়াই অনা কাৰুণ্যক মই তোৰ আগত চিঠিৰে প্রকাশ কৰিব পৰা নাছিলো । দেউতাৰ মৃত্যুৱে আমাৰ ঘৰলৈ লৈ আহিছিল দাৰিদ্রতাৰ অভিশাপ । সাঁচতীয়া টকাও শেষ হৈছিল আৰু দিনক দিনে মহাজনৰ সুদো বেছি হৈ আহিছিল । শেষত মাৰ লগত থকা সামান্য গহনা-গাঠৰি, বাতি-কাঁহি আনকি দেউতাৰ মৰমৰ চাইকেলখনো বিক্রী কৰি দিলো । সেই টকাখিনি অভিলাষ চৌধাৰীৰ হাতত দিলো যদিও আৰু ১০০০ টকা বৈ গ'ল দিবলৈ । ইয়াৰ পিছত আহিল আমাৰ দৈনন্দিন জীৱনৰ সংগ্রাম । মা আৰু ককাইদেৱে হাজিৰা কৰে । মই কাবোবাৰ কাপোৰ বৈ, চুৰেতাৰ গুঠি অলপ উপার্জন কৰো । কিন্তু এনেকৈ জানো এখন ঘৰ চলা সম্ভৱ ? আমাৰ জীৱন যাত্রাৰ চকৰী ক্রমে বেয়াৰ ফালে ঢাল খাব ধৰিলে । কামৰ জোৰত মাৰ গোটেই শৰীৰত বিষ হ'ল । ....ক্রমে মা বিছনাৰ পৰা উঠিব নোৱাৰা হ'ল । ওচৰৰ ডাক্তৰে মাক ভেলোৰত নিব দিলে । কিন্তু ভেলোৰ আমাৰ বাবে কল্পনাৰ অতীত । 'নমিতা' কিয় বাৰু অসমত এখন ভাল চিকিৎসালয় হৈ উঠা নাই ? যিদিনা ককাইদেউৰ ৰিজাল্ট দিয়াৰ দিন মাৰ অনুৰোধ এবাৰ নোৱাৰি সি ৰিজাল্ট আনিব গ'ল । ককাইদেউ ৰিজাল্ট লৈ আহি মাক মাত্র এচামুচ পানীহে দিব পালে । আমি দুয়োটাই কান্দি দৰও পাহৰি গ'লো । কিছু সময় পিছত ককাইদেৱে চিঞৰিছিল পাগল এজনৰ দৰে —'মা মই ১ম বিভাগত পাচ কৰিছো, মোৰ ৰিজাল্টে তোক আনন্দ দিয়া নাই নেকি মা ?'

মাৰ মৃত্যুৰ পিছত আমাৰ সময় চকৰি কেনেকৈ ঘূৰিছিল শুনা । ককাইদেউ সদায় হাজিৰা কৰিব গৈছিল । তাৰ দৰে ল'ৰাবোৰে যেতিয়া কলেজত ৰং-ৰহস্য কৰি থাকে, সেই একেই সময়তে সি আনৰ ঘৰত কাম কৰি থাকে । আৰু সেই কথাবোৰ ভাবি মোৰ খুউব বেয়া লাগে 'নমিতা' । কেতিয়াবা সেই সময়খিনিত সপোনদা আহি মনটো ভাল লগাই থাকে অ' সপোন বুলি কওঁতে তোৰ হয়তো মনত প্রশ্ন হৈছে কোন এই সপোন ? সপোন দা আমাৰ গাওঁৰে শিক্ষক মুকুল শইকীয়াৰ ল'ৰা । আমি দুয়ো দুয়োকো ভাল পাইছিলো । তেওঁ মোক স্বার্থ ৰহিত ভাবে ভাল পাইছিল, যিহেতু মই স্বার্থক প্রশ্রয় দিবও নোৱাৰো আৰু সুৰক্ষা দিবও নোৱাৰো গতিকেময়ো তেওঁক ভাল পাইছিলো । প্রতিটো কামতে মোক তেখেতে প্রেৰণা দিছিল । আৰু তেখেতৰ প্রেৰণা পায়ে মই ভাবিবলৈ বাধ্য হৈছো নমিতা যে 'প্রেম মানেই প্রেৰণা আৰু প্রেৰণা মানেই প্রেম' । তোৰ হয়তো এইবোৰ শুনি আমনি লাগিছে নহয় । বাৰু সেইবোৰ, এতিয়া যাওঁক । তোক মই যিটো কথা ক'বলৈ ইয়ালৈ আহিছো সেইটো কোৱাই নাই ।

সেইদিনা আছিল ১৯৯৪ চনৰ জেঠ মাহৰ ১৫ তাৰিখ । নিশা ১০ মান বজালৈ ককাইদেউ কাম কৰি আহি পোৱা নাছিল । কিবা এটা অজান ভয়ত মোৰ শৰীৰ শিয়ৰি উঠিছিল । সিতো মোক ইমান ৰাতিলৈ অকলে থকাতো নিবিচাৰে । একো উপায় নেপায় মই সপোনদাহঁতৰ ঘৰলৈ গৈ সকলো কোৱাত সপোনদা ককাইদেউক বিছাৰি গৈছিল । মই সপোনদাৰ ভনীয়েক শিখাক লৈ আহি শুই থাকিলো । আমাৰ এজনীৰো টোপনি অহা নাছিল । আকুল স্বৰেৰে ঈশ্বৰক প্রার্থনা কৰিছিলো যাতে ককাইদেউক ভালে ভালে ঘূৰাই দিয়ে । কিন্তু ভগৱান অতি নিষ্ঠুৰ । অলপ দেৰি পিছত সপোনদা আহিছিল আৰু তাৰ কোলাত আছিল মোৰ অতি মৰমৰ ককাইদেউৰ ৰক্তাক্ত দেহ । মই

হিয়া ঢাকুৰী কান্দিছিলো । কিন্তু মোৰ কান্দোনে ককাইদেউক ঘূৰাই আনিব নোৱাৰিলে নমিতা । সপোনদাই কৈছিল, 'নিশা দুখ কৰি লাভ নাই । দুখীয়াবোৰে যদি চকুপানী উলিয়াই উলিয়াই ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীবো সৃষ্টি কৰে তথাপিতো লাভ নাই । মনত সাহস বান্ধি ল', এই পুঁজিপতিবোৰক ধ্বংস কৰিব পাৰিব লাগিব । অভিলাষ চৌধাৰীয়ে টকা দিব নোৱাৰ বিনিময়ত তোক বিচাৰিছিল । কিন্তু অভিলাষে জনা নাছিল যে আকাশৰ মন আকাশৰ দৰে উদাৰ আছিল । আকাশে কৈছিল নিজৰ প্ৰাণ দিব পাৰে তথাপিতো ভনীয়েকক বিক্ৰী নকৰে । তাৰ বাবেই অভিলাষে তাক ধনশিৰি ঘাটত মাৰি থৈ যায় । মই তাৰ মুখৰ পৰা মাত্ৰ এষাৰ কথাই শুনিছিলো —'সি তোৰ সকলো দায়িত্ব মোৰ হাতত দিছে ।'

ঘটনাটো ঘটি যোৱাৰ ৩ দিন পিছত মহাজন আহিছিল মোক বিয়া কৰোৱাৰ প্ৰস্তাৱ লৈ । সেইদিনা খুড়াৰ কোবত মই মহাজনক অপমান কৰি পঠাইছিলো । স্পষ্টভাবে কৈছিলো মহাজনক 'খুড়া মই আপোনাৰ ওচৰত টকাৰ ধৰুৱা সঁচা কিন্তু আপুনি মোৰ ওচৰত এটা জীৱনৰ ধৰুৱা । আপোনাৰ টকা মই ঘূৰাই দিম, কিন্তু কওঁক আপুনি মোৰ ককাইদেউক ঘূৰাই দিব পাৰিব ?' কোব খোৱা সাপৰ দৰে মহাজন আঁতৰি গৈছিল । প্ৰতিফল স্বৰূপে নিশা ১১ মান বজাত আমাৰ ঘৰ জ্বলি উঠিছিল । মোক সপোনদাই ঘৰৰ পৰা উলিয়াই আনিছিল ।

পিছদিনাখন যেতিয়া মই পুৰি ছাই হৈ যোৱা অৱস্থা চায় ছাইবোৰৰ ওপৰতে বাগৰি বাগৰি কান্দি আছিলো তেতিয়া অভিলাষৰ লগুৱাই মোক খেদি পঠাইছিল । কাৰণ দিবলগীয়া টকাৰ বিনিময়ত যিহেতু মোক নেপালে, গতিকে অৱশেষত সম্পত্তি বুলিবলৈ থকা ভেটিৰ মাটি ডোখৰকে অভিলাষে হাত কৰিলে । আৰু সেই সকলো মানুহৰ আগতে সপোন দাৰ দেউতাকে মোক স্বীকৃতি দিছিল তেখেতৰ বোৱাৰী ৰূপে । সিদিনাৰ পৰাই মই হৈ পৰিছিলো সপোনদাৰ পত্নী । অন্যফালে প্ৰতিহিংসাৰ জুই দপদপকৈ জ্বলি উঠিছিল অভিলাষৰ গাত । তাৰ পিছত আহৰিত হ'বলগীয়া কি হ'ল জান ! এদিন হঠাতে পুলিচ আহিছিল আমাৰ ঘৰলৈ আৰু কোনো অভিযোগ দাখিল নকৰাকৈয়েই লৈ গৈছিল মোৰ স্বামীক । মই সেইবোৰ দেখি মুক হৈ বৈছিলো । মুখৰ পৰা এষাৰো মাত ওলোৱা নাছিল । যেতিয়া তেখেত মোৰ চকুৰ আঁতৰ হৈছিল তেতিয়াহে মোৰ গালৈ চেতনা আহিছিল, মই যে সেই গুণ্ডাতোৰ বলি হ'বলৈ আগবাঢ়িছো । শৈশৱৰ অপৰিমেয় বিশ্বাসেৰে কাতৰ হৈ মই আৰু ভগৱানক প্ৰাৰ্থনা নকৰো বুলি সংকল্প লৈছিলো । আৰু সেয়ে আজি চা 'নমিতা' সৰুতে যিজনী ছোৱালীয়ে পিষ্টল দেখি চিঞৰি চিঞৰি কান্দিছিলো, সেইজনী নিশাই আজি A.K.-47 হাতত লৈছো । মই প্ৰতিশোধ ল'ম, তীব্ৰ প্ৰতিশোধ । মই নিজকে এগৰাকী হত্যাকাৰিণী সজাম । মই যাওঁ নমিতা, মোৰ সময় হ'ল । মোক তই ক্ষমা কৰিবি । আকৌ কেতিয়াবা আহিম তাৰ ঠিকনা নাই, মই নিজেই ঠিকনা বিহিন । বিদায় .... ।

এক মুহূৰ্তও বৈ নাথাকি নিশা মোৰ চকুৰ আগৰ পৰা অদৃশ্য হৈ গৈছিল । মই কিবা এটা কোৱাৰো সুযোগ নেপালো । তাৰমানে পাপা আৰু কেইজনমান পুলিচ বিষয়াই যে বিচাৰি আছিল 'অগ্নিশিখা' নামৰ সন্ত্ৰাসবাদী গৰাকী, সেইজনীয়ে নিশা নেকি ? মোৰ মূৰতো ঘূৰোৱা যেন লাগিছিল । ঘড়ীটোলৈ চায় দেখো কেতিয়াবাই গধূলি হৈ গৈছে । এই ৰাতি বাৰু নিশা যাব ক'লৈ ..... ?



গল্প

# চক্ৰবেহু

*শ্ৰীগোলাপ চন্দ্ৰ বৈশ্য*
স্নাতক ৩য় বৰ্ষ

দিনৰ দিনটো টলৌ টলৌকৈ ঘূৰি ফুৰিবি । মাজনিশা ঘৰ সোমাবি । কাম-বনৰ ফালেও নাই । হেৰ', কিবা এটা কৰ ! নিজৰ ভাতমুঠিকেই মোকলাই ল'চোন ! আৰু কিমান দিন এইদৰে চলিবি !

ঘৰ সোমায়েই কাষৰ কোঠাটোৰ পৰা বাপেকৰ হুংকাৰ শুনি তীব্ৰ ক্ষোভ আৰু বিৰক্তিৰে তাৰ মনটো ভৰি পৰিল । নিজৰ জীৱনটোৰ ওপৰতে তাৰ ধিক্কাৰ জন্মিল । জীৱনত পোৱা নোপোৱাৰ হিচাব কৰি যেতিয়া সি বাৰে বাৰে বিৰাট শূন্যতাকে পায়, তাৰ হুক্‌হুকাই কান্দি দিবৰ মন যায় । ক'তো অলপো শান্তি নাই আজিকালি । য'তে ত'তে মাত্ৰ এইবোৰেই কথা । ঘৰত বাহিৰত সকলোতে । কিন্তু সি কৰিব কি ? সিটো চেষ্টা নকৰা নহয় কিবা এটা কৰাৰ বাবে ! কিন্তু তাৰ চেষ্টাবোৰে যদি ফল নিদিয়ে তাৰ উপায় কি ! ফল দিয়েইবা ক'ত ? এটা ব্যৱসায় আৰম্ভ কৰিবলৈও টকা লাগে । এটা চাকৰি পাবলৈও টকা লাগে ... মন্ত্ৰী, এম.এল.এ-ৰ হাত লাগে । তথাপি সিটো চেষ্টা কৰিয়েই আছে ।

কলেজত পঢ়া দিনবোৰত ক'ত যে কল্পনা কৰা নাছিল সি । বি.এ., এম.এ. পাছ কৰি ভাল চাকৰি কৰিব । সি চাকৰি এটি পালে তাৰ অভাৱগ্ৰস্ত পৰিয়ালটিৰ মুখত হাঁহি বিৰিঙিব । হাঁহি বিৰিঙিব শেৱালীৰ মুখত ।

শেৱালী ! শেৱালীৰ কথা মনলৈ অহাৰ লগে লগে তাৰ বুকুখনৰ যেন কোনোবাখিনিত বিষাই গ'ল । বেচেৰীয়ে যে তাৰ বাবেই আৰু কিমান দিন অপেক্ষা কৰিব !

ঃ আজি পাঁচ বছৰ ধৰি মই আপোনালৈ বাট চালোঁ । ঘৰৰ মানুহে কোনোমতেই নুবুজে । মোৰ তলৰ ভনী দুজনীও ডাঙৰ হৈছে । তথাপি মই আপোনাৰ কিবা এটা হোৱালৈ বাট চাইছো । ইমান বছৰে আপুনি চাকৰি এটা যোগাৰ কৰিব নোৱাৰিলে ?

শেৱালীৰ মাতটো শেষৰফালে থোকাথুকিকৈ ওলাইছিল । তাইৰ চকুৰ পৰা তপ্‌তপকৈ পানী সৰি পৰিছিল । সান্ত্বনা দিবলৈ সেই সময়ত সি সাহস গোটাব পৰা নাছিল । কাৰণ সেই একেই গতানুগতিক সান্ত্বনাৰ ভাষা । তুমি ধৈৰ্য ধৰা শেৱালী । চোৱা মইতো এটি মাত্ৰ চাকৰিৰ বাবেই আজি ক'ত বছৰে অফিচ-কাছাৰীলৈ তাঁত-বাতি কাঢ়ি আছোঁ মই ইমান দিনে আন চিন্তাও কৰিব পাৰিলোহেঁতেন ? কিন্তু একমাত্ৰ তোমাৰ বাবেই মই এতিয়াও ধৈৰ্য ধৰি আছোঁ । চকুপানী মচি মচি শেৱালী গুচি আহিছিল ।

তাহানি হাইস্কুলত পঢ়া দিনতে শৰ্মাচাৰে কোৱা এষাৰ কথা তাৰ আজিও মনত আছে । মানুহৰ ধৈৰ্য আৰু লক্ষ্য হেনো বগলীৰ দৰে হ'ব লাগে । নিৰ্দিষ্ট এক লক্ষ্য আগত ৰাখি ধৈৰ্য সহকাৰে একাণপতীয়াকৈ সেই কামত মনোনিবেশ কৰিলে জীৱনত কৃতকাৰ্য নোহোৱাৰ কোনো কথাই নাথাকে ।

আজি শৰ্মাছাৰৰ কথাখিনি কিবা অসাৰ অনৰ্থক যেন লাগিছে অৰূপৰ । ধৈৰ্যৰটো এটা সীমা আছে । ধৈৰ্য ধৰি থাকোতেই যদি তাক সমস্যাৰ চাকনৈয়াই ক'ৰবালৈ উটাই নি নিঃশেষ কৰি দিয়ে ?

অভাৱৰ মাজতো সি সকৰে পৰা মনপুতি পঢ়িছিল । ঘৰুৱা কাম-বনৰ মাজতো সি তাৰ অধ্যয়ন একাণপতীয়াকৈ কৰি গৈছিল । আৰু এদিন গাঁৱৰে হাইস্কুলখনৰ পৰা মেট্ৰিক প্ৰথম বিভাগত উৰ্ত্তীৰ্ণ হৈ প্ৰায় পোন্ধৰ কিলোমিটাৰ আঁতৰৰ সৰু চহৰখনৰ একমাত্ৰ কলেজখনত নামভৰ্তি কৰিছিল ।

দিন বাগৰিছিল । আশা কৰা মতেই সি বি.এ.ও ভাল ধৰণেই পাছ কৰিছিল । অৰ্থনীতি বিজ্ঞানত চেকেণ্ড ক্লাচ থাৰ্ড পজিচন পাইছিল । ইতিমধ্যে অৰূপৰ দেউতাকে চাকৰি জীৱনৰ পৰা অৱসৰ পাইছিল । এল.পি. স্কুলৰ শিক্ষকৰ সামান্য পেঞ্চনৰ টকা কেইটাৰে ঘৰ চলোৱাটো অসম্ভৱ হৈ পৰিছিল । ঘৰুৱা অৱস্থাৰ বাবেই সি এম.এ. পঢ়াৰ আশা সিমানতে এৰি এটি চাকৰিৰ বাবে ঘূৰা-ফিৰা কৰিছিল । তাৰ পিছৰ পৰাই সি চহৰৰ নানা অফিচ-কাছাৰীলৈ ক'তবাৰ যে তাঁত-বাতি কাঢ়িছে তাৰ লেখ-জোখ নাই । আনহে নেলাগে কাৰ্য্যালয়ৰ কেৰাণী-পিয়ন সকলোবোৰ তাৰ মুখ চিনাকি হৈ পৰিছে । ইণ্টাৰভিউৰ নামত ক'ত দিন যে দৌৰা-দৌৰি । মন্ত্ৰী, এম.এল.এ., বিষয়া আৰু ৰাজনীতিৰ পাকচক্ৰত পৰি সি ধোঁৱা-কোঁৱা দেখিবলৈপালে । বিভিন্ন জনৰ বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি, আশ্বাস । তাৰ বাহিৰে আৰু অন্য নাই । চাকৰিৰ নীলাম বজাৰত টকাৰ প্ৰতিযোগিতা । ন্যায়-অন্যায়, প্ৰাৰ্থীৰ যোগ্যতা-অযোগ্যতাৰ বাচ-বিচাৰ নাই । তাৰ লগৰে শিক্ষাই-দীক্ষাই অনেক গুণে হীন কেইবাজনেও ধন-ধানৰ গুণতেই হ'বলা পিছ দুৱাৰেদি গৈ তাৰ চকুৰ আগতে চাকৰি ল'লে । তাৰ তপত আশাত পুহমহীয়া চেঁচা পানী পৰাত চাকৰিৰ আশা একপ্ৰকাৰ বাদেই দিলে । ঘৰখনৰ অৱস্থাও এসাজ খাই আন সাজলৈ চিন্তা কৰিলগীয়া বিধৰ হ'ল । গাঁৱতেই দুই এটা টিউচন যোগাৰ কৰি সি কোনোমতে চলি থাকিল ।

ঃ টকা-পইচা নহ'লে আজিকালি ক'ত চাকৰি পাবি বোপাই ? উগ্ৰপন্থী হৈ আত্মসমৰ্পণ কৰিলে এতিয়া মানে ছাগে তোৰ কিবা এটা গতি লাগিলহেঁতেন ! আন নহ'লেও টকা দুই লাখটো পালিহেঁতেন ।

তাৰবিষাদগ্ৰস্ত মুখাৱয়ব দেখি দুই একে মন্তব্য কৰে এনেদৰে । কিন্তু সিটো সেইবোৰ কৰিব নোৱাৰে । তাৰ ঘৰখনে জীৱিকাৰ বাবে একমাত্ৰ তালৈকে বৰ আগ্ৰহেৰে আশাপালি ৰৈ আছে । তাৰোপৰি কেইটামান টকাৰ বাবে সি কেতিয়াও কোনোমতেই তাৰ বিবেকক বিক্ৰি কৰিব নোৱাৰে । দুৰ্নীতিক সি কেতিয়াও প্ৰশ্ৰয় দিব নোৱাৰে । সিটো কাৰো একো অন্যায় কৰা নাই । জীৱনত সি কষ্ট কৰিছে । বহুত কষ্ট কৰিছে । তাৰ শ্ৰমৰ মূল্যায়ন এদিন হ'বই লাগিব ।

কেতিয়াবা তাৰ সকলোকে চিঞৰি চিঞৰি সুধিবৰ মন যায় --বৰ্তমানৰ শিক্ষাই বাৰু স্বাৰ্থপৰতাৰ জ্ঞানহে দিয়ে নেকি ? পিছ মুহূৰ্ততে সি ভাবে নাই, সি ভুল বুজিছে । শিক্ষাইতো স্বাৰ্থপৰতাৰ জ্ঞান নিদিয়ে । আচলতে মানুহে নিজৰ মনৰ অহৰহ স্বাৰ্থৰ খুন্দাত শিক্ষাটোকো সেই স্বাৰ্থৰ বাবে তৈয়াৰ কৰিব বিচাৰিছে ।

তীব্ৰ অনিচ্ছা স্বত্বেও একমাত্ৰ দেউতাকৰ কথা উপেক্ষা কৰিব নোৱাৰি অৱশেষত অৰূপে হৰেকৃষ্ণ দাসৰ ওচৰলৈ যোৱাটোকে ঠিক কৰিলে । পদুমণি হাইস্কুলৰ দুটাকৈ শিক্ষকৰ পদ খালী হোৱা খবৰটো অৰূপৰ দেউতাকেই প্ৰথমে বাতৰি কাকতত দিয়া বিজ্ঞাপনৰ জৰিয়তে পাইছিল । এই পদুমণি হাইস্কুলৰে স্ৰষ্টা হৰেকৃষ্ণ দাস । অৰূপৰ দেউতাকৰ স্কুলীয়া দিনৰ বন্ধু । অশেষ কষ্ট মূৰপাতি লৈ তেওঁ এই স্কুলখন প্ৰতিষ্ঠা কৰিছিল । প্ৰতিষ্ঠাৰ দিনৰে পৰাই স্কুলৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বভাৰো তেওঁৰ ওপৰতেই ন্যস্ত হৈ আছে । গতিকে দেউতাকৰ মতে দাসৰ ওচৰলৈ এবাৰ গৈ চোৱাতনো আপত্তি কিহৰ ! তাতে তেওঁৰ পুৰণি বন্ধু । কিজানি কিবা ফল দিয়েই ।

মানুহজন যে এক বিশাল ব্যক্তিত্বৰ অধিকাৰী প্ৰথম দেখিয়েই অৰূপে অনুমান কৰিলে । গুৰু-গম্ভীৰ খোজ, ধীৰ-স্থিৰ কথা-বতৰা, পিন্ধনত চুৰিয়া আৰু খদ্দৰৰ পাঞ্জাৱী । মুখত মোছ কোছাৰে সুন্দৰ স্বাস্থ্যৰ হৰেকৃষ্ণ দাস । নিজৰ পৰিচয় ব্যক্ত কৰাৰ পিছত দাসে অৰূপক ক'ত থব ক'ত ল'ব লগালে । সাধাৰণ কথা-বতৰাৰ পিছত অৰূপে তাৰ আগমনৰ উদ্দেশ্য বিৱৰি ক'লে । লগতে প্ৰয়োজনীয় দৰ্খাস্ত আৰু নথি-পত্ৰও আগবঢ়াই দিলে । তেওঁ হাত পাতি লৈ সেইবোৰ ভালদৰে চালে ।

ঃ আজিকালি যোগ্যবোৰ ক'ৰবাতেই পৰি থাকে । অযোগ্যইহে সুবিধা লাভ কৰে । গোটেই সমাজখনেই দুৰ্নীতিৰ চক্ৰবেহুত সোমাই পৰিল, বুজিছা । সকলোৱে স্বজন-প্ৰীতিত লিপ্ত । তোমাৰ নিচিনা গ্ৰেজুৱেট এজনে ঘৰতে বহি চৰম অনিশ্চয়তাত দিন পাৰ কৰিবলগীয়া হৈছে, কোনাবাই খবৰ ৰাখিছেনে ! সকলো নিজক লৈয়েই ব্যস্ত । এতিয়া শিক্ষা জগততো কেৰোণ সোমাইছে । লোকেল-অলোকেলৰ প্ৰশ্ন উঠিছে ।

প্ৰায় উত্তেজিত হোৱাৰ দৰে দাসে কথাখিনি গৈ গ'ল । শেষৰ কথাখিনি অৰূপৰ বুজাত কিছু অসুবিধা হৈছিল যদিও সি কথাখিনি ওঁ-আ কৈ সমৰ্থন কৰি গৈ থাকিল ।

তেওঁ পুনৰ আৰম্ভ কৰিলে ঃ পদ ওলাইছে দুটা, আবেদন পত্ৰ আহিছে এতিয়ালৈ চল্লিশখন মান । তাতো আকৌ স্থানীয়-অস্থানীয়ৰ প্ৰসংগ । এতিয়ালৈ পৰিচালনা সমিতিয়ে যোগ্যতাৰ ভিত্তিতহে নিযুক্তি দি আহিছে । কিন্তু এইবাৰ স্থানীয় কিছুমান যুৱকে স্কুলৰ প্ৰধান শিক্ষকৰ ওচৰত দাবী তুলিলে যে নিযুক্তিৰ ক্ষেত্ৰত স্থানীয় লোকেহে অগ্ৰাধিকাৰ পাব লাগে । পৰিচালনা সমিতিত এই বিষয়ে আলোচনাও কৰা হ'ল । মোৰ বক্তব্যত মই স্পষ্টভাৱে কৈছো যে শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত স্থানীয়-অস্থানীয়ৰ প্ৰশ্ন উঠিব নোৱাৰে । ই আলিত কাম কৰা মানুহৰ কথা নহয় যে ঘৰৰ ওচৰৰ জনে সোনকালে আহি দুচপৰা মাটি বেচিকৈ পেলাব পাৰিব । শিক্ষকৰ নিযুক্তি হ'ব লাগিব যোগ্যতাৰ ভিত্তিত । পৰিচালনা সমিতিৰ এই সিদ্ধান্তৰ বিষয়ে জানিব পাই ভালেমান স্থানীয় যুৱক ক্ষুব্ধ হৈ উঠিছে । তথাপি মই মোৰ মত পৰিৱৰ্তন কৰিব নোখোজো । নিযুক্তি যোগ্যতাৰ ভিত্তিতেই হ'ব । আৰু আবেদন পত্ৰবোৰ পৰীক্ষা কৰি চাই যিটো দেখিছো তুমি আমাৰ বিদ্যালয়ৰ শিক্ষক পদৰ বাবে যোগ্য প্ৰাৰ্থীয়েই হ'বা ।

একেবাৰেহে অতি আবেগিক হৈ কোৱা দাসৰ গোটেই কথাখিনি শুনাৰ পিছত অৰূপৰ মানুহজনৰ চৰণ চুই সেৱা জনাবৰ মন গ'ল । তাৰমানে সমাজত এতিয়াও দুই এজন বৰেণ্য ব্যক্তি আছে । এনেবোৰ মানুহৰ অস্তিত্বৰ বাবেই হয়তো সমাজখন পোনেই ৰসাতলে নোযোৱাকৈ আছে ।

চৰম নিৰাশাৰ মাজতো এই আশ্বাসকণে কিছু আশাৰ বতৰা ঘৰখনলৈ কঢ়িয়াই আনিছিল । আশ্বস্ত হৈছিল শেৱালী । এইবেলি চাকৰি হ'বই । ভাল ৰিজাল্ট কৰা ল'ৰা । হাকিম-চাহাব নহ'লেও স্কুলৰ চাকৰিত তাক কোনেও ৰাখিব নোৱাৰে ।

সঁচাকৈয়ে কিছুদিন পিছত অৰূপক নিযুক্তি দিয়া হ'ল । স্থানীয় প্ৰাৰ্থীৰ সলনি যোগ্যতাকহে স্বীকৃতি দিয়া হ'ল । এইবাৰ যেন জ্বলা জুইতহে ঘিউ পৰিল । স্থানীয় অন্যান্য আবেদনকাৰী সকল জাঙুৰ খাই উঠিল । আনকি স্কুলৰ বেৰত "স্থানীয় প্ৰাৰ্থীয়ে নিযুক্তি পাবই লাগিব, বাহিৰৰ শোষণ-লুণ্ঠন নচলিব" এনে ধৰণৰ পোষ্টাৰো দেখা পোৱা গ'ল ।

তাৰ পিছতে সিদিনা ঘটিল সেই অভিশপ্ত ঘটনাতো যিদিনা অৰূপ প্ৰথম পদুমণি হাইস্কুললৈ যায় । স্কুলৰ চৌহদ পাবলৈ আৰু এক ফাৰ্লংমান বাকী । ঠিক এনেতে ক'ৰপৰা আহি যে দহ-বাৰজন ল'ৰাই তাক বেৰি ধৰিলেহি সি তৰ্কিবই নোৱাৰিলে । সিহঁতৰ দুজনমানৰহাতত লাঠি । হতবুদ্ধি, কিংকৰ্তব্য বিমূঢ়, বিমৰ্ষ অৰূপে বুজি নাপালে সেয়া কিহৰ আৰম্ভণি । প্ৰথমেই তাৰ প্ৰতি উপৰ্য্যুপৰি নিক্ষেপ কৰা হ'ল কিছুমান অবান্তৰ প্ৰশ্নবান । তাৰ পিছত তাৰ সমস্ত শৰীৰত সিহঁতে আঁকি দিলে সিহঁতৰ নৃশংসতাৰ স্বাক্ষৰ । ইয়াৰ পিছত আৰু তাৰ মনত নাই ।

এতিয়া টাউন হস্পিতালৰ এটা কেবিনৰ বেডত পৰি যন্ত্ৰণাত ছটফটাই আছে অৰূপ । সৰ্বশৰীৰত বিষ । মূৰৰ কেইবা ঠাইতো চিলাই পৰিছে । গোটেই গাতে সক-বৰ অনেক আঘাত । দুখৰ প্ৰচণ্ড বোজাত সি যেন বোবা হৈ পৰিছে । মানুহৰ বুকুলৈ ইমান দুখ একেলগে নামি আহিব পাৰে বুলি সি কাহানিও ভবা নাছিল । এই পৃথিৱীখন তাৰ বৰ অচিনাকি, নিষ্ঠুৰ আৰু ক্ৰুৰ যেন অনুভৱ হ'ল ।

ঘৰৰ প্ৰত্যেকৰে মুখবোৰ জিলমিলকৈ তাৰ চকুৰ আগত এখন এখনকৈ ভাঁহি আহিবলৈ ধৰিলে । সকলোৰে আশা আৰু আকাংক্ষাৰ মাজত ডুবি থকা চকুবোৰে তাক বৰকৈ আঘাত দিলে । সি অনুভৱ কৰিলে তাৰ মূৰ শিতানত যেন শেৱালী বহি আছে । তাই যেন তাৰ মূৰত আলফুলে হাত বুলাইছে । খুউব আলফুলে । বৰ কষ্টেৰে সি চকুহাল মেলিবলৈ চেষ্টা কৰিলে ।

ৰাতি যিমানে কঠিন হ'ব প্ৰভাত সিমানেই উজ্জ্বল হ'ব । চাৰিওফালৰ পৰা আন্ধাৰে আগুৰি ৰাখিলেও ভয় নকৰিবা, প্ৰভাত হ'বই ।

*—জ্যোতিপ্ৰসাদ আগৰৱালা*

ভুল বা দোষ স্বীকাৰ কৰাতো বাঢ়নীৰে জাবৰ সাৰি নিয়াৰ নিচিনা আৰু আটাইতকৈ বেছি পৰিস্কাৰকৈ সৰা ঠাই ডোখৰৰ দৰে হয় ।

*—মহাত্মা গান্ধী*

(গল্প)

# বেইমান প্ৰেম

শ্ৰীবাসৱ শৰ্মা
স্নাতক ৩য় বৰ্ষ

বাহিৰত কোমল মিঠা ৰ'দ, মাৰ্চ মাহৰ ঠাণ্ডা তেতিয়াও গুচাই নাই । মুকুলৰ মনটো কিবা অজান আনন্দতেই নাচি আছে, কিয় আজি অজানিতে মনটো ভাল লাগি আছে !! অ' আচ্ছা, আচ্ছা আজি 'হলি'ৰ দিন । আজিকালি কথাবোৰ একেবাৰেই মনত নথকা হৈছে ; ঠিক সি পূৰ্বতে কৰি যোৱা 'প্লেন' অনুযায়ী হলিত মায়াক মনৰ হেঁপাহ পলুৱাই ফাকুৱা সানিব, লগতে এই সুবিধাতে তাইৰ ওচৰলৈ যোৱাৰ হেঁপাহকণো পূৰাব ।

ন' বাজিবলৈ নেপালেই গোটেই ক'লনীৰ ল'ৰা-ছোৱালীজাকে মুকুলক ঘৰতেই বেৰি ধৰিলেহি কিবা কোৱাৰ আগতেই প্ৰকাশ, অনন্ত আৰু ধীৰাজে ধৰি লৈ ক'লা ছাই, থাউজেণ্ড নে কিবা আৰু হালধীয়া, সেউজীয়া ৰঙৰ ফাকুৱাৰে মুকুলৰ মুখ আৰু মূৰটো ভৰাই পেলালে । শেষত মুকুলে ঘৰৰ পৰা ওলাই অহা পথত প্ৰকাশক একাষৰীয়া কৰি সুধিলে—

"এই, মায়া অহা নাই নেকি অ' ?' মুকুলে প্ৰকাশৰ মুখৰ ফালে বৰ আশাৰে চাই সুধিলে ।

"ই কটাটো, তাইচোন তোৰ মূৰটোকে ফাকুৱাৰে ভৰাই দিছিল— সৌটো ক'লা টি চাৰ্টৰ জনী যে, গাল আৰু কঁপালত ছাইৰ চাব্ লাগি থকা জনী.... "

"ওৱা — কি ভয়ানক লগা হৈছে, এহ মই আৰু' কিবাহে ভাবি আছিলো" —মনৰ ভিতৰতে ওলাব খোজা ফুৰ্তিখিনি লুকাই ৰাখি ক'লে ।

এনেতে সিহঁত ৰাখীহঁতৰ ঘৰ পালেহি । সকলোৱে সিহঁতৰ ঘৰত সোমাই তাইক উলিয়াই আনি চোতালতে ঠিকমতে ফাকুৱা দিলে, সেই ছেগতে মুকুলে মায়াক একপ্ৰকাৰ টানি তাৰ মনৰ সকলো হেঁপাহেৰে 'হলি' খেলি গ'ল । মায়াই এৰাবৰ বাবে জোলোক দি দি ক'লে—'এই কি কৰিছা, হৈছে হৈছে বহুত দিছা —বেয়া পাম কিন্তু, মুকুল বৈ গ'ল । কিছু মুহূৰ্তৰ বাবে দুয়োৱে দুয়োকে চিনি পোৱা নাছিল, হয়তো ফাকুৱাৰ ক'লা ক'লা অৱয়ৱবোৰৰ বাবেই । নীৰৱতা ভংগ কৰি মায়াই ক'লে "অ' ফাকুৱা দিবলৈ হ'বলা এতিয়াহে সময় পালা, তাতেই কেলেই নিদিলা ।"

"অ' মানে —এনেকুৱা এটাকে সময় বিচাৰি আছিলো আকৌ ।"

"কি !"

"মানে —মই মানে তাতে তোমাক চিনি নোপোৱাৰ বাবে দিব পৰা নাছিলো, সেয়ে এতিয়া দিলো —হেঃ হেঃ হেঃ... কথাটো পাতলাবৰ বাবে হাঁহি হাঁহি কৈ মুকুল আঁতৰি আহিল ।

'চুৰা লিয়া হে তুমনে যো দিলকো
নজৰ কোভী চুৰানা চনম'

গুনগুণাই মুকুলে বাথৰুমত দেহৰ পৰা ফাকুৱাৰ ৰঙবোৰ আঁতৰাব ধৰিলে । গা-ধোৱা শেষ কৰি মাকক ক'লে— "মা লাঞ্চ ৰেডি কৰি দিয়া, মোৰ অলপ ওলাই যাব লগা আছে ।" লাঞ্চ কৰি উঠি মুকুলে কিছুসময় বাগৰ দি বিগত সময়খিনিৰ কথা মনতে উনুকিয়াই চালে, যাহওঁক দিনটো ভালেই গ'ল । চাবি বজাত মুকুলে বাইকখন লৈ ওলাই গ'ল ।

(২)

'মায়া মোৰ মৰমী —তুমি মোৰ প্ৰাচীন প্ৰেমৰ মুকুতা হাৰ, তোমাৰ পৰশত হয়তো মোৰ মনৰ দাপোনত জিলিকি উঠিছে প্ৰেম আৰু বিশ্বাসৰ নিটোল ভাস্কৰ্যা' —ই বেচি কাব্যিক হয়, কাটি পেলালে মুকুলে— আকৌ লিখিব ধৰিলে —প্ৰেমেইতো পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষা, মায়া ভাবি নেপাও তোমাক কেনেদৰে জনাও যে, মই তোমাৰ বাবে ব্যাকুল কিয় এই ব্যাকুলতা জানো এয়েই প্ৰেম নেকি ! কবি শ্বেলকাৰ্কৰ মতে প্ৰেম হেনো স্বৰ্গীয়, যদি সেয়েই সত্য তেনেহ'লে মই তোমাৰ প্ৰেমত পৰিছো মায়া' —ঐ ইটো একদম ক'মন হয়, এ্ নিলিখোৱেই যা মুখতেই আওঁৰালে মুকুলে । সি ঠিক কৰিলে —যি হয় হ'ব মুখৰেই ক'ম—বেচিতে এটা চ'ৰ মাৰিব তাত বাদে কি কৰিব ! সহ্য কৰি ল'ম চৰ—প্যাৰ মে চৰ কুছ জায়েজ হে' । চৰ মাৰিব নেকি বাৰু ! নাই, কিয় মাৰিব, তাইৰ কিবা অন্তৰ নাই নেকি ? হয়তো তাইয়ো মনে মনে মোকেই বিচাৰি আছে কি ঠিক ! মুকুল ঠিক দোমোজাতেই পৰিল ; কি কৰো কি নকৰো লাগি পৰিল —এনেদৰে মনৰ কথা মনৰ ভিতৰতে পুঞ্জীভূত কৰি ৰাখিলে গোট মাৰি শিল হৈ যাব, একো নহ'ব, ভালপোৱাৰ ক্ষেত্ৰত কোনো বৈধতাৰ প্ৰশ্ন নুঠে । হয়, কিছুমান স্বপ্ন থাকে মানুহৰ, যিবোৰ হয়তো মৃত্যুলৈকে বুকুৰ গভীৰত গোট মাৰি বৰফৰ দৰে থাকি যায় । সেই ভৱেশদাৰ কি নহ'ল, বেচেৰাই তাইৰ বা[illegible] ত্যাগ কৰা নাছিল, কিন্তু মনৰ কথা মনতে বৈ যোৱা বাবে নীলিমাবা চিৰদিনৰ কাৰণে আনৰ হৈ গুচি গ'লগৈ । হয়তো তাই মনে মনে তাৰ বাবে বাট চায়েই আছিল, সকলো নাৰী প্ৰেমেই প্ৰথমে অপ্ৰকাশিত হয় । মুকুলে বহুতেই ভাবিলে —নাই নহ'ব, এনেদৰে মনে মনে থাকি মই মোৰ মায়াক হেৰুৱাব নোখোজো ।

(৩)

মুকুলে ঘড়ীলৈ চালে, ১২ বাজি গৈছে, মায়া কিয় এতিয়ালৈকে আহি পোৱা নাই, তাইৰতো ১১:১৫ তেই ক্লাচ আছিল, কিয় ইমান দেৰি কৰিছে বাৰু ! নহয় প্ৰকাশক সোধোগৈ —এই বুলি মুকুল ৩৬ নং কোঠাৰ ফালে

অগ্রসৰ হ'ল, তেনেতে ৩১ নং ৰ পৰা Eco.ৰ ক্লাচ কৰি মায়াহঁত ওলাই আহি আছে ; মুকুলৰ বুকুৰ ধপ্‌ধপনি বাঢ়ি যাব ধৰিলে, কেতিয়া সোমালহি এইজনী, একেবাৰে ততকে ধৰিব নোৱাৰিলো, এই ছোৱালীবোৰ সঁচাকৈয়ে মায়াবীদেই।

"এক্সকিউজ মি মায়া" মুকুলে এহোপামান সাহ গোটাই মায়াৰ ফালে বৰ ব্যগ্ৰতাৰে চালে।

"হাঃ " মায়াই ইফালে সিফালে চালে, বৰ ব্যস্ততাৰে গৈ থকা বাবে হয়তো আগন্তুকৰ মাতত থত্-মত্ খোৱাৰ দৰে হ'ল।

"অ' মুকুল কি ? —কি খবৰ, ক্লাচ নাই ?"

"নাই, নাই কৰিলো নহয়, এইমাত্ৰ কৰিহে উঠিছো ; মায়া কথা এটি আছিল বৰ জৰুৰী" —একেৰাহে কৈ পেলালে মুকুলে, তাৰ ভাব হ'ল মোৰ গোটেইবোৰ সাহস শেষ হ'ল নেকি বাৰু ; নাই মোৰ সাহস এতিয়াও বহুত আছে, এহ্ এইজনী মায়াকে 'প্ৰপ'জ' দিওঁতেই যদি এনে হয় কেনেকৈ হ'ব, নিজকে নিজে শান্তনা দিলে মুকুলে—

"কি কোৱাচোন কি কথা"

"তেনেকে ক'ব নোৱাৰি, অলপ 'পাৰচনেল কনফিউজন' আছে, কাইন্ডলি অলপ সেইফালে বলানা।"

"কোৱাচোন ইয়াতে, মোৰ ক্লাচ আছে" মায়াৰ কথাত মুকুলৰ ভিতৰি ভিতৰি খং উঠিল, তাই মোৰ দুৰ্বলতাখিনি ধৰিব পাৰিছে নেকি বাৰু, তাই মোৰ 'প্ৰব্লেম' বুজিব কিয় চেষ্টা কৰা নাই বাৰু !

"তেনেকে ক'ব পৰা হ'লে ইয়াতেই ক'লোহেঁতেন, নোৱাৰি কাৰণেহে তোমাক অকলে বিচাৰিছো।" মায়াই সন্দেহ মনেৰে ৰাখী আৰু সীমাহঁতক গৈ থাকিব দি মুকুলৰ লগত College Canteenৰ ফালে আগুৱাই গৈ থাকিল।

"অ' কোৱাচোন কি জৰুৰী কথা আছিল ?" মুকুলৰ ফালে চাই মায়াই সুধিলে। ক'ব খোজোতেই মুকুলৰ বুকুখনে হাঁহাকাৰ কৰি উঠিল, ক'ম জানোচা 'ৰিফিউজ' কৰি দিয়ে, নক'ম ভবেশদাৰ দৰেই গতি হ'ব। শেষত বহুত ভাবি সুধি পেলালে — "আজি তুমি আহোঁতে কাৰ লগত আহিছিলা ?"

"অ' সেইটোহে হ'বলা তোমাৰ জৰুৰী কথা" এইবুলি মায়াই হাঁহিব ধৰিলে।

"নহয়, মানে সুধিছোহে।"

"কিয়, অকলে আহিছো" দুয়ো ইতিমধ্যে canteen পালেহি।

"বলা, চাহ একাপ খাই যাওঁ।"

"ব'লা" এবাৰতে মুকুলৰ প্ৰস্তাৱত মায়াই সম্মতি জনালে। মুকুলৰ ধাৰণা হ'ল, সাধাৰণতে এনে ধৰণৰ প্ৰস্তাৱত ছোৱালীবোৰে প্ৰথমে নালাগে, নালাগে কৰি থাকে ; ক'ৰবাত এইজনী পেৰাবিধৰ নহয়তো —এহ্ যা কিবোৰ যে ভাৱ আহি আছে।

"মায়া, মই এটা কথা ক'ম কম' বুলি তোমাক যোৱা চাৰিমাহে একোকে ক'ব পৰা নাই, এগু অলচো প্লিজ ডণ্ট মাইণ্ড ইফ আই'ম এনিথিং ৰং"

"নাই, নাই কোৱাচোন বাৰু" তেনেতে ল'ৰা এজনে আহি চাহ দুকাপ মুকুলহঁতৰ টেবুলত দি গ'ল। মুকুলে ভাবি নেপালে কেনেদৰে আৰম্ভণি কৰিব, অৱশেষত মৰসাহ দি, চাহকাপৰ পিনে চকু ৰাখি কৈ গ'ল—একদম হিন্দী নায়কৰ দৰে—

"মায়া, মই যি ক'ব ওলাইছো, সেইটো মোৰ জীৱনৰ লগতে জড়িত হৈ আছে, সেয়ে তোমাৰ উত্তৰ সঠিক হোৱাতো অতি বাঞ্ছনীয়, নহ'লে মই মোকেই হেৰুৱাই পেলাম।"

"হেই মুকুল, আই ন' ইউ ভেৰি ৱেল, এণ্ড নাউ প্লিজ ষ্টাৰ্ট"

"মা-মা-য়া" মুকুলৰ মুখ একপ্ৰকাৰ উজ্বলি উঠিল, তাৰমানে তাইয়ো মোক প্ৰথমৰে পৰা মই ভবাৰ দৰেই নেকি ... !!! মুকুলে আৰু পলম নকৰিলে, পূৰা ৰোমাণ্টিক ভাবেৰে কৈ গ'ল—

"শুনা —'ম' নামৰ ল'ৰা এজনে 'ম' নামৰ ছোৱালী এজনীক 'ম' মাহত 'ম' নামৰ কলেজৰ কেণ্টিনত মোহাব্বত হ'ল, কিন্তু ছোৱালীজনীয়ে বা নিজক নিজে কি বুলি ভাবে, ল'ৰাজনক বুজিবকে নোখোজে" মায়াৰ মুখত কিছু বুজি পোৱা যেন আশাৰ ৰেঙনি মুকুলে দেখা পালে —মুকুলে তাইৰ উত্তৰলৈ বৰ ব্যগ্ৰতাৰে চাই ৰ'ল।

"মাৰ্চ মাহত মুকুলৰ প্ৰস্তাৱ পাই মই মায়াই মুকুলক মণ্ডলদৈ কলেজৰ কেণ্টিনত সম্মতি স্বৰূপে 'আই লাভ ইউ' বুলি ইকৰাৰ নামা দিলো। মুকুল ৰিয়েলি আই লাভ ইউ, মই বহুদিনৰ পৰাই তোমাৰ এই প্ৰস্তাৱৰ বাবেই ৰৈ আছিলো, ফাকুৱাৰ দিনাখনেই তোমাক মই মনৰ কথা ক'ম বুলি ভাবিও ক'ব নোৱাৰিলো" মায়াৰ কোৱা শেষ হ'লত মুকুললৈ লাজুক লাজুক চাৱনিৰে চাই থাকিল।

"আৰে মুকুলৰ কি হ'ল, একেথৰে ভেবা লাগি মায়াৰ ফালে চাই আছে —"হেল্ল' মিষ্টাৰ আশিক" প্ৰকাশে মুকুলৰ মুখৰ সম্মুখত হাতখনেৰে অনা-নিয়া কৰি ক'লে —মুকুলৰ তপস্যা ভংগ হ'ল, মায়ালৈ চাই হাঁহিলে। সি প্ৰকাশৰ উপস্থিতিৰ কোনো গুৰুত্বই নিদিলে ; মায়াই লাজতে দৌৰি গ'ল। সিয়ো তাইৰ পাছৰ ফালে বুলি খোজ লওঁতেই প্ৰকাশৰ লগত ভাল খুন্দা এটি খালে।

"অই —কি হৈছে তোৰ হু ! য'তে-ত'তে খুন্দিয়াই মৰ কিয় ? হুট" মুকুলে ওলোটাই তাক ধমক দি "মায়া, মায়া ৰ'বাচোন" কৈ কৈ তাইৰ পিচে পিচে গৈ থাকিল।

মুকুলৰ অদ্ভূত আচৰণত প্ৰকাশ অবাক হৈ সিহঁত যোৱাৰ ফালে চাই থাকিল।

"যিমান সময় কাষত থাকা, তোমাক চুই থাকো সিমানে সময়
মই যেন মেঘ আৰু পানীত মিহলি হৈ থকা এটা অত্মহাৰা চৰাই '
কোৱাচোন কি চৰাই "

স্মৃতি হেনো ভাষাহীন, অতীতৰ বুকুত আলফুলকৈ এৰি অহা জীৱনটোৰ নামেই স্মৃতি নেকি বাৰু ? হয়তো হয় কিন্তু স্বীকৃত যে এজনৰ সান্নিধ্যই আন এজনৰ স্মৃতিৰ ভিৰ পাতল কৰি দিয়ে' অতীতৰেই অন্য এটা নাম হয়তো নষ্টালজিয়াও। নষ্টালজিয়াৰ মাজতে থাকে সঁচা জীৱন। নষ্টালজিয়াই মানুহক ফাঁকি নিদিয়ে, স্মৃতিয়ে মানুহক মিছা কথা নকয়। কিন্তু

মায়াই মুকুলক এদিন ফাঁকি দিছিল । মায়া আৰু মুকুলৰ সম্পৰ্ক তিনিমাহলৈ আগবাঢ়িছিল । সিদিনা মুকুল শেষৰ ৩:৩০ ৰ Maths ৰ ক্লাচটো কৰি ঘৰলৈ উভতাৰ পথত ৭নং হ'লত কাৰোবাৰ গুণগুণনি শুনা পালে, মুকুল ৰৈ গ'ল । লাহেকৈ দুৱাৰৰ কাষলৈ আহি চালে —ইজনী একদম মোৰ মায়াৰ নিচিনাচোন, হয়, হয়, মায়াৰ নিচিনাই —ওৱা ই কি এইজনীচোন মায়া । মুকুল কিছু সময়ৰ বাবে সেই ঠাইখিনিতে স্তব্ধ হৈ ৰ'ল । 'নাই-নাই ই কেতিয়াও হ'ব নোৱাৰে, মোৰ মায়াই এনে কাম কেতিয়াও কৰিব নোৱাৰে —অহঃ ন'ঃ মই কাক ইমান দিনে বিশ্বাস কৰি আছিলো —ছালা এই কুত্তা ৰমেনক মই কাটিম, সি জানি শুনিও মোৰ মায়াক কিয় নিজৰ কৰি ল'লে —সি মদাহীয়ে মোক চিনি পোৱা নাই, বেটাক ঘৰৰ পৰাই উঠাই লৈ আনি বেগা নদীত কাটি কাটি টুকুৰা-টুকুৰি কৰি পেলাই দিম । ছালা কুকুৰৰ পোৱালীয়ে মোক চিনি পোৱা নাই' খঙতে মুকুলে ফোঁপাই থাকিল ।

নাই ৰমেনৰ কি দোষ যদি মায়াই সঁহাৰি নজনালে হয় বা মায়াৰ ইয়াত সহযোগ নেথাকিলে সি ইমান কি সাহসত আগবাঢ়িলহেঁতেন । সব এই হাৰামী বেটি মায়াৰেই কাৰচাজী —এই বেটিক এপালি দিব লাগিব । মুকুল খঙতে অবশেষত অবশ হৈ পৰিল । যোৱা পাঁচদিনত মায়াৰ কোনো দেখাদেখি নাই, তাইৰ বা এইবাৰ কি হ'ল, নে মই গম পোৱা বুলি জানিলে —যা যেনেকৈ মৰ মৰি থাকগৈ মৰতিহঁত । এইবাৰৰ পৰা কোনো ছোৱালীকে 'দিল' দিয়া নহ'ব কিন্তু ।

'জব দিল হি টুত গয়া
হম জী কে ক্যা কৰে'

ঠিক সেই সময়তে আগফালৰ পৰা অপৰূপা সুন্দৰ ছোৱালী এজনী আহি থকা প্ৰকাশৰ চকুত পৰাত সি মন্তব্য এৰিলেই "এই মুকুল চাচোন কি আহি আছে বে, ফাৰ্ষ্ট ইয়েৰৰ হ'ব পায় ।" মুকলে মূৰ তুলি চাব খুজিও হঠাতে ৰৈ গ'ল "নাই-নাই, একদম নাচাও, এই ছোৱালী জাতিটোক একদমেই নাচাও —বিলকুল নাচাও —নাচাও-নাচাও নাচাওৰেই, কিন্তু তাৰ অন্তৰত লুকাই থকা চঞ্চল মুকুলে মাত লগালে 'এই মুকুল, মুকুল —চাই ল', এবাৰ মাত্ৰ চাই ল' মুকুল, চোৱাত কিটো আপত্তি আছে, এই পাবেই হ'ল দেখোন ।'

"এক্সকিউজ মি ইয়াং লেডি" মুকুলে মূৰটো ঘূৰাই পাৰ হৈ যোৱা আগন্তুকাৰ ফালে প্ৰশ্নবোধক এৰিলে

"ইয়েচ প্লিজ" ছোৱালীজনীয়ে বৰ কোমল মাতেৰে ক'লে । হায়-হায় কি চুইট ভয়চ্, হাৰ্ট ফাটি যায় । ওফঃ গড, কণ্ট্ৰোল মি প্লিজ—প্ৰকাশ আৰু মুকুল চটফটাবলৈ ধৰিলে—।

"ইফ ইউ ডণ্ট মাইণ্ড, মে আই ন' ইয়ৰ গুড নেম প্লিজ ?"

"অ' চিয়ৰ, 'মনিষা' "

"ওৱাও, চো চুইট নেম"

দুদিন পাছত মুকুলে মনীষাক লগ ধৰি ক'লে

"এক্সকিউজ মি মনীষা, তোমাৰ লগত মোৰ জৰুৰী কথা এটি আছিল .... ???"



গল্প

# দিন-কাল

*আমিৰুল ইছলাম*
স্নাতক ৩য় বৰ্ষ

বহাগ মাহৰ দুপৰীয়া । অতিপাত ৰ'দ, ৰফিকৰ মাকে হাতত পীৰাখন লৈ বহিছেহি হে'দালি-খনৰ তলত । পানখিলাও মুখৰ ভিতৰত সুমুৱাই দিলে । আঙুলিৰ মূৰত থকা বগা চূণখিনিও জিভাৰ আগত লগালেহি । ভাতমুঠি এপৰমান নহ'লেও হ'ব তাইৰ । পাণ মুঠা নহ'লে নচলিবই । হে'দালিখনত পানীলাউ কেইটামান ওলমি আছে । ওচৰতে মুৰ্গীজনীয়ে আহাৰ বিচাৰি আছে । তাইৰ পোৱালীবোৰ পিছে পিছে দৌৰি আছে । গোহালীটো খালী হৈ আছে । এযোৰ গাই আছিল যদিও যোৱাবাৰ চোৰে নিলে । থকা ঘৰখন সৰু খেৰি ঘৰ । বেৰবোৰ মাটিৰে মচা । উঁই পোক লগাত বেৰৰ তলৰ মাটিবোৰ খহি পৰিব ধৰিছে । সৰু ঘৰখনবো দুটা কম আছে । এফালে বুঢ়ীজনী থাকে । আনফালে ৰফিকহঁত ।

"আই ... অ' । বজাৰলৈ কিবা দিবি জানো ? পাছ ফালৰ পৰা ৰফিকৰ মাতত সম্বিত ঘূৰাই পালে তাই ।

"তামোল কেইথোক, পানীলাউ দুটামান লৈ যা । ঈদ আহিছে নহয় । ইয়াৰ বজাৰখিনিও কৰি আহগৈ ।" তাই ৰফিকক ক'লে ।

....বুঢ়ীজনীৰনো কিহৰ ঈদ । আল্লাই নিলেই হ'ল । অ' ...পোনাকণহঁতৰ কাৰণে কিবা এটাতো আনিবি আৰু । নাতি আৰু নাতিনীৰ

হ'লেই মই সুখী । পাণখিনি হ'লে বেছিকৈ আনিবি । লাগিব নহয় ঈদৰ দিনা, দুই এজন আত্মীয় কুটুম আহিবতো । অ' ... বজাৰৰ পৰা অলপ সোনকালে আহিবি । দিনকাল বৰ ভাল নহয় । ইতিমধ্যে ৰফিকে তামোল তিনি থোকমান গছ জোপাৰ পৰা আনিলে । ঘৈণীয়েকে কণী কুৰিটামানো আনি দিলেহি । মাকেও পানীলাউ দুটামান আনি দিলে । তামোল কেইথোকত পাঁচপোণ মান হ'ব । হয়তো ইয়াত ১০০ টকা মান পাব । কণীখিনিতো দুকুৰি টকা হ'ব লাগে । পানীলাউ দুটাত কিজানি দহ টকা মান পাব পাৰে । চব মিলি দেৰশ টকা হ'ব । পোনাকণ, ৰাজা আৰু ৰাণীৰ বাবেতো নতুন কাপোৰ লাগিবই । ৰাজাইতো বহুদিন ধৰিয়েই ৰঙা চোলা এটা 'আনিবা' বুলি কৈ আছে । মানুহজনীৰো পিন্ধা শাৰীখন নহ'লে নহয় । মাকৰ কাৰনেওতো ঔষধ কিনিবই লাগিব । সি মনতে কথাবোৰ ভাবিলে । ঈদৰ বিশেষ বজাৰতো আছেই । শৰীৰটো যেন শিঁহৰি উঠিলহি তাৰ । কিবা অবাঞ্চিত শিঁহৰণে যেন তাৰ সমস্ত শৰীৰটো জোকাৰি দিলেহি । মূৰটোও যেন তাৰ ঘামিবলৈ ধৰিলে । অৱশ্যে সদায় তাৰ এনেকুৱা নহয় । কেতিয়াবা কিবা ভাবি বিপদাপদে সন্তেদ দিলেহে তেনেকুৱা হয় ।

ৰফিক চহৰখনত চুপাৰী উদ্যোগত কাম কৰে । মাহিলি ৮০০ টকা দৰমহা পায় । পুৱা ছয় বজাৰ পৰা ৰাতি বাৰটালৈকে কাম কৰিব লাগে । মাজে মাজে কিছু জিৰণি আছে । পৰিশ্ৰমৰ কথা বাদেই । এইখিনি দৰমহাৰে তাৰ নোজোৰে । ৰাজা-ৰাণীৰ স্কুলৰ খৰছ, খোৱা-লোৱা আৰু অন্যান্য খৰছতো আছেই । দিনৰ দিনটো বৰ পৰিশ্ৰম কৰিব লগা চাকৰি । অৱশ্যে ... এইকণ কামো নাপালে ভৱিষ্যত তাৰ আৰু বেয়া আছিলেই । .... সিহঁতৰ দৰে আন বহু উদ্বাস্তু পৰিয়ালে বাঁহ বাৰীৰ পৰা আহি ইয়াত আছেহি । বেছি ভাগেই চুপাৰী উদ্যোগবোৰত কাম কৰে ।

সপ্তাহটোৰ ৰবিবাৰৰ বজাৰেই আটাইতকৈ ডাঙৰ । আজিৰ বৃহৎ হাটখনত বহু লোকৰ সমাগম হৈছে । ঈদৰ বজাৰৰ কাৰণেই । চহৰখন যেন আজি জন অৰণ্যত পৰিণত হৈছে । চাৰিওফালে কেৱল মানুহৰ কোলাহল । ইয়াৰ মাজত ইতিমধ্যে ৰফিকে লাউ দুটা বেচিছে । কণীবোৰতো বাটতেই বিক্ৰী কৰিছিল । তামোলৰ বজাৰত সি বহি আছে । সম্মুখত বস্তাবোৰ লৈ বেচোতা লোকৰ শাৰী আজি দীঘল হৈ পৰিছে । বেপাৰী বিলাকো আজি কম । বস্তবোৰ কঢ়িয়াই আনোতে অলপ ভাগৰ লাগিচেহি । চাহ একাপকে খোৱা যাওঁক । সি মনতে ভাবি অলপ আগবাঢ়ি গ'লহি । প্ৰায় তিনিহাত মান দূৰত ।

"আৰে ... তামোলবোৰচোন নিলে ?"

—সিজনে দেখোন লৈ গ'ল । আনজন হাটৰুৱাই তাক আঙুলিৰে দেখুৱাই দিলে । ৰফিক পিছে পিছে দৌৰিলে । চিলনীয়ে মুৰ্গীৰ পোৱালী নিয়াদি মানুহজনে সাউৎকৈ তামোলৰ বস্তাটোনো কিয় নিলে .... ?

—আপুনি তামোলবোৰ এনেকৈ কিয় নিয়ে । ৰফিকে বস্তাটোত থাপ মাৰি ধৰিয়েই ক'লে মানুহজনক ।

—মোৰ তামোল মই নিছো । মানুহজনে ধমকিৰে ৰফিকক ক'লে ।

—"আপোনাৰ তামোল ?" ৰফিকে ক'লে ।

—ধেৎ বদমাছ । বুলি ৰফিককে মানুহজনে ধমক দিলে । ইতিমধ্যে মানুহজনৰ চকুহাল ৰঙা হৈ পৰিছিল । ইতিমধ্যে চাৰিওফালে হাটৰুৱাবোৰ জুম বান্ধিছে । মানুহবোৰেও আগ্ৰহান্বিত ভাবে চাই আছে । সকলো অৱশ্যে নীৰৱ দৰ্শক । ৰফিকৰ তৰ্ক যুদ্ধত বজাৰৰ মানুহবোৰ গোটখাই গ'লহি । কিছুমানে ঘটনাটো সম্পূৰ্ণ প্ৰত্যক্ষ কৰিও চুপে-চাপে আছে । কিবা যেন অজানিত ৰহস্যত মানুহবোৰেও একো ন্যায়-অন্যায় মাত মতা নাই । কেৱল চায়েই আছে । ঘটনাটো উপভোগহে কৰি আছে ।

ইতিমধ্যে জন অৰণ্যৰ জুমটো ফালি পুলিচ এজন সোমাই আহিল । ৰক্ষা, ৰফিকৰ বুকুত অলপ পানী আহিল । অলপ হ'লেও পুলিচৰ পৰা তেওঁ ন্যায় পাব । অন্ততঃ তেওঁ ৰফিকক সহায়কণ কৰিব ।

—ছাৰ, সি মোৰ তামোলবোৰ অন্যায়ভাবে নিব ধৰিছিল, ছাৰ ! ৰফিকে পুলিচজনক ক'লে ।

—নহয় ছাৰ । মোৰহে তামোল, মানুহজনে পুলিচক ক'লে ।

—নহয় । নহয় ছাৰ ... মোৰ ... ৰফিকে কাবৌ কৰি পুলিচক ক'লে । পুলিচে তাৰ কথাত অৱশ্যে অলপো গুৰুত্ব নিদিলে । ইতিমধ্যে মানুহজনে পঞ্চাশ টকীয়া নোটখন পুলিচৰ জেপত ভৰাই দিলেহি । দৃশ্যটো ৰফিকে ভাল দৰেই প্ৰত্যক্ষ কৰিলে ।

—ইডিয়ট ! দিনতেই চুৰ কৰিব আহিছা ? বুলি কৈ পুলিচে তৎক্ষণাত লাঠিৰ কোব কেইটা তাৰ পিঠিত গতালে ।

—ব'ল থানালৈ । মজাটো পাবি নহয় বাপ্পেকে .... ? বুলি কৈ ৰফিকক চোচোৰাই লৈ যাব ধৰিলে । ইতিমধ্যে আনজন মানুহক ৰফিকৰ তামোলখিনি পুলিচে নিব দিলে । সাউৎ কৈ মানুহজন বজাৰৰ ভিৰৰ মাজত অদৃশ্য হৈ পৰিল । ৰফিকৰ পকেটত থকা লাউ আৰু কণী বেছা পইচাখিনিও পুলিচজনে বাহিৰ কৰি নিজৰ জেপত ভৰালে । তাৰ চকুৰে অশ্ৰুধাৰ বৈ আহিল ।

আমাৰ মধুৰতম গান সেইটোৱেই, য'ত ব্যক্ত হয় বিষাদতম ভাষা ।

—শ্বেলী

অইনে তোমাৰ গালৈ দলিওৱা ইটা, শিলগুটিৰে তুমি এটা সুস্থিৰ ভেটি গঢ়িবলৈ যত্ন কৰা । সফল হ'বা ।

—ডেভিদ ব্ৰিকলি

হিন্দু ধৰ্ম, মুছলমান ধৰ্ম, খ্ৰীষ্টান ধৰ্ম বুলি বেলেগ আৰু কোনো ধৰ্ম নাই। ধৰ্ম এটাই, সেয়া হ'ল— ''জীৱ ধৰ্ম, বিশ্ব ধৰ্ম, মানৱ ধৰ্ম''।

যোদ ধৰ্মৰ মূল নীতি হৈছে— শ্ৰেণীহীন সমাজ, একজাতি, একনীতি এক ধৰ্ম।

যাক ভগোৱা নাযায় বা ভগাব নোৱাৰি তেওঁৱেই ভগৱান।

ধ্বংস কৰাই বিপ্লৱৰ মূল কথা নহয়। বিপ্লৱৰ অৰ্থ হ'ল গঠনমূলক সংগ্ৰাম, কিবা এটা গঢ়ি তোলা ইয়াৰ উদ্দেশ্য।

কৰ্মই ধৰ্ম, সত্যই সাধনা, জন্মই সন্যাস, মৃত্যুই ত্যাগ।

*—বেদসূত্ৰ সাৰ*

**সংগ্ৰাহক —দুৰ্য্যোধন দাস**

*'যিজনে দুখীয়াৰ ভিতৰত, দুৰ্ব্বলৰ ভিতৰত, ৰোগী, পাপী-তাপীৰ ভিতৰত শিৱক দেখা পায় তেঁৱহে শিৱক পুজা কৰে। কিন্তু যিজনে শিৱক অকল মূৰ্তিতহে দেখা পায়, তেওঁ শিৱপূজাৰ আৰম্ভণিহে কৰিছে।"*

*'ছাত্ৰ জীৱন ভোগৰ জীৱন নহয়। প্ৰস্তুতিৰ জীৱন। বিলাসিতাক ভালপোৱা আৰু তাক অভ্যাসত পৰিণত কৰিবলৈ কোনো বিশেষ চেষ্টা কৰিব নালাগে। সেই অভ্যাস সহজে গঠন কৰি ল'ব পাৰি। মানুহৰ মন তললৈ নামি যোৱাতো সহজ, তাৰ কাৰণে কোনো শিক্ষাৰ প্ৰয়োজন নহয়। ই মানুহৰ মনৰ এটা স্বাভাৱিক গতি। কিন্তু সংযম আদি গুণবোৰ আয়ত্ব কৰিবলৈ অভ্যাসৰ প্ৰয়োজন।*

*'মানুহে কেতিয়াও অশুদ্ধতাৰ পৰা শুদ্ধতালৈ প্ৰগতি নকৰে —প্ৰগতি কৰে শুদ্ধতাৰ শুদ্ধত্বলৈ —সামান্য শুদ্ধতাৰ পৰা উচ্চ পৰ্যায়ৰ শুদ্ধতালৈ।*

*'আজি আমাৰ প্ৰয়োজন সেই প্ৰচেষ্টাৰ, প্ৰয়োজন স্বাধীনতাৰ বাবে প্ৰেম, প্ৰয়োজন আত্ম বিশ্বাসৰ গুণ, অপৰিসীম ধৈৰ্য্য। আমাৰ দৰকাৰ দক্ষতাৰ, ঐক্যৰ প্ৰতি দুৰ্জয় আগ্ৰহ, উন্নতিৰ বাবে ঐকান্তিক প্ৰচেষ্টা, এক নতুন উদ্যম, যি আমাক পিছৰ ফালে চাবলৈ বাধা দিব আৰু আগলৈ চাব বাধ্য কৰিব। আমাৰ শৰীৰ প্ৰতিটো তেজ বাহী নলীত স্পন্দিত তেজ প্ৰবাহত এই বিলাক গুণৰ সমাবেশ আমাৰ প্ৰয়োজন।*

সাধাৰণ মানুহ আৰু তিৰোতাৰ মাজত শিক্ষা বিস্তাৰ নহ'লে একো নহ'ব। যিবিলাক ঘৰৰ তিৰোতা শিক্ষিতা আৰু নীতি পৰায়ণা, সেইবিলাক ঘৰতেই মহৎ লোকৰ জন্ম হয়। তিৰোতাক আগতে জগাব লাগিব, জনসাধাৰণক আগতে জগাব লাগিব তেহে দেশৰ কল্যাণ হ'ব। মাক বিলাক উন্নত হ'লে তেওঁলোকৰ কৃতী সন্তান বিলাকৰ মহৎ কীৰ্তিয়ে দেশ উজ্জ্বল কৰিব পাৰিব আৰু তেতিয়াই দেশৰ সংস্কৃতি, পৰাক্ৰম, জ্ঞান আৰু ভক্তিৰ নতুন জোৱাৰ আহিব।

'তেওঁৱেই সৰ্বোৎকৃষ্ট কৰ্মী, যিজনে কোনো আশা-আকাংক্ষা, টকা-পইচা, খ্যাতি নাইবা অন্য উদ্দেশ্যৰ বশৱৰ্তী নোহোৱাকৈ কাম কৰে। যেতিয়া কোনো মানুহে তেনেকুৱা কৰিব পাৰে, তেতিয়া তেওঁৰ বুদ্ধত্ব লাভ কৰিব পাৰিব আৰু তেওঁৰ পৰা এনে ধৰণৰ কৰ্ম শক্তি উদ্ভৱ হ'ব যি সমগ্ৰ জগতক ৰূপান্তৰিত কৰিব পাৰিব।

***—স্বামী বিবেকানন্দ***



## প্ৰিয়তমাৰ চিঠি

*হেমচন্দ্ৰ গোস্বামী*

*সৌন্দৰ্যৰ বুকুৰ কাঁচলি উদঙাই*
*প্ৰকৃতিৰ চোঁ-ঘৰ চালোঁ পিত্‌পিত্ ;*
*কুকুৰাঠেঙীয়া এই আখৰকিটিত*
*যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই ।*
*কবি নিকুঞ্জত ফুলি ক'ত কবিতাই*
*মলয়াত উটি উটি ফুৰে পৃথিৱীত,*
*তোমাৰ চিঠিয়ে কিন্তু জানে যিটি গীত,*
*কবিতাৰ কাব্যে তাৰ গোন্ধকে নাপায় ।*
*ফুল ফুলে, সৰি যায়, শুকায় বননি,*
*বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে ;*
*তোমাৰ চিঠিয়ে প্ৰিয়ে জানে কি মোহিনী,*
*নিতৌ নোহোৱা বাহী, ন ন ফুল মেলে ।*
*যত শুঙো, চুমা খাওঁ, নালাগে আমনি,*
*হৃদয়ত হেঁপাহৰ ভোটাতৰা জ্বলে ।*

# কবিতাৰ কুঁকি

কবিতা

# এটি সুৰৰ ঝংকাৰ

*মিচ্ ওৱাহিদা আখতাৰা খানম*
স্নাতক ১ম বৰ্ষ

কালৰ কুটিল পৰশত
অজানিতে হৃদয়ত
উম ললে এটি
বিষাদৰ সুৰে।
এটি দুটিকৈ
ক্ষণবোৰ গৈছে হেৰাই,
ক্ৰমে ক্ৰমে আপোন হৈ পৰা
সুৰটিয়ে শিকালে
হয়তো কঠিন হোৱা,
নহ'লে মিলি যোৱা
মাটিৰ মানুহ মাটিৰ লগত।
পিছলৈ ঘূৰি দেখো
প্ৰথম খোজেই
পেলালো ভুলেৰে,
আগত দেখো
বাট ভেটি আছে ৰৈ
ঘোৰ ক'লা এন্ধাৰে।
মোৰ কল্পনাৰ বালি ঘৰটিত
এতিয়াও বহুতো সপোন
আছে ৰৈ,
দোকমোকালিৰ এচমকা
পোহৰৰ প্ৰতীক্ষাত।
কিন্তু হায় ......
হৃদয়ত উমলোৱা সুৰটিৰ ঝংকাৰে
যেন কৰিব সকলো ধুলিসাৎ !
অনুতাপ কৰাৰ সময়ো যে আৰু নাই
কোনে পাৰা দিয়া মোক
শান্তিৰ শেতেলীত শুৱাই।

# আশালৈ চিঠি

***শ্ৰীহীৰা বৰ্মন***
স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ

মৰমৰ আশা
এই বেলি তোলৈ
বহাগৰ শুভেচ্ছা পঠোৱা নহ'ল।
তইটো জানই
শান্তিৰ প্ৰতীক বুলি কোৱা দগাবাজহঁতে
আমাৰ সৰ্ব্বস্ব লুটিলে।
এইবেলি বেদনাবোৰকে ল'বি
এইবাৰ মাঘৰ উৰুকা নিশাত
ভেলাঘৰত কোনেও ভোজ নাখালে
ভোগালীৰ ম'হ যুঁজখন ?
সেনা বাহিনীৰে হ'ল।
বিহুৰ ভোগৰ পাত্ৰ উকা হৈয়েই ৰ'ল ....।
লাঞ্চিত মানুহৰ শোকৰ অশ্ৰু
আৰু নিৰ্য্যাতিত মানুহৰ আৰ্তনাদে
ক্ষত বিক্ষত কৰিছে মোৰ হিয়াখন !
সেয়েহে আশা,
এইবেলি বহাগৰ শুভেচ্ছা
তোলৈ পঠোৱা নহ'ল।

কবিতা

# ৰজনী গন্ধা

*শ্ৰীঅপূৰ্ব কুমাৰ কলিতা*
স্নাতক ৩য় বৰ্ষ

ৰাতিয়েই ফুলি ৰাতিয়েই মৰহি যোৱা
ৰজনীগন্ধা নাম তোৰ।
ঘোপমৰা এন্ধাৰৰ নিশা ফুলি
সুবাস বিলাই দিয় চৌদিশ।
কোনে ভাবিব পাৰে অমানিশাৰ
এন্ধাৰৰ মাজত মৰ্ত্যত পাৰিজাত
ফুলে বুলি !
কোনোবাই জানেনে বাৰু
'দিনৰ পোহৰত অভিশপ্ত কাল গুহা' লৈ
ৰাতি ভোমোৰা যায় বুলি !
মতলীয়া কৰা তোৰ সুবাসত
ভোমোৰাই নৃত্য কৰে
এক আদিম মূৰ্চনাত।
ৰাতিয়েই তই পূজাৰীৰ কুকি ভৰাই দিয়,
ৰাতিয়েই যঁচা হয় তোক
গোঁসাইৰ থাপনাত অঞ্জলি কৰি,
নহ'লে পুৱালৈ যে তই অস্পৃশ্য হবি।
শেষ ৰাতিয়েই বিদায় মাগে
ভোমোৰাই তোৰ প্ৰৰা ;
কাৰণ পুৱালৈ যে তই ৰেণুহীন হবি,
নিঃস্তেজ হবি।
ফাগুনৰ বলীয়া বাই
কালিলৈ তোৰ নিৰস পাহিবোৰ
উৰুৱাই লৈ ফুৰাব কোনোবা নৰ্দমালৈ,
কোনোবা ডাষ্টবিনলৈ।
সেউজীয়া পাতৰ সেউজীয়া আশা লৈ
থাকিব 'ৰজনীগন্ধাৰ বুঢ়া গছ'—
সূৰ্য্য অস্ত যাব আকৌ ফুল ফুলিব
ৰজনীগন্ধা .....।



# ভগ্নাৱশেষ

*শ্ৰীমৃদুলজ্যোতি চক্ৰৱৰ্তী*
স্নাতক ৩য় বৰ্ষ

আকাশখনৰ এচুকত এটি
সূৰ্য্য আঁকিছিলো
দীপ্ত সূৰুজ
এন্ধাৰ আঁতৰাবলৈ।
সূৰ্য্যটো দেখো নিস্তেজ হ'ল।
মোৰ ৰংবোৰতো এন্ধাৰ মিহলি হ'ল !

শব্দৰ সেউজীয়া বননিত বহি
তোমাক কবিতাবোৰ দেখুৱাইছিলো
হৃদয়খন খুলি
মোৰ হৃদয়ত জানো
সিদিনা এন্ধাৰ আছিল ?

মোৰ হৃদয়ত উত্থান পতন।
যেন সহস্ৰ বছৰীয়া
সভ্যতাৰ ইতিহাস।
মোৰ কবিতাবোৰৰ
ভগ্নাৱশেষ। আৰু—
দুটোপাল 'ক'লা' চকুলো।

কবিতা

# স্বাৰ্থপৰ

শ্ৰীগীতাঞ্জলী শৰ্মা
স্নাতক ২য় বৰ্ষ

এটি বৃহৎ উদ্দেশ্য
শিৰত তুলি লৈ,
মই আগুৱাই আহিছোঁ—
তোমাৰ কাষলৈ।
বিষণ্ণ বতাহজাকে—
হৃদয় বীণত সুৰ দিয়ে,
নিৰৱতা ভংগ কৰি
উত্তাল তৰংগক
জগাই তোলে।
মনৰ কল্পনাবোৰক
অজানিতে উটুৱাই নিয়ে।
কিন্তু—
এয়া কি ?

স্বাৰ্থপৰ, দুৰ্নীতি, সমাজনীতি ;
বুজিছোঁ,
এয়াই হয়তো ৰাজনীতি।
সৰ্বভক্ষক কুকুৰজাকৰ,
হেঁপাহ পলোৱা নাই।
জনতাৰ ভীৰ ফালি—
দুচকুৰে কাৰোবাৰ
মুখ চিনি পায়।
সিহঁতৰ হাতত এতিয়া,
ক্ষমতাৰ ৰহঘৰা।
আমাৰ আশাবোৰ,
বালিৰেই আৱৰা।
মই আছো কুকুৰজাকৰ প্ৰতীক্ষাত.;
নৰকংকাল এটাই মোক
কৰেহি পদাঘাত।
গুৰুসকলৰ মাজত
এতিয়া তাণ্ডৱ-নৃত্য,
আমাকো শিকাব লাগিছে,
স্বাৰ্থপৰতাৰ একো একোখন
বিচিত্ৰ-চিত্ৰ।

# নিঃসংগতাৰ আলাপ

শ্ৰীপ্ৰেমলতা কলিতা
স্নাতক ২য় বৰ্ষ



নিঃসংগতাৰ সুযোগ লৈ
ধুমুহাজাক সদায় মোৰফালে আহে।
দুবাহু মেলি মোৰ,
জনাওঁ স্বাগতম্.।
মোৰ হৃদয়ত থকা গছৰ ডালবোৰ,
ধুমুহাজাকে আহি চিঙি-ভাঙি থৈ যায় ....।
বৰ কষ্ট হয়,
মোৰ সুকোমল হৃদয়ত।
ক্ৰমশঃ অসহ্য হৈ,
নামি আহে কেঁচা তেজৰ বৰষা।
ভঙা গছৰ ডালবোৰ,
মই মোৰ নিজ হাতেৰেই আঁতৰাও .....।।

# কিনো বুলিলে ভাল পাবা তুমি

*শ্ৰীমৃণাল কুমাৰ বড়া*
স্নাতক ২য় বৰ্ষ

গোলাপ বুলিবলৈ ভয় হয় তোমাক
এটি দুটি কৰি পাপৰি সৰি
যদি লুপ্ত হোৱা,

তগৰ বুলিবলৈ মন যায়ায় তোমাক
চিঙিলেই লেৰেলি যোৱা ।
জোনাক বুলিবলৈ ভয় হয় তোমাক
কেতিয়াবা দেখা দিয়া ।
মদাৰ বুলিবলৈ ভালেই নেলাগে
জানোচা তুমিয়েই বেয়া পোৱা ।
সপোন বুলিবলৈ মনেই নাযায়
টোপনিতহে ভাঁহে,
কুলি বুলিবলৈ হৃদয়ে নামানে
বছৰত এবাৰহে আহে ।
কিনো বুলিলে ভাল পাবা তুমি
নিজেই বাছি লোৱা,
হৃদয়ৰ ৰাণী বুলিলে বেয়া পাবা নেকি
এবাৰ মাথো কোৱা ।



# প্ৰত্যাশা

*শ্ৰীগৌৰী ঠাকুৰীয়া*
স্নাতক ২য় বৰ্ষ

নিবিৰ, নিৰৱ নিশা
বহি আছো মই
স্মৃতিৰ শলিতা জ্বলাই ;
প্ৰতিভাহীন জীৱনৰ সুৰহীন গান
বাৰে বাৰে আওৰাই আছো
এটি মাথো আশাত ...
হয়তো ...
মৰুভূমিৰ অন্তত মৰুদ্যান ।

# মোক অকণ পোহৰ লাগে

*শ্ৰীঅজিত কুমাৰ ডেকা*
স্নাতক ৩য় বৰ্ষ

বৰ্বৰতাৰ কৰাল গ্ৰাসে
মোক গিলি পেলাইছে
অন্ধকাৰৰ গভীৰতাত ।
মলিয়ন হৈ পৰি আছে
অব্যৱহিত দাপোনখন ।
মোৰ দৃষ্টিৰ পৰা
আঁতৰি গৈছে,
জোন, বেলি, তৰাবোৰ
মই একো দেখা নাই.।
নিজক অনুভৱ কৰিছো মাথোঁ ।
এন্ধাৰৰ বাবে মই
বিচাৰি পোৱা নাই
পুৰণি দাপোনখন ।
দৃষ্টিত মাথো মোৰ
ক'লা অন্ধকাৰ ।
এতিয়া মোৰ প্ৰয়োজন
অকণমান পোহৰৰ,
(আৰু) এখন স্বচ্ছ দাপোনৰ ।
নিজকে এবাৰ চাব ইচ্ছা কৰিছো ।
কিন্তু ভয় লাগে,
পোহৰৰ স্বচ্ছ দাপোনত
জানোচা মোৰ কুৎচ, মলিয়ন
ৰূপ দেখিবলৈ পাওঁ ।
মোৰ দৌদোল্যমান মনে
মোক বাৰে বাৰে উজুটি খুৱাইছে ।
অতীতৰ সেই দাপোনখনত
মই মোৰ মুখখন চাব খুজিছোঁ ।
এন্ধাৰৰ বাবে মই
অসমৰ্থ হৈছোঁ
(সেয়ে) মই অকনমান পোহৰ বিচাৰিছোঁ
মোক অকণ পোহৰ দিয়া ।

# বসন্তৰ কবিতা

*শ্ৰীকৃষ্ণকান্ত নাথ*
স্নাতক ৩য় বৰ্ষ

তুমি যে আহিলা নামি
ক'ৰবাৰ পৰা
মোৰ হৃদয়ত এটা তৰা হৈ
থিতাপি ল'বলৈ
যেন সূৰ্য্যাস্তৰ আগতেই
সূৰ্য্যোদয়ৰ নতুন জিলমিলনিৰে
সুন্দৰ হৈ পৰিল
মোৰ চৌদিশৰ জগতখন।
মোৰ খিৰিকিৰ মুখৰ
সেউজীয়া গছবোৰত
নিস্তব্ধতাৰ গান এতিয়া আৰু নাই
মাথো উৰি আছে তাত
তোমাৰ প্ৰেমৰ সুবাসৰ ৰং
মনে মনে ভাবিছো মই
ক'ত যে লুকাই আছিল অতদিনে
তোমাৰ মৰমৰ নীল-নীলা মুহূৰ্তবোৰ।
আঃ!
মই যেন দুহাতেৰে সাৱটি ধৰিম
মোৰ মৰমৰ ভালপোৱা !!

# মানুহ

*শ্ৰীসৈব্যা ৰাভা*
স্নাতক ২য় বৰ্ষ

মানুহ যেন এটি
উচ্চ বৰ্ণৰ শব্দ।
মানুহ নহয়
কলুষিতাত দগ্ধ।
কিন্তু ! সঁচাকৈ মানুহ জানো
লব্ধপ্ৰতিষ্ঠ ?
মানুহ জাতি আজি
ভয়ংকৰ কালফেঁটী
মানুহে নিদিয়ে শান্তিৰ স্থিতি
প্ৰত্যেক সময়তে
ভদ্ৰতাৰ মুখাপিন্ধি
কৰিব অশান্তি।
মানুহেই নকৰে যদি
মানুহক দয়া
প্ৰত্যেক সময়তে
কৰে যদি প্ৰৱঞ্চনা
মানুহৰ নাথাকে যদি
এখন কোমল হিয়া
যোগ্যনে সেইগৰাকী
মানুহ নাম পোৱা ?

# সপোন

*মঃ আচাদউদ্দিন আহমেদ*
স্নাতক ২য় বৰ্ষ

বেদনাত উপচি পৰিল হৃদয়খনি
সিক্তপৰাণত তোমাৰ
এবুকু মৰমৰ পৰশমণি ;
হৃদয়ৰ দুৱাৰলৈ আহিবা
মনে সজা মালা লৈ
বসন্তৰ প্ৰতিটো পুৱাতে
বাট চাই থাকিম তোমালৈ।

# যাত্ৰা পথৰ সংগী

*শ্ৰীমৃণালিনী (মৰমী) শৰ্মা*
স্নাতক ২য় বৰ্ষ

আহি থাকা, দেৰি নকৰিবা, সময় সমাগত
পথতো দেখুৱাই দিব নালাগে ।
একেটা বাটেৰেই আগুৱাই আহা !
যিমানে আগুৱাবা বিন্দুটো সিমানে ডাঙৰ হৈ আহিব ।
ভয় নকৰিবা !!

এই পৃথিৱীত তুমিনো কোন বুলি শুধিলে—
'শ্ৰী' বুলি ক'লেও হ'ব !
তাতকৈ পৰিচয় নিবিচাৰিবা !!

শিয়াল, কুকুৰৰ চিঞৰ, নিশাৰ ভয়লগা
আন্ধাৰৰ মাজত
খুলি পেলোৱা চোলাটো পৰি ৰ'ব—

''অট্টালিকাৰ পৰা দলিয়াই পেলোৱা
মলিয়ন ফটা চোলাটোৰ দৰে !!''

আহি থাকা, দেৰি নকৰিবা
সময় সমাগত !
ভয় নকৰিবা,
পিচলৈ ঘূৰি নাচাবা !

এই যাত্ৰা পথত সংগী হিচাবে
বহুতক লগ পাবা !!

# স্তব্ধতা

*শ্ৰীনিপুঞ্জয় বড়া*
স্নাতক ২য় বৰ্ষ

যেতিয়া মই লিখিম বুলি বহো
সিহঁতে যেন আত্মগোপন কৰে
সমুদ্ৰতলিত ।
যেতিয়াই বৰকৈ ভাবো
মনটো কঁপি উঠে
থৰক্-বৰক্ হাতখনেও
লিখিব নোৱাৰে সেই কথা ।
নিঠৰ হাতখনত লাগি থকা
কলমটোও সুলকি পৰে
যেন সৰি পৰা এপাহ নিষ্পাপ ফুল ।
স্তব্ধ হৈ যায় মোৰ কল্পনা,
মাথো মোৰ বাবে অপেক্ষাত থাকে
বাস্তৱৰ এটি হুমুনিয়াহ ।

# অতীত

*মিচ্ নিৰুপমা চহৰীয়া*
স্নাতক ৩য় বৰ্ষ

উৰুখা পঁজাত মোৰ
নৰজিল মন তোৰ
মোৰ অনংগ পঁজাৰ
আবিৰ সনা....
(মোৰ) আধৰুৱা বেথা
তাতে এৰি গ'লা !
কলিজা ভৰাই দি
সীমাহীন শূন্যতা !!

কবিতা

# প্ৰত্যাশা

*চৈয়দা জেছমিন মেৰী*
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ

মই এৰি যাব বিছাৰো
এখনি খোলা কিতাপ
উত্তৰ পুৰুষৰ বাবে,
লুইত বৰাকৰ পাৰত।
লিখি যাব খোজো
সেই কিতাপ
সেউজীয়া পাতে পাতে
য'ত লিখা থাকিব
অব্যক্ত বেদনা আৰু
অস্ফুট উচুপনিৰে ভৰা
নিৰীহ মানুহৰ কথা।
আৰু—
মই লিখিম
সেই কিতাপ
মোৰ বুকুৰ
তপত শোনিতেৰে।

# প্ৰকৃতিয়ে মোক এটি শৰত দিছিল

*শ্ৰীকল্পনা ডেকা*
স্নাতক ১ম বৰ্ষ

তুমি মোক এটি শৰত দিছিলা
যাৰ পৰশত মোৰ আকাশ
হৈ পৰিছিল ফৰকাল ;
উদাস আকাশৰ মাজে মাজে
নিগৰি আহিছিল হেঙুলীয়া আভা,
আৰু মোৰ প্ৰাণৰ সমতল
হৈ পৰিছিল সোণবৰণীয়া ।।

মোৰ ওচৰে পাজৰে আঁকিছিলা তুমি
এখন সোণোৱালী শইচৰ পৃথিৱী ;
যাৰ বাবে দেখিছিলো ... ... ...
বিষাদেৰে ভৰা আবেলিতো
চহা কবি সকলৰ প্ৰীতিভৰা হাঁহি ।।

মই লিখিব বিচাৰো
মোৰ শোণিতেৰে এনে এটি কবিতা
যিয়ে আঁতৰাব ... ... ...
মানৱ অন্তৰত সুপ্ত হোৱা
সকলোবোৰ ব্যাথা ।।

মই এৰি যাব বিচাৰো ... ... ...
এনে এটি শাৰদীয় নিশা
য'ত থাকিব ... ... ...
তোমাৰ মোৰ লগতে কঁকালত টঙালি মৰা
শত-সহস্ৰ চহা কবিৰ হাবিয়াস ।।

# ক্লান্ত হৃদয়

শ্ৰীঅনুৰাধা দেৱী
স্নাতক বৰ্ষ

মিঠা মিঠা শৰতৰ
স্নিগ্ধ জোনাক নিশাত
গছভৰি শেৱালি
ফুলাৰ দিনা,
নিৰ্জনতাত,
আঁকিছিলো হৃদয়ত
তোমাৰ মুখচ্ছৱি
এপাহি গোলাপৰ দৰে,
দুয়োৰে ৰচিছিলো,
এক নতুন পৃথিৱী
আমাৰ বাবে।
অজানিতে,
ফেনে ফুটুকাৰে
এধাৰি উৰ্মিমালাই
মচিলে তোমাৰ ছৱি।
এতিয়া,
বিৰহ বেদনাত ক্লান্ত মই
সৰি পৰা হালধীয়া পাতৰ দৰে
নিগৰিছে মাথোঁ
অশ্ৰু অলকানন্দা
যেন হৃদয় মাজুলীৰ
বালিচন্দা।

# সময়

শ্ৰীকৰবী বৰকাকতি
স্নাতক ২য় বৰ্ষ

সময় গতিশীল
সময় সীমাহীন
ইমান আনন্দ
ইমান স্ফুৰ্তি.।

কোনেও নেজানে
মাথো চাৰিদিনৰ
আলহী আমি,
গৈ অজানিতে
প্ৰতিতো ক্ষণ
প্ৰতিতো পল
ভবা নাই কোনেও
চাপিছে অন্তিম কাল.।
লোভ মোহ
একোটা প্ৰবৃত্তি
নোৱাৰে এৰিব
স্বভাৱগত ৰীতি.।
লৈছো মনত
কত আশা
কত কল্পনা,
হ'ব জানো পুৰ
আছে জানো
জীৱনৰ ভৰষা.।
শেষ সমল মাথো
কিঞ্চিত মাটি
সেয়াই হ'ব চিৰ শান্তি.।

কবিতা

# প্ৰহেলিকা

শ্ৰীনকুল বৈশ্য
স্নাতক ৩য় বৰ্ষ

খিৰিকিখন খুলি দিয়া
খুলি দিলেই হয়তো দেখা পাম
এখন নীলিম আকাশ অথবা সাগৰত তাৰ প্ৰতিচ্ছবি

আন্ধাৰত কিহৰ লাজ !
ইয়াতেই খুলি দে হৃদয়ৰ সমস্ত পোচাক
বুকুত খোদিত কৰো আহা প্ৰেমৰ সংলাপ

প্ৰেমৰ খবৰ সুধিছা ?
মোৰ হৃদয়ত এতিয়া কঠিন আলাপ
তুমি কাণ পাতিলেই শুনিবা
বুকুৰ পৰা বুকু কাঢ়ি নিয়া সম্বাদ
কেনেকৈ যে বিচ্ছিন্ন হয় বিশ্বাসৰ দুখু হাত।

মই থাপন কৰিছো এতিয়া
মোৰ সবাটোকে প্ৰিয় কিম্বা কুৎচিত মুহূৰ্তবোৰ
স্বপ্নৰ দুৱাৰ খুলিছো
বাৰে বাৰে মোকেই সুধিছো
নক্ষত্ৰৰ স্নিগ্ধ ঠিকনা।

এতিয়া কোন সাগৰৰ পানীত প্ৰত্যক্ষ কৰোঁ মই
তোমাৰ নিৰ্মেদ মুখৰ প্ৰতিচ্ছবি
হৃদয়ৰ সমস্ত পৃষ্ঠা লুটিয়াই
মোৰ স্বাধীন চোতালত বহি
আজিও মই উলিয়াব পৰা নাই এই প্ৰশ্নোত্তৰ ॥

# অতীত কবিতা

শ্ৰীমণ্টু কুমাৰ ডেকা
স্নাতক ৩য় বৰ্ষ

মোক লাগে
  এটি নামবিহীন কবিতা,
যিয়ে মোক
  এটি নতুনৰ বতৰা দিয়ে ।।
নিজৰ আভিজাত্যক
  হেয় কৰা চনেট এটি লাগে ;
মোক লাগে
  ছন্দ বিহীন কবিতাৰ কবিতা,
যিয়ে মোক
  স্বব্যক্তিত্বৰে আলোকিত কৰে ।।
দুটি দশকত (মই)
  মাত্ৰ দুটি কবিতা লিখিলো
যিটো কবিতাৰ
  আজি মই ছন্দ পাঁহৰিলো ।।
আনটো কবিতা .......
  মৃত্যুও বাৰু অনিবাৰ্য্য নেকি ?
অ' নহয় নহয়
  এইবোৰ মই ভ্ৰম বকিছো ।
কবিতাটি মই
  হেৰাই যাব নিদিও
কাৰণ .....
  সেইটো মোৰ কবিতা
    অতীতৰ কবিতা ।।

# পথ

শ্ৰীনিকিটা চহৰীয়া
স্নাতক ৩য় বৰ্ষ

মোৰ পথটোৱেই আছিল
ওখোৰা-মোখোৰা,
বিপদ সংকুল
দুয়োকাষে কোনো গছৰ শোভা নাছিল
চৰাইৰ কোৰ্হাল নাছিল
ফুলৰ সুৰভি নাছিল
সংগীতৰ মূৰ্চ্ছনা নাছিল
নাছিল কোনো সংগী মোৰ
আৰু নাছিল বিশ্ৰামৰ বাবে পান্থশালা
কোনো প্ৰলোভন নাছিল
উচ্চাকাংক্ষা নাছিল
আছিল মাথোঁ এক তীব্ৰ সংকল্প
আছিল মাথোঁ এটা বিকল্প পথৰ
সন্ধান।

# প্ৰৌঢ়ী প্ৰতিজ্ঞা

শ্ৰীমঞ্জুলা শৰ্মা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

সাহসক সাৰথি কৰি
আত্মবিশ্বাসক মূল মন্ত্ৰ বুলি ধৰি
আগবাঢ়িছো মই অনাগত ভৱিষ্যতলৈ
মাথোঁ এটা কলম হাতত লৈ
সংগ্ৰাম মোৰো তেজত আছে
কিন্তু,
গুলি-বাৰুদ-ধোঁৱাৰে
খেলা কৰা সেই সংগ্ৰাম নহয়
কলম আৰু কাগজৰ সংগ্ৰাম,
শব্দ আৰু সত্যৰ সংগ্ৰাম
য'ত বব নোৱাৰে নিৰ্দোষীৰ কেঁচা তেজ
ভাই-ভাইৰ মাজত নাথাকে হিংসাৰ দেৱাল
আৰু,
য'ত নহয় লাঞ্চিতা-ধৰ্ষিতা নিজ ভগ্নী।
মই পৰিবৰ্তন আনিব বিচাৰোঁ সমাজৰ
শান্তি আৰু প্ৰেমৰ মাজেৰে
হিংসা আৰু অন্যায়ৰ বিৰুদ্ধে
যুদ্ধ আৰু অশান্তিৰ বিপৰীতে।
এখন সবল-সুস্থ সমাজ গঢ়াত
ব্যৱহাৰ কৰিব বিচাৰো মোৰ কলম
এক শান্ত আৰু শীতল মগজুৰে।

///

# স্মৃতিৰ আশা

এই মানৱ পৃথিৱীত
জীয়াই আছো মই
আশা বুকে বান্ধি লৈ,
জীৱনৰ প্ৰতিটো ক্ষণতে
খোজে খোজে আগুৱাই যাম
পৃথিৱীখন সমৃদ্ধিশালী কৰিবলৈ।

মোৰ এই আশা পৃথিৱীত
জিলিকি উঠিবনে বাৰু ?
এই মানৱ পৃথিৱীত
সকলো প্ৰাণীৰ
কিমান যে আশা,
সকলোতকৈ শ্ৰেষ্ঠ
মানুহৰ আশা।

শ্ৰীবিনু শৰ্মা
স্নাতক ৩য় বৰ্ষ

কবিতা

# স্নিগ্ধ জোনাক

শ্ৰীনিভাৱাণী দেৱী
স্নাতক ২য় বৰ্ষ

তোমাৰ স্নিগ্ধ জোনাকৰ
ৰূপালী পৰশ লাগি
হৃদয় চোতালত আশাবোৰ উজ্বলি উঠে
মনৰ ৰঙতে জোনাকীবোৰ জোন হৈ জ্বলে।
তুমি এদিন আহিবা ...
তোমাৰ ঐশ্বৰ্য্যৰ বাৰ্তা লৈ
তুলসী তলৰ নিৰন্তৰ প্ৰাৰ্থনা
মোৰ দুচকুৰ নীলা গভীৰতাত ;
উচুপি আছে পুৰতি নিশাৰ কবিতা।
তুমি এদিন আহিবা ...
অনন্ত জ্যোৎস্না সুৰভি সনা
সোণালী নদীৰ অন্তৰ্জল
তোমাৰ হৃদয়ৰ আবেশ
মোৰ একেটি নিৰ্জন প্ৰেমৰ সংজ্ঞা।
তুমি এদিন আহিবা ...
নিশ্চয় এদিন আহিবা
মোৰ জীৱন জোনাকৰ কোমলতাৰে
কাৰণ ঃ
তোমাৰ আশা আছে
মোৰ ভাষা আছে.।

# শূন্য

শ্ৰীকৰবী শৰ্ম্মা
স্নাতক ৩য় বৰ্ষ

প্ৰস্ফুটিত কলি,
হ'ল আজি,
ৰূপান্তৰিত
মৰহা পাপৰিত।
আশা,
আজি দৌদোল্যমান
আকাংক্ষা আৰু
নিৰাশাত.।
তুমি - মই
মিলিত
হ'ম কি নহ'ম ?
(বিৰাট প্ৰশ্নবোধক)
মলয়াত গোন্ধ
তেজৰ,
পৃথিৱীত ধাৰা
তেজৰ
মানুহৰ কলিজাৰ
কেঁচা তেজৰ !!
ফুলৰ ৰেণু
বিষাক্ত,
অন্তৰখনো
বিষাদ,
স্বাৰ্থপৰতাত।
শিশু মই
আজি বৃদ্ধ,
উকা চাৱনিত
আঁতৰিলা তুমি
ৰ'লো মই অকলশৰে,
বিদায় বেলিকাত ৰিক্ততা,
ভীষণ শূন্যতা
তাৰ পিছত ?

কবিতা

# মাজ নিশাৰ চিঞৰ

*শ্ৰীপুলকিতা দেৱী*
স্নাতক ৩য় বৰ্ষ

গভীৰ নিশাটি
সাৰ পাই উঠিল
এজাক ৰাং কুকুৰৰ
ভুক ভুকনিত ;
ক্ষুধাতুৰ বাঘৰ দৰেই
তৃষ্ণা সিহঁতৰ !
লাগে মাথোঁ মানুহৰ
কেঁচা তেজ ;
পৰি ৰ'ল কোনোবা
অসহয়া লাঞ্চিতা
বঞ্চিতা হৈ !
চুৰ্ চুমু হ'ল হৃদয়,
ভাগি গ'ল মন
ইও যে এক
আজিৰ সভ্য সমাজৰ
নিদৰ্শন ।



# আকৌ শৰত আহিল

"A thing of beauty is joy forever"
(Keats)

*শ্ৰীপূৰবী ঠাকুৰীয়া*
স্নাতক ২য় বৰ্ষ

শৰতৰ শুভ্ৰ কোলাত,
কপাহী কাননত
অযুত ফুলৰ নাচ ! ....
শেৱালীৰ সুবাসত ভোল যোৱা
লানি নিছিগা
জোনাকী পৰুৱাৰ মিচিল
আৰু ৰূপালী বিহঙ্গৰ শোভাযাত্ৰা !
কঁহুৱা বনত যেতিয়া নামিছিল
জোনাকৰ ঢল
মই তেতিয়া সাৰে আছিলো
তোমাৰ এটি গানৰ অপেক্ষাত ।
সৰগৰ পৰা সোণৰ জখলাৰে
নামি অহা আকাশী গঙ্গাৰ
পানী যুঁৱলিত সদ্যস্নাতা গাভৰুৰ
খামুচীয়া কঁকালৰ নাচত,
ৰবীন আৰু কেতেকীৰ সুৰীয়া
কণ্ঠত মানৱৰ প্ৰতিচ্ছবি !
জোনাবাইৰ দেশত
দেখো মনালিচাৰ হাঁহি
আৰু ভোকাতুৰ মানুহৰ আৰ্তনাদ ।
এমুঠি অনুৰাগ ছটিয়াই
তৰালিয়ে সপোন ভাঙিলে
তথাপি তুমি নাহিলা চাবলৈ
শৰতৰ শুভ্ৰ কোলাত
অযুত ফুলৰ নাচ ।

কবিতা

# প্ৰাৰ্থনা

*মিচ্ মলয়া দেৱী*
স্নাতক ৩য় বৰ্ষ

মিলন পিয়াসী হে মায়াৰূপী
ত্ৰিজগতৰ অধিপতি।
নিচিনা তুমি মানুহ হৃনতা নিতো ;
কলংকৃতাৰ জন্মদাত্ৰী।
নুবুজিলা মানৱৰ দুখ-বেদনা
হৃদয়ৰ মৃদু স্পন্দন ;
নিস্প্ৰভ আত্মাৰ পবিত্ৰ স্মৃতিক
বিনা দ্বিধাই কৰিলা অপমান
দহিছে হৃদয় মোৰ কৰিছে হাহাকাৰ
নেপাওঁ ভাবিও পাৰাপাৰ ;
সেয়ে প্ৰভু কৰি ভকতি তোমাক
দিয়া মোক শকতি প্ৰভু ;
কৰোঁ মই সহস্ৰ কাকুতি
বুলিবলৈ শান্তিৰ পথত ॥

# কল্পনাৰ বালিঘৰ

শ্ৰীনৱজ্যোতি ডেকা
স্নাতক ৩য় বৰ্ষ

তুমি মাথো মোৰ কল্পনাৰ সৃষ্টি চৰিত্ৰ সপোনৰ
তোমাক সৃষ্টি কৰিছো মোৰ কবিতাৰ শাৰীত
দিঠকৰ ভয়ানক ৰূপবোৰ পাহৰি
কল্পনাতে বালিঘৰ সাজিছোঁ হাঁহি হাঁহি।
ৰামধেনুৰ সাতোতৰপীয়া ৰঙেৰে
ৰং বুলাইছো নিজে সজা বালিঘৰত
ফুলৰ দলিচা পাৰিছো হৃদয়ৰ মজিয়াত।
মনৰ আকুলতা আঁতৰাই বেৰবোৰ সজাব যাওঁতেই
হুৰুক কৰে ভাঙি পৰিল কল্পনাৰ ঘৰটি
দলিছাৰ ফুলবোৰে হুল হৈ বিন্ধিলে,
ৰামধেনুৰ ৰংবোৰেই ....
তেজ হৈ বিৰিঙিছিল
হিয়াৰ দুয়োকাষে ॥

# আশংকা

*মিচ মুনমনি দেৱী*
স্নাতক ২য় বৰ্ষ

এছাটি পছোৱা বতাহৰ দ্বাৰা
ধূসৰিত মোৰ দেহ মন,
তেজে তুমৰলি হৈ
আগবাঢ়ি আহিছে
এজন যুৱক,
মোক বচোৱা বচোৱা।
সচকিত হৈ উঠিলো মই,
এয়া কোন ?
কিহৰ আশংকাত মৰণ কাতৰ আৰ্তনাদ।
ল'ৰাজনক দেখি মোৰ
মনটো বেয়া লাগি গ'ল !
সযত্নেৰে ডাঙি ধৰিলো যুৱকজনক
গালে মুখে হাত ফুৰাই চালো
ল'ৰাটোৰ গোটেই দেহটো
ক্ষত বিক্ষত।
ৰক্তাক্ত হেটো ধুৱাই পখালি দি
সুধিলো, কেনেকৈ হ'ল ?
মোৰ ফালে মাখোঁ
চকু ৰাখি চাই ৰ'ল
দেখিলো,
ল'ৰাজন বাক্ ভাষাহীন,
নিস্পলক ॥

# শান্তি

*মিচ মধুমিতা দেৱী*
স্নাতক ২য় বৰ্ষ

এই নিদ্রিত ৰাতি
বাহিৰত কোলাহল,
মৃত্যুৰ ।
আহিছে জাকে জাকে,
গৈছে বুকু ভেদ কৰি,
তেজেৰে ৰাঙলী বন্দুকৰ গুলি ।
কি বিচাৰিছিলো, পালো কি ?
কুৰি শতিকাৰ সুসভ্য জাতিৰ
সুসভ্যতাৰ প্ৰতীক এই বুলেটৰ ছিদ্ৰ !!
হেৰাল স্বাধীনতা,
ব্যক্তি স্বাধীনতা, বাক্‌স্বাধীনতা,
জীয়াই থকাৰ প্ৰেৰণা ।
বাটে পথে বলিয়া কুকুৰৰ,
বলি হল নিৰীহ জনতাৰ,
অন্তিম নিশ্বাস ।
স্বাধীনতা লাগে কাক ?
আমাক !!!
এতিয়া নাই স্বাধীনতাৰ ভাষা
নাই শান্তি শৃংখলা ।
তেন্তে স্বাধীনতা কাৰ
বন্দুকৰ গুলিৰ নে
বুলেটে ভেদ কৰা বুকুৰ ?
চৌদিশে আজি ৰাইফলৰ
গুলিৰ শান্তি ।
জনতাৰ সকলো হেৰুওৱাৰ শান্তি ।
তেজৰ নৈ হ'ল অসম ভূমি,
কিন্তু কিবা কৰিব পাৰিছো জানো আমি !
তথাপিও আশা বুকুৰ হিমৰ
কোনোবাই দিব আনি এই অশান্ত দেশৰ
সৰ্বহাৰাৰ হিমশীতল বুকুত
অকণমান সেউজ সানি,
অকণমান শান্তি ঢালি,
অকণমান বিশ্বাস আনি ।

●

# অনুৰণন এটি শব্দ

*শ্ৰীভাৰতী চহৰীয়া*
স্নাতক ২য় বৰ্ষ

বাৰুদ, ধোঁৱা, ছাই
আৰু ...... ?
আৰু পুত্ৰশোকত জৰ্জৰিত
এখন হৃদয় ;
শোক আৰু সন্তাপত দগ্ধ হৃদয়ৰ পৰা
অহৰহ নিগৰি ওলায়
তেজৰ অশ্ৰু !
আই ! তোৰ কোলাত মূৰ থৈ
নৈৰ সোঁত ভেটিব যোৱা
ল'ৰাজনে কি দিলে
মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা
উদ্ধাৰি অনা স্বাধীনতা ;
নে দগ্ধ দেহৰ ছাই ?
আই ! কেতিয়াবা ভাবিছনে তই
তোৰ চিতাৰ জুইকুৰা
উমি উমি জ্বলিব
নে জ্বলি জ্বলি উমিব !



# হোৱা জাগ্ৰত

শ্ৰীবিশ্বজিৎ শৰ্মা
স্নাতক ৩য় বৰ্ষ

হে ডেকা তুমি হোৱা জাগ্ৰত
তোমাৰ হাততেই জয় অনিবাৰ্য্য
হাতৰ নাঙল
পকেটৰ অস্ত্ৰ
পৰীক্ষা কৰা তুমি
উৎকৃষ্টৰ শৰণাগত তুমি
হে ডেকা তুমি হোৱা জাগ্ৰত
কৰা তুমি শ্যামলীময়ী
তোমাৰ জন্মদায়িনীৰ বুকু
কপালত আঁকি দিয়া বিজয়ৰ তিলক
সুপুত্ৰৰ নামৰে হোৱা জয়ী
হে ডেকা তুমি হোৱা জাগ্ৰত
মাতৃৰ কেঁচা ৰক্ত
পিপাসুৰ নিধন
অস্ত্ৰৰ নৃত্য ম্লান
বদনৰ নাশ তোমাৰ প্ৰতিমাত
হোৱা ন্যায় ভক্ত ।
হে ডেকা তুমি হোৱা জাগ্ৰত
অমূল্য তোমাৰ জীৱন
জাতিৰ তুমি বন্তি
ৰক্ষক তুমি উত্তৰ পুৰুষৰ
ক্ৰান্তিকাৰী তুমি যুগপুৰুষ
আহ্বানত তুমি শেষান্তত ।

═

# দুটামান অনুভৱৰ স্তৱক

শ্ৰীপংকজ কুমাৰ শৰ্মা
স্নাতক ২য় বৰ্ষ

তুমি মোক প্ৰেমৰ আখৰা শিকাইছিলা
মোৰ প্ৰতিটো বিস্ফোৰক মুহূৰ্তত
তুমি তোমাৰ অতনু সুৰভিৰে অনুমপ
প্ৰেমৰ বাণী শুনাইছিলা ।
মনত পৰে মোৰ আজিও মোৰ বিপন্ন সময়ত
তুমি তুলি ধৰিছিলা মোক তোমাৰ সমস্ত সত্বাৰে ।
প্ৰতিটো প্ৰত্যুষ মোৰ বাবে সমুজ্বল হৈ পৰিছিল
তোমাৰ প্ৰেমৰ নিমল সুবাসত ।
এতিয়া অৱশ্যে তাৰ পৰা নিলগত মই ।

# প্ৰাচীৰ

শ্ৰীবিনয় কুমাৰ ডেকা
উঃমাঃ ১ম বৰ্ষ

মোৰ নিচেই কাষত তুমি,
কিন্তু তথাপিও বহুত দূৰৈত,
মাজত বিশাল প্ৰাচীৰ এখন
সীমা ৰেখা টানি ।
তোমাৰ চকুত সীমাহীন বেদনাৰ জোৱাৰ
হৃদয়ত আগ্নেয়গিৰিৰ বিস্ফোৰণ,
প্ৰতিটো নিঃশ্বাসত তোমাৰ
বিচ্ছেদৰ দাৰুণ হাঁহাকাৰ ।
মই যে নিৰুপায়
মোৰ বিবেকৰ আঘাতত
মই নিজেই আজি সোমাই পৰিছোঁ
অটল গহ্বৰত ।
মোৰ কান্দিবৰ মন যায়
তথাপি নোৱাৰো কান্দিবলৈ,
চকু পানীবোৰ গোট মাৰি
শিল হৈ গৈছে কাঁহানিবাই ।

□

কোনো কাৰো বেছি দিন আস্থা ভাজন
হৈ থাকিব নোৱাৰে ।
এবছৰ, দুবছৰ বা অতি বেছি সাত বছৰ
আস্থাৰ সেউজীয়া পেটতো বাৰু
কিহেৰে নিৰ্মিত ? মৰম, ভালপোৱা নে ?
আধুনিকতাৰ আস্থাৰ ভেটি পিছে নিৰ্মিত মাত্ৰাধিক
পৰিমাণৰ টকা-পইচা কিম্বা ধন-ধানেৰেহে ।
মই পিন্ধো দুখৰ কামিজ
সহবাস কৰো বহুত মিছাৰ সতে
উশাহ লওঁ ভুলৰ আৰু নিশাহো লওঁ তাৰে ।
ডুব যাওঁ মই অজস্ৰ সংশয় আৰু
দোমোজা-জটিলতাৰ মাজত আজিকালি ।
মুঠৰ ওপৰত অৱগাহন কৰো মই
গাণিব নোৱাৰা দুখৰ সতে আৰু
ছবি দেখা পাওঁ প্ৰতীক্ষাৰ ধুসৰ ভৱিষ্যতৰ ।
আৰু দেখা পাওঁ জীৱনৰ অক্টোপাচ । ■

কবিতা

# মই কোন ?

*শ্ৰীশেৱালী চহৰীয়া*
স্নাতক ২য় বৰ্ষ

বৰ্তমান
মই বাৰু কোন ?
কোনেও কিয় জানো
এদিনো সোধা নাই
মই নিজেই কৈছো
মই এজন অদ্ভূত ব্যক্তি
মই হত্যাকাৰী !
নহয় নহয়
মই হত্যাকাৰী নহওঁ
যেতিয়া সূৰুযৰ পোহৰ
জগতলৈ নামি আহে
এন্ধাৰ আঁতৰাই পোহৰ কৰে
তেতিয়া মই ভদ্ৰলোকৰ
মুখাখন পিন্ধি লওঁ।
সকলোৱে মোক শ্ৰদ্ধা কৰে
মই যে এজন ভদ্ৰলোক সেই কাৰণে।
অস্তমিত অৰুণটি লুকুৱাৰ পিছত
যেতিয়া নিৰৱে এজাক জয়াল নিশা
গোটেই ধৰাতে নিশব্দে বিয়পি পৰে
তেতিয়া মই ভদ্ৰলোকৰ মুখাখন খুলি লওঁ
আৰু নিশাৰ নিস্তব্ধতাৰ সতে মিলি যাওঁ
মোক এই জয়াল নিশা
কোনেও চিনি নাপায়
মই এজন সমাজৰ চকুত
মুখাপিন্ধা ভদ্ৰলোক
মোক কিন্তু কোনেও কোনো দিন
সোধা নাই
মই কোন .... ???

■

# বিবৰ্ণ মহাৰণ্য

*শ্ৰীজোনালী দেৱী*
স্নাতক ৩য় বৰ্ষ

গছ বনৰ ধোঁৱা ছাই বিবৰ্ণ
হালধীয়া পাতবোৰ
মাজে মাজে সেউজীয়া হয়
যিহেতু সিহঁতৰ শিপাত
অকাল নিগৰিত কেঁচা তেজ আৰু বোকা
আকৌ হালধীয়া
আকৌ সেউজীয়া
বৰ্ষাৰ পাছত
আকৌ হালধীয়া পাত
এতিয়া চৰাইবোৰে গছৰ গুটিৰ
নাচাপে কাষ
সিহঁতে পছন্দ নকৰে
তেজৰ কেচেমা কেচেম গোন্ধ ॥

—

# বন্ধন

*শ্ৰীজয়ন্ত ডেকা*
স্নাতক ২য় বৰ্ষ

মৰমৰ এনাজৰী
ছিগি যোৱা নাই।
মই তোমাৰ মনৰ মাজত
আছো যে লুকাই।
চেনেহৰ চিৰ যুগমীয়া বন্ধন
নিছিগে ছিগা নাই.।
তোমালৈ আছো বাট চাই
সৌ দূৰৰ মন্দিৰত।
তোমাৰ পূজাৰ বাবে
আছো ৰৈ
দুয়ো দুয়োৰে মনৰ মাজত
আছো যে লুকাই
এৰা থাকিম যে লুকাই। ■

কবিতা

# মহাপ্লাৱন

মঃ নেকিবুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ

প্লাৱন !
আকাশৰ পৰা খহি পৰা
বৃহৎ জলৰাশি,
বোৱতী নদীয়ে আশ্ৰয় দিব নোৱাৰি
দুয়োকুলে দিলে ঠেলি ।

ঘৰ-দুৱাৰ, গছ-বন
সকলোবোৰ গ'ল ডুবি,
জীৱ-জন্তু আৰু কত কি
সোঁতত গ'ল উটি ।

হায় ! দুখৰ দিনবোৰতো দেখোন
সৌন্দৰ্য্যৰ নাই শেষ,
চাৰিওফালে পাহাৰ-পৰ্বত
মাজতে পানীৰ দেশ ।

■

# জীয়া বেদনা

শ্ৰীদুলুমণি ডেকা
স্নাতক ২য় বৰ্ষ

নিঃসঙ্গতাই মোক
হাত বাউল দি মাতে
কোলাহল নেলাগে ভাল
নিঃসঙ্গতাই মোৰ লগৰী
চিৰদিন চিৰকাল ।

কোমল হৃদয় হ'ল
ব্ৰজসম কঠিন
অগ্নি শিখাৰ দৰে
জ্বলি .... জ্বলি
পুৰি নাইকীয়া হ'ল ।

জীৱনৰ মধুৰ মাদকতা
তাৰ ঠাইত ৰৈ গ'ল
তিতা কেঁহা তিক্ততা ।
সেয়ে মোৰ জীৱনে
বিচাৰি যায় নীৰৱতা । ■

# কল্পনাৰ বাট

(১)

এটি নিশ্চল বাট,
জোনাকৰ চেকুৰা পোহৰ
আগুৱাম সেই বাটেৰে
এয়া মাথোন এক কল্পনা !

(২)

বাস্তৱতা নাই তাৰ
মোৰ জীৱনটোৱে অবাস্তৱ
শিথিলতা নাই তাৰ
মোৰ জীৱনটোৱে জটিল.।

(৩)

কল্পনা ৰাজ্যৰ
মেঘাচ্ছন্ন আকাশৰ
তলে তলে সেই বাট
এটি যেন হাতীপটী !

(৪)

সেই বাটেৰে কোনে যাব ?
সৰগৰ দেৱতাবোৰ ?
নাই ! নহ'ব, মই যাম !
সেয়া মোৰ কল্পনা ! ■

শ্ৰীদেৱজিৎ শৰ্মা
স্নাতক ২য় বৰ্ষ

কবিতা

# এটি ভয়াৰ্ত শিথিলতা

*শ্ৰীহিতেশ কুমাৰ ডেকা*
স্নাতক ১ম বৰ্ষ

এটি ভয়াৰ্ত শিথিলতা
শিহৰণ জাগে মাথোঁ তমসাৰ,
প্লাৱিত হ'ল বিৰিখ জোপা
কপৌযুৰি আৰু উভতি নাহিল ... ।।

এনেকৈয়ে দিনবোৰ বিস্মৃতিৰ গৰ্ভত
থিতাপি ৰ'ল,
কিন্তু কবিতাৰ ভাষাবোৰ দেখোন
হেৰাই গ'ল .... ।।

আস্বাদনৰ অন্তত ব্যৰ্থতাৰ গীত
দুনয়নত ভাঁহি উঠে স্মৃতি,
হেৰুৱা দিনৰ সুবাস বিচাৰি
গতি কৰে মোৰ কৃষ্টি .... ।।

উপস্থাপন শৈলীৰ স্বকীয়তা
বাটৰ ধুলি কণাৰ উপলব্ধি,
নিদ্ৰা দেৱীৰ শীতল পৰশত
আৰু এটি কবিতাৰ সমাধি .... ।।

■

# সুৰভি

*মিচ্ বিনীতা শৰ্ম্মা*
স্নাতক ২য় বৰ্ষ

অকালতে সৰি পৰিল ক'ত
প্ৰভাতী ফুল .... ।
পাপৰিও মৰহি গ'ল
সুৰভি মাথো ৰ'ল .... ।
অন্তৰীক্ষৰ ক'ত প্ৰাণৰ
হা-হুমুনিয়াহ
জ্বলি চাই হ'ল ।
যেন এখন উত্তাল সাগৰৰ
উদভ্ৰান্ত জোৱাৰ
অশ্ৰু বন্যাবোৰ ৰাঙলী হ'ল
কত যাত্ৰীৰ বুকু সুদা হৈ ৰ'ল,
চকুলোৰ ধুমুহাই ধুই মচি গ'ল
উদ্দাম বাসনাৰ দুৰ্জয় লালসাই
সমাধিবোৰ ৰচি গ'ল
ছহীদৰ সমাধিত সুৰভি হৈ ৰ'ল ।

■

# হাঁহাকাৰ

*শ্ৰীগণেশ চন্দ্ৰ শইকীয়া*
স্নাতক ২য় বৰ্ষ

হাঁহাকাৰ !
মাথো হাঁহাকাৰ
লাগিছে চাৰিওফালে,
নিঃসহায় জনতাৰ
আজি যেন নাই
শান্তিৰ অৱকাশ ।
দুৰ্নীতিগ্ৰস্ত অসমৰ চৌদিশে
দেখিছোঁ মাথো আজি,
বানৰ তাণ্ডব নৃত্য ।

তাতো ক্ষান্ত নাথাকি,
মহান ব্যক্তি কিছুমানে পাতিছে ;
গুলী বাৰুদৰ .....
এক ধ্বংসমুখী খেলা ।
সৌন্দৰ্য্যশীল অসম ভূমিৰ
চৌদিশে এতিয়া .....
শুনা যায় মাথো ;
মৃত্যুকাতৰ কৰুণ আৰ্তনাদ ।
এয়া যেন বিশ্ব ধ্বংসৰ
নিৰ্লজ্জ আখৰা .... (?)
হায় ! মোৰ অসমী আই,
তোমাৰ দুৰৱস্থা দেখি
উঠিছে আজি .....
চৌদিশে কৰুণ আৰ্তনাদ ।

# সম্পাদনা সমিতি



অধ্যক্ষ ড° লোকেশ্বৰ নাথ
মুখ্য উপদেষ্টা



অধ্যাপক শ্ৰীক্ষিতেশ্বৰ কোচ
উপদেষ্টা



অধ্যাপক শ্ৰীকুমুদ শৰ্মা
উপদেষ্টা



অধ্যাপক ইদ্ৰিছ আলি
সভাপতি



অধ্যাপক শ্ৰীমতিৰাম মেধি
তত্বাৱধায়ক



শ্ৰীঅৰুণ শৰ্মা
সম্পাদক



শ্ৰীঘনকান্ত বৰুৱা
হিচাপ ৰক্ষক

# সম্পাদনা সমিতি



শ্ৰীঅপূৰ্ব কুমাৰ কলিতা
সদস্য



শ্ৰীশৈলেন চহৰীয়া
সদস্য



শ্ৰীনৱজ্যোতি ডেকা
সদস্য



শ্ৰীদিলীপ কুমাৰ ডেকা
সদস্য



শ্ৰীনিপুঞ্জয় বড়া
সদস্য



শ্ৰীদ্বিপেন বৰুৱা
সদস্য

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



শ্ৰীচিন্ময় কটকী
বছৰৰ শ্ৰেষ্ঠ অভিনেতা



শ্ৰীমীৰা বৰুৱা
বছৰৰ শ্ৰেষ্ঠ অভিনেত্ৰী



শ্ৰীশুভলক্ষ্মী কটকী
বছৰৰ শ্ৰেষ্ঠ গায়িকা



শ্ৰীকিশোৰ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক



মিচ্ নুৰেদা আখতাৰা খানম
স্বৰচিত কবিতা পাঠৰ
শ্ৰেষ্ঠ কবি



শ্ৰীজিতুমণি বৈশ্য
বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



শ্ৰীভূপেন ৰাজবংশী
বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



শ্ৰীগীতাঞ্জলি শৰ্মা
বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



মঃ নাচিৰ আলি
বছৰৰ শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



শ্ৰীশেৱালী বড়ো
বছৰৰ শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ



শ্ৰীজিতুমণি চহৰীয়া
বছৰৰ শ্ৰেষ্ঠ ক্যাবাটিয়ান

# মহাবিদ্যালয় সপ্তাহৰ ৰেঙণি



শ্ৰীমনোজ কুমাৰ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ



শ্ৰীমনালিছা ডেকা
বছৰৰ শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ



শ্ৰীসুনীল কলিতা
বছৰৰ শ্ৰেষ্ঠ মাৰাথানবিদ



মিচ্ আবিদা বেগম
বছৰৰ শ্ৰেষ্ঠ কাবাডি খেলুৱৈ



শ্ৰীপ্ৰণিতা শইকীয়া
বছৰৰ শ্ৰেষ্ঠ সমাজসেৱিকা

# মহাবিদ্যালয়ৰ গৌৰৱ



গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱমহোৎসৱত ১ম স্থান কঢ়িয়াই অনা আমাৰ মহাবিদ্যালয়ৰ নাট্য দল ।
বহি সোঁফালৰ পৰা —শ্ৰীহৰিমন ডেকা (তত্বাৱধায়ক অধ্যাপক), বিশ্বজিৎ শৰ্মা, মীৰা বৰুৱা, জিতুমণি পাঠক
ঠিয় হৈ সোঁফালৰ পৰা —শ্ৰীজিষ্ণুমণি কলিতা, নৱজ্যোতি মহন্ত, মনোজ ডেকা, মৃণাল ৰাজবংশী, চিন্ময় কটকী



শ্ৰীহিতেশ হাজৰিকা
গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা
আন্তঃমহাবিদ্যালয় যুৱমহোৎসৱত
ক'লাজ প্ৰতিযোগিতাত
ৰূপৰ পদক অৰ্জন
কৰোঁতা



হিতেশ হাজৰিকাৰ দ্বাৰা নিৰ্মিত কেতবোৰ বাঁহ-বেতৰ শিল্প

# মহাবিদ্যালয়ৰ গৌৰৱ



শ্ৰীকবৰী শৰ্মা
সদৌ অসম ভিত্তিত অনুষ্ঠিত
তৰ্ক প্ৰতিযোগিতাত
তৃতীয় স্থান অৰ্জন
কৰোঁতা



মিচ্ পাৰবিন চুলতানা
১৯৯৮ চনত চিকিম (হিমালয়)ত
অনুষ্ঠিত 206 Basic Course ত
অসমৰ হৈ প্ৰতিনিধিত্ব কৰি
প্ৰথম স্থান অৰ্জন
কৰোঁতা



১৯৯৮ চনত ঢেকিয়াজুলিত অনুষ্ঠিত হোৱা Annual Training Group ত
মণ্ডলদৈ মহাবিদ্যালয়ৰ হৈ প্ৰতিনিধিত্ব কৰা N.C.C. ৰ ছাত্ৰ সকল
বহি বাওঁফালৰ পৰা -ভাস্কৰ বৰুৱা, প্ৰণৱ ডেকা, কুমুদ শইকীয়া
থিয় হৈ বাওঁফালৰ পৰা -কৰুণা ডেকা, ৰমণী বৰুৱা, দ্বিপেন ডেব



মিচ্ জব্রাহীৰা তবৰাচুম
স্নাতকৰ চূড়ান্ত বৰ্ষৰ
প্ৰাণীবিদ্যা বিভাগত প্ৰথম
শ্ৰেণীৰ প্ৰথম স্থান
অধিকাৰ কৰোঁতা

শ্ৰীমনালিছা ডেকা
স্নাতকৰ চূড়ান্ত বৰ্ষৰ
প্ৰাণীবিদ্যা বিভাগত প্ৰথম
শ্ৰেণীৰ ষষ্ঠ স্থান অধিকাৰ
কৰোঁতা



# মহাবিদ্যালয়ৰ গৌৰৱ

ফটো পোৱা নহ'ল

শ্ৰীসান্ত্বনা দেৱী
স্নাতকৰ চূড়ান্ত বৰ্ষৰ ভূগোল বিজ্ঞান
বিভাগত প্ৰথম শ্ৰেণী অধিকাৰ কৰোঁতা

ফটো পোৱা নহ'ল

শ্ৰীদুলুমণি চহৰীয়া
স্নাতকৰ চূড়ান্ত বৰ্ষৰ উদ্ভিদ বিদ্যা
বিভাগত প্ৰথম শ্ৰেণী অধিকাৰ কৰোঁতা



শ্ৰীচন্দনসৌৰভ বৰুৱা
স্নাতকৰ চূড়ান্ত বৰ্ষৰ প্ৰাণী বিদ্যা
বিভাগত প্ৰথম শ্ৰেণী অধিকাৰ কৰোঁতা

ফটো পোৱা নহ'ল

শ্ৰীকুলেন শৰ্মা
স্নাতকৰ চূড়ান্ত বৰ্ষৰ গণিত বিভাগত
প্ৰথম শ্ৰেণী অধিকাৰ কৰোঁতা



শ্ৰীবিনীতা চহৰীয়া
স্নাতকৰ চূড়ান্ত বৰ্ষৰ প্ৰাণীবিদ্যা
বিভাগত প্ৰথম শ্ৰেণীৰ দ্বাদশ স্থান
অধিকাৰ কৰোঁতা

# ছাত্ৰ একতা সভা



শ্ৰীমণ্টু কুমাৰ বড়ো
উপ-সভাপতি



শ্ৰীহিৰেন ডেকা
সাধাৰণ সম্পাদক



শ্ৰীবিপুঞ্জয় কুমাৰ নাথ
সহঃ সাধাৰণ সম্পাদক



শ্ৰীঅৰুণ শৰ্মা
সম্পাদক, আলোচনী বিভাগ



শ্ৰীদিশান্ত কুমাৰ ডেকা
সম্পাদক, সাহিত্য বিভাগ



শ্ৰীমুকুন্দ বৰদলৈ
সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ



শ্ৰীমৃণাল কুমাৰ ৰাজবংশী
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ



শ্ৰীসঞ্জয় কুমাৰ নাথ
সম্পাদক, সমাজসেৱা বিভাগ

ফটো পোৱা নগ'ল

শ্ৰীদীপক শৰ্মা
সম্পাদক, খেল বিভাগ

# ছাত্ৰ একতা সভা



শ্ৰীগৌতম বৈশ্য
সহঃ সম্পাদক, খেল বিভাগ



শ্ৰীআৰতি বৰুৱা
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা



শ্ৰীনৱজ্যোতি ডেকা
সম্পাদক, ব্যায়ামশালা বিভাগ



শ্ৰীপ্ৰণৱ কুমাৰ ডেকা
সম্পাদক, চাৰুকলা বিভাগ



শ্ৰীত্ৰৈলোক্য কুমাৰ নাথ
সম্পাদক, ছাত্ৰ জিৰণি কোঠা



শ্ৰীসঞ্জীৱ কুমাৰ মেধি
সহঃ সম্পাদক, সংগীত আৰু
সাংস্কৃতিক বিভাগ



মহাবিদ্যালয়ৰ নৱ-নিৰ্মিত ভৱনৰ
একাংশ ছবিত দেখা গৈছে

# ENGLISH
# Section

# Darrang District : A Socio-Economic Profile

*G.C. Goswami*
Department of Geography

Darrang district is one of the north bank districts of Assam. The district is located between 26°12'N to 26°57'N latitudes and 91°42'E to 92°22'E longitudes, covering an area of 3481 $Km^2$. It was formerly an administrative sub-division, known as Mangaldai Sub-division. But from 1st July, 1983, it was upgraded to a fullfledged district, with two administrative sub-divisions Mangaldai anu Udalguri. The old records show that the district was densely populated from the early historical past. The district is at present inhabited by 1298860 people (1991), the everage density of population being 373 per $Km^2$, which is more than the state's everage (286).

Darrang is topographically a plain district. Except its northern fringe bordering Bhutan which supports some elevated tracts and the extreme southwest, where there is few hillocks of precambrian origin, the district is entirely plain. However, there is a gradual southward slope from 450 metre in the extreme north-west to 50 metre in the south. The district is broadly divided into four physigraphic divisions with narrow Bhabar zone in the north, Tarai region to the south of the Bhabar, central builtup zone farther south and the Brahmaputra flood plain in the extreme south. It is basically a part of the monsoon land. Agriculture is the main stay of its population, while, it is industrially poorly developed.

Darrang district is inhabited predominantly by the people of several social groups. The population of the district consists of indigenous Indo-Aryans including both Hindus and Muslims and Indo-Mangoloid groups supplemented lateron by Aryo-Dravidian immigrants of East Bengal and Indo-Mongoloid immigrants from Nepal. Naturally all these social groups make the district a socio-cultural mosaic. They had varied socio-cultural backgrounds and varied socio-economic pursuits. Secondary and tertiary economic activities are few and far between. Industrial developement of the district is insignificant, except the tea industry, which does not directly benefit the indigenous people. Economically the district is less advanced and so also educationally. In fact, Darrang district ranks third from the bottom educatinally, just above Dhuburi and Kokrajhar districts of Assam. The low percentage of literacy of its inhabitants affect the economic modernisation of the society.

The chief religious groups of the district's population include Hindus (59.26%), Muslims (33.03%), Christians (6.56%), and others (1.15%). Most of the indigenous non-tribal Hindus are of Indo-Aryan descent who had came to settle this area since very early days. The indigenous Muslim population of the district comprises both the descendants of the Mughol invading army and the Hindu converts. But they have been gradually outnumbered by the immigrant Muslims (19.7%) from East Bengal (no Bangladesh). The indigenous Muslims have no major social difference with their Hindu neighbours except some religious rites and rituals and the two communities live with unity and amity as is reflected in historical records. However, there are some distinct differences in social behaviour between the indigenous Muslims and the immigrant Muslims, resulting in few matrimonial alliences between the two groups.

The entry of these immigrant Muslim people, whose manners and customs, language and social bahavious are different from those of the indigenous people, has recently created some socio-economic and socio-cultural problems affecting the indigenous tribal and non-tribal people, more particularly the former group. Many of the indigenous tribal people had to lose their hearth and home as a result of encroachment by the immigrants. Perhaps, this also add to the tribal movement for their rights on the homeland and for assertion of their ethnic identity.

Among the indigenous tribal groups, comprising of 17.6 P.C. of the total population of the district, a certain percentage of them follow Hinduism, while the other major sections follow their traditional animistic religious faiths. Christianity among them is a new entrant and now over 26 per cent of the tribal people of the district follow Christianity. Although they accepted Christianity, they follow many of their traditional social customs even to-day. However, a distinct difference in socio-religious behaviour can be seen among them, when it is minutely observed. A re-assertion on their traditional religion

'Bathow' in order to preserve their ethnic identity, has become apparent now-a-days, among many of them, At the same time it should be noted that ther traditional religion has also partially been influenced by Hindusim because of their age-old contact with it.

The tea-garden and ex-tea-garden labourers comprise both the Hindus and Christians, who share nearly 6 P.C. of the district's population and who from another small social group. Although a greater percentage of them are industrial labourers of the tea-gardens of the district, the ex-tea-garden labourers depend mainly on agriculture. But their social behavioural pattern and the degree of their attachment to lands are distinctly different from that of the immigrant Muslim peasants. Most of the tea-garden labourers and ex-tea-garden labourers are tenants and part-time labourers of the 28 tea-gardens of the district. Their social interaction with the indigenous Hindu, Muslim and tribal people is not close. Perhaps, only for this reason, some sporadic incidents of ethnic clashes are reported now-a-days, espicially in Kokrajhar and Bongaigaon districts of western Assam. Apprehension of this type of ethnic clashes in Darrang district in near future, cannot be denied.

The tea community consists of the people whose ancestors migrated to Assam from different states like Orissa, Andhra-Pradesh, Tamil Nadu, Bihar etc. since the introduction of tea-cultivation in the state in 1835 A.D. Now they become an integral part of the permanent inhabitants of Assam. They are maintaining their traditional cultural identity in dance, music, faith and custom.

Provisions of modern amenities like pure drinking water, hospital and telecommunication facilties, etc, are comparatively less in Darrang district then the two bordering districts of Kamrup and Sonitpur. But whatever little it has, are insignificantly enjoyed by the people of the weaker sections, viz, the tribal people, the tea-tribes and the immigrant Muslims. The low percentage of literacy among these three social groups, has contributed largely to a lower average percentage of literacy in the district (42.00).

For an all round developement of a society, all its constituent communities, even the people of the weaker sections, must be effectively involved. In doing so, their problems and prospects must be assessed correctly.

Smallness of land-holdings with a low per capita income is one of the greatest problems of the inhabitants of Darrang district. Use of modern technology in agriculture and shifting of a reasonable percentage of workers from agriculture to household and other industries may mitigate the increasing economic backwardness. Increased percentage of literacy may help in reducing the severity of this complex problem, and motivate people towards industrialisation. It is however, the duty of the planners to evolve suitable plans and programmes for an all round developement of the district's population, especially the people of the economically weaker sections, who play a pivotal role in the broad spectrum of socio-cultural framework of Darrang district. Moreover, seperate planning strategies must be formulated among the different social groups settling in different physio-cultural settings. like the Bhabar zone, Tarai zone, etc. Furthermore, as the tribal people are much more sensitive to the outsiders, unabated intrusion of migrants into their territory, must be effectively controlled. Similarly, the tea-tribes, who have become an integral part of the Assamese community, must be developed socio-economically through meaningful planning. With the same pragmatic spirit, a developement formula must have to be evolved in case of the immigrant Muslims. Detection and deportation of the illegal immigrants, if any, through the IMDT (Illegal Migrants Detrmination by Tribunal) Act, 1983, if required by its modification, and protection of the genuine settlers and implementation of developemental schemes for them will definitely mitigate the prevailing sense of insecurity among both the immigrant and indigenous people and will help in fostering a peaceful atmosphere for the all round developement of the greater Assamese community, which ultimately will help in creating a prosperous Darrang district within the State of Assam.

■

"Curriculum is but the epitomized representation to the child of the cultural inheritane of the race"

*—Monore*

# Development of Cabinet System

*Sri Kishore Kumar Upadhyaya*
TDC IIIrd Yr.

The present form of cabinet system was not develop in one a day. This is a process which had a long historical back ground by which we now find a well planed system calls cabinet. It is a system by which a government run away systematically.

William III's reign is associated with the origin of cabinet system. Whereas George I's reign is marked by its development. It was due to the existing state of affairs, that the cabinet system grew so rapidly and made a tremendous progress. George I being of Garman origin did not know English language and he gave his whole confidence to his ministers. He rarely attended cabinet meeting's, because the proceeding of the meeting were conducted in English which was beyond his understanding. The harmony of policy between which George I and his cabinet gave a definite shape to the system of cabinet government. In this respect the reign of the first Hanover king was a land mark in the constitutional history of England. The king acted on the advise of his ministers. The state policy was directed not by the king but by the cabinet ministers.

Creation of Prime Minister

Due to the ignorance of the English language. George I hardly attended cabinet meeting. The ultimate result was that his place was taken by a minister, who later on came to be known as the Prime Minister. The Prime Minister assisted by other minister's formed the cabinet. The members of the cabinet bellong to the one party. They had the supports of the commons. It is said that the "Act of Settlement" gave to the English people a foreign king, the presence of a foreign sovereign gave them a prince would have known English language, these would have no necessity of a Prime Minister, till this day the Prime Minister occupies a very important position. He is the pivot round which was machinery of entire government revolves.

William III's cabinet was composed of the members belonging to dfferent parties. But later on he had to face lot of difficulties, because different party members had fifferent views on a particular question. There was no hatemony. Ultimately William II thought of rulling with a cabinet having its members from one party and his cabinet had only 'Whig' members. In the reign of George I this fact assumed the form of a principle that all the members of the cabinet should be chosen form one party.

The other prnciple of the cabinet system the cabinet members should be chosen form that party which commanded a majority in the House of Commons, was firmly established under George I.

Thus, it was George I under whose reign the system of cabinet government became a recognized part of the English constitution. Till this day the cabinet is the most important organ of the government. The Prime Minister is the real ruler. The king or queen has the position of 'Ruber Stamp'. The real power is vested in the hands of the Prime Minister, The same position was under George I, Walpole occupied a key position in the cabinet for twenty years. He as well as other cheif minister who followed him presided over the meeting's of the cabinet. It's other member's were chosen by him. He could dismiss any member Walpole dismissed TownShed and Chesterfield.

Thus, three facts go to prove that under George I the cabinet system made considerable progress.

1. The cabinet system became a recognised part of the English Constitution.

2. The powers of the House of Commons increased.

প্ৰতিহিংসাত উন্মত্ত শাসকৰ ওচৰত যুক্তি, আইন-কানুন, সংবিধান আদিৰ কোনো মূল্য নাই । সাম্প্ৰতিক অসমৰ বিভিন্ন স্তৰৰ সংঘাত আৰু বিদ্ৰোহৰ অন্যতম কাৰণ যে অসমবাসীৰ মাজত গা কৰি উঠা ক্ষোভ তাক নিশ্চয় এতিয়া নতুনকৈ ব্যাখ্যা কৰাৰ কোনো প্ৰয়োজন নাই । অসমবাসীৰ প্ৰাপ্য অধিকাৰ সমূহৰ পৰা বঞ্চিতকৰণৰ ফলতেই অসমত স্বাধিকাৰৰ প্ৰশ্নত দাবী উত্থাপন হ'বলৈ ধৰিছে । দুনীতি আৰু স্বজন প্ৰীতিয়েও প্ৰাপ্য যোগ্যজনৰ মনত গা কৰা হতাশে ক্ষোভৰ সৃষ্টি কৰিছে । এই ক্ষোভৰ পৰিণতিতেই তীব্ৰ গণতান্ত্ৰিক সংগ্ৰাম বা তাৰ পিছৰ স্তৰৰ সন্ত্ৰাসবাদী সংগ্ৰামৰ অসমত অৱতাৰণা হৈছে । যাৰ ফলত অসমৰ এচাম যুৱক-যুৱতীয়ে ঘৰৰ বন্ধু-বান্ধৱৰ বা আত্মীয় কুটুম্বৰ মায়ামোহ এৰি ব্যক্তি স্বাৰ্থ ত্যাগ কৰি যৌৱনৰ কামনা বাসনা বিসৰ্জন দি কণ্টকময় পথত অগ্ৰসৰ হৈ চিৰাচৰিত শাসক সকলৰ শোষণ, অৱহেলা, অন্যায়, অত্যাচাৰ আৰু দুনীতিৰ বিৰুদ্ধে সংগ্ৰাম চলাই আহিছে । সাম্প্ৰতিক অসমত নিতৌ অপৰাধ প্ৰৱণতা বাঢ়ি গৈ আছে । আমাৰ সুস্থ সমাজখনক কৰি তুলিছে অসুস্থ । এই ক্ষেত্ৰত এনে কৰ্মত অসমৰ এচাম ছাত্ৰ আৰু বিপথগামী যুৱকেই ঘাইকৈ অংশ লোৱা পৰিলক্ষিত হৈছে । যিটো অসমৰ কাৰণে অসমীয়া সমাজখনৰ কাৰণে অতি ভয়াবহ কথা হৈ পৰিছে । সংঘটিত হৈছে অপৰাধ, অনীতি, দুৰ্নীতি, দুষ্কৃতিপূৰ্ণ কাৰ্য্য । বাতৰি কাকত মেলিব নোৱাৰি, শংকাই আৱৰি ধৰে মন ; চিন্তা হয় আমাৰ গতি কোনফালে । এই অপৰাধ, অ-সৌজন্যমূলক কামবোৰত অন্ধ হৈ এচাম যুৱক তথা ছাত্ৰই আগভাগ লোৱাটো আমাৰ সমাজখনৰ বাবেই অতি ক্ষতিকাৰক । আমি নিৰৱ শ্ৰোতা হৈ সকলো শুনি থাকো ; লেখি থাকো অপকৰ্মৰ চৰম নমুনাৰাশি । কিন্তু এনে নিৰৱতাই আমাৰ সাজখনক লৈ গৈ আছে এক অন্ধকাৰ ভৱিষ্যতৰ ফালে । তালৈ আমি ভ্ৰুক্ষেপ নকৰিব পাৰো কিন্তু আমাৰ বিপদ আমি নিজেই মাতি আনিছো । জাতিটো অগ্ৰসৰ হৈছে এক ভয়াবহতাৰ ফালে । পুৱা, সন্ধ্যা, দিনদুপৰৰ কথা নাই সংঘটিত হৈ আছে অপৰাধ মূলক কামবোৰ নিৰ্বিচাৰে । ঠায়ে ঠায়ে যুৱকৰ আড্ডা । মুখৰ ভাষা বৰ্ণনাতীত । সেই আড্ডাৰ কাষেদি যাবলৈ হ'লে সন্তৰ্পনে যাব লাগিব । চিন্তা হয় আমি কোনখন সমাজত বাস কৰিছো । আজিৰ এই সকল কিশোৰ, যুৱকৰ হাততেই কালিলৈ আমাৰ সমাজখন অৰ্পিত হ'ব । আজিৰ যুৱক কালিলৈ দেশৰ হৰ্তাকৰ্তা হ'বগৈ । কিন্তু ভৱিষ্যৎ কি ৰূপত সুৰক্ষিত হ'ব শংকা হয় । আমাৰ সমাজখন এচাম দুষ্টনেতা, ৰাজনৈতিক ঠগবাজী, ভণ্ড, প্ৰৱঞ্চনা আৰু দুনীতিত পোত গৈছে । এচাম প্ৰৱঞ্চকৰ প্ৰৱঞ্চনাত এচাম দুনীতিগ্ৰস্ত বিষয়া কৰ্মীৰ কৰ্মৰ নমুনাই বৰ্তমানৰ যুৱক-যুৱতী এচামক বিপথে পৰিচালিত হোৱাত সহায় কৰিছে । সেই সকল বিষয়া কৰ্মী যাৰ কোনো অভাৱ বোলা বস্তু নাই । তেওঁলোকে ৰাজনীতিক নাকত ধৰি চাকত ঘূৰাই দেশখন চলাব পাৰে সেই সকল বিষয়া কৰ্মীয়ে আজি দেশখন লুটি-পুতি খাইছে আৰু ধ্বংস কৰিছে আজিৰ যুৱক-যুৱতী এচামক । দুনীতিৰ প্ৰশ্ৰয়দাতা এই সকলক ধৰে কোনে (?) আনহাতেদি আন এচাম যুৱক-যুৱতীয়ে ভাত কাপোৰৰ অভাৱত দিন নিয়াব লাগিছে । সেই সকলে ভৱিষ্যতক দেখিছে কেৱল শূন্যতা । দুঃচিন্তাত নিমগ্ন হৈ হতাশা-নিৰাশাত ভূগি এদিন নিজৰ কৰ্ম পন্থা বাচি লৈছে অসৎ ৰূপত । তাৰ কাৰণে দায়ী আমাৰসমাজখন । দায়ী চৰকাৰৰ অৰ্থনীতি, চৰকাৰী নীতি । যি সময়ত আমাৰ সমাজৰ এচাম লোকৰ ল'ৰা-ছোৱালীয়ে ক'লা ধনৰ দৌৱাত্মত বং উলাহত নিজকে মিলাই আনন্দত উৎফুলিকৃত হৈছে সেই সময়ত আন এজাক যুৱক-যুৱতী ভাঙি পৰিছে নিজৰ অন্ধকাৰ ভৱিষ্যত লেখি । এফালেদি লাহ-বিলাহ আনফালে দুঃচিন্তা, দুখ, অনাটন । যেনেকৈ হতাশাগ্ৰস্ত যুৱক-যুৱতী সকলক চোৱাৰ বাবে কাৰোৰ আহৰি নাই ঠিক তেনেদৰে অবাধে অত্যাধুনিক অশালীন জীৱন যাপনৰ নামত অপৰাধ মূলক কাম-কাজত অন্ধ হৈ পৰা যুৱক-যুৱতীচামক তেনে কামৰ পৰা বিৰত কৰিবলৈ কাৰো আজৰি নাই । যাৰ ফলত বাঢ়ি গৈ আছে অসমাজিক কামবোৰ । সেয়ে আমাৰ দেশখন কালিলৈ যাৰ হাতত অৰ্পিত হ'ব সেই সকল আজিৰ ছাত্ৰ-যুৱক, ৰাজনীতিকে আমাক কোন দিশে লৈ যাব বাৰু ?

### কাৰ্য্যকালত

বিগত বছৰটোৰ কাৰ্য্যকালত মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰিয়েই এক ফেব্ৰুৱাৰীত সৰস্বতী পূজা উদ্‌যাপন কৰা হয় । ৩ ফেব্ৰুৱাৰী পৰা ৭ ফেব্ৰুৱাৰীলৈ মহাবিদ্যালয় সপ্তাহ, ১১ আগষ্টত ফাতেহা ই দোৱাজ-দাহম, ৪ চেপ্তেম্বৰত নৱাগত আদৰণি সভা, ২২ চেপ্তেম্বৰত সদৌ অসম আন্তঃমহাবিদ্যালয় শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা আৰু শংকৰদেৱৰ জন্মোৎসৱৰ লগত সংগতি ৰাখি ৰচনা প্ৰতিযোগিতা ছাত্ৰ-ছাত্ৰীৰ সহযোগত উদ্‌যাপন কৰা হয় ।

মঙলদৈ মহাবিদ্যালয়ে আৰু দুটি বছৰৰ পিছতেই ৫০ তম্ জন্ম দিৱসটি পালন কৰিব । মঙলদৈ মহাবিদ্যালয় দৰং জিলাৰ ভিতৰতে আটাইতকৈ নিৰ্ভৰযোগ্য শিক্ষানুষ্ঠান হোৱাৰ উপৰিও অসমৰ ভিতৰতে এখন সুনাম থকা মহাবিদ্যালয় হ'লেও অভাৱ-অভিযোগ যথেষ্ট আছে । সকলোখিনি অভাৱ একে বছৰতে পূৰণ কৰা সম্ভৱ নহয় যদিও অভাৱ সমূহ পূৰণ কৰাত মন দিলে এসময়ত হয়টো বহুখিনি অভাৱ নোহোৱা হ'ব । মোৰ কাৰ্য্যকালৰ ভিতৰত মহাবিদ্যালয়ৰ কেইবাটাও গুৰুত্বপূৰ্ণ অভাৱ পূৰণ হৈছে । অধ্যক্ষৰ তৎপৰতা আৰু কাৰ্য্যদক্ষতাৰ বাবে চৌহদ মেৰামতিকে ধৰি কেইবাটাও নতুন শ্ৰেণীকোঠা নিৰ্মাণ কৰি শ্ৰেণীকোঠা সমূহত ফেন আৰু লাইটৰ ব্যৱস্থা কৰা হয় । ঘৰ সমূহৰ মেৰামতি, ছাত্ৰী নিবাসৰ পানীযোগানৰ সুবিধা কৰাৰ লগতে চাৰিবেৰ নিৰ্মাণ, মহাবিদ্যালয়ত আচুতীয়াকৈ এটি পুথি ভঁৰাল আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ডাঙৰ পঢ়া কোঠা নিৰ্মাণৰ ব্যৱস্থা কৰাৰ প্ৰস্তুতি চলোৱাৰ উপৰিও মাননীয় সাংসদ গৰাকীয়ে আগবঢ়োৱা ৫.৫০ লাখ টকাৰে মহাবিদ্যালয়ত অভাৱ অনুভৱ কৰি অহা সভাকক্ষ এটি নিৰ্মাণ কৰি থকা হয় । এই সকলো কাৰ্য্যৰ বাবে ছাত্ৰ একতা সভাৰ হৈ মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনালো । মোৰ কাৰ্য্যকালৰ ভিতৰত ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়টোও মেৰামতি কৰা হয় । ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ নাম ফলক নথকাত অধ্যক্ষই অন্য ফাণ্ডৰ পৰা টকা আনি এখন নাম ফলক আৰু এখন মেজ বনাই দিয়ে । আনহাতে বিগত বছৰৰ দৰে খুহীদ সোঁৱৰণী আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতাৰ বাবে ছাত্ৰ একতা সভাই নিজা বৰীয়াকৈ ৰছিদ বহি ছপাই ছাত্ৰ-ছাত্ৰীৰ পৰা ধন সংগ্ৰহ নকৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ জৰিয়তে ধন সংগ্ৰহৰ ব্যৱস্থা কৰা হয় যাৰ ফলত অযথা খৰচ আৰু খেলি-মেলি কিছুমানৰ পৰা ৰক্ষা পোৱা যায় । মোৰ কাৰ্য্যকালত 'ন' পুৰণি সতীৰ্থ সন্মিলনৰ বাবদ ছাত্ৰ-ছাত্ৰীৰ পৰা কোনো ধৰণৰ ধন সংগ্ৰহ নকৰিবলৈ কৰ্তৃপক্ষই ব্যৱস্থা লয় । মহাবিদ্যালয়ৰ যি সকল সতীৰ্থই মহাবিদ্যালয়খনলৈ সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে সেই সকল সতীৰ্থক সম্বৰ্দ্ধনা জনোৱা হয় ।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাবে মোৰ কাৰ্য্যকালত কি কৰিলো আৰু কৰিব নোৱাৰিলো সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত দি মই এটা কথা ডাঠি ক'ব পাৰো যে এজন উপ-সভাপতিৰ দায়িত্ব আৰু কৰ্তব্য সমূহ সুচাৰুৰূপে পালন কৰিবলৈ মই মোৰ চেষ্টাৰ ত্ৰুটি কৰা নাই । তথাপিতো কিছুমান কাম আধৰুৱা হৈ ৰ'ল । আশা ৰাখিলো ভৱিষ্যতে নিশ্চয় সকলোবোৰ সম্পূৰ্ণ হৈ উঠিব ।

আমাৰ মহাবিদ্যালয়ৰ সৰ্ব্বাংগীণ উন্নতি হ'বলৈ মহাবিদ্যালয়ৰকৰ্তৃপক্ষ, পৰিচালনা সমিতি, ছাত্ৰ একতা সভা, ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক আদি সকলোৰে সহযোগিতাৰ প্ৰয়োজন । মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে সোপাধিলা মাৰিলে নিশ্চয় উন্নতি কৰিব নোৱাৰে । ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ সম্পাদক সকলেও তেওঁলোকৰ কৰ্তব্য কেৱল নিজৰ নিজৰ পুঁজিৰ ধন খৰছ কৰাতে আৱদ্ধ নাথাকি মহাবিদ্যালয়ৰ উন্নয়নৰ প্ৰতি সচেতন হোৱা উচিত । যিহেতু নিজৰ পুঁজিৰ ধন খৰছ কৰি অনুষ্ঠান পাতিলেই তেওঁলোকৰ কৰ্তব্য শেষ হৈ নাযায় । ছাত্ৰ-ছাত্ৰীসকলে কেৱল সংগৃহীত ধনখিনি খৰছ কৰিবলৈ তেওঁলোকক নিশ্চয় নিৰ্বাচিত নকৰে । ছাত্ৰ-ছাত্ৰী সকলেও নিৰ্বাচনৰ সময়ত জাতি-ধৰ্ম-আত্মীয়-কুটুম্ব আদি ভেদাভেদ বিচাৰ নকৰি যোগ্যতাৰ ভিত্তিত ভোট দিয়া উচিত । লগতে বিভিন্ন বিভাগৰ পৰিচালকৰ দায়িত্বত থকা অধ্যাপক সকলৰো দায়িত্ব কেৱল চহী দিয়াটোৱে নহয় । প্ৰতিটো কামতে জড়িত থাকি সুচাৰুৰূপে পৰিচালনা কৰাটোহে নিশ্চয় তেওঁলোকৰ কৰ্তব্য । তেতিয়াহে মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আশা কৰিব পাৰি ।

শেষত যিসকল ছাত্ৰ-ছাত্ৰীৰ বিপুল সমৰ্থনেৰে ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে মহাবিদ্যালয়খনিৰ লগতে ছাত্ৰ সমাজৰ সেৱা কৰাৰ সুযোগকণ পালো —তেওঁলোকলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলো । মাননীয় অধ্যক্ষ ড° লোকেশ্বৰ নাথ আৰু তত্বাৱধায়ক অধ্যাপক মাননীয় গিৰিশচন্দ্ৰ গোস্বামীদেৱে আগবঢ়োৱা সহায় আৰু পৰামৰ্শৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো । অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰিলো ।

ঃ নমস্কাৰন্তে ঃ

*শ্ৰীমণ্টু কুমাৰ বড়ো*
উপ-সভাপতি
ছাত্ৰ একতা সভা

# ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

## সাধাৰণ সম্পাদক



প্ৰতিবেদনৰ আৰম্ভণিতে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক, তেওঁলোকৰ সহযোগিতাৰ বাবে যাৰ ফলত মই মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হোৱাৰ সুযোগ পাইছিলো । প্ৰায় এবছৰীয়া কাৰ্য্যকালত সদায় আপ্ৰাণ চেষ্টা চলাইছিলো মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি আৰু সন্মান অক্ষুন্ন ৰাখিবলৈ ।

আজিৰ অসমৰ সংকটময় পৰিবেশ, পৰিস্থিতিত শিক্ষাৰ এক সুস্থ বাতাবৰণৰ অভাৱ আমি সকলোৱে অনুভৱ কৰিছো । আজি সকলোৱে সমস্বৰে চিঞৰো "আমাক শান্তি লাগে" কিন্তু আজি শান্তি মাথো আভিধানিক শব্দত পৰিণত হৈছেগৈ । তথাপিও আমি সুস্থিৰ সমাজ এখনৰ বাবে নিজকে শিক্ষিত কৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰো । ভৱিষ্যতৰ অনিশ্চয়তাৰ মাজতো আমি ছাত্ৰ সমাজে অধ্যয়নত ব্ৰতী হৈছো ; লগতে সমাজৰ প্ৰতি আমাৰ নৈতিক দায়িত্ব পালন কৰিছোঁ । শিক্ষাৰ বাবে প্ৰয়োজন হয় শিক্ষাৰ এক সুস্থ পৰিবেশৰ আৰু এই শৈক্ষিক পৰিবেশ আমি ছাত্ৰ সমাজে গঢ় দিব লাগিব । আমি সচেতন হ'ব লাগিব নিজৰ অধিকাৰৰ বাবে, দায়িত্বৰ প্ৰতি আৰু লক্ষ্যৰ প্ৰতি । আমাৰ লক্ষ্য হ'ব —অধ্যয়নৰ মাজেৰে সংগ্ৰাম ।

মহাবিদ্যালয়খনত সাধাৰণতে আমি সকলোৱে বহুতো সুবিধাৰ অভাৱ অনুভৱ কৰো । বৰ্তমানৰ অধ্যক্ষ মহোদয়ৰ চেষ্টাত মহাবিদ্যালয়খনৰ কিছু উন্নতি পৰিলক্ষিত হৈছে ।

কৰ্মসূচী ঃ

১। ৭ জানুৱাৰী ঃ কাৰ্য্যভাৰ গ্ৰহণ কৰো ।

২। ১ ফেব্ৰুৱাৰী ঃ কাৰ্য্যকালৰ প্ৰথম কাৰ্য্যসূচীৰূপে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী শ্ৰীশ্ৰী সৰস্বতী পূজা উদ্‌যাপন কৰো ।

৩। ৩ ৰ পৰা ৭ ফেব্ৰুৱাৰী ঃ সৰস্বতী পূজাৰ ঠিক এদিন পিছতে ৫ দিনীয়া বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয় মহাবিদ্যালয় সপ্তাহ । ৭ তাৰিখে মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকেশ্বৰ নাথদেৱে । মুখ্য অতিথিৰূপে উপস্থিত থাকে অভিনেতা, পৰিচালক মাননীয় হেমন্ত দত্ত, বিশিষ্ট অতিথি মাননীয় বিনয় কুমাৰ মেধি । সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত অংশ গ্ৰহণ কৰে অসমৰ বিখ্যাত গায়ক মাননীয় ৰিদিপ দত্ত আৰু গৌতম শৰ্মাই ।

৪। ১১ আগষ্ট ঃ প্ৰতিবছৰৰ দৰে ধৰ্মীয় পৰম্পৰাৰ মাজেৰে ফাতেহা-ই-দোৱাজ-দাহম উদ্‌যাপন কৰা হয় ।

৫। ৪ চেপ্তেম্বৰ ঃ নৱাগত সকলক আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হয় । উক্ত অনুষ্ঠান উপলক্ষে আয়োজন কৰা মুকলি সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে সাংসদ মাননীয় মাধৱ ৰাজবংশীদেৱ, নিৰ্দিষ্ট বক্তাৰূপে সভাৰ সৌষ্ঠভ বঢ়ায় অসম সাহিত্য সভাৰ উপ-সভাপতি মাননীয় ইদ্ৰিছ আলিদেৱে । এক বিশেষ সম্বৰ্দ্ধনা অনুষ্ঠানত এই দুয়োগৰাকী ব্যক্তিৰ উপৰিও নাট্যকাৰ, পৰিচালক, অভিনেতা জয়ন্ত ডেকা আৰু শ্ৰদ্ধাৰ হৰিমন ডেকা চাৰক সম্বৰ্দ্ধনা জনোৱা হয় । তাৰোপৰি মহাবিদ্যালয়খনলৈ শিক্ষা আৰু সাংস্কৃতিক দিশত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে ১৪ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয় । উক্ত সভাতে সাংসদ মাধৱ ৰাজবংশীদেৱে মহাবিদ্যালয়খনলৈ ৫ লাখ টকাৰ আৰ্থিক অনুদান ঘোষণা কৰে ।

৬। ৭ ডিচেম্বৰ ঃ মাছুল বৃদ্ধি প্ৰতিবাদত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল । উক্ত সভাত বিভিন্ন ছাত্ৰ সংগঠনৰ প্ৰতিনিধি উপস্থিত আছিল ।

২৭ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী '৯৯ লৈ উদ্‌যাপন হোৱা সোণালী জয়ন্তী বৰ্ষ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান কৰিছিলো । মুকাভিনয় আৰু ব্যঙ্গ নাটৰ উপৰিও মনোজ ডেকাৰ তৃতীয় শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰেৰে মুঠ তিনিটা পুৰস্কাৰ আনিবলৈ সক্ষম হৈছিলো । নাট্যকাৰ/পৰিচালক জয়ন্তা দা, দলটিৰ পৰিচালকৰ দায়িত্বত থকা অধ্যাপক হৰিমন ডেকা চাৰ আৰু উক্ত দলটিৰ সকলোকে মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ তথা শুভেচ্ছা যাছিলোঁ ।

শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ গিৰিশচন্দ্ৰ গোস্বামীদেৱ তথা অন্যান্য বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক/অধ্যাপিকা বৃন্দ, মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰী বৃন্দ, মোক প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগ কৰা মোৰ বন্ধুবৰ্গ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া

সকল আৰু মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ অন্তৰিক ধন্যবাদ যাছিলোঁ তেওঁলোকৰ সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শৰ বাবে যাৰ বাবে মই মোৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব পাৰিলো ।

শেষত প্ৰতিবেদনৰ সামৰণি মাৰিছো এটা কবিতাৰে—

*হে,*
*মঙলদৈ মহাবিদ্যালয়*
*মাথো শিক্ষাৰ আলয়*
*কুসংস্কাৰৰ মায়াজাল ফালি*
*পোহৰ আনিবলৈ*
*দুৰ্জয় ডেকা শক্তি জন্ম দিয়া*
*তুমি এটি শিল্পালয়*
*হে, মঙলদৈ মহাবিদ্যালয় ।*

*শ্ৰীহিৰেণ ডেকা*
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
মঙলদৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

## সংগীত আৰু সাংস্কৃতিক বিভাগ



আগলিকা ঃ

পশুৰ পৰা মানুহ পৃথক বৃত্তিৰ বাবে আৰু বৰ্বৰতাৰ পৰা মানুহ উৰ্দ্ধত সংস্কৃতিৰ বাবে । এই বৃত্তিকেই যেতিয়া মানুহে সৌন্দৰ্য্য সৃষ্টিৰ দৃষ্টিৰে চাই তাত কলা প্ৰয়োগ কৰে তেতিয়া এই বৃত্তি সংস্কৃতিৰ অন্তৰ্ভুক্ত হয় । এক কথাত ক'বলৈ গ'লে সংস্কৃতি হ'ল এক প্ৰকাৰৰ জীৱন পদ্ধতি । জন্মৰ পৰা মৃত্যুলৈকে মানুহে যিবোৰ কাম-কাজেৰে জীৱন পঞ্জী সজায়, এই আটাইবোৰতে মানুহৰ জীৱন-দৰ্শন, চিন্তা আৰু ভাবাদৰ্শৰ স্ফুৰণ ঘটে । মানুহৰ সংস্কাৰ সম্মত কাৰ্য্য-কলাপৰ পৰিস্ফুৰণ সংস্কৃতিৰ অন্তৰ্গত । আজি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য্য আৰু উৎকৰ্ষৰ প্ৰয়োগ দেখা গৈছে । আমাৰ সাংস্কৃতিক পৰিমণ্ডলৰ বাবে ই এক শুভলক্ষণ । যিহেতু সংস্কৃতিক জীৱন প্ৰৱাহ বুলি অভিহিত কৰা হৈছে গতিকে এই কথাৰ খেও ধৰি আমি ক'ব পাৰো যে সংস্কৃতি এক শ্ৰোতস্বিনী জলধাৰা সদৃশ । এই গতিশীল পৃথিৱীত মানুহৰ সমস্ত কাৰ্য্য-কলাপেই গতিশীল । এই পৰিবৰ্তন আৰু গতিশীলতাৰলগত সংযুক্ত হৈ আছে সংমিশ্ৰণ । সংস্কৃতিক যেতিয়া মানসিক উৎকৰ্ষ সাধন আৰু মানৱীয় গুণৰ সম্যক বিকাশৰ অৰ্থত ব্যৱহাৰ কৰা হয় তেতিয়া ইয়াত সমাজৰ উন্নতিৰ ধাৰণা নিহিত হৈ থাকে ।

মানৱ জীৱনৰ কৰ্ম প্ৰণালী, সাহিত্য-সংগীত, ধৰ্ম, দৰ্শন আদি আটাইবোৰেই সংস্কৃতিৰ অন্তৰ্গত । মানৱ জীৱনৰ এই সমস্ত উৎসৰ পৰা আহৰিত হোৱা ধ্যান-ধাৰণাই সংস্কৃতিৰ বৰ ভেটিত গঢ় দিছে ।

শ্ৰদ্ধাঞ্জলি

এটা জাতিক জীয়াই ৰখাৰ মহান সংগ্ৰামত যিসকলে তেজেৰে ইতিহাস লিখিলে সেই বীৰ শ্বহীদ সকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগত শ্ৰদ্ধা নিবেদন কৰিছো যি সকলে আমাক বিশ্বৰ বুকুত এটা জাতি হিচাপে চিনাকী দিয়াৰ বাবে সংস্কৃতিৰ বৰ ভেটি গঢ়িলে, সেই সকল সংস্কৃতিৰ জনক, ধাৰক আৰু বাহকলৈ। ইংৰাজীত এষাৰ কথা আছে—"Culture is an Identity of a Nation". যদি সংস্কৃতিয়েই আমাৰ পৰিচয় পত্ৰ তেনেহ'লে সংস্কৃতিক বাদ দি আমি এটা জাতি গঠন কৰিব নোৱাৰো। যিসকল শিল্পী সাহিত্যিক আৰু সংস্কৃতিবিদে আমাক বিশ্বৰবুকুত এক পৰিচিতিৰ সুযোগ দিছে তেওঁলোক নিশ্চয় আমাৰ শ্ৰদ্ধাৰ যোগ্য।

**কাৰ্য্যকালৰ প্ৰেক্ষাপট ঃ**

মঙলদৈ মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সাংস্কৃতিক সম্পাদক হিচাবে নিৰ্বাচিত হৈ বিগত বছৰটোত মই যৎকিঞ্চিত এই মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ যত্ন কৰিছো তাৰ এটি থুলমূল আভাষ দিব বিচাৰিছো।

**মহাবিদ্যালয় সপ্তাহ ঃ**

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই আমাৰ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। এই মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰীৰ যোগদান সংখ্যানুপাতে আশানুৰূপ নহ'লেও ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতা সমূহত যোগদান কৰি আমাক উৎসাহিত কৰাৰ লগতে নিজৰ পাৰদৰ্শিতাও প্ৰমাণ কৰে। গীত-মাতৰ ক্ষেত্ৰত আধুনিক গীত, লোক-সংগীত, শাস্ত্ৰীয় সংগীত, বোলছবিৰ গীত আদি প্ৰায়বোৰ গীত মাততেই ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। নৃত্য আৰু বাদ্য প্ৰতিযোগিতাৰ ক্ষেত্ৰত আশানুৰূপ প্ৰতিযোগীৰ যোগদান পৰিলক্ষিত নহ'ল। একাংক নাট, ব্যঙ্গাত্মক নাট, মুকাভিনয়, একক অভিনয় আদি প্ৰতিযোগিতাও সফল ভাবেই অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও সঙ্গীত সন্ধিয়াৰ মঞ্চলৈ বিশেষভাবে আমন্ত্ৰণ কৰি অনা হয় সদ্য প্ৰয়াত চিৰসেউজ শিল্পী ৰিদিপ দত্তক। তেখেতৰ লগত আমাৰ সেই সঙ্গীত সন্ধিয়াৰ মঞ্চ শুৱনি কৰে উদীয়মান শিল্পী গৌতম শৰ্মা আৰু ভালেসংখ্যক স্থানীয় শিল্পীয়ে।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ**

বিগত ভালেমান বছৰৰ পৰা আমাৰ মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান কৰি আহিছে। বিগত বছৰটোত আমাৰ মহাবিদ্যালয়ৰ পৰা নাটক, মুকাভিনয় আৰু চাৰুকলা বিভাগত বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। এই বেলিও আমি এনে কৃতিত্বৰ সমভাগী হ'ম বুলি আশা কৰিছো।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত সকলো ফালৰ পৰা দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ বিভাগৰ তত্বাৱধায়ক শিক্ষাগুৰু শ্ৰীহৰিমন ডেকালৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। অধ্যক্ষ ড° লোকেশ্বৰ নাথে সংগীত আৰু সাংস্কৃতিক বিভাগটোৰ কেনেকৈ উন্নতি হয় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত কলেজ সমূহৰ, ভিতৰত এক যোগ্যস্থান লাভ কৰে তাৰ প্ৰতি সততে নজৰ ৰখাৰ বাবে তেখেতলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছো মোক সকলো ফালৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ। পৰিশেষত মই শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেইসকল ছাত্ৰ-ছাত্ৰীলৈ যি সকলে মোক উক্ত বিভাগত নিৰ্বাচিত কৰি তেওঁলোকক সেৱাঁ কৰাৰ সুযোগ দিলে।

**ক্ষমা প্ৰাৰ্থনা ঃ**

মোৰ কাৰ্য্যকালত জ্ঞাত বা অজ্ঞাত ভাবে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোলৈকে ক্ষমা বিচাৰিছো। "কেৰ্কেটুৱাৰ বাঁহপাতেই সম্বল" এই দৃষ্টিৰে চালে নিশ্চয় ক্ষমাৰ যোগ্য হ'ম।

**সামৰণি ঃ**

মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি মোৰ চিৰকাম্য। সংস্কৃতিৰ প্ৰকৃত অৰ্থ সকলোৱে হৃদয়ংগম কৰক। দুস্কৃতি আৰু অপসংস্কৃতিৰ তমসা আঁতৰাই সংস্কৃতিৰ জ্যোতিৰে জ্যোতিষ্মান হওঁক মন, মগজু আৰু হৃদয়। শেষত এই শুভ কামনাৰে—

"ওঁ সৰ্বে আত্মাঃ সুখীনসৎ
সৰ্বে শত্ৰুনিদা মায়া
সৰ্বে ভদ্ৰনিপস্যত
মা কশ্চ সুখনিদা ভাগ ভবেত ॥"

*শ্ৰীমুকুন্দ বৰদলৈ*
সম্পাদক

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# সাহিত্য বিভাগ



"সাহিত্যই সমাজৰ দাপোন স্বৰূপ"

জয় জয়তে মংগলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোক মহাবিদ্যালয়ৰ সাহিত্য বিভাগৰ সম্পাদক পদত নিৰ্বাচিত কৰা বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো । লগতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত শ্বহীদ হোৱা সকললৈ মোৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ । শ্ৰদ্ধাঞ্জলি নিবেদিছো এই সকল মনিষীলৈ যিসকলে অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়াই অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে ।

মোৰ কাৰ্য্যকালত বহু কিবাকিবি কৰিম বুলি ভাবিছিলো যদিও গোটেইখিনি কৰিবৰ সম্ভৱ নহ'ল । সাহিত্য বিভাগৰ জৰিয়তে বহুতো নবীন লেখক-লেখিকা সৃষ্টি কৰাই মোৰ মূলমন্ত্ৰ আছিল আৰু তেনে বহুতো প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীক সাহিত্য কৰ্ম সৃষ্টিৰ প্ৰেৰণা দিবলৈ প্ৰয়াস কৰিছিলোঁ । মোৰ কাৰ্য্যকালত চাৰিখন প্ৰাচীৰ পত্ৰিকা উলিওৱা হৈছিল আৰু তত ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিভা বিকাশৰ সুযোগ দিয়া হৈছিল । প্ৰাচীৰ পত্ৰিকাত প্ৰকাশ পোৱা লিখনিসমূহৰ নিৰ্বাচিত লিখনি সমূহ আলোচনীৰ জৰিয়তে প্ৰকাশ কৰিবলৈ আলোচনী বিভাগৰ সম্পাদকলৈ প্ৰেৰণ কৰাৰ দিহা কৰা হৈছে ।

আন্তঃ শিক্ষানুষ্ঠান সাহিত্য প্ৰতিযোগিতা শীৰ্ষক এখনি গল্প, কবিতা, প্ৰৱন্ধৰ পাণ্ডুলিপি প্ৰতিযোগিতাৰ আয়োজন কৰি নিৰ্বাচিত গল্প, কবিতা, প্ৰৱন্ধৰ লেখক সকলক পুৰস্কাৰৰ জৰিয়তে লিখিবলৈ উৎসাহ দিবলৈ চেষ্টা কৰোঁ । শংকৰদেৱৰ জন্ম জয়ন্তী উৎসৱটো মোৰ তত্বাৱধানত সাহিত্য বিভাগৰ উদ্যোগত অনুষ্ঠিত কৰা হয় ।

সদৌ শেষত মোৰ কাৰ্য্যকালত মোক বিশেষ ধৰণে সহায় সহযোগিতা কৰা বাবে সাহিত্য বিভাগৰ তত্বাৱধায়ক ছাৰ শ্ৰীডিম্বেশ্বৰ বৰুৱাদেৱৰ লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ ।

॥ ধন্যবাদেৰে ॥

*শ্ৰীদিশান্ত কুমাৰ ডেকা*
সম্পাদক, সাহিত্য বিভাগ

---

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# খেল বিভাগ

আন্তঃৰাষ্ট্ৰীয় বুজাপৰা তথা চিনাকীৰ এবিধ মাধ্যম হ'ল খেল । খেলৰ দ্বাৰাই এখন চুবুৰীকে ধৰি এখন ৰাষ্ট্ৰৰ লগত অন্য এখন ৰাষ্ট্ৰৰ চিনা পৰিচয় তথা ভাবৰ আদান-প্ৰদান হয় । আজিৰ দিনত নোবেল বঁটা বিজয়ী এজন যিমান বিখ্যাত এজন ভাল সুদক্ষ খেলুৱৈ তাতকৈ কোনো গুণে কম নহয় । শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনত এই খেলে পৃথিবীৰ সকলো দেশতে এক সুকীয়া আসন গ্ৰহণ কৰি আছিছে । আৰ্থিক দিশকে ধৰি অন্য সকলো ধৰণৰ কাৰ্য্যতে খেলৰ সুকীয়া স্থান আছে ।

অলিম্পিকত যোগদান কৰিব পৰা খেলুৱৈ নহ'লেও উন্নত মানৰ খেলুৱৈ আমাৰ মহাবিদ্যালয়ত আছে তাৰ প্ৰমাণ আমি পাইছো । ভৱিষ্যতে তেনেকুৱা খেলুৱৈ যে এই মহাবিদ্যালয়ৰ পৰা নোলাব তাক আমি ন দি ক'ব নোৱাৰো । সকলো দিশৰ পৰা সা-সুবিধা দিব পাৰিলে তেনেকুৱা খেলুৱৈ নিশ্চয় আমাৰ মাজত বিচাৰি পাম । ইয়াৰ এক প্ৰধান অন্তৰায় হৈছে অৰ্থনৈতিক অৱস্থা আৰু সুস্থ ক্ৰীড়া নীতিৰ অভাৱ । এটা সৰু সংঘৰ পৰা ধৰি প্ৰায় মহাবিদ্যালয়, বিদ্যালয় অৰ্থনৈতিক ভাবে পিছপৰা । সেয়েহে খেলুৱৈ সকলৰ প্ৰতিভা বিকাশ স্থল সমূহত আমি যোগদান কৰাৰ পৰা বঞ্চিত হ'ব লগাত পৰো । আমাৰ মহাবিদ্যালয় ইয়াৰ ব্যতিক্ৰম নহয় । দুখীয়া ৰাইজৰ প্ৰতি নজৰ ৰাখি মহাবিদ্যালয় কৰ্তৃপক্ষই বিভিন্ন শিতানত থকা মাচুল নিৰ্দ্ধাৰণ কৰোতে অন্য মহাবিদ্যালয়ৰ তুলনাত বহুত কম হয় । ফলত বিভিন্ন প্ৰতিযোগিতাত যোগদান কৰা সম্ভৱ হৈ নুঠে । খেলুৱৈ সকলৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ খেল বিভাগত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই কিছু পৰিমানে খেল বিভাগত থকা মাচুল বৃদ্ধি কৰিছে । ইয়াৰ একমাত্ৰ কাৰণ হ'ল বাহিৰৰ ভিন্ন প্ৰতিযোগিতাত যোগদান কৰি খেলুৱৈ সকলক উৎসাহ যোগোৱা । মোৰ তত্বাৱধায়ক ছাৰ অধ্যাপক শ্ৰীযুত শশীন চহৰীয়াদেৱে তেনেকুৱা প্ৰতিযোগিতাত যোগদান কৰিবৰ বাবে সদায় আগ্ৰহী, কিন্তু ই সপোন হৈ ৰৈছে । কাৰণ, অৰ্থনৈতিক অৱস্থা । বিশ্ববিদ্যালয়ৰ তত্বাৱধানত পতা বিভিন্ন প্ৰতিযোগিতাত আমি সকলোতে অংশ গ্ৰহণ কৰিব পৰা নাই ; একমাত্ৰ টকাৰ বাবে । কিন্তু আমি খেলুৱৈৰ অভাৱ কোনো দিনে অনুভৱ কৰা নাই । মোৰ তত্বাৱধায়ক ছাৰৰ পৰামৰ্শ মৰ্মে আৰু মহাবিদ্যায়ৰ অধ্যক্ষকৰ অনুমতি সাপেক্ষে আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত Athletic প্ৰতিযোগিতাত যোগদান কৰোঁ । খেলুৱৈ সকল আছিল মিছ শেৱালী বড়ো (স্নাতক ২য় বৰ্ষ), মিচ্ গীতাঞ্জলী দেৱী (স্নাতক ২য় বৰ্ষ), মিচ্ চাহিদা খাতুন (স্নাতক ২য় বৰ্ষ), শ্ৰীৰাজেন্দ্ৰ নাৰায়ণ দেৱ (স্নাতক ৩য় বৰ্ষ), শ্ৰীৰবিন বসুমতাৰী (স্নাতক ২য় বৰ্ষ), শ্ৰীজিতুমণি চহৰীয়া (স্নাতক ৩য় বৰ্ষ), শ্ৰীবিপুল চহৰীয়া (স্নাতক ২য় বৰ্ষ), শ্ৰীনৱজ্যোতি ৰাজবংশী (উঃমাঃ ১ম বৰ্ষ) আৰু পৰিচালক হিচাপে মই আৰু কুশল কলিতা যাওঁ । আমি মুঠতে বিভিন্ন খেলত মুঠ ১৫ টা পুৰস্কাৰ পাওঁ । ইয়াৰে সোন ১০ টা, ৰূপ ১টা আৰু ব্ৰঞ্জ ৪ টা । এনে খ্যাতি অকল খেলুৱৈ সকলৰ খ্যাতিয়েই নহয় । ইয়ে মঙলদৈ মহাবিদ্যালয়কে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অন্যান্য মহাবিদ্যালয়ৰ মাজত এক সুকীয়া সন্মান লাভ কৰাত সহায় কৰিলে ।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে অধ্যক্ষ মহোদয়ে যোৱাবেলি আমাৰ খেল পথাৰখনত এযোৰ লোৰ গ'ল পোষ্ট স্থায়ীভাবে নিৰ্মাণ কৰি দি কিছু খেলুৱৈ তথা ছাত্ৰ-ছাত্ৰীক সুবিধা প্ৰদান কৰে । লগতে উত্তৰা-দক্ষিণাকৈ এখন সুন্দৰ ক্ৰিকেট পিট্‌চো বনাই দিয়ে । কিন্তু এই খেল পথাৰখনৰ দক্ষিণৰফালে কিছু খলা-বমা থকা বাবে খেলৰ বাবে কিছু অসুবিধা হৈ আছে । ইয়াৰোপৰি স্থানীয় ৰাইজে গৰু-ছাগলী পথাৰখনত মেলি দিয়াৰ ফলত পথাৰ খনত সঘনে পানী জমা হোৱাৰ উপৰিও বাৰিষা বোকা হৈ পৰে । সেয়েহে এই প্ৰতিবেদনৰ যোগেদি অধ্যক্ষ মহোদয়ক খেলপথাৰখনলৈ দৃষ্টি নিক্ষেপ কৰিবলৈ অনুৰোধ জনালোঁ । মহাবিদ্যালয়ৰ খেল পথাৰখন যদিও আগৰ তুলনাত বহুপৰিমাণে উন্নত হৈছে তথাপি অধ্যক্ষ মহোদয়ে সুন্দৰভাবে গঢ়িতুলিব বুলি আশা কৰিলোঁ ।

কলেজ সপ্তাহত দেখা পোৱা বিভিন্ন খেলুৱৈৰ প্ৰতিভা কিছু পৰিমানে বিস্তৃতভাবে দেখুৱাবলৈ সক্ষম হৈছো । এইবাৰ অতি সাধাৰণভাবে হলেও আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতাখন পতা হ'ল । ইয়াত স্নাতক ৩য় বৰ্ষই কৃতিত্ব লাভ কৰে । ভাল খেলুৱৈ থকা স্বত্বেও পুঁজিৰ অভাৱৰ বাবে বিশ্ববিদ্যালয়ৰ দৰবাৰত থিয় কৰিব নোৱাৰিলোঁ । সেয়েহ আগন্তুক বৰ্ষত বিভিন্ন শিতানত যোগদান কৰিব পাৰিব বুলি মই আশা কৰিলোঁ ।

এইবাৰৰ কলেজ সপ্তাহত বহিঃদ্বাৰ খেল বিভাগত ছোৱালীৰ শাখাত শেৱালী বড়ো আৰু গীতাঞ্জলী দেৱীয়ে আৰু ল'ৰাৰ শাখাত ভূপেন ৰাজবংশীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে ।

মোৰ কাৰ্য্যকালত সততে পৰামৰ্শ দি সহায় কৰা মোৰ তত্বাৱধায়ক অধ্যাপক মানীয় শ্ৰীশশীন চহৰীয়া আৰু মঙলদৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ ওচৰত মই চিৰকৃতজ্ঞ । ইয়াৰ উপৰিও ছাত্ৰাবাস আৰু ছাত্ৰী নিবাসৰ বাসিন্দাকে ধৰি মোক সহায় কৰা মহাবিদ্যালয়ৰ অন্যান্য ছাত্ৰ-ছাত্ৰী তথা খেলুৱৈ, বন্ধু-বান্ধৱী সকলক শলাগ লৈছোঁ ।

সুস্থ ক্ৰীড়া নীতি গঢ়ি তুলিব পাৰিলে আৰু খেলুৱৈ সকলে কঠোৰ অনুশীলনীৰে প্ৰতিযোগী মনোবল বৃদ্ধি কৰিব পাৰিলে আমি হাজাৰজন দীপাংকৰ ভট্টাচাৰ্য্য বা ভোগেশ্বৰ বৰুৱাৰ জন্ম নিশ্চয় দিব পাৰিম । সদৌ শেষত ভৱিষ্যত খেলৰ চাহিদা বঢ়াৰ প্ৰতি লক্ষ্য ৰাখি কওঁ যে অভিভাৱক, সংঘ, বিদ্যালয়, মহাবিদ্যালয়, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে খেল বিভাগক এক সুকীয়া আসন দিয়ক, উপযুক্ত প্ৰশিক্ষণ দি প্ৰতিভা বিকাশ মুকলি কৰি দিয়ক তেতিয়া আমি টেঙাৰ বল খেলা খেলুৱৈ এজনক বিশ্বফুটবল কাপ প্ৰতিযোগিতাৰ খেল পথাৰত দেখা পাম ।

**জয়তু মঙলদৈ মহাবিদ্যালয়**
**জয়তু খেল বিভাগ**
**ধন্যবাদেৰে**

*শ্ৰীদীপক শৰ্মা*
সম্পাদক, খেল বিভাগ

ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# ব্যায়ামশালা বিভাগ



"মানৱ জীৱনত" শৰীৰ হ'ল মনৰ আভাসভূমি । শৰীৰক অৱলম্বন কৰি আৰু শৰীৰক মাধ্যম হিচাবে লৈহে মানুহে নিজৰ ভাব, চিন্তা, জ্ঞান, ইচ্ছা আদিক প্ৰকাশ কৰিব পাৰে । অৰ্থাৎ মানুহৰ মানসিক ক্ৰিয়াবোৰ দেহগত প্ৰক্ৰিয়াৰ ওপৰতহে নিৰ্ভৰশীল । আনহাতে শৰীৰৰ অংগ-প্ৰত্যংগ বিলাক মনে পৰিচালনা কৰে । দৈনন্দিন জীৱনৰ অভিজ্ঞতাৰ পৰাই আমি দেখা পাওঁ যে শৰীৰ সুস্থ আৰু নিৰোগী অৱস্থাত থাকিলে মন সতেজ আৰু প্ৰফুল্লিত হৈ থাকে । এক কথাত দেহ আৰু মনৰ ভিতৰত আছে এক নিবিড় আৰু অবিচ্ছেদ্য সম্পৰ্ক । সুস্থ জীৱনৰ বাবে সু-স্বাস্থ্য অপৰিহাৰ্য্য । সেয়ে ব্যায়ম অবিহনে সু-স্বাস্থ্য গঢ়িব নোৱাৰি । শৰীৰ চৰ্চা স্বাস্থ্যৰ অন্যতম চৰ্ত । এটি সুস্থ শৰীৰে মানৱ জীৱনত আশা-আকাংক্ষা, উৎসাহ-উদ্দীপনা, ৰং-বিৰং আদিবোৰ বজায় ৰাখে । এইবোৰে একেলগে এটি সুস্থ মন জগাই তোলে । শাৰীৰিক ব্যায়ম, আসন, মুদ্ৰা, প্ৰাণায়াম আদি যৌগিক ক্ৰিয়া সমূহৰ সহায়ত শৰীৰ দূষিত পদাৰ্থসমূহক শুদ্ধ কৰি ৰস-ৰক্তৰ পৰিচালনা আৰু পেশীগ্ৰন্থি আদিৰ মাজত ভাৰসাম্য বঢ়োৱা আৰু মজবুত কৰা হয় । শৰীৰ চৰ্চাৰ বিনিময়ত মানুহ বুদ্ধিসম্পন্ন, সুস্থদেহী আৰু শান্ত মন আদি গুণৰ অধিকাৰী হৈ উঠিব পাৰে ।

বিগত সময়ছোৱাত জাতীয় স্বকীয়তা ৰক্ষাৰ হেতুকে মাতৃভূমিৰ নিমিত্তে জাতীয় সংস্কৃতি ঐতিহ্যৰ ৰক্ষাৰ্থে নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া শ্বহীদ বীৰ সকলক শ্ৰদ্ধাৰে সুৱৰিছোঁ ।

দৰং জিলাৰ ভিতৰত ঐতিহ্যমণ্ডিত মহান শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয় । এই মহাবিদ্যালয়ত বিগত ইংৰাজী ১৯৯৭-৯৮ বছৰটোৰ বাবে মোক ব্যায়ামশালা বিভাগৰ সম্পাদক হিচাপে গুৰু দায়িত্ব অৰ্পণ কৰি যি মৰম-স্নেহ দিলে তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা শিক্ষাগুৰু সকললৈ মই মোৰ হিয়াভৰা কৃতজ্ঞতা জনাইছোঁ ।

**মঙ্গলদৈ মহাবিদ্যালয় সপ্তাহ ঃ** কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইটিমান দিনৰ পাছতেই আহে মহাবিদ্যালয় সপ্তাহ । মহাবিদ্যালয়ৰ পৰা কিছুমান ক্ষেত্ৰত সুবিধা পোৱা নাছিলো যদিও এই বিভাগৰ সকলোবোৰ প্ৰতিযোগিতা পতাৰ ক্ষেত্ৰত মই অকনো ত্ৰুটি কৰা নাই । এই বিভাগৰ প্ৰতিযোগিতা সমূহ -- ভাৰত্তোলন, দেহশ্ৰী, পাঞ্জা, স্কীপিং, সাতোঁৰ, যোগাসন, কংফু, টাইকোৱানড়ো আৰু কাৰেটে । এই খেল সমূহ পৰিচলানা কৰিবলৈ বহু কেইজন অভিজ্ঞতা সম্পন্ন ব্যক্তিক মাতি অনা হৈছিল । সেই সকললৈ মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ উক্ত প্ৰতিযোগিতাৰ প্ৰতিযোগীসকলৰ প্ৰতি মোৰ আন্তৰিক শুভেচ্ছা থাকিল । যাতে তেওঁলোকে উচ্চ মানদণ্ডৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয় তথা আমাৰ জিলাখনৰ সুনাম কঢ়িয়াই আনিব পাৰে ।

সম্পাদক হিচাবে মোৰ ওপৰত ন্যস্ত দায়িত্ব একাগ্ৰতাৰে পালন কৰিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিও মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক সকলো ধৰণৰ সুবিধা দিব পৰা নাই । যিহেতু মঙ্গলদৈ মহাবিদ্যালয়ত ব্যায়ামাগাৰ আৰু তাত থাকিব লগীয়া সামগ্ৰীসমূহ নাই । আমাৰ মহাবিদ্যালয়তো ব্যায়ামৰ প্ৰতি আগ্ৰহী বহুতো ছাত্ৰ-ছাত্ৰী আছে । মোৰ বিশ্বাস উপযুক্ত প্ৰশিক্ষণ আৰু সা-সুবিধা পালে তেওঁলোকে এই ক্ষেত্ৰত উজ্বল ভৱিষ্যত জীৱনত নিজকে আঁকোৱালি ল'ব পাৰিলে হয় । আৰু লগতে মহাবিদ্যালয়ৰ নাম উজ্বল কৰিব পাৰিব ।

মোৰ এই এবছৰীয়া কাৰ্য্যকালত মই কি কৰিলো বা নকৰিলো ইয়াৰ বিচাৰ নিশ্চয় আপোনালোকৰ মনত আছে । সেয়ে মোৰ সময়ছোৱাত অজানিতে হৈ যোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ । সদৌ শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি সেৱা জনাইছো ।

**জয়তু মঙ্গলদৈ মহাবিদ্যালয়**

*শ্ৰীনৱজ্যোতি ডেকা*
সম্পাদক, ব্যায়ামশালা

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# সমাজ সেৱা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে যাচিছোঁ অশ্ৰুঅঞ্জলি সেই সকললৈ যিসকলে অসমী আইৰ অস্তিত্বৰ কাৰণে প্ৰাণাহুতি দিলে আৰু যাচিছোঁ কৃতজ্ঞতা সেই সকললৈ যিসকলে মোক এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত কৰিলে ।

পুথি অধ্যয়নৰ পৰা পোৱা শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত আৰু শেষ শিক্ষা নহয় । প্ৰকৃত শিক্ষাই সকলো জ্ঞানকে সামৰি লয় । সমাজ সেৱাৰ দ্বাৰাই মহাবিদ্যালয়খনৰ অলপ হ'লেও কিবা পৰিবৰ্তন কৰিব পাৰিম বুলি আশা ৰাখিয়ে নিৰ্বাচনত উঠিছিলো । শেষত নিৰ্বাচনত জিকি মহাবিদ্যালয়ৰ উন্নতিৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিছোঁ ।

মোৰ কাৰ্য্যকালত ৩০ আগষ্ট তাৰিখে মহাবিদ্যালয়কনৰ চৌহদ পৰিষ্কাৰৰ কাৰণে এটি এদিনীয়া শিবিৰৰ আয়োজন কৰো । অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উক্ত শিবিৰত যোগদান কৰে । মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ অভিযানত অংশ গ্ৰহণ কৰি স্নাতক ৩য় বৰ্ষৰ ছাত্ৰী শ্ৰীপ্ৰণিতা শইকীয়াই প্ৰথম পুৰস্কাৰ, স্নাতক ২য় বৰ্ষৰ ছাত্ৰ শ্ৰীজয়দেৱ নাথ আৰু শ্ৰীধৰ্মেন্দ্ৰ ডেকাই যুটীয়াভাৱে ২য় পুৰস্কাৰ আৰু স্নাতক ২য় বৰ্ষৰ শ্ৰীধৰ্মদত্ত শৰ্মাই তৃতীয় পুৰস্কাৰ পায় ।

মোৰ এই কাৰ্য্যকালত বিভিন্ন সহায় সহযোগিতা আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীদেৱজিৎ নাথদেৱ লগতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে কৃতজ্ঞতা জনাইছোঁ ।

শেষত মোৰ অজ্ঞাত ভুলবোৰৰ ক্ষমা বিচৰাৰ লগতে মহাবিদ্যালয়ৰ সকলো দিশৰে উন্নতি কামনা কৰিলোঁ ।

"জয়তু মঙলদৈ মহাবিদ্যালয়"

*শ্ৰীসঞ্জয় কুমাৰ নাথ*
সম্পাদক, সমাজ সেৱা বিভাগ

------

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# ছাত্ৰ জিৰণি কোঠা বিভাগ



প্ৰতিবেনৰ আৰম্ভণিতে অসমৰ হকে প্ৰাণ আহুতি দিয়া সমূহ বীৰ শ্বহীদ সকলক মোৰ সশ্ৰদ্ধাৰ প্ৰণাম নিবেদিছো । মঙলদৈ মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মই নিৰ্বাচিত হওঁ । যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে উক্ত বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক ৰূপে মোক নিৰ্বাচিত কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছো ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

**কাৰ্য্যভাৰ গ্ৰহণৰ পিছতেই যোৱা ৩-২-৯৮ তাৰিখৰ পৰা ৭-২-৯৮** তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় । মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠা বিভাগৰ দ্বাৰা অন্তঃদ্বাৰ ক্ৰীড়া সমূহৰ প্ৰতিযোগিতা পৰিচালনা কৰা হয় । অন্তঃদ্বাৰ খেলসমূহৰ ভিতৰত ''মহাবিদ্যালয় সপ্তাহ'' বেডমিণ্টন, কেৰেম, ডবা আৰু টেবুল টেনিচ প্ৰতিযোগিতা পতা হয় । উক্ত খেলসমূহত কলেজৰ যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে । বিশেষকৈ কেৰেম আৰু বেডমিণ্টন প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে । বেডমিণ্টন আৰু কেৰেম প্ৰতিযোগিতাখনি তিনিটা শাখাত পতা হয় —একক, যুটীয়া আৰু ল'ৰা-ছোৱালীৰ যুটীয়া ভাবে । ছাত্ৰ জিৰণি কোঠাৰ নিজাকৈ টেবুল টেনিচ বৰ্ড নথকা বাবে খেলখন ছাত্ৰাবাসত অনুষ্ঠিত কৰা হয় । প্ৰতিযোগিতা সমূহৰ পুৰষ্কাৰ ''মহাবদ্যিালয় সপ্তাহ''ৰ মুকলি সভাত প্ৰদান কৰা হয় ।

প্ৰতিযোগিতা সমূহ সুন্দৰভাবে পৰিচালনা কৰাৰ বাবে প্ৰফুল্ল গগৈ, চিণ্টু, ডিপুল, কিশোৰ, শশীন দা, ৰাজীব দা, দ্বীপ কিশোৰ, জিতু, বন্ধু দীপক ছেত্ৰী আৰু মোৰ ৰুমমেট অৰুণ বড়ালৈ ধন্যবাদ জ্ঞাপন কৰিলো ।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্য্যকালত বিভিন্ন দিশৰ পৰা দিহা-পৰামৰ্শ তথা সহায় আগবঢ়োৱাৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু, ছাত্ৰ জিৰণি কোঠা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত জামালুদ্দিন আহমেদ ছাৰদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো । লগতে বিভিন্ন দিশত সহায় আগবঢ়োৱাৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° লোকেশ্বৰ নাথদেৱলৈ কৃতজ্ঞা জ্ঞাপন কৰিলো ।

বিশেষ ধৰণে সহায় কৰা মোৰ বন্ধু লব, পংকজ, বিপুল, বণজিৎ, দীপক, মুকুট আৰু মোজামিল খানদাৰ ওচৰত মই চিৰকৃতজ্ঞ । লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকল আৰু মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাসৰ সমূহ আবাসী সকললৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ ।

ছাত্ৰ জিৰণি কোঠা বিভাগৰ দায়িত্বপূৰ্ণ পদবীত এই অভাজনক নিৰ্বাচিত কৰাৰ কাৰণে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰকৃতজ্ঞ । মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো ।

**জয়তু মঙলদৈ মহাবিদ্যালয়**

**ধন্যবাদেৰে**

*শ্ৰীত্ৰৈলোক্য কুমাৰ নাথ*
সম্পাদক, ছাত্ৰ জিৰণি কোঠা বিভাগ

---

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

## ছাত্ৰী জিৰণি কোঠা বিভাগ



আলোচনীৰ শিৰোনামাত সম্পাদিকা গৰাকীয়ে বছৰটোৰ খতিয়ান দাঙি ধৰিবলৈ এটুকুৰা ঠাই থাকে । এই শিৰোনামা পূৰণ কৰা মোৰ কৰ্তব্য বুলি ভাবিয়েই ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন লিখিবলৈ হাতত কলম তুলি ল'লো । লিখি বা বৰ্ণনা কৰি এটা বছৰৰ খতিয়ান শ্ৰুতিমধুৰ ভাবে যুগুতোৱা বৰ জটিল কাম । অজ্ঞাতে কিবা বৈ যাব পাৰে । শ্ৰদ্ধাৰ আৰু মৰমৰ ছাত্ৰী-বান্ধৱীসকল, ইং ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰ একতাসভাৰ নিৰ্বাচনত অধিক সংখ্যক ভোটত জয়ী হৈ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ অলংকাৰ সাজ মোৰ গাত অৰ্পিত হ'ল । এই কথা আপোনালোক সকলোৰে জ্ঞাত । সাংবিধানিক নিয়ম অনুসৰি মাননীয় অধ্যক্ষ মহোদয় ড° লোকেশ্বৰ নাথ দেৱে নিৰ্বাচিত ছাত্ৰ একতা সভাৰ সমূহ প্ৰতিনিধিকে ইং ৫।১।৯৮ তাৰিখে শপত গ্ৰহণ পাঠ কৰায় । মই দায়িত্ব গ্ৰহণ কৰাৰ কিছুদিন পিছতেই ইং ৩।২।৯৮ তাৰিখৰ পৰা ৭।২।৯৮ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহৰ মৃদু-বা আমাৰ গাত লাগিল । আপোনালোকেও নিজকে শ্ৰেষ্ঠ বা প্ৰতিভাশালী প্ৰতিযোগি হিচাবে প্ৰস্তুত কৰি তুলিবলৈ উঠি পৰি লাগি গ'ল । মহাবিদ্যালয় সপ্তাহৰ বিষয়ে আন একো নিলিখি ভিন ভিন শিতানত পাৰদৰ্শিতা দেখুউৱা ছাত্ৰ-বন্ধু আৰু ছাত্ৰী-বান্ধৱী সকলৰ নামৰ তালিকা এখন প্ৰকাশ কৰি দিয়া হ'ল ।

| | | | | | | |
|---|---|---|---|---|---|---|
| বেডমিণ্টন (একক) | ছোঃ | (১) শ্ৰীমনালিছা ডেকা (বিজয়ী) | লুডু | ছোঃ | (১) শ্ৰীনিৰ্মালী বৰুৱা |
| | | (২) শ্ৰীআৰতি বৰুৱা (বিজেতা) | | | (২) শ্ৰীজ্যোতিপ্ৰভা শৰ্মা |
| বেডমিণ্টন (দলীয়) | ল'ৰা | (১) শ্ৰীধ্ৰুৱ কাশ্যপ (বিজয়ী) | কেৰম (একক) | | (১) শ্ৰীদিপিকা চহৰীয়া (বিজয়ী) |
| | ছোঃ | (১) শ্ৰীআৰতি বৰুৱা (বিজেতা) | | | (২) শ্ৰীকুসুম গোস্বামী (বিজেতা) |
| | ল'ৰা | (২) শ্ৰীদিগন্ত ডেকা (বিজয়ী) | কেৰম (দলীয়) | ছোঃ | (১) শ্ৰীমঞ্জু দেৱী (বিজয়ী) |
| | ছোঃ | (২) শ্ৰীমনালিছা ডেকা (বিজয়ী) | | | শ্ৰীমিনাক্ষী কলিতা (বিজেতা) |
| বেডমিণ্টন (দলীয়) | ছোঃ | (১) শ্ৰীআৰতি বৰুৱা (বিজয়ী) | | | (২) শ্ৰীজ্যোতি নাথ (বিজয়ী) |
| | | (১) শ্ৰীনৱনীতা (বিজেতা) | | | শ্ৰীজ্যোৎস্না বড়া (বিজয়ী) |
| | | (২) শ্ৰীমনালিছা ডেকা (বিজয়ী) | শ্ৰেষ্ঠ খেলুৱৈ ঃ শ্ৰীআৰতি বৰুৱা | | |
| | | (২) শ্ৰীজ্যোতিমা (বিজয়ী) | | | |
| ডবা | ছোঃ | (১) শ্ৰীচন্দ্ৰমা ৰাজবংশী | | | |
| | | (২) শ্ৰীশিখাজ্যোতি শৰ্মা | | | |

ইতিমধ্যে ইং ১৯৯৮ চনত হৈ যোৱা পাণ্ডু মহাবিদ্যালয়ত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা আন্তঃ মহাবিদ্যালয় ভিত্তিত পাৰদৰ্শিতা দেখুৱাই সন্মানৰ বঁটা কঢ়িয়াই অনা আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-বন্ধুৰলগতে আমাৰ ছাত্ৰী-বান্ধৱী শ্ৰীশেৱালী, শ্ৰীগীতাঞ্জলি, মিচ্ চাহিদা খাটুন সকলোটিকে শলাগ যাঁচিলো। আপোনালোকে জানি সুখী হ'ব ছাত্ৰী বান্ধৱী শ্ৰীশেৱালীয়ে (ডিচ্কাছ থ্ৰ, শ্বট পট, লং জাম্প) উক্ত শিতানত সগৌৰৱে খ্যাতি আৰ্জি আমাৰ মাজলৈ সন্মানৰ বঁটা কঢ়িয়াই আনিছে। বান্ধৱী শ্ৰীবড়োৱে আগলৈ উন্নতিৰ জখলা বগাই অধিক খ্যাতি অৰ্জন কৰক এয়ে মোৰ তেওঁলৈ শুভেচ্ছা।

লিখনিৰ কলম দাঙিবৰ হ'ল। এইখিনিতে আমাৰ ছাত্ৰ সকলৰ কিছু অভাৱ-অনাটনৰ কথা অকণমান উনুকিয়ালো। প্ৰায় নশ পঞ্চাশ গৰাকী ছাত্ৰীৰ অনুপাতে ছাত্ৰী জিৰণি কোঠাতো নিচেই সৰু। বহিবলৈ আসন কম। জোপোকা মৰা কোঠালী হোৱা হেতুকে মুকলি বতাহ চলাচল নকৰে। প্ৰবক্তা সকলৰ জিৰণি কোঠাৰ গাতে লাগি থকা হেতুকে পশ্চিমৰ মুকলি বতাহখিনি আবদ্ধ হৈ থাকে। মুকলি বতাহ বিচৰণ নকৰা হেতুকে প্ৰসাৱ আৰু শৌচাগাৰৰ দুৰ্গন্ধই কোঠালীটো বিয়পি থাকে।

এইখিনিতে যিসকল মান্য ব্যক্তিয়ে মোক দিহা পৰামৰ্শৰে সহায় সহযোগ আগবঢ়ালে তেখেত সকলক শ্ৰদ্ধাৰে স্মৰণ কৰিলোঁ। ছাত্ৰী জিৰণি কোঠাৰ ভাবপ্ৰাপ্ত অধ্যাপিকা মাননীয়া শ্ৰীযুতা বনানি চক্ৰৱৰ্তী বাইদেউৱে সকলো বিষয়তে মোক দিহা-পৰামৰ্শৰে আৰু বিভিন্ন খেলা-ধূলাত দৃষ্টি নিক্ষেপ কৰি হাত ফুৰাই সুচাৰুৰূপে পৰিচালিত কৰা হেতুকে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। সেইদৰে অধ্যাপিকা শ্ৰীচন্দ্ৰমা গোস্বামী, অধ্যাপক ড° হৰিশ চন্দ্ৰ ডেকা, শ্ৰীগিৰিশ চন্দ্ৰ গোস্বামী, শ্ৰীহৰিমন ডেকা, শ্ৰীডিম্বেশ্বৰ কলিতা, শ্ৰীডিম্বেশ্বৰ বৰুৱা, ড° বিজয় শৰ্মা, শ্ৰীবিচিত্ৰ মেধি আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰী শ্ৰীঘনকান্ত বৰুৱা, শ্ৰীসাধিৰাম বড়া, হৰি, ভদ্ৰ, উপেন, দিপালী আদি সকলোটিকে মোৰ আন্তৰিক কৃতজ্ঞতা যাছিলোঁ। প্ৰাক্তন ছাত্ৰ বন্ধু জয়ন্ত, পংকজ, অজয়, প্ৰণৱ ছাত্ৰ নিবাসৰ দাদা, বন্ধু, ছাত্ৰী নিবাসৰ বাইদেউ, বান্ধৱী সকলৰ সহায় সহযোগ মোৰ চিৰস্মৰণীয়। মোৰ বন্ধু-বান্ধৱী বুবুল, ধ্ৰুৱ, বিপুল, নিপাঙ্কৰ, শচীন, কুশল, দীপক, হিমাশ্ৰী, বঞ্জু, কবিতা, পল্লৱী, জাহ্নৱী, ৰেখা, প্ৰীতিশ্ৰী, গীতা, অৰ্চনা, প্ৰণীতা, কল্পনা, মিনু, ৰূপজ্যোতি, ৰশ্মি, গীতাঞ্জলী, মৰমী, জুৰিমণি, খঞ্জনা, পাৰুলৰ কথা স্মৰণ নকৰি নোৱাৰিলোঁ।

সম্পাদিকাৰ সুদীৰ্ঘ কালছোৱাত মই অজ্ঞাতে যদি কিবা ভুল কৰিছো বা অপ্ৰিয় ভাজন হৈছিলো তাৰ বাবে মোক ক্ষমা কৰে যেন। সম্পাদিকা হিচাবে ময়ো বন্ধু-বান্ধৱী সকলৰ ওচৰত কোনো ক্ষোভ ৰখা নাই আৰু নাৰাখো। আলোচনীখন আমাৰ দাপোন। ভিন ভিন শিতানত শিক্ষা, সংস্কৃতি, জ্ঞান-বিজ্ঞান, খেলা-ধূলাৰ দক্ষ শিল্পী প্ৰতিভাই এটা শিৰোনামা দখল কৰি ভুমুকি মাৰে। শিক্ষা জ্ঞান-বিজ্ঞানৰ বিচিত্ৰ কলা। বিচিত্ৰ জ্ঞানৰ পম খেদি সাহিত্যত সপোন ৰচি জীৱন ধাবিত হওঁক।

"জয় আই অসম"

*শ্ৰীআৰতি বৰুৱা*

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

# চাৰু-কলা বিভাগ



শিল্প বা কলা কি ? সাধাৰণতে আমাৰ মনত এই প্ৰশ্ন উদয় হয় যদিও ইয়াৰ সঠিক সংজ্ঞা আমি নাপাও । তথাপি মোৰ অভিজ্ঞতাৰ দ্বাৰা ইয়াকে ক'ব খোজো —সৃজনীমূলক সকলো সুন্দৰ সৃষ্টিকেই বহল ভাবে আমি কলা বুলি কওঁ । বিভিন্ন ৰূপ সৃষ্টিৰ জৰিয়তে আনন্দ প্ৰদান দিবলৈকে কলাৰ প্ৰচেষ্টা । সাধাৰণতে কলাৰ এই ৰূপ প্ৰকাশ পায় তিনিটা মাধ্যমৰ যোগেদি —সুৰ, ৰেখা আৰু শব্দৰ দ্বাৰা । সুৰৰ মাধ্যমেৰে আমি পাওঁ সংগীত ৰেখাৰ দ্বাৰা চিত্ৰ, নৃত্য, ভাস্কৰ্য্য-স্থাপত্য আৰু শব্দৰ দ্বাৰা সাহিত্য । সৌন্দৰ্য্য শাশ্বত সত্য । মানবীয়তাৰ প্ৰতিটো অনুভূতিত অথবা প্ৰকৃতিৰ কোঁহে কোঁহে নিহিত হৈ আছে সৌন্দৰ্যৰ সঠিক বিশ্লেষণ । কলাৰ মাজেদিয়েই মানবীয়তাৰ অনুভূতিত অথবা প্ৰকৃতিত নিহিত হৈ থকা সৌন্দৰ্য্যবোধৰ উদয় হয় ।

আনহাতে আকৌ কলা বা শিল্প হ'ল দুটি অবচেতন মন বা দুটা কল্পনা বিন্দুৰ মিলনভূমি । এটা কল্পনা বিন্দু শিল্পীৰ আৰু আনটো শিল্পভোক্তাৰ ।

সৃষ্টিৰ আদিম পুৰাতে গঢ়ি উঠা প্ৰকৃতিৰ অনন্য সৌন্দৰ্য্যক উপলব্ধি কৰাৰ ক্ষমতা সকলোৰে বাবে সম্ভৱ যদিও ইয়াক বিচাৰি উলিয়াৰ পৰাৰ ক্ষমতা মাথো সেইজন ব্যক্তিৰ বাবেহে সম্ভৱ যাৰ অন্তৰত লুকাই আছে এক অসাধাৰণ প্ৰতিভা যাৰ নাম শিল্পী । আমাৰ ক্ষুদ্ৰ জ্ঞান আৰু উপলব্ধিৰে ঢুকি নোপোৱা অথচ প্ৰকৃতিৰ প্ৰতিটো সৃষ্টিত লুকাই থকা সৌন্দৰ্য্যক বুটলি আনি নৱচেতনাৰ উন্মেষেৰে সজাই-পৰাই তুলিব পৰাটো মাথো শিল্পীৰ বাবেহে সম্ভৱ । কঁটেচ আয়েনেৰে শিল্পী সম্পৰ্কে মন্তব্য কৰিছিল —শিল্পী হোৱাৰ যন্ত্ৰণা সহ্য কৰিব পৰাটো মাথো তেনে লোকৰ বাবেহে সম্ভৱ, যিয়ে শিল্পীৰ সহজাত প্ৰতিভা লৈ জন্ম গ্ৰহণ কৰিছে ।

মঙ্গলদৈ মহাবিদ্যালয়ত থকা শিল্পী সকলক বিচাৰি উলিয়াই তেওঁলোকক উৎসাহিত কৰাৰ মানসেৰে এই বিভাগটিৰ দায়িত্ব বহন কৰিবলৈ আগবাঢ়ি আহিছিলোঁ । হয়তো আমাৰ মাজত অজ্ঞাত শিল্পী বহু আছে কিন্তু তেওঁলোকে বাহিৰত আহিবলৈ ইচ্ছা বা সাহস গোটাব পৰা নাই । এই বহুতৰ মাজত যিখিনিক মই লগ পাইছো তেওঁলোকৰ ইচ্ছা তথা শিল্পৰ প্ৰতি থকা ধাউতিতেই মই মোৰ সফলতা বিচাৰি পাইছো । আনহাতে যিখিনি শিল্পীক বাহিৰলৈ অনাত মই বিফল হৈছিলো সেইখিনিয়েই মোৰ বাবে কাৰ্য্যকালৰ সময়চোৱাত বিফলতা । মই নাজানো মই নতুন শিল্পী সকলক কিমান দিব পাৰিছো, কিন্তু ছাত্ৰ-ছাত্ৰী সলৰ পৰা লাভ কৰা মৰম চেনেহ, উৎসাহ, পৰামৰ্শ আদি সকলো মোৰ মনত এতিয়াও সন্নিবিষ্ট হৈ আছে ।

কাৰ্য্যভাৰ গ্ৰহণৰ আদিতে বহুতো আঁচনি প্ৰস্তুত কৰিছিলো । সেইমতে এইবাৰ মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ কাৰ্য্যসূচী তিনিদিন অনুস্থিত কৰো। প্ৰথম দুদিন এখন পুৰস্কাৰ ভিত্তিক প্ৰদৰ্শনীৰ লগতে থিতাতে অঁকা বিভিন্ন প্ৰতিযোগিতা সমূহ অনুস্থিত কৰো । এই তিনিদিনীয়া কাৰ্য্যসূচীত ওঠৰটা প্ৰতিযোগিতা সফলভাবে সমাপন কৰো কিন্তু ক্লে মডেলিং আৰু পোষ্টাৰ মেকিং প্ৰতিযোগিতা দুটা প্ৰতিযোগিৰ অভাৱত অনুস্থিত কৰিব পৰা নগ'ল । নাজানো, এই ব্যৰ্থতাৰ আঁৰত কি আছে । কিন্তু যিখিনি প্ৰতিযোগিয়ে চাৰু-কলাত অংশ গ্ৰহণ কৰিছিল তেওঁলোকক মই অকৃত্ৰিমভাবে সহায় আগবঢ়াইছিলো।

চিৰাচৰিত ব্যৱস্থাৰ পৰা আঁতৰি নতুন কিবা এটা কৰাৰ প্ৰচেষ্টা কৰিছিলো । সেয়ে মহাবিদ্যালয় সপ্তাহত পুৰস্কাৰ হিচাবে প্ৰতিযোগী সকলক বিতৰণ কৰিবলৈ পোন প্ৰথমবাৰৰ বাবে মই কাপৰ ব্যৱস্থা কৰিলো । তাৰোপৰি ১৯৯৮ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুস্থিত যুৱ-মহোৎসৱত প্ৰাক্তন চাৰু-কলাৰ সম্পাদক শ্ৰীহিতেশ হাজৰিকাক তেওঁ মঙ্গলদৈ মহাবিদ্যালয়ৰ হৈ ৰূপৰ পদক লাভ কৰা বাবে মই এখন শ্ৰীব্দৰে সম্বৰ্দ্ধনা জনাও । শ্ৰীহিতেশ হাজৰিকাই এই পদকটো প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি লাভ কৰিছিল । তেওঁ মঙ্গলদৈ মহাবিদ্যালয়ৰ গৌৰৱ ।

আমি সদায় ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ভৱিষ্যৎ গঢ়িব নোৱাৰিব পাৰো ; কিন্তু ভৱিষ্যতৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক নিশ্চয় গঢ়িব পাৰো —এই উদ্দেশ্য আগত লৈ সুকুমাৰ কলাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো যদিও ভৱিষ্যতৰ বাবে গঢ় ল'বলৈ মোৰ পৰা কোনো ছাত্ৰ-ছাত্ৰীয়ে কি পালে সেয়া মোৰ বাবে অজ্ঞাত।

শেষত মই যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়াইছিল তেওঁলোকক কৃতজ্ঞতা জ্ঞাপন কৰিছো । মোৰ কাৰ্য্যকালত তত্ত্বাৱধায়ক হিচাপে থকা শ্ৰীডিম্বেশ্বৰ কলিতা ছাৰ লগতে বিচাৰক হিচাপে আমন্ত্ৰণ কৰি অনা শ্ৰদ্ধাৰ ব্যক্তি সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

সদৌ শেষত মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

**জয়তু মঙ্গলদৈ মহাবিদ্যালয়**

**জয়তু চাৰু-কলা বিভাগ**

*শ্ৰীপ্ৰণৱ কুমাৰ ডেকা*

সম্পাদক চাৰু-কলা বিভাগ

## ছাত্ৰ একতা সভাৰ প্ৰতিবেদন

## তৰ্ক আৰু বক্তৃতা বিভাগ



At the very begining of my yearly report I would like to convey my heartiest thanks to all the students of Mangaldai College for giving me the chance to serve this great institution of Darrang Dist. as a Debate and Talk Secretary. I cannot forget the love and affection of the students of Mangaldai College in this regard.

I took the charge of Debate and Talk Secretary after few days of election. And I along with my prof. in-charge began to make a preparation for college week. Our college week started from 3rd Jan. to 7th Jan, '98. There were five competiotions under Debate and Talk Section, which were held in 5th Jan. '98. The prizes were distributed by the hon'ble invited guest, the vice-principal of Mangaldai B.Ed. College, Dr. Birandra Nath Deka where the Principal, Mangaldai College Dr. L. Nath and Prof. in-charge Dr. H.C. Deka were also present.

I am very thankful to my prof. in-charge, Dr. H.C. Deka who helped and guided me throughout my tenure, otherwise it would have been very difficult to carry out my duties smoothly.

"SWAHID MEMORIAL ALL ASSAM INTER COLLEGE DEBATING COMPETITION", one of the great functions of Mangaldai College was held, besides the college week festival, like other years in 22nd Sept. '98. A 'Nameplate' of the Secretary was made by me in this session.

I have tried to remove all the problems which were associated with Debate and Talk Section. I tried to perform my duties and responsibilities in the most effective way and any lapse on my part may kindly be excused due to lack of adequate experience.

At the end, I would like to thank all the students', teachers and my friends who helped, guided and co-operated with me during my session and wish a bright future of Mangaldai Colege. Long live Mangaldai College.

**Long live M.C.S.U.**

***Mrinal Kumar Rajbongshi***
Secretary
Debate and Talk
M.C.S.U.

## প্ৰতিবেদন

# ৰাষ্ট্ৰীয় সেৱা আঁচনি



প্ৰতিবেদনৰ [illegible] বন্তণিতে সেইসকল মহান ব্যক্তিলৈ মই নতশিৰে প্ৰণিপাত জনাইছো, যিসকল ব্যক্তিৰ প্ৰচেষ্টাত এই মঙলদৈ মহাবিদ্যালয়খন গঢ়ি উঠিছিল [illegible] লগতে জাতিৰ প্ৰতিটো বিপদাৱস্থাত মাত মাতিবলৈ গৈ যি সকল মহান আত্মাই প্ৰাণ আহুতি দিলে তেৰা সকললৈয়ো মই মোৰ শ্ৰদ্ধা নিবেদিছোঁ। কৃতজ্ঞ [illegible] জ্ঞাপন কৰি[illegible], সেই সকললৈ যি সকলৰ দ্বাৰা মই ১৯৯৭-৯৮ চনৰ বাবে মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ অধিনায়করূপে মনোনী[illegible] [illegible]বিদ্যালয়খনৰ কিঞ্চিৎ সেৱা আগবঢ়াবলৈ সুবিধা পালো।

মই মোৰ কাৰ্য্যকালত কি কৰিলো অথবা কি নকৰিলো তাৰ এক বিশাল বিৱৰণ দি প্ৰতিবেদনৰ দায়িত্ব এবাৰ বিচৰা নাই। বিচাৰিছো ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) এটাৰ দৰে স্বেচ্ছাসেৱী অনুষ্ঠান এটাৰ গুৰুত্ব কিমান আৰু আমাৰ মহাবিদ্যালয়ে এই ক্ষেত্ৰত কিমান সফল হ'ব পাৰিছে। মহাবিদ্যালয় এখন এনে অনুষ্ঠান এটাৰ জৰিয়তে সমাজ তথা ছাত্ৰ-ছাত্ৰী সকলো কি ধৰণে উপকৃত হ'ব পাৰে তাৰ বিষয়ে বহলাই কোৱাৰ প্ৰয়োজনো নাই। কিন্তু আমাৰ মহাবিদ্যালয়খনৰ এই আঁচনিয়ে এতিয়াও সেই উপকাৰখিনিক সমাজ তথা ছাত্ৰ-ছাত্ৰীৰ মাজলৈ সম্পূৰ্ণকৈ প্ৰসাৰিত কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ আঁচনি গোটটোৰ [illegible]ভাৱ-অভিযোগ আৰু পৰিচালনাৰ অভাৱ। এতিয়াও মহাবিদ্যালয়খনৰ এই ৰাষ্ট্ৰীয় সেৱা আঁচনিত প্ৰতিবছৰে প্ৰায় ৫০০তকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে [illegible] ভৰ্তি কৰে, কিন্তু তেওঁলোকক বিশেষকৈ সা-সঁজুলিৰ অভাৱতে মহাবিদ্যালয়খনৰ দুই এটা সাধাৰণ কামৰ বাহিৰে অন্য কোনো কামতে নিয়োগ কৰিব নোৱাৰি আৰু মই ভাবো সেৱা আঁচনিৰ প্ৰতিটো কাৰ্য্যৰ জৰিয়তে দেশ এখনৰ সামাজিক উন্নতি হোৱাতোৱেই মূল উদ্দেশ্য হোৱা উচিত। উদাহৰণ স্বৰূপে ছাত্ৰ শক্তিৰ এই অনুষ্ঠানৰ দ্বাৰা আমাৰ দেশৰ অন্ততঃ পিছপৰা অঞ্চলবোৰত ৰাস্তা-পদূলি-দলং-পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিকে ধৰি বহু ক্ষেত্ৰত সহায় কৰিব পাৰি। বৰ্তমান সময়ত গাওঁ, চহৰৰ ৰাস্তা-পদূলিৰ প্ৰতি চৰকাৰ তথা ওপৰ মহলাৰ গুৰুত্ব প্ৰায় নোহোৱাৰ দৰেই হৈ আহিছে, প্ৰায়বোৰ উচ্চ মহলাৰ মানুহ এতিয়া নিজৰ পদূ[illegible] আৰু মহলা নিৰ্মাণতে ব্যস্ত হৈ পৰিছে। এনে স্থলত আমাৰ যাতায়ত তথা অন্য কিছুমান দিশ হৈ আহিছে অন্ধকাৰ। সেয়ে যদি ছাত্ৰ শক্তিৰে এনে কিছুমান [illegible]ষ্ঠানৰ দ্বাৰা সমাজৰ হিত সাধন কৰিব পাৰি তেতিয়া সেয়া আমাৰ বাবে এক বৃহৎ সাফল্য হ'ব। কিন্তু ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক লাগিব নিম্নতম প্ৰয়োজনী[illegible] সা-সুবিধা। মঙলদৈ [illegible]হাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অতি ভালদৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সা-সুবিধা তথা অভাৱ অভিযোগৰ কথা জানে। আনকি কেতিয়াবা মহাবিদ্যালয়খনত দুই এটা শিবিৰ পাতিলেও ছাত্ৰ-ছাত্ৰীসকলৰ হাতত দা-কোদাল তুলি দিব পৰা নাযায়। এতিয়াও মহাবিদ্যালয়খনৰ এই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ নামত কোনো নিজস্ব পুঁজি নাই। যাৰ বাবে সকলো সমস্যাৰ সৃষ্টি হয়। সেয়ে মহাবিদ্যালয়ৰ অধ্যক্ষৰ এই ক্ষেত্ৰত মই দৃষ্টি আকৰ্ষণ কৰাৰ বিচা[illegible]ৰিছো।

মই অধিনায়ক হৈ থ[illegible] সময়ত সমূহ কাৰ্য্যসূচী চলাই নিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকলৰ সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশা কৰিছোঁ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটটোৱে মহাবিদ্যালয়খনৰ সন্মান অটুট ৰাখিব পাৰিব। শেষত মহাবিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰ [illegible]তি কামনা কৰিলো। লগতে ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত অজানিতে হোৱা ভুলবোৰৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিছো।

জয়তু মঙলদৈ মহাবিদ্যালয়

শ্ৰীহৃদয়ানন্দ গোস্বামী
অধিনায়ক
ৰাষ্ট্ৰীয় সেৱা আঁচনি